
# অসমৰ লোক-স



398.41/
BAR

ড° বিৰিঞ্চি কুমাৰ বৰুৱা

# অসমৰ লোক-সংস্কৃতি

ড° বিৰিঞ্চি কুমাৰ বৰুৱা

বীণা লাইব্ৰেৰী
গুৱাহাটী ঃ অসম

*Asamar Loka-Samskriti*, written by Late Birinchi Kumar Barua, a study on the popular culture of Assam incorporating the folklore of fish, serpents, fowls, betel-chewing, food and medicine, oaths and curses, ceremonial dances and festivals; house building, dress, ornament and handicrafts also includes chapter of folk literature of Assam. Published by Sri Santiranjan Dey, Bina Library, College Hostel Road, Panbazar, Guwahati-781001, Assam.

| | | |
|---|---|---|
| 1st Edition | : | March, 1961 |
| 2nd Edition | : | September, 1985 (Bina Library) |
| 3rd Edition | : | 1989 |
| 4th Edition | : | 1992, 1995 |
| 5th Edition | : | 1997 |
| 6th Edition | : | 1999 |
| 7th Edition | : | December, 2002 |
| 8th Edition | : | September, 2005 |

Acc. 13262
398.41
BAR

Copyright reserved. No part of this book can be reproduced and reused anywhere by anybody in any form without the prior written permission.

Distributor : Bina Library, College Hostel Road, Guwahati -781 001.
☎(0361)2544081.

Price : Rs. 90.00

Printed at :
Ajanta Printers
61, Surya Sen Street
Kolkata-700009

# আগকথা

Popular Culture of Assam নামে ইংৰাজীত এখনি গ্ৰন্থ যুগুত কৰা হৈছে। অসমৰ লোক-সংস্কৃতি সেই পুথিৰে অসমীয়া তাঙৰণ।

'অসমৰ লোক-সংস্কৃতি'ৰ ৰচনাত শ্ৰীকেশৱ মহন্ত, শ্ৰীমতী প্ৰীতি বৰুৱা আৰু শ্ৰীমতী মঞ্জুমালা বাজখোৱাই সহায় কৰিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ শ্ৰীযোগেন চেতীয়া, শ্ৰীকেশৱানন্দ গোস্বামী আৰু শ্ৰীমুকুন্দ চন্দ্ৰ শৰ্মাই নানা তথ্যপাতি গোটাই দিছে। 'গৃহ-নিৰ্মাণ' অধ্যায়ৰ কথাখিনি শ্ৰীকেশৱানন্দ গোস্বামীয়ে সংগ্ৰহ কৰা।

এই পুথিত ভালেমান ইংৰাজী গ্ৰন্থৰ সহায় লোৱা হৈছে; কোনো কোনো ক্ষেত্ৰত হুবহু অনুবাদো কৰা হৈছে। ইংৰাজী সংস্কৰণৰ যথাস্থানত তাক স্বীকাৰ কৰা হ'ব।

আলোক-চিত্ৰ সংগ্ৰহত ডক্টৰ প্ৰফুল্লদত্ত গোস্বামী, অধ্যাপক শ্ৰীমাধৱ চন্দ্ৰ গোস্বামী আৰু অধ্যাপক শ্ৰীতৰুণ চন্দ্ৰ শৰ্মাই লাগি ভাগি দিছে। শ্ৰীপ্ৰেমধৰ চৌধুৰী, শ্ৰীমুৰাৰীমোহন দাস আৰু গুৱাহাটী বয়ন বিভাগৰ বিষয়াসকলেও আলোক-চিত্ৰ গ্ৰহণত সহায় কৰিছে।

কলিকতাৰ শ্ৰীনৰেন্দ্ৰনাথ গাঙ্গুলীৰ পৰা হাতীধৰা বিষয়ক আলোক-চিত্ৰ পোৱা গৈছে।

শ্ৰীজীৱন ঘোষালে ভালেকেইখন আলোক-চিত্ৰ তুলি দিছে।

স্বৰ্গীয় কাণুৰাম দাসে পুৰণি পুথিৰপৰা কেইবাখনো চিত্ৰ আঁকি দিছে।

'অসমবাণী'ৰ সম্পাদক শ্ৰীসতীশচন্দ্ৰ কাকতিয়ে কেইবাটাও ব্লক প্ৰকাশ কৰিবলৈ দিছে। ক'বলৈ গ'লে শ্ৰীকাকতিৰ উৎসাহতহে 'অসমৰ লোক-সংস্কৃতি'ৰ ৰচনাৰ সূচনা। এই পুথিৰ প্ৰথম অধ্যায়ৰ প্ৰবন্ধ ধাৰাবাহিকভাৱে প্ৰথমতে 'অসমবাণী' প্ৰকাশ হৈছিল। 'অসম সাহিত্য সভা পত্ৰিকা', 'নতুন অসমীয়া', 'আৱাহন' আৰু 'প্ৰতিনিধি'তো এই পুথিৰ প্ৰবন্ধ প্ৰকাশ হৈছিল। অৱশ্যে বৰ্তমান গ্ৰন্থত সেই প্ৰবন্ধসমূহৰ বঢ়া-টুটা কৰা হৈছে।

এইখিনিতে এই সকলোলৈকে আন্তৰিক কৃতজ্ঞতা আগবঢ়ালোঁ। অসমৰ লোক-সংস্কৃতিৰ লগত তেওঁলোকৰ সহায়-সহযোগ, উৎসাহ-প্ৰেৰণা অক্ষয় হৈ থাকিব।

প্ৰায় ছকুৰি চিত্ৰ-সংযুক্ত পুথি এখনি সম্পূৰ্ণ নিজৰ ধন ভাঙি ছপোৱা সহজসাধ্য নহয়। অসম প্ৰকাশন পৰিষদে কিঞ্চিৎ কৰি বঞ্চিত নকৰি ঋণ দিয়াতহে অসমৰ লোক-সংস্কৃতিৰ প্ৰকাশ সম্ভৱ হ'ল। তাৰ বাবে অসম প্ৰকাশন পৰিষদৰ ওচৰত লিখক যথাৰ্থতে ঋণী।

এই পুথি ছপাওঁতে শ্ৰীকালীচৰণ পালৰ ওপৰত কি অত্যাচাৰ কৰা হৈছে সেই কথা তেওঁ জানে আৰু লিখকে জানে। ভৱিষ্যতেও গ্ৰন্থকাৰৰ এনে অত্যাচাৰ সহিবলৈ ভগৱানে শ্ৰীপালক শক্তি দিয়ে যেন।

অসমীয়া পাঠকৰ মৰম-চেনেহৰপৰা কেতিয়াও বঞ্চিত হোৱা নাই; ভৱিষ্যতেও নহ'ম — এয়ে প্ৰাৰ্থনা।

গুৱাহাটী
মাৰ্চ, ১৯৬১

শ্ৰীবিৰিঞ্চি কুমাৰ বৰুৱা

Accession No. 13262
Date..........

Govt. of Assam
Library Grant
"Under Assam Vikash Yojana"

অসমীয়া ভাষা-সংস্কৃতিৰ চৰ্চাত
যিজনৰ ওচৰত দীক্ষিত হৈছিলোঁ
যিজনৰ অকৃত্ৰিম স্নেহ, অসীম প্ৰেৰণা
লাভৰ সৌভাগ্য ঘটিছিল
সেই বাণীকান্ত কাকতিলৈ
শ্ৰদ্ধাঞ্জলি

THE NORTH GAUHATI COLLEGE LIBRARY
Am 3891
C.I.
COLLEGE NAGAR, GAUHATI-31

# সূচী


| বিষয় | পিঠি |
|---|---|
| আগকথা ... ... | i–ii |
| অসমৰ লোক-সংস্কৃতি ... ... | ১—২৪ |
| সাধাৰণ আলোচনা ঃ ধৰ্ম সম্বন্ধীয় লোক-বিশ্বাসঃ জীৱ-জন্তু সম্বন্ধীয় লোক-বিশ্বাস ঃ শিল পূজা, বৃক্ষ পূজা, কৃষি সম্বন্ধীয় লোক-বিশ্বাস ঃ প্ৰকৃতি পূজাঃ ভবিষ্যৎ-গণনা ঃ ভিন ভিন সংস্কাৰ ঃ লোক-উৎসৱ আৰু লোক-নৃত্য, খেল-ধেমালি | |
| ভৌগলিক পৰিবেশ ... ... | ২৫—৩৭ |
| লোক-সাহিত্য ... ... | ৩৮—৫২ |
| লোক-বিশ্বাসত সাপ ... ... | ৫৩—৬৩ |
| লোক-বিশ্বাসত মাছ ... ... | ৬৪—৮৬ |
| লোক-বিশ্বাসত কুকুৰা চৰাই ... ... | ৮৭—৯৮ |
| লোক-বিশ্বাসত তামোল-পাণ ... ... | ৯৯—১০৮ |
| নগ্নতা, অশ্লীলতা আৰু শাও-শপনি ... ... | ১০৯—১১৪ |
| গৃহ-নিৰ্মাণ — সাধাৰণ ঘৰ ঃ নামঘৰ নিৰ্মাণ ... ... | ১১৫—১৩০ |
| সাজ-পাৰ ... ... | ১৩১—১৩৭ |
| খোৱা-বোৱা ... ... | ১৩৮—১৪৮ |
| বেজ-বেজালি ... ... | ১৪৯—১৫২ |
| উৎসৱ-অনুষ্ঠান ... ... | ১৫৩—১৭০ |
| ধৰ্মমূলক নৃত্য ... ... | ১৭১—১৮০ |
| বাদ্য-যন্ত্ৰ ... ... | ১৮১—১৮৫ |
| লোক-শিল্প ... ... | ১৮৬—১৯২ |

বিষয় পিঠি


গাঁও ... ... ১৯৩—১৯৯
ভাষা ... ... ২০০—২০৪
সামৰণি ... ... ২০৫—২০৭
পৰিশিষ্ট ... ... ২০৮
সংযোজন ... ... ২০৮
শুধৰণী ... ... ২১০
চিত্ৰ-সূচী ... ... ২১১—২১৭


•••

# অসমৰ লোক-সংস্কৃতি

## সাধাৰণ আলোচনা

জাতিৰ লোক-সংস্কৃতিৰ স্বৰূপ লোক-সাহিত্যত আৰু লোক-বিশ্বাসসমূহত প্ৰকাশ পায়। অসমীয়া লোক-সংস্কৃতিৰ বিষয়ে চৰ্চা কৰিবলৈ সেই কাৰণে প্ৰথমে অসমৰ এই অলিখিত অমূল্য সাহিত্যৰাজিৰ সংগ্ৰহ আৰু বিশ্লেষণ প্ৰয়োজন। জাতিৰ আদিম অৱস্থাৰপৰা সভ্য স্তৰলৈকে আঁত নিছিগাকৈ চলি অহা জনশ্ৰুতিয়েই হ'ল লোক-সাহিত্য। ই গদ্য আৰু গীত দুয়ো ৰূপতেই যুগ যুগ ধৰি সমাজৰ মুখে মুখে সৃষ্ট আৰু সংৰক্ষিত। ধৰ্ম অনুষ্ঠান, পূজা-পাতল লোক-বিশ্বাস, নিয়ম-কানুন, সাধু-উপাখ্যান, পুৰা-কাহিনী, প্ৰকৃতিৰ ব্যাখ্যা, নৃত্য-নাট্য, অভিনয়, ক্ৰীড়া, কৌতুক—এই সকলোবে সমাহাৰত লোক-সংস্কৃতি সম্পূৰ্ণ। লোক-সাহিত্য আৰু লোক-বিশ্বাস জনসাধাৰণ সম্পৰ্কীয় বিজ্ঞান নহয়; ই পৰম্পৰাগতভাৱে চলি অহা লোক-বিজ্ঞানহে। মানৱ জাতিয়ে যুগ যুগ ধৰি যি অভিজ্ঞতা লাভ কৰিলে, যি যি কথা শিকিলে, যিসমূহ বিষয় চৰ্চা কৰিলে—সেই সকলোৰে সঞ্চয়-ভাণ্ডাৰ হ'ল লোক-সাহিত্য আৰু লোক-বিশ্বাস। লোক-সাহিত্য আৰু লোক-বিশ্বাসৰ মাজতেই জাতিৰ মনোজগত আৰু জীৱন-যাপন আদৰ্শৰ পৰিচয় ওলায়। জাতিৰ ধাৰ্মিক, সামাজিক, মনস্তাত্ত্বিক বিষয়সমূহৰ উপলব্ধিত লোক-সহিত্যই মূল উপাদান। জাতীয় চৰিত্ৰ বিশ্লেষণ কৰিবলৈ সেই কাৰণেই লোককথাবিদ্‌সকলে জাতিৰ এই অলিখিত সাংস্কৃতিক তথ্যসমূহ সংগ্ৰহ কৰে।

লোক-সংস্কৃতি আৰু লোক-বিশ্বাস অনুসন্ধানকাৰীসকলক বৰ্তমান তিনি শ্ৰেণীত ভাগ কৰা হয়। প্ৰথম হৈছে, ভাৰতীয় শ্ৰেণী; এওঁলোকৰ ভিতৰত ম'ৰিচ ব্লুমফিল্ডৰ স্থান প্ৰধান। ম'ৰিচ ব্লুমফিল্ডৰ প্ৰণালীমতে চৰ্চা কৰাসকলে সংস্কৃত আৰু সেই গোষ্ঠীৰ ভাষাসমূহ (গ্ৰীক, জাৰ্মান) অধ্যয়ন কৰি ঘাইকৈ ভাষাৰ দৃষ্টিৰপৰা ভাৰতৰ আৰু ইউৰোপৰ লোক-সংস্কৃতিৰ গৱেষণা আৰম্ভ কৰে। তেওঁলোকে ভাষা-উপভাষাৰ জন্ম, পৰিবৰ্তন, বিকৃতিৰ বিষয়ে আলোচনা চলাইছে; শব্দ বাক্যাংশৰ অৰ্থৰ মূল আৰু পৰিণতিৰ কাৰণ নিৰ্ণয় কৰিছে; মানুহৰ মুখে মুখে প্ৰচলিত শব্দৰাজি আৰু ধ্বনি সংগ্ৰহ কৰিছে। ভাষা আৰু সাহিত্যৰ বুৰঞ্জীও এওঁলোকৰ আলোচনাৰ সহায়ক। ভাষাৰ লগত সেই ভাষা কোৱা মানুহৰ অঙ্গাঙ্গী সম্বন্ধ; গতিকে ভাষা-উপভাষাৰ চৰ্চাৰ লগত এই শ্ৰেণীৰ পণ্ডিতসকলে জাতীয় জীৱন আৰু ইতিহাসৰো প্ৰাসঙ্গিক চৰ্চা কৰে।

দ্বিতীয় শ্ৰেণীৰ সৰহভাগ হ'ল নৃতত্ত্ববিদ আৰু সমাজ-বিজ্ঞানী; ইয়াৰে ভিতৰত প্ৰধান হ'ল ফ্ৰেঞ্চ বোৱাচ। এওঁলোকে ঘাইকৈ আমেৰিকাৰ প্ৰাচীন জাতিসমূহৰ লোক-সংস্কৃতিৰ বিষয়ে গৱেষণা কৰিছে। ভাৰতীয় শ্ৰেণীটোৰ দৰে তেওঁলোকেও ভাষা-উপভাষা অধ্যয়ন কৰিছে। কিন্তু ভাৰতীয় শ্ৰেণীটোৱে প্ৰধানতে লিখিত ভাষাৰ আলমত (অৰ্থাৎ সংস্কৃত আদিত ৰচিত প্ৰাচীন গ্ৰন্থ) লোক-সংস্কৃতিৰ বিচাৰ কৰিছে। আমেৰিকাৰ পণ্ডিতসকলৰ অৱশ্যে এই সুবিধা নাই; তেওঁলোকে অলিখিত ভাষা আৰু সাহিত্যৰ ওপৰতে ঘাইকৈ নিৰ্ভৰ কৰিব লগা হৈছে। এই বিষয়ে তেওঁলোকে নতুন নতুন পদ্ধতি অনুসৰণ কৰি বিভিন্ন জাতিৰ অলিখিত সাহিত্য বিশ্লেষণ কৰি নতুন তথ্যত উপনীত হৈছে।

তৃতীয় শ্ৰেণীৰ গৱেষকসকলৰ অগ্ৰণী হ'ল আৰ্নে আৰু থমচন। আৰ্নে ফিনলেণ্ডৰ জনকথাবিদ্ আৰু ষ্টিথ থমচন যুক্তৰাজ্যৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ৰ



অধ্যাপক। জনকথা গৱেষক এই দলটোৰ আন দুটা দলৰ লগত পাৰ্থক্য মন কৰিবলগীয়া। প্ৰধানতঃ ইউৰোপীয় সাধুকথা অধ্যয়ন কৰি এই শ্ৰেণীৰ পণ্ডিতসকলে সুকীয়া এটা পদ্ধতি উলিয়াইছে। ইয়াৰ কৰ্মপন্থা মানৱতাবাদী। এওঁলোকৰ পদ্ধতি মুখে মুখে চলি অহা ঐতিহ্যৰ দ্বাৰা প্ৰভাৱান্বিত। এই শ্ৰেণীৰ গৱেষকসকলে জনকথাৰ মূল সংগ্ৰহ কৰি তাৰ শ্ৰেণী বিভাগ কৰাত অধিক প্ৰাধান্য দিছে। একেটা সাধুকে বিভিন্ন অঞ্চলৰ লোকে ভিন ভিন প্ৰকাৰে কয়। এওঁলোকে সেই ভিন ভিন ৰূপৰ সাধুকথা সংগ্ৰহ কৰাত গুৰুত্ব আৰোপ কৰিছে। আমেৰিকা যুক্তৰাজ্য আৰু ইউৰোপ উভয়তে এওঁলোকৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি। সম্প্ৰতি ভাৰতবৰ্ষতো এই পদ্ধতিত জনকথাৰ গৱেষণা হৈছে।

অসমত লোক-সংস্কৃতি এতিয়াও প্ৰাণময় আৰু জীৱন্ত হৈ আছে। প্ৰাচীন সামাজিক প্ৰথা, বিশ্বাস আৰু পূজা-পাতল, ক্ৰিয়া-কলাপৰ অজস্ৰ তথ্যপাতি অসমত আজিও আছে। অষ্ট্ৰিক, তিব্বত-বৰ্মী আৰু আৰ্য আদি বিভিন্ন ভাষাভাষী মানুহৰ সংমিশ্ৰণৰ ফলত ই অধিক জটিল আৰু ৰহস্যময় হৈ পৰিছে।

## ধৰ্ম-সম্বন্ধীয় লোক-বিশ্বাস

সাধাৰণভাৱে অসমীয়া লোক-সংস্কৃতিৰ ভাৰতীয় লোক-সংস্কৃতিৰ লগত মিল দেখা যায়। কিন্তু আগতেই কৈ অহা হৈছে যে, অসমীয়া জাতিটো বিভিন্ন সংস্কৃতি আৰু বহু জাতি-উপজাতিৰ সংমিশ্ৰণত গঠিত হৈছে। বৰ্তমান অধিবাসীসকলৰ উপৰিপুৰুষসকলে এৰি থৈ যোৱা উপাদানৰ ইয়াত মধুৰ সমন্বয় ঘটিছে। কিন্তু অসমৰ লোক-সাহিত্য আৰু সংস্কৃতিৰ ওপৰত সকলো প্ৰভাৱৰ প্ৰধান হ'ল চীনীয় বা তিব্বত-বৰ্মীয় প্ৰভাৱ। কিয়নো খ্ৰীষ্টীয় বহু

শতাব্দীৰ পূৰ্বেই চীনৰ দক্ষিণাঞ্চলৰ দেশ আৰু দেশবাসীৰ লগত অসমৰ সম্বন্ধ ঘটিছিল। চীন, তিব্বত, ভূটান আৰু ব্ৰহ্মদেশৰ লগত অসমৰ এতিয়াও ঘনিষ্ঠ যাতায়াত আছে।

অসমীয়া লোক-সংস্কৃতিৰ প্ৰধান উপাদানসমূহৰ বিশ্লেষণত পোন-প্ৰথমে বিচাৰ কৰিব লাগিব জনসাধাৰণৰ ধৰ্ম-সম্বন্ধীয় বিশ্বাস আৰু পূজা-পাতল অনুষ্ঠানসমূহ। এইবোৰৰ মূল হ'ল ভূত-প্ৰেত, যখ-যখিনী, পিশাচ, বুঢ়া-ডাঙৰীয়া, প্ৰেতাত্মা আদিৰ বিশ্বাস। গছ, পাহাৰ-পৰ্বত, নদ-নদীৰ পূজা এতিয়াও বহু সম্প্ৰদায়ৰ মাজত প্ৰচলিত।

জনসাধাৰণৰ ধৰ্মৰ লগত পশু-পূজাও জড়িত আৰু পশুক কেন্দ্ৰ কৰিয়েই বহুতো বিশ্বাস আৰু সামাজিক প্ৰথাৰ উৎপত্তি হৈছে। এই ক্ষেত্ৰত গো-সেৱা হ'ল প্ৰথম। সমাজত যেতিয়া পশু-পালনৰ প্ৰাধান্য আছিল, গো-সেৱাৰ উদ্ভৱ সেই যুগতেই। অতীত কালত ইজিপ্ত আৰু ভাৰতৰ সকলোতে গৰুক সন্মান জনোৱা হৈছিল। মহেঞ্জোদাৰোত ষাঁড়ৰ চিত্ৰ পোৱা গৈছে। শিৱৰ অন্য নাম হ'ল পশুপতি; ষাঁড় তেওঁৰ বাহন। জীৱিকাৰ কাৰণে যি দেশত মানুহে গৰুৰ ওপৰত নিৰ্ভৰ কৰিছে তাতেই গৰু-পশুৰ স্বাস্থ্য আৰু শক্তি বৃদ্ধিৰ অৰ্থে নানা পূজা-পদ্ধতিৰ প্ৰচলন আছে। অসমীয়া সমাজত বিশেষকৈ বিহুত গৰুৰ শুশ্ৰূষা কৰা হয় আৰু তাৰ লগত নানা সামাজিক আচাৰ-আচৰণো পালন কৰা হয়। অসমৰ জনজাতীয় লোকসকলৰ ধৰ্মমূলক আৰু সামাজিক অনুষ্ঠান উভয় ক্ষেত্ৰত মেথোন বলি দিয়া অতি প্ৰয়োজনীয় প্ৰথা। গৰুৰ গোবৰ আৰু মূত যে ঔষধতেই ব্যৱহাৰ কৰা হয়, এনে নহয়—ইয়াৰ ভূত-পিশাচ খেদিব পৰা শক্তি থকা বুলিও ভবা হয়। চোতালত শুকান গোবৰৰ জুই ধৰাৰ উদ্দেশ্যও আচলতে এয়েই। পঞ্চগব্য হিন্দুৰ পবিত্ৰ বস্তু।

সাপ-পূজা প্ৰথা অসমত প্ৰায় সকলো সম্প্ৰদায়ৰ মাজতে আছে। সাপক



কেন্দ্ৰ কৰি বহু প্ৰাচীন উপাখ্যান-উপকথাবো সৃষ্টি হৈছে। সাপৰ বিষ আৰু মোট আদি গাঁৱলীয়া ঔষধ-পাতিত আজিও ব্যৱহাৰ হয়। জেঠীক অদ্ভুত ৰহস্যময় জীৱ হিচাপে ধৰা হয়। জেঠীয়ে মঙ্গল-অমঙ্গল সূচায় আৰু ভৱিষ্যৎ সতৰ্ক কৰি দিয়ে। বুঢ়াক নৱযৌৱন দিবলৈ জেঠী বা জেঠীৰ গাৰ কোনো অংশ দৰৱত প্ৰয়োগ কৰি মন্ত্ৰ সাধন কৰা হয়। সাপৰ দৰে জেঠীও সম্ভৱ মোট সলাই নতুন হয়। এই মোটটো মোহিনী মন্ত্ৰ, বেমাৰ ভাল কৰিবলৈ কৰা মন্ত্ৰ আৰু সৌভাগ্য লাভৰ কাৰণে কৰা মন্ত্ৰত ব্যৱহাৰ হয়। পুত্ৰসন্তান হ'লে জেঠীয়ে ভূতক খবৰ দিয়াটো আৰু ফলত সেই নকৈ ওপজা কেঁচুৱাটিক নি ভূতে মাৰি পেলায় বুলি চেমা নগাসকলৰ মাজত এটা বিশ্বাস আছে। সেই কাৰণেই মুনিহ মানুহে জেঠী দেখিলেই মাৰি পেলায়। কিন্তু তিৰোতাসকলে কোনো হানি-বিঘিনি নকৰাকৈ তাক এৰি দিয়ে; ছোৱালী উপজিলে ই লুকাই থাকে, গাতৰপৰা নোলায়।

## জীৱ-জন্তু সম্বন্ধীয় লোক-বিশ্বাস

ধৰ্ম-সম্বন্ধীয় বহুতো উৎসৱ পালনত কুকুৰা আৰু মাছৰ প্ৰয়োজন আছে, লোক-কলা আৰু লোক-সংস্কৃতিত এই দুয়োটাৰে প্ৰাধান্য অধিক। পশুৰ ভিতৰত বান্দৰ পূজা বহু সম্প্ৰদায়ে কৰে। বান্দৰ বধ কৰা পাপ বুলি বহুতৰ বিশ্বাস। কেতিয়াবা কেতিয়াবা ক'লা মেকুৰীক ভূত-প্ৰেতৰ লগত সম্বন্ধ থকা বুলি ধৰা হয়। কোনো কোনো সময়ত ঘৰত মেকুৰীয়ে মেও-মেওকৈ ঘূৰি ফুৰা অমঙ্গলৰ চিন। কোনো কোনো নগাই শত্ৰুৰ ৰোগ বঢ়াবলৈ ক'লা মেকুৰী বলি দিয়ে। দুই শত্ৰুৰ মাজত মিলা-প্ৰীতিৰ কাৰণে মেকুৰী বলি দিয়ে। চোৰৰ মৃত্যু বাঞ্ছা কৰিলেও মেকুৰী মাৰে। নগাসকলৰ মাজত মেকুৰী সম্বন্ধীয় আৰু এটা বিশ্বাস আছে। কোনো এটা মেকুৰীৰ দাম-দৰ কৰি যদি বন্দোবস্তমতে দাম দিয়া নহয়, তেন্তে সেই মানুহজনৰ ৰোৱা-ধান নষ্ট হয় আৰু তেওঁৰ মাতটো মেকুৰীৰ দৰে হোৱা হয়। মেকুৰী হৰিলে পলাই গুচি যাব পাৰে; সেইটো যাতে নঘটে তাৰ কাৰণে মেকুৰী কিনোতাজনে এটা ভোজ দিয়ে।

বাঘ সম্বন্ধে বহুতো বিশ্বাস প্ৰচলিত। বিশেষকৈ নগাসকলৰ মাজত ই বেছি বদ্ধমূল। চেমা নগাসকলে বাঘক 'টোটেম' (জাতীয় প্ৰতীক) বুলি স্বীকাৰ কৰে। বাঘ তেওঁলোকৰ উপৰিপুৰুষ। একেজনী মাকৰে তিনিটা সন্তানৰ এটা ভূত, এটা বাঘ আৰু এটা মানুহ। সেই বিশ্বাসমতে এওঁলোকৰে সতি-সন্ততিসকলেই আজিও পৃথিৱীত বাস কৰি আছে। বহুতো নগাৰ গাত পশু লম্ভে। তেওঁলোকে তেতিয়া নিজকে কুকুৰনেচীয়া বা ঢেঁকিয়াপতীয়া বুলি জ্ঞান কৰে। গাত পশু লম্ভাৰ ক্ষেত্ৰত শিয়ালৰো ভূমিকা আছে। অসমীয়া সাধুকথাত শিয়ালৰ বিষয়ে অলেখ কাহিনী পোৱা যায়। এনে কাহিনী ভাৰতীয় ভাষাসমূহতো আছে। পুৰণি অসমীয়া সাহিত্যৰ 'শিয়াল-গোসাঁই' কাব্য মনোৰম। নিচুকনি গীতত শিয়াল সম্বন্ধে অনেক উল্লেখ আছে। শিয়ালৰ ধূৰ্তালি, শিয়ালৰ সখি পতা আদি অসমীয়া ভাষাত থকা সাধু-কথাবোৰ আমোদজনক। হাতীক সদায়ে মঙ্গলৰ চিন বুলি ভবা হয়। হাতীৰ ওপৰত পৃথিৱীখন ৰৈ থকা বিশ্বাস নানা আদিম মানুহৰ মাজতো আছে। হাতী সম্বন্ধে বহু সাধুকথাও আছে। 'বগাহাতী' প্ৰবাদ বচনত পৰিণত হৈছে। সিদ্ধিদাতা আৰু বিঘ্নেশ্বৰ গণেশ হাতীৰে ৰূপান্তৰ। শিলত কটা গণেশৰ মূৰ্তি অসম দেশৰ সৰ্বত্ৰ সিঁচৰতি হৈ আছে।

গাহৰি আৰু কুকুৰ পোহনীয়া জন্তু হিচাপে ঘৰে ঘৰে পোহপাল কৰা হয়। বড়ো ভাষাভাষী লোকসকলৰ সাংস্কৃতিক-জীৱনৰ লগত গাহৰি নিবিড়ভাৱে জড়িত। এওঁলোকৰ ধৰ্মমূলক আৰু সামাজিক প্ৰায়বিলাক উৎসৱতেই গাহৰি বলি দিব লাগে।

চৰাইৰ ভিতৰত বহুতো বিশ্বাসৰ উৎপত্তি কাউৰীৰপৰাই হৈছে। কাউৰীৰ মাতৰ বহুত ধৰণৰ অৰ্থ কৰা হয়। ই অমঙ্গলৰ আগ-জাননী আৰু আলহী অহাৰ বাতৰিও দিয়ে। এঠাইলৈ যাত্ৰা কৰিলে কাউৰীয়ে মাতিলে অমঙ্গলৰ চিন। ফেঁচা লক্ষ্মীৰ বাহন বুলি এসময়ত মাঙ্গলিক চৰাইস্বৰূপে গণ্য কৰা



হৈছিল। কিন্তু সাধাৰণতে ইয়াক কুলক্ষণীয়া চৰাই বুলিহে ধৰা হয়। ফেঁচাই নিউ-নিউ কৰিলে মৃত্যু হয় বুলি ধাৰণা। ঘৰত ফেঁচা সোমালে পৰিয়ালৰ অমঙ্গল। ফেঁচাৰ মঙহ আৰু পাখি কামোদ্দীপক ঔষধ। ম'ৰা চৰাইক শ্ৰদ্ধা কৰা হয়। ইয়াৰ পাখিক যে কেৱল ধুনীয়া বুলিয়ে ভবা হয় এনে নহয়, পবিত্ৰ বুলিও গণ্য কৰা হয়। হিন্দুসকলৰ মতে ই কাৰ্তিকৰ বাহন। ইয়াৰ পাখি কৃষ্ণই মূৰত পিন্ধিছিল। ম'ৰাপাখীৰ বিচনি উৎসৱ-অনুষ্ঠানৰ সময়ত ব্যৱহাৰ কৰা হয়। ৰোগ নিৰাময় কৰাত ম'ৰা পাখীৰ যাদুমন্ত্ৰৰ দৰে গুণ আছে বুলি বিশ্বাস। ম'ৰাক মাঙ্গলিক পক্ষী হিচাপে বিবেচনা কৰা হয়। ধুমুহা-বৰষুণৰপৰা হাত সাৰিবলৈ ঘৰৰ মুধত ম'ৰা চৰাইৰ প্ৰতিকৃতি থোৱা হয়। ইয়াক জাতীয় পক্ষী বুলি সিদ্ধান্ত লোৱা হৈছে।

পখিলাৰ দৰে ধুনীয়া প্ৰাণী যে জনকথা আৰু লোক-বিশ্বাসৰ কেন্দ্ৰ হ'ব তাত আচৰিত হ'বলগীয়া একো নাই। গাত পখিলা পৰিলে বিবাহ আগন্তুক। পখিলা মৃতকৰ আত্মা বুলি নগাসকলৰ বিশ্বাস। পখিলা মৰাটো নগাসকলৰ মাজত নিষিদ্ধ।

মৌমাখি সম্বন্ধে কোনো কোনো ঠাইত এতিয়াও নানা লোক-বিশ্বাস আছে। আপোনা-আপুনি মৌমাখি এবাহ ঘৰ সোমোৱাহি সৌভাগ্যৰ লক্ষণ। পোহনীয়া মৌবাহে ঘৰ এৰিলে দুৰ্ভাগ্যই দেখা দিয়াৰ সম্ভাৱনা।

## শিল পূজা

শিল সম্বন্ধে বহুতো পুৰণি উপাখ্যান আৰু কিম্বদন্তী প্ৰচলিত। শিল দেৱতা আৰু অপদেৱতাৰ বাসস্থান বুলিও ভবা হয়। অপ্সৰী আৰু মানুহ গোট মাৰি শিলা হোৱা অনেক কাহিনী পুৰণি সাহিত্যত পোৱা যায়। এই কাহিনীবোৰৰ ভিতৰত বিখ্যাত কাহিনী হ'ল গৌতমৰ পত্নী অহল্যা সম্বন্ধে। শ্ৰীশৈলধৰ ৰাজখোৱাই তেখেতৰ মনোৰম কবিতা এটিত ফুলৰা আৰু চতলা

দুজনী গাভৰু দুটি সৰু সৰু পাহাৰত পৰিণত হোৱাৰ কাহিনী বৰ্ণাইছে। মৃতকৰ পোতা ঠাইৰ ওপৰত জনজাতীয় লোকসকলে থিয় শিল পোতে। অসমীয়া বিবাহ, মৃত্যু আৰু শপত খোৱা অনুষ্ঠানত শিলৰ ব্যৱহাৰ আছে। অসমৰ শিলপূজা বিষয়ক ধৰ্ম-সম্বন্ধীয় আৰু সামাজিক ভালেমান তথ্যপাতি উদ্ধাৰ হ'বলৈ বাট চাই আছে।

## বৃক্ষ পূজা

জন লাব্বক, টেইলৰ, ফাৰ্গুছন আৰু মনিয়ৰ উইলিয়ামছৰ গ্ৰন্থৰপৰা গছ আৰু উদ্ভিদৰ পূজা গোটেই পৃথিৱীতে যে কৰা হয় আৰু ই যে এক প্ৰাচীন প্ৰথা, সেইকথা বঢ়িয়াকৈ জানিব পাৰি। গছ পূজা একালত গ্ৰীছ, ফ্ৰান্স আৰু এচিৰিয়াত চলিছিল আৰু এতিয়াও আফ্ৰিকা, পলিনেচিয়া, আমেৰিকা আৰু ভাৰতৰ বিভিন্ন সমাজৰ মানুহৰ মাজত প্ৰচলিত। আদিম যুগত গছক স্বয়ং দেৱতাজ্ঞান কৰিয়েই পূজা কৰা হৈছিল। কিন্তু সময়ৰ লগে লগে গছবোৰত ভূত-প্ৰেতহে থাকে বুলি বিশ্বাস কৰিবলৈ ধৰা হয়।

ভাৰতবৰ্ষত প্ৰচলিত গছ-পূজাৰ চিন পোৱা যায় মহেঞ্জোদাৰো আৰু হৰপ্পাত। সিন্ধু উপত্যকাত বহুতো প্ৰাচীন মোহৰ আবিষ্কৃত হৈছে। তাত বৃক্ষ দেৱ-দেৱী অঙ্কিত আছে, এওঁলোকৰ সমুখত প্ৰাৰ্থনা কৰি থকা চিত্ৰ আছে। এটা সীল-মোহৰত দুটা ডালেৰে এজোপা আঁহত গছক বুজোৱা হৈছে আৰু এই ডাল দুটাৰ মাজত এগৰাকী দেৱী আছে। তেওঁ বিবস্ত্ৰা, চুলিকোছা বৈ পৰা, তিনিটা শিং আৰু হাতত বাজু। গতিকে গছ-পূজা যে আৰ্য্যসকলৰ পূৰ্বৰ আৰু ভাৰতবৰ্ষত ই অতি প্ৰাচীন সি প্ৰমাণসিদ্ধ। আজিৰ হিন্দুসকলে বৰগছ, আঁহত গছ, কদমগছ, বেলগছ আৰু তুলসীগছৰ পূজা কৰে। বৌদ্ধসকলে বোধিদ্ৰুমক অতি শ্ৰদ্ধাৰে পূজা কৰে। শিলিখাগছ অসমৰ বৈষ্ণৱসকলৰ পৰম শ্ৰদ্ধাৰ বস্তু। এই শিলিখা গছৰ ছাঁতে শঙ্কৰদেৱে



জিৰণি লৈছিল। পঞ্চপল্লৱ বহুতো ধৰ্ম অনুষ্ঠানত প্ৰয়োজন। তামিলসকলৰ মন্দিৰৰ কাযত নিমগছ ৰুই পূজা কৰা হয়। দক্ষিণ ভাৰতৰ প্ৰায়বিলাক কালি-মন্দিৰৰ চৌহদৰ ভিতৰত নিমগছ থাকেই। কালীগোসাঁনীৰ সেৱকসকলে, হাতত নিমগছৰ ডাল লৈ ফুৰে। অসমত নিমগছৰ পাত ভূত খেদোৱাৰ দৰৱ। বিশেষকৈ আই ওলালে ইয়াক ব্যৱহাৰ কৰা হয়। বসন্ত ৰোগ সাধাৰণতে গোসাঁনীৰ অভিসম্পাত বুলি বিশ্বাস কৰা হয়। বড়ো-কছাৰীসকলৰ কাৰণে সিজুগছ বিশেষ অৰ্থপূৰ্ণ। তেওঁলোকে সিজুগছ চোতালত ৰুই তাৰ পূজা কৰে। অসমীয়া হিন্দুসকলে জুই, বৰঘুণ আৰু ধুমুহাৰপৰা ৰক্ষা পাবৰ আশাৰে ঘৰৰ মূধতে এজাতি সিজু (চাল কুৱৰী) গছ ৰুই থয়। পথাৰৰ চাৰিসীমাত যি সিজুগছ ৰোৱা হয় তাৰ উদ্দেশ্য কেৱল গৰু-ম'হৰ অত্যাচাৰৰপৰা পথাৰ-বাৰী ৰক্ষা কৰাই নহয়—ভূত-পিশাচৰপৰা ৰক্ষা কৰাও। অসমীয়া বিশ্বাসমতে প্ৰসূতিৰ ঘৰৰ দুৱাৰমুখত সিজু ৰুব লাগে। ডাকৰ ভণিতাত আছে—

> সুতিকা নিকটে ৰাখিবা অস্ত্ৰ।।
> গৃহ চাৰি চুকে দ্বাৰ মুখত।
> বচ সিজু আনি ৰুইব শকত।।

নগাসকলৰ মানত সিজুগছেৰে বেৰা দিয়া বৰ ভয় লগা কথা। সিজুগছে ধুমুহা আনে বুলি তেওঁলোকৰ বিশ্বাস।[১]

---

১. সিজু-জাতীয় গছৰ আদি বাসস্থান মেক্সিকো দেশত। সেই দেশত এই গছক কিদৰে সন্মান কৰা হয়, সেই কথা তলৰ উদ্ধৃতিৰপৰা জানি—

The plants are considered as demi-gods and must be treated with reverence, only the priests may touch them and then only after washing their hands, and often sticks are used instead of fingers. Hikuri (a kind of cactus) is thought to give protection; if a man carries hikuli in his belt, the bear cannot harm him and the deer becomes tamed so that it can be easily killed....... The Christian natives make sign of the cross when coming

অসমীয়া খাদ্যতালিকাত কচু, টেঁকিয়া প্ৰধান। বিহলঙনি জৰা-ফুকাত লাগে। বিহলঙনিৰে জাৰিলে ভূত-পিশাচ ভয় খাই পলায় আৰু গাৰ বিষ ভাল হয়। এনে বিশ্বাস মধ্য ইউৰোপতো আছে। বহুতো ৰোগত ইয়াক দৰৱৰূপে ব্যৱহাৰ কৰা হয়। সৰিয়হ আৰু সৰিয়হৰ তেল অন্যান্য কামত প্ৰয়োগ কৰাৰ উপৰিও দৰৱ আদিত ব্যৱহৃত হয়। জুইত সৰিয়হ দি মুখ লগা ভঙা আৰু ভূত-প্ৰেত খেদোৱা হয়। সৰিয়হ প্ৰয়োগ কৰি ভূত খেদোৱা ভূতৰ গল্প অলেখ আছে। কামশাস্ত্ৰত সৰিয়হৰ গুণাৱলীৰ প্ৰশংসা পোৱা যায়। ছোৱালী ফুচুলাই আনিবলৈ বা স্ত্ৰীসংসৰ্গ উপভোগ কৰিবলৈ সৰিয়হ ব্যৱহাৰ কৰিবৰ কাৰণে পুৰণি অসমীয়া মন্ত্ৰত দিহা দিয়া আছে। তামোল-পাণে যাদুৰ কাম কৰে। অসমীয়া ধৰ্মমূলক আৰু সামাজিক জীৱনত তামোলৰ গুৰুত্বপূৰ্ণ স্থান। ভাৰতবৰ্ষত বাঁহ হ'ল পবিত্ৰ; অগ্নিৰ প্ৰতীক। কাৰণ মানুহে বিশ্বাস কৰে যে বাঁহে বাঁহে ঘঁহনি খই হাবিত জুই লাগে। এই প্ৰসঙ্গত পুৰাণৰ মুৰলাৰ কাহিনী মন কৰিবলগীয়া। মুৰলা আছিল ব্ৰাহ্মণৰ ছোৱালী। মুৰলাক তাই নজনাকৈয়ে এজন শূদ্ৰত বিয়া দিয়া হৈছিল। এই প্ৰৱঞ্চনা ধৰা পৰাত মুৰলা মৰিবলৈ ওলাল। বিষ্ণুক প্ৰাৰ্থনা কৰি তেওঁ চিতাত উঠিল। মুৰলাৰ ছাইৰপৰা জন্মিল বাঁহগছ। বাঁহগছত ভূত-পিশাচ থাকে বুলি বিশ্বাস কৰা হয়। অমাবস্যা, একাদশী আৰু শনিবাৰে বাঁহ কাটিব নেপায় বুলি নিষেধ বচন আছে।

## কৃষি-সম্বন্ধীয় লোক-বিশ্বাস

শস্য যাতে লহপহকৈ বাঢ়ে তাৰ বাবেও বহুতো আচাৰ-অনুষ্ঠান পালন কৰা হয়। কাতি বিহুত পথাৰত বন্তি দিয়া হয়। নগাসকলৰ বিশ্বাসমতে

into the presence of the plant, and it is always saluted as if it were a man, and is supposed to reply........ Other cacti are also used in religious ceremonies, especially Epithelantha Micromeries, which is thought to make eyes clear to see sorcerers. – The Study of Cactus by Vera Higgins, P. 63-64.



মানুহ এটা মাৰি তাৰ মঙহ খেতিৰ পথাৰত থ'লে খেতি নদন-বদন হয়।

চাউল মানুহৰ কেৱল প্ৰধান খাদ্যই নহয়, ইয়াক মন্ত্ৰতো ব্যৱহাৰ কৰা হয়। অসমীয়াৰ বিয়াত দৰা যেতিয়া কন্যাঘৰলৈ আহে তেতিয়া দৰাক মুহিবলৈ অথবা তেওঁৰপৰা অপদেৱতা দূৰ কৰিবলৈ চাউল ছটিওৱাৰ বা চোবোৱাৰ প্ৰথা আছে। জনজাতীয় লোকসকলেও যাদুত আৰু দেও উঠি ভৱিষ্যদ্বাণী কৰা সময়ত চাউল ব্যৱহাৰ কৰে।

ভঁৰালত শস্য সঞ্চয় কৰা সম্বন্ধেও অনেক বিশ্বাস আছে। কোনো কোনো মাহ আৰু দিনত ভঁৰালৰপৰা ধান উলিয়াব নাপায়। লঘোন লগা সময়ত তিৰোতা মানুহক ভঁৰালৰ কাষলৈকে যাবলৈ দিয়া নহয়। ভঁৰালক পূজাও কৰা হয়। কাতি বিহুত ভঁৰালৰ সন্মুখত বন্তি জ্বলোৱা হয়।

প্ৰধানতঃ খেতিৰ ওপৰত নিৰ্ভৰ কৰা সমাজে পানীৰ কাৰণে প্ৰাকৃতিক শক্তিসমূহক প্ৰাৰ্থনা জনায়। এই শক্তিসমূহক যাদু আৰু ধৰ্মমূলক আচাৰ-অনুষ্ঠানেৰে তুষ্ট কৰে। বৰষুণ নমাবলৈ আৰু বন্ধ কৰিবলৈ অসমীয়াৰ মাজত বহুতো আচাৰ-অনুষ্ঠান আৰু মন্ত্ৰৰ প্ৰচলন মন কৰিবলগীয়া। পানী বিচাৰি নাইবা মাজে মাজে হোৱা বানপানী যাতে বন্ধ হয় তাৰ কাৰণে নিজৰা আৰু নদীক পূজা কৰে। এই ধৰণৰ সামাজিক প্ৰথা জনজাতীয় লোকৰ মাজতো আছে। নগাসকলৰ বৰষুণ আনোৱা উৎসৱত ডেকা আৰু ল'ৰাইঁতে বৰষুণ আহিলে ল'ৰা-ছোৱালীয়ে ধেমালি কৰাদি বাহিৰলৈ ওলাই গৈ নাচে আৰু গীত গায়।

খেতি চপাই আনি প্ৰথম প্ৰথম এমুঠি চাউল ৰাইজক লগোৱাটো এনেবোৰ বিশ্বাসৰ লগত জড়িত। ধান দোৱা শেষ হোৱাৰ ঠিক পিছতেই অসমীয়াই ন-খোৱা ভোজ পাতে। এই আনুষ্ঠানিক ভোজ হৈ যোৱাৰ পিছতহে ন-খেতিৰ চাউল নিজে খাব পাৰে। মাঘ বিহু হ'ল খেতি চপোৱা

উৎসৱ। ই আচলতে প্ৰথম শস্য গ্ৰহণৰ উৎসৱ। এই উৎসৱত তিল, চাউল, সৰিয়হ আদি ন-শস্য উচৰ্গা কৰি অগ্নিদেৱতাক তুষ্ট কৰা হয়। সেই দৰেই গছত প্ৰথম ফল ধৰিলে তাৰে এটা ফল দেৱতালৈ উচৰ্গা কৰা হয়। আকৌ নতুনকৈ পোৱালি জগা গাইৰ গাখীৰ খীৰায়েই খেতৰ-খেতৰণীলৈ উচৰ্গা কৰা হয়। খেতৰ-খেতৰণী খেতিৰ পথাৰৰ অধিষ্ঠাত্ৰী দেৱ-দেৱী। এই সম্পৰ্কত ন-চাউলৰ পিঠা তৈয়াৰ কৰাৰ লগত জড়িত সামাজিক প্ৰথাসমূহ সংগ্ৰহ কৰা উচিত। ন-শস্যৰ পিঠা কৰোঁতে দেৱতা-তুষ্টিৰ কাৰণে কিছুমান নিয়ম পালন কৰা হয়। প্ৰথম পিঠাখন জুইত দিয়া হয়, বিহু-উৎসৱত আত্মীয়-স্বজনক পিঠা খুওৱাও এই শ্ৰেণীৰেই এটি মাঙ্গলিক অনুষ্ঠান। ভিক্ষাৰীকো পিঠা দান কৰা হয়, অমঙ্গল দূৰ কৰিবলৈ। ভঁৰাল যাতে অগ্নি, বৰষুণ আৰু নিগনিৰপৰা নিৰাপদ থাকে আৰু পথাৰত খেতি যাতে ভালদৰে হয় তাৰ কাৰণে এই সকলবোৰ অনুষ্ঠান পালন কৰা হয়। মাঘ বিহুত আনকি গৰুকো পিঠা খুওৱা হয়।

কৃষিৰ সা-সঁজুলি, বিশেষকৈ লোহাৰ আহিলা-পাতিৰ লগত বহু বিশ্বাস জড়িত। লোহাত ঐন্দ্ৰজালিক গুণ আছে বুলি মানুহৰ ধাৰণা। গতিকে কটাৰী, দা, বেজী আৰু কৃষিকৰ্ম, মাছমৰা আহিলা, তাঁতশাল আদিত ব্যৱহৃত অন্যান্য লোৰ চোকা আহিলা-পাতিৰ লগত মানুহৰ কিছুমান ধাৰণা আৰু অভ্যাস জড়িত আছে। পৰিয়ালৰ কোনো লোকৰ মৃত্যু হ'লে মৃতকৰ সৎকাৰ আৰু শ্ৰাদ্ধাদি যিজন লোকে কৰে—তেওঁ হাতত এখন লোহাৰ কটাৰী বা অন্য তেনে কোনো লোহাৰ চোকা সঁজুলি অশৌচৰ দিনকেইটা লগত ৰাখিব লাগে; নহ'লে মৃতকৰ আত্মাই তেওঁৰ অপকাৰ কৰিব পাৰে। সন্তান জন্মৰ পিছত, প্ৰসূতি আৰু সন্তানক ভূত-প্ৰেত, ডাইনি আদিৰপৰা ৰক্ষা কৰিবলৈ প্ৰসূতিৰ পাটীৰ তলত এখন কটাৰী থৈ দিয়া হয়।

অসমীয়া বিবাহোৎসৱৰ দিনবোৰত দৰা-কন্যাই একোখন কটাৰী সদায়



লগত ৰাখিব লাগে। বিধি-কৰ্ম শেষ হৈ যোৱাৰ পিছত দৰা-কন্যাই টেম-কটাৰী সলোৱা, কৌতুক আচাৰ পালিব লাগে।

ভূত-প্ৰেতৰপৰা ৰক্ষা পাবলৈ সাধাৰণতে নিশা গাঁৱলীয়া মানুহে লগত কটাৰী লৈ ফুৰে। গাভৰুক কটাৰী উপহাৰ দিয়া প্ৰণয়ৰ চিন। বিহুগীতত ইয়াৰ উল্লেখ আছে।

দা সম্পৰ্কেও অনেক বিশ্বাস আছে। পূজাৰ বলিকটা দা মন্ত্ৰ মাতি পূজা কৰা হয়; কালিকা পুৰাণত এনে মন্ত্ৰৰ উল্লেখ আছে। গাৰোসকলে খেতি-বাতি আৰম্ভৰ আগতে দা-কটাৰী নৃত্যগীতেৰে পূজা কৰে।

## প্ৰকৃতি পূজা

প্ৰকৃতি বিভিন্ন ৰূপৰ সৌন্দৰ্য আৰু আশ্চৰ্য ক্ৰিয়া-কলাপত অভিভূত আৰু মুগ্ধ হৈ আদিম অৱস্থাৰপৰা মানুহে এইবোৰক পূজা কৰি আহিছে। ঋগবেদৰ প্ৰায়বোৰ মন্ত্ৰই প্ৰকৃতিৰ স্তৱ। চন্দ্ৰ, সূৰ্য, গ্ৰহ, নক্ষত্ৰ, তৰা (পপীয়া তৰা), আকাশ, মেঘ, ৰামধনু, বতাহ, ধুমুহা (বৰদৈচিলা), ভূমিকম্প, অতিবৃষ্টি, অনাবৃষ্টিৰ লগত অজস্ৰ পূজা-পাতল, ক্ৰিয়া-কৰ্ম, বিশ্বাস-আখ্যান জড়িত আছে। প্ৰকৃতিৰ বিচিত্ৰ-ৰূপৰ অলেখ বন্দনা গীতেৰে আমাৰ লোক-সাহিত্য সমৃদ্ধ। ওপৰত উল্লেখ কৰা প্ৰকৃতি-পূজাৰ ভিতৰত অগ্নিপূজা প্ৰধান। মানুহৰ সভ্যতা বিকাশৰ লগত অগ্নি ওতপ্ৰোতভাৱে সংযুক্ত। অগ্নি কুটৈযাই (Fire Complex) অসমৰ পাহাৰ-ভৈয়ামৰ সকলো মানুহৰ মাজত অসীম প্ৰভাৱ বিস্তাৰ কৰি আছে। ধৰ্ম আৰু সামাজিক অনুষ্ঠানত, সাধাৰণ বিশ্বাসত (দেও-ভূত দূৰ কৰা, অমঙ্গল আঁতৰোৱা, সতীত্ব আৰু সত্যতাৰ পৰীক্ষাত, শাও পাতত, ৰোগ নিবাময়ত), কৃষিকৰ্মত (যেনে— পথাৰত বন্তি জ্বলোৱা), উৎসৱ আৰু খেল-ধেমালিত, অগ্নিৰ বিশেষ ব্যৱহাৰ আছে। এই পিনৰপৰা

13262

চাবলৈ গ'লে মাঘ বিহু প্ৰকৃততে অগ্নি-পূজাহে। পৰ্বত-ভৈয়ামৰ মানুহৰ মাজত থকা অগ্নি-সম্বন্ধীয় জনশ্ৰুতি এতিয়াও উদ্ধাৰ হোৱা নাই। এইবোৰ সংগ্ৰহ হ'লে অসমত অগ্নি-পূজাৰ প্ৰাচীনত্বৰ বিষয়ে আলোচনা কৰিবলৈ সুচল হ'ব।

## ভৱিষ্যৎ গণনা

লোক-জীৱনৰ ভূত-ভৱিষ্যৎ চিন্তাৰ লগত ভৱিষ্যৎ গণনা ওতপ্ৰোতভাৱে জড়িত। ভৱিষ্যতে ঘটিবলগীয়া বা কোনো দূৰণিত ঘটা ঘটনা আমাৰ অজ্ঞাত। সেই বিষয়ে জনা, বা কি হ'ব আগতে কৈ দিয়া কামটো আজিও অসমৰ পৰ্বতে-ভৈয়ামে থকা জনসাধাৰণৰ মাজত এক ব্যাপক অনুষ্ঠানৰ যোগেদি সমাধা কৰা হয়। জ্যোতিষ সম্বন্ধে সংস্কৃত আৰু অসমীয়া ভাষাত অৱশ্যে অজস্ৰ কিতাপ আছে। কিন্তু মুখে মুখে চলি থকা যিবোৰ কথা আছে— লিখিত পুথিতকৈ তাৰ পৰিমাণ বহুত বেছি। জনজাতিসকলৰ মাজতো এই বিষয়ে বিবিধ প্ৰথা আছে। কোনোৱে মাটিত চিত্ৰ আঁকি মঙল চায়, কোনোৱে কড়ি মাৰে, কোনোৱে ধান, তামোল আৰু কণী প্ৰয়োগ কৰে আৰু কেতবোৰে কুকুৰাৰে মঙল চায়। ভৱিষ্যৎ গণনা সম্বন্ধে আমাৰ দেশত প্ৰচলিত ভিন ভিন প্ৰথাৰ সংগ্ৰহ মনোৰম অধ্যয়ন হ'ব। বেমাৰ হ'লে, এঠাইলৈ যাত্ৰা কৰিলে, নতুনকৈ ঘৰ-দুৱাৰ সাজিলে, নাও সাজিলে, গৰু কিনিলে আৰু বিয়া-বাৰুৰ দিন ঠিক কৰিলে মানুহে এতিয়াও কাৰ্যৰ শুভাশুভ গণনা কৰে।

মঙল চোৱাৰ লগত গাঁঠিৰ বিশেষ সম্বন্ধ। প্ৰতীকৰ ক্ষেত্ৰত ধৰ্ম-অনুষ্ঠানত (শাঁত নহ'লে কিহৰ গাঁঠি), ঐন্দ্ৰজালিক বিদ্যাত, বেজৰ দৰৱত গাঁঠিৰ আজিও প্ৰাধান্য। গাঁঠি বান্ধি দিয়া অৰ্থ হ'ল কোনো কাৰ্য দৃঢ় বা চিৰস্থায়ী কৰা, ধৰি ৰখা; গাঁঠি দিয়া মানে বাধা দিয়া আৰু গতিৰুদ্ধ কৰাও। গাঁঠি



মেলা মানে কোনো কোনো বন্ধনৰপৰা মুকলি কৰা ইত্যাদি। গতিকে গাঁঠিয়ে মিলন ঘটায়, বান্ধিও পেলায়। প্ৰণয় আৰু পৰিণয়ক ই সুদৃঢ় কৰে। ই পাপক দূৰ কৰে আৰু পাপীক বান্ধি কোঙা কৰে। বিয়াত দৰা-কন্যাৰ চাদৰত গাঁঠি বন্ধা হয়, কুশবনৰ আঙঠি দৰা-কন্যাৰ আঙুলিত পিন্ধোৱা আদিৰ এয়ে সাংকেতিক অৰ্থ। প্ৰাচীন অসমীয়া মন্ত্ৰৰ পুথিত অনেক ভূতজৰা মন্ত্ৰ আছে। সেই মন্ত্ৰবোৰত ভূতক বান্ধিবলৈ গাঁঠি দিয়াৰ আৰু মেলি দিবলৈ গাঁঠি খোলাৰ মন্ত্ৰ আছে। পুৰুষ বা স্ত্ৰীক পাবলৈ মোহিনী মন্ত্ৰৰ লগতো গাঁঠিৰ সম্বন্ধ আছে। এই পিৰীতি গাঁঠি দিয়াৰ নিৰ্দিষ্ট দিন আৰু সময় আছে।

বছৰৰ কেতবোৰ দিন গাঁৱলীয়া মানুহে মঙ্গলজনক আৰু কিছুমান আপদীয়া বা অমঙ্গলীয়া বুলি ভাবে। সচৰাচৰ কোৱা হয় ঃ

অমাবস্যা প্ৰতিপদ পূৰ্ণিমা তিথি।
মাকৰ ঘৰলৈ নেযায় যুৱতী।।

পঞ্জিকাত এনে কিছু শুভ-অশুভ দিনৰ উল্লেখ আছে। কিন্তু জ্যোতিষৰ বিচাৰমতে বিচাৰ কৰি সিদ্ধান্ত কৰা দিনবোৰৰ লগত কোনো সম্পৰ্ক নথকা কিছুমান দিন আছে—যিবোৰ জনসাধাৰণে নিজেই শুভ বা অমঙ্গলীয়া হিচাপে নিৰ্ণয় কৰি লৈছে। এনে ধৰণৰ অমঙ্গলীয়া দিনবোৰত কিছুমান কাম কৰাৰপৰা বিৰত থাকিব লাগে। শনি আৰু মঙ্গলবাৰ অমঙ্গলীয়া দিন। এই দুদিন বাঁহ কাটিব নাপায়। আনকি, গালি পাৰোঁতেও মানুহে 'শনিবাৰে হোৱা' বুলি কয়। মাছ মৰা, মাটি চহোৱা, লখিমীৰ আগ অনা, লখিমী চপোৱা, চিৰা কড়াই ভজা-খুন্দা আদি কাম কৰাৰ ক্ষেত্ৰতো কিছুমান দিন অমঙ্গলীয়া বুলি জনসাধাৰণৰ ধাৰণা। শুভ দিনতকৈ অমঙ্গলীয়া দিনবোৰ সম্বন্ধে মানুহৰ সাৱধানতা অধিক।

জনসাধাৰণৰ ধাৰ্মিক সংস্কৃতিৰ লগত শাও-শপতৰ বিশেষ সম্বন্ধ। শাও-

শপতে মন্ত্ৰৰ দৰে ক্ৰিয়া কৰে বুলি লোক-বিশ্বাস। এই বিষয়ে বহু শাক্য আৰু ৰীতি প্ৰচলিত আছে। সাধাৰণতে ঈশ্বৰক, প্ৰকৃতিৰ পদাৰ্থক (চন্দ্ৰ, সূৰ্য, অগ্নি, শিল, নদী) সাক্ষী কৰি অথবা পবিত্ৰ, মহান লোক গুৰু-গোসাঁইলৈ চাই শপত খোৱা হয়। ইয়াকে কৰোঁতে 'দান্তে তৃণ, হাতত পানী, মুখত গোবৰ বা মাটি লোৱা' বিবিধ নিয়ম আজিও অসমীয়া আৰু জনজাতীয় মাজত প্ৰচলিত। হিন্দুসমাজত প্ৰচলিত এনে ধৰণৰ কিছুমান নিয়ম-অনুষ্ঠান জনজাতিসমূহৰ পৰা আহিছে বুলি সমাজতাত্ত্বিকসকলে অনুমান কৰে। এইবোৰৰ সংগ্ৰহ আৰু তুলনামূলক আলোচনাৰ পৰাও জাতিৰ চিন্তাধাৰাৰ পৰিচয় ওলায়।

## ভিন ভিন সংস্কাৰ

দেহৰ এক অৱস্থাৰপৰা আন অৱস্থালৈ ৰূপান্তৰিত হওঁতে পালন কৰা সংস্কাৰ অনুষ্ঠানসমূহ নানাভাৱে অৰ্থপূৰ্ণ। কেতবোৰ সাধাৰণ বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত; অন্যবোৰ সামাজিক উৎসৱৰ লগত জড়িত। এনে উৎসৱঅনুষ্ঠানে মানুহক ভাৱাবেগৰ অশান্তি আৰু কষ্টৰপৰা সকাহ দিয়ে; আৰু সংশ্লিষ্ট ব্যক্তিৰ মনত সামাজিক নিৰাপত্তাৰ ভাব জগায়। আন আন দেশৰ দৰে অসমতো জন্ম, প্ৰেম, বিবাহ আৰু মৃত্যু-সম্বন্ধীয় নানা বিশ্বাস আছে; এইবোৰাত বিভিন্ন ধৰণৰ অনুষ্ঠান পালন কৰা হয়। উদাহৰণস্বৰূপে, গৰ্ভৱতী তিৰোতা, বিশেষকৈ প্ৰথম সন্তান জন্ম হ'বৰ সময়ত মাকৰ ঘৰলৈ যোৱাটো অসমৰ এটা সামাজিক প্ৰথা। ভাৰতবৰ্ষতো অতীতকালত এই প্ৰথা আছিল। মাকৰ ঘৰলৈ যাওঁতে বাটতে প্ৰসৱ বেদনা হোৱাত লুম্বিনি গাঁৱত কেনেকৈ গৌতম বুদ্ধৰ জন্ম হৈছিল, সেই কথা ইতিহাস প্ৰসিদ্ধ। সাধাৰণতে, অসমত সন্তান জন্ম হোৱাৰ দিনাৰপৰা এমাহলৈকে মাকক অশুচি বুলি ধৰা হয় আৰু ঘৰৰ বস্তু-বেহানি একোকে তেওঁক চুব-মেলিবলৈ দিয়া নহয়। মাকৰ ওচৰত তুঁহ-জুই আৰু গোবৰ-খুঁটিৰ জুই একেৰাহে জ্বলাই থোৱা হয়। ডাকৰ বচনত



এই বিষয়ে দীঘলীয়া নিৰ্দেশ আছে। ইয়াৰ উদ্দেশ্য ভূতক ভয় খুৱাই খেদোৱা। বিছনাৰ কাষত কটাৰী এখনো থৈ দিয়া হয়। জুইত সৰিয়হ দিয়া আৰু মাক আৰু সন্তান উভয়ৰে গাত নহৰু বাটি সানি দিয়া হয়। সন্তানৰ কাৰণে মাছ আৰু কুকুৰা উচৰ্গা কৰাটো জনজাতীয়সকলৰ সামাজিক প্ৰথা। সন্তানৰ নামকৰণ, চূড়াকৰণ আৰু অন্নপ্ৰাশনৰ সময়ত ব্ৰাহ্মণসকলে শাস্ত্ৰীয় সংস্কাৰ-সমূহ যথাবিহিতৰূপে পালন কৰে। এই শাস্ত্ৰীয় বিধিসমূহৰ লগত ভালেমান লৌকিক সংস্কাৰো পালন কৰা হয় আৰু প্ৰত্যেক শাস্ত্ৰীয় অনুষ্ঠানৰ লগত লগুণ দিয়াৰ গীত আদি বিবিধ ধৰণৰ গীত গোৱা হয়। এই গীতবোৰৰ মাজত লৌকিক আচাৰৰ উল্লেখ আছে। তাৰেপৰা হিন্দু সংস্কাৰৰ লগত অসমীয়া লোকাচাৰৰ ক'ত মিল-অমিল ধৰিব পাৰি। সংস্কৃতিৰ তুলনামূলক অধ্যয়নৰ কাৰণে এই গীতবোৰৰ সংকলন অতি প্ৰয়োজনীয়।

মিতিৰ-কুটুম সম্বন্ধেও নানা বিশ্বাস প্ৰচলিত আছে। উদাহৰণস্বৰূপে, মোমাই-ভাগিন সম্বন্ধটো অসমীয়াৰ কাৰণে বৰ আদৰৰ সম্বন্ধ। কোনো সম্প্ৰদায়ৰ মাজত থকা কিছুমান সামাজিক প্ৰথা মতে বিশেষ এক ধৰণৰ সম্বন্ধীয় মানুহ দেখা কৰা, যিসকলৰ লগত কথা-বতৰা পতা বা আন কোনো কাম কৰা নিষিদ্ধ। এই বিশেষ সম্বন্ধৰ মানুহ হ'ল শাহু-বোৱাৰী আদি (জোঁৱায়েকে শাহুৱেকৰ মুখ চাব নোৱাৰে; ভাই বোৱাৰী জেঠালৰ আগতে ওলাব নোৱাৰে)।

আন এটা গুৰুত্বপূৰ্ণ সম্বন্ধ হ'ল সখিৰ সম্বন্ধ। সমনীয়াই লগলাগি সখি পতা এটা জনপ্ৰিয় সামাজিক প্ৰথা। কিছুমান উৎসৱত ডেকাল'ৰা আৰু গাভৰু ছোৱালী বন্ধু হিচাপে লগ খায়হি। এই ধৰণৰ আনুষ্ঠানিক বন্ধুত্বৰ প্ৰথা জনজাতীয় ৰাইজৰ মাজতো প্ৰচলিত। তেওঁলোকে বন্ধুত্বৰ উৎসৱ পাতি ভোজভাত খায়। নগাসকল এই উদ্দেশ্যে সামাজিকভাৱে এঠাইত সম্মিলিত হৈ নৃত্য-গীত কৰে। অসমীয়া বিয়া-অনুষ্ঠানত সখিবো

স্থান আছে আৰু সখি-সখিয়নীয়েও দৰা-কন্যাৰ দৰে সাজ-পোচাক পিন্ধে। অপদেৱতাক প্ৰতাৰণা কৰিবলৈকে এইনকল দৰা-কন্যাৰ ব্যৱস্থা। অপদেৱতাই ভুল কৰি আচল দৰা-কন্যাৰ গাত নলগি কিজানিবা সখি-সখিয়নীৰ গাত লগে। দৰা-কন্যাক অপায়-অমঙ্গল অথবা অপদেৱতাৰপৰা ৰক্ষা কৰিবলৈ বিবাহৰ কেইদিন শুচি-সংযমত থৈ তেওঁলোকক দেৱতা জ্ঞান কৰা হয়। সেয়েহে বিয়া-নামত দৰা-কন্যাক হৰ-পাৰ্বতী, বিষ্ণু-লক্ষ্মী, ৰাম-সীতা, কৃষ্ণ-ৰাধা আদি আখ্যা দিয়া হয়।

জন্মৰ পিছতেই দেহৰ প্ৰধান ৰূপান্তৰ যৌৱন। একালত ছোৱালী পুষ্পিতা হ'লে আনুষ্ঠানিকভাৱে নোৱাই-তোলনি বিবাহ পতা হৈছিল আৰু ৰং-ধেমালি কৰা হৈছিল। বিয়াত সচৰাচৰ পালন কৰা কিছুমান আনুষ্ঠানিক ক্ৰিয়া-কলাপ ছোৱালী যৌৱনপ্ৰাপ্ত হওঁতেই পালন কৰা হৈছিল। পুষ্পিতা হোৱাৰ কালছোৱাত ছোৱালীজনীক নিলগকৈ ৰখাটো আনকি আজিও সমাজত চলি আছে। ছোৱালীৰ গাভৰুকালত কৰা আন আন অনুষ্ঠান হ'ল কাণ বিন্ধোৱা, নাক ফুটোৱা আদি। এইবোৰ কথা আজিলৈকে লিপিবদ্ধ হোৱা নাই।

এই প্ৰসঙ্গতে নামৰ মাহাত্ম্যৰ বিষয়েও উল্লেখ কৰিব পাৰি। সাধাৰণ মানুহে নামৰ যাদুকৰী শক্তিত বিশ্বাস কৰে। অসমীয়া মানুহৰ নাম দুটা। এটা গোপন বা ৰাশিচক্ৰ চাই নিৰ্ণয় কৰা নাম; আনটো প্ৰকাশ্য নাম। প্ৰকাশ্য নামটোৱেই বন্ধু-বান্ধৱৰ মাজত আৰু সমাজত পৰিচিত। গোপন নামটো আচল নাম। ইয়াক কেৱল যিজনৰ নাম তেওঁ আৰু তেওঁৰ পিতৃ-মাতৃয়েহে জানে। আচল নামটো প্ৰকাশ কৰাৰ বিৰুদ্ধে থকা বাধা-নিষেধবোৰৰ কাৰণ আছে। সাধাৰণৰ বিশ্বাস যে নামটো নিজৰ সত্তাৰ অত্যন্ত প্ৰয়োজনীয় অঙ্গ, আনে ইয়াক জানিলে বিপদৰ সম্ভাৱনা। আচল নামটো শত্ৰুৰ আগত প্ৰকাশ হ'লে সেই নামৰ ওপৰত মন্ত্ৰ মাতি শত্ৰুৱে অপকাৰ কৰিব পাৰে বুলি বিশ্বাস কৰি তাক গোপনে ৰক্ষা কৰা হয়। ল'ৰা-ছোৱালীৰ নামকৰণ, প্ৰথম



অশৌচিয়া চুলি কটা, অন্নপ্ৰাশন কাৰ্যাদি অনুষ্ঠান উৎসৱৰ যোগেদি পালন কৰা হয়। পোন প্ৰথমে কেঁচুৱাৰ অশৌচিয়া চুলি কাটোঁতে নাপিতক সম্মান কৰি পাত্ৰ-বস্ত্ৰ দান কৰা হয়। অন্নপ্ৰাশনত ল'ৰা-ছোৱালীৰ মুখত প্ৰথম ভাত মোমাইদেৱেকে দিয়াটো সামাজিক প্ৰথা।

ল'ৰা-ছোৱালীৰ নাম প্ৰায়েই কোনো দেৱ-দেৱী বা সাধু-সন্তৰ নামেৰে দিয়া হয়। যি দেৱ-দেৱীৰ নামেৰে নাম থোৱা হয় তেওঁ যাতে সততে বিপদ-আপদৰপৰা সন্তানক ৰক্ষা কৰে, সেয়ে উদ্দেশ্য। দেৱ-দেৱী বা সাধু-সন্তৰ সজ গুণসমূহ ল'ৰা বা ছোৱালীয়েও যাতে পায় সিও আন এটা উদ্দেশ্য। বৈষ্ণৱ মতাৱলম্বীসকলে সন্তানৰ নাম স্বভাৱতেই কৃষ্ণ, ৰাম, বিষ্ণু, হৰি ইত্যাদি ৰাখে। কাৰণ, সন্তানৰ নাম কাঢ়োঁতে নিজৰ ইষ্ট-দেৱতাৰো নাম উচ্চাৰণ কৰা হয় (অজামিল উপাখ্যান এটা উদাহৰণ)। পৰিয়ালত কোনো সন্তানৰ মৃত্যু হ'লে পিছৰ সন্তানৰ নাম কোনো কোনোৱে আৰ্কৰ্ষণীয় কৰি নিদিয়ে—যেনে তেনে নাম এটা দি থয়। কুৎচ নামৰ প্ৰতি অপদেৱতাৰ আৰ্কৰ্ষণ নেথাকে বুলি মানুহৰ বিশ্বাস।

স্বামী, বৰজনা, বয়োজ্যেষ্ঠলোক আৰু মৃত-উপৰিপুৰুষৰ নাম কাঢ়িব নেপায়। মৃতকৰ নাম লিখোঁতে অপদেৱতাৰ দৃষ্টিৰপৰা হাত সাৰিবলৈ মৃতকৰ নামৰ আগতে (ঈশ্বৰ) বহুওৱা হয়। ভয়লগা প্ৰাণীৰ নাম উচ্চাৰণ কৰা ক্ষেত্ৰতো বাধা-নিষেধ আছে। ৰাতি সাপৰ নাম উচ্চাৰণ কৰিবলগীয়া হ'লে মানুহে সাপ বুলি নকৈ দীঘল-ঠেঙীয়া বুলি কয়। নামৰ এনে প্ৰতীকবোৰৰ সম্বন্ধে আলোচনা বৰ কৌতূহলোদ্দীপক।

সকলো সংস্কাৰৰ ভিতৰত বিবাহ প্ৰধান। শাস্ত্ৰীয় নিয়মানুসাৰে বিবাহক ব্ৰাহ্মণ, দৈৱ, আৰ্য, প্ৰজাপত্য, আসুৰ, গান্ধৰ্ব, ৰাক্ষস আৰু পৈশাচ—এই আঠ প্ৰকাৰত ভাগ কৰা হৈছে। অনুপ্ৰৱেশৰ দ্বাৰা সৃষ্ট ইয়াৰে কেইটামান আৰ্যৰ আৰু বাকীবোৰ প্ৰথা আৰ্যীকৰণৰ ফলত জন্ম। অসমৰ বিভিন্ন সমাজত

অসমীয়া গাঁৱত প্ৰচলিত অন্যান্য গীত-নৃত্যসমূহৰ ভিতৰত এটা হ'ল দেওধনি। এই নৃত্য সাধাৰণতে তিৰোতাৰ আৰু ইয়াত নাচি নাচি মানুহগৰাকী অলৌকিকভাৱে সমাধিস্থ হয়। ইয়াৰ উদ্দেশ্য প্ৰধানকৈ হ'ল ঐন্দ্ৰজালিক শক্তি লাভ কৰা। তাৰ পিছত আহে ওজাপালি নৃত্য আৰু মনসা পূজাৰ লগত জড়িত নৃত্য। জনজাতিসকলৰ নিজা নিজা ধৰণৰ নাচ আছে। নগাসকলৰ চিকাৰী নৃত্য, মণিপুৰীৰ লোও-হাৰোবা নৃত্য, লুচাইৰ বাঁহনৃত্য আৰু বড়োসকলৰ খেৰাই নৃত্য উল্লেখযোগ্য।

অসমৰ বিভিন্ন জাতি-উপজাতিৰ মাজতে প্ৰচলিত আনুষ্ঠানিক সমদলীয় অথবা এজনীয়া নাচসমূহৰ প্ৰধানকৈ এইদৰে শ্ৰেণীবিভাগ কৰিব পাৰি। (১) পূজা-পাতল আৰু ধৰ্ম অনুষ্ঠানৰ লগত জড়িত নাচ; (২) প্ৰকৃতিৰ সন্তুষ্টিৰ অৰ্থে কৰা নাচ; (৩) অলৌকিক শক্তি লাভৰ নাচ; (৪) প্ৰেম নিবেদন, বিবাহ, উৎসৱৰ লগত সম্বন্ধ থকা নাচ; (৫) মৃত্যু, শোক, বিবাহ আৰু অমঙ্গল দূৰ কৰিবলৈ নচা নাচ (যেনে—মাৰি-মৰকৰ সময়ত কৰা নগৰ সংকীৰ্তনৰ নাচ); (৬) কৃষি আৰু ঋতু উৎসৱৰ লগত জড়িত নাচ; (৭) চিকাৰ, মাছ মৰা আদি খাদ্যসংগ্ৰহৰ নাচ; (৮) যুদ্ধ-যাত্ৰা, যুদ্ধ-জয়, শত্ৰু-নিধন, শক্তি-পৰীক্ষা আদি হৰ্ষ-উল্লাসৰ নাচ।

ইয়াৰ উপৰিও ধান ৰোৱা, দোৱা, বনা আৰু আনকি নৈলৈ পানী আনিবলৈ যোৱা বিষয়ৰ যিবোৰ দৈনন্দিন কাম আছে তাৰ লগত জড়িত কিছুমান শ্ৰমনৃত্য আছে। এই কামবোৰ কৰাৰ লগত অঙ্গ-প্ৰত্যঙ্গৰ যি ছন্দময় ভঙ্গী আছে সি গীতৰ লগত লগ লাগি মাধুৰিমাময় হৈ পৰে। এই গীতসমূহৰ যোগেদি কামৰ ছেৱে ছেৱে তাল ৰাখি, কামৰ গতি নিৰৱচ্ছিন্নভাৱে অব্যাহত ৰাখি আৰু কাম কৰি থকা সময়ত লগা অমনি আঁতৰাই, কামৰ দক্ষতা বঢ়োৱা হয়। ধান বানোতে গোৱা ঢেঁকীৰ গীত, সূতা কাটোঁতে গোৱা যঁতৰৰ গীত, গৰখীয়াৰ গীত, নাৱৰীয়াৰ গীত, মাছমৰীয়াৰ গীত আৰু টোকাৰী



গীত আদি বহু বিষয়ৰ গীত আছে। যি কাম কৰা হয়, সেই কামৰ লগত ৰজিতা খাই গীত আৰু নৃত্যই এক নতুন ৰূপ গ্ৰহণ কৰে।

এই নৃত্য-গীতবোৰৰ লগতে অন্য এবিধ সৰু গীতৰো উল্লেখ কৰিব পাৰিব। লোক-সাহিত্যৰ অঙ্গ হিচাপে ই বৰ সৰবৰহী। এই কবিতাবোৰ আওৰাওঁতে জিভাখন খুব দ্ৰুতগতিত ঘূৰাব লাগে। ইয়াৰ প্ৰত্যেক শব্দৰ ধ্বনি একে। এই কবিতাবোৰ এফাঁকিও হ'ব পাৰে, নাইবা এশাৰীও হ'ব পাৰে। কিন্তু ডাঙৰ ডাঙৰকৈ কেইবাবাৰো আওৰাবলৈ এইবিধ কবিতা বৰ টান (যেনে— লাই পুলি লৰাই ৰুলো)। একেটা ব্যঞ্জন বৰ্ণ একে-লেথাৰিয়ে আওৰাব লগা হ'লে জিভাখন ঘূৰোৱা-পকোৱা টান। জনবিশ্বাসমতে এনেকৈ জিভা ঘূৰাই শব্দ উচ্চাৰণ কৰি থাকিলে চুটি জিভা দীঘল হয়। ই কেৱল ল'ৰা-ছোৱালীৰ ধেমালিৰ বস্তুৱেই নহয়; ল'ৰা-ছোৱালীৰ উচ্চাৰণো ইয়াৰ ফলত স্পষ্ট হয়। এইবোৰ বংশপুৰুষ ধৰি মুখে মুখে চলি আহিছে। এতিয়া এইবোৰৰ সংগ্ৰহ প্ৰয়োজন।

## খেল-ধেমালি

খেল-ধেমালিও আমোদপূৰ্ণ সামাজিক ব্যৱস্থা; কিয়নো, খেলিবলৈ হ'লে এজনতকৈ বেছি লোকৰ প্ৰয়োজন। খেল-ধেমালি ক্ৰীড়া হিচাপে জনসাধাৰণৰ জীৱনৰ এক অবিচ্ছেদ্য অঙ্গ। খেল-ধেমালিৰ ওপৰত আজিকালি যি ধৰণৰ গুৰুত্ব আৰোপ কৰা হৈছে, সেই পিনৰপৰা বিচাৰ কৰিলে খেলেই আধুনিক জীৱন আৰু তাৰ সংস্কৃতিৰ এক বিশিষ্ট ৰূপৰ গঢ় দিয়ে। মূলতঃ খেল এখন নাটক। খেলুৱৈবোৰ ইয়াৰ ভাৱৰীয়া, ছন্দময় গতি ইয়াৰ নৃত্য। কিছুমান খেলত গীতো থাকে। খেলৰ ভিতৰত আৰু গোটাদিয়েক বিশিষ্ট লক্ষণ আছে। প্ৰত্যেক খেলৰে কিছুমান নিয়ম আছে। এই নিয়মবিলাকৰ সৰহভাগেই জনসাধাৰণৰ বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। খেল-ধেমালিৰ

সম্বন্ধেও কিছুমান পুৰণি বিশ্বাস আছে৷ খেলবিলাক সকলো সময়তে স্ত্ৰী-পুৰুষ নিৰ্বিশেষে সকলোৱে সকলো ঠাইতে আৰু সকলো বয়সৰ মুনিহ-তিৰোতাই খেলিব নোৱাৰে। অসমত কড়ি সচৰাচৰ ব'হাগ বিহুত খেলা হয়; কাৰণ, উৰ্বৰতাৰ লগত কড়িৰ সম্বন্ধ। বহু সমাজত খেল-ধেমালি পূজাৰ অঙ্গবিশেষ। কালিকা পুৰাণৰ মতে চণ্ডিকা পূজা পঞ্চালিকা বিহাৰ আৰু শিশুকৌতুকেৰে সম্পন্ন কৰিব লাগে। কেতিয়াবা ভবিষ্যৎ গণনা কৰিবলৈ কড়ি আৰু পাশা খেলা হয়। কিছুমান খেল কেৱল ল'ৰা-ছোৱালীয়ে খেলিব পাৰে। সাধাৰণতে, গীত গাই গাই কৰা খেলবোৰ ল'ৰা-ছোৱালীয়ে খেলে। জাতীয় খেলবিলাকৰ বিষয়ে আৰু তথ্য-পাতি সংগ্ৰহ কৰিব পাৰি। বিশ্বাস, সাধুকথা, লোকগীতি, বিহুগীত বা লোক-কথাৰ আন যিকোনো বিষয়ৰ দৰে খেলৰো অনেক বিচিত্ৰ ধৰণ আছে আৰু এই বিষয়ে যথেষ্ট গৱেষণা কৰাৰ থল আছে। অসমৰ পূব আৰু পশ্চিম অঞ্চলত কিছুমান খেলৰ নিয়ম একে নহয়। ইয়াৰ কাৰণ আমি ফঁহিয়াই চাব লাগিব। আমি আৰু চাব লাগিব এটা খেল এঠাইৰপৰা আন এঠাইলৈ আৰু এটা শতিকাৰ পৰা আন এটা শতিকালৈ এনেকৈ বাগৰে আৰু এনেকৈ বাগৰোঁতে ই কিয় ৰূপ সলায়। খেলৰ উৎপত্তিৰ উৎস জাতিগত নে তাৰ মূল ভৌগোলিক— এইবোৰেই খেল-ধেমালি সম্বন্ধে কৰিব লগা আলোচনা। খেল-ধেমালিৰ ধৰণ-কৰণৰপৰা জাতিৰ শক্তি, সাহস, বীৰত্ব, কৰ্মশক্তি আৰু আমোদ-প্ৰমোদৰ বিষয়ে জানিব পাৰি।

•••

# ভৌগোলিক পৰিৱেশ

বিভিন্ন অঞ্চলৰ মানুহৰ দেহৰ গঠন, সাজপাৰ, আচাৰ-ব্যৱহাৰ চিন্তাধাৰাৰ বহুল পাৰ্থক্য। তেওঁলোকৰ আহাৰ সুকীয়া, ঘৰ-দুৱাৰ সজাৰ আহিলা-পাতিও বেলেগ; আমোদ-প্ৰমোদ, ক্ৰীড়া-অনুষ্ঠানসমূহো ভিন ধৰণৰ। এই পাৰ্থক্য প্ৰধানকৈ অৱশ্যে প্ৰকাশ পায় জীৱিকা অৰ্জনৰ ব্যৱস্থাসমূহত। এইবোৰৰ বাহিৰে জাতি, ভাষা আৰু ধৰ্মমূলক বৈষম্যও ভৌগোলিক পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠে। এই পাৰ্থক্যৰ ফলস্বৰূপেই বিভিন্ন আঞ্চলিক সংস্কৃতিৰ সৃষ্টি।

দেশৰ অৱস্থান, নদ-নদী, পাহাৰ-পৰ্বত, উদ্ভিদ আৰু প্ৰাণী জগতৰ লগত ভৌগোলিক পৰিৱেশৰ ঘাই সম্বন্ধ। এই উপাদানসমূহেই এক অঞ্চলৰ সংস্কৃতিক অন্য এক সংস্কৃতিৰপৰা পৃথক কৰে। এক স্বতন্ত্ৰ সংস্কৃতি গঠনত ভাৰতবৰ্ষৰ মানচিত্ৰত অসমৰ ভৌগোলিক স্থিতি গুৰুত্বপূৰ্ণ। অসমৰ সংস্কৃতি মূলতে যে ভাৰতীয়, সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু অসমৰ সংস্কৃতিত মঙ্গোলীয় আৰু খেমৰ সংস্কৃতিৰ প্ৰভাৱো কম নহয়। এই বিষয়ে অধ্যাপক সুনীতিকুমাৰ চট্টোপাধ্যায়ে লিখিছে—

"The Tantric form of later Hinduism, which, however, is not divorced from its bases in yoga in Pauranic faith and ritual seems to have taken its final colouring from the character of Mongoloid cults, which it replaced. Among the Mongoloid tribes women had far greater freedom in marriage, divorce, and other matters than we find in ortho-

dox Hindu society. Certain aspects of Vamacara Tantricism have their bases evidently in this side of Indo-Mongoloid life and ways. In fact, the worship of the Great Mother in some of Her various shrines of Assam and East Bengal, particularly in Kamakhya near Gauhati, is looked upon as being originally Kirata or Tibeto-Burman." *(The Cultural Heritage of India,* Volume I).

ভূগোলৰ লগত জলবায়ুৰ সম্বন্ধ আছে। যিকোনো অঞ্চলৰ মানুহৰ চৰিত্ৰ আৰু জীৱন-পদ্ধতিৰ গঠনত জলবায়ুৰ প্ৰভাৱ মন কৰিবলগীয়া। অসমৰ জলবায়ু অত্যধিক শীত অথবা গৰমো নহয়। সেই কাৰণে, জলবায়ুৱে অসমৰ অধিবাসীক এলেহুৱা আৰু অত্যধিক পৰিশ্ৰমবিমুখ কৰিছে। আৰু এটা কথা, অসমৰ প্ৰধান ঋতু দুটা—বৰ্ষা আৰু বসন্ত। কৃষিপ্ৰধান অসমৰ বৰ্ষা ঋতু গুৰুত্বপূৰ্ণ; ই সৰু-বৰ নদীসমূহক পানী যোগায়; কোনো কোনো বছৰ বানপানীৰ প্লাৱনত গাঁও-ভূঁই বিধ্বস্ত কৰে; লগে লগে পথাৰত পলস পেলাই অধিক শস্য উৎপাদনৰ উপযোগীও কৰে।

অসমৰ মানুহৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত বসন্তকালে অনুপ্ৰেৰণা জগায়। বসন্ত, আনন্দ আৰু আমোদ-প্ৰমোদৰ ঋতু। অসমৰ প্ৰকৃতিয়ে এই ঋতুত অভিনৱ ৰূপ গ্ৰহণ কৰি অসমীয়া ডেকা-গাভৰুৰ মনত উদ্দীপনাৰ সৃষ্টি কৰে। অসমৰ প্ৰধান জাতীয় উৎসৱ ব'হাগ বিহু এই ঋতুতেই অনুষ্ঠিত হয়। অসমীয়া মানুহৰ বিয়া, বাৰুও সৰহকৈ এই ঋতুতে পতা হয়।

অসমীয়া লোক-সাহিত্যৰ প্ৰধান অঙ্গ বিহুগীতবোৰো বসন্ত ঋতুৰে দান। বিহুৰ লগত জড়িত বিহুনাচ, হুঁচৰি আদি বিভিন্ন নৃত্যৰ চৰ্চাও এই সময়তে হয়। বসন্ত কালতেই তাঁতশালৰ যোগে অসমীয়া তিৰোতাৰ চাৰুশিল্প-চৰ্চাতো ধাউতি বাঢ়ে; কণী যুঁজোৱা, কুকুৰা যুঁজোৱা, কড়ি খেল আদি আমোদ-প্ৰমোদৰ ঋতু এইটোৱেই।

অসমৰ সামাজিক জীৱনৰ মূল ভেটি হ'ল গাঁও। এই গাঁৱৰ স্থিতি আৰু গঠনো ভূগোলৰ ওপৰত নিৰ্ভৰশীল। অসমীয়া গাঁও সাধাৰণতে



নদীৰ কাষত অথবা উপত্যকা অঞ্চলত পতা হয়। ধানখেতি কৰিবলৈ আৰু ফলমূলৰ বাৰী পাতিবলৈ এনে ঠাইতে সুচল। পূব-এছিয়াৰ দেশসমূহৰ দৰে অসমৰ সংস্কৃতি ধানখেতিৰ লগত ওতপ্ৰোতভাৱে সাঙোৰ খাই আছে। অসমীয়া গাঁৱত আজিও ধানৰ ভঁৰাল সংখ্যাৰ ওপৰতে ধনী বিবেচিত হয়। চহকী শব্দৰ অৰ্থও ধানখেতিৰ ওপৰতে গঢ়ি উঠিছে। ধান-চাউল অসমীয়াৰ মানত অতি পবিত্ৰ; ধান চাউলৰ ওপৰত ভৰিৰ খোজ পৰাও অপৰাধ। ধান লক্ষ্মীস্বৰূপা। সকলো ধাৰ্মিক সামাজিক অনুষ্ঠানত ধানৰ ব্যৱহাৰ আছে। সেই কাৰণে, নানা উৎসৱেৰে ধানক পথাৰৰপৰা গোটাই ভঁৰালত সামৰা হয়।

আহাৰ আৰু বাসস্থান (ঘৰ) মানুহৰ দুটা অত্যন্ত মৌলিক প্ৰয়োজন। চৌবিছ ঘণ্টাৰ ভিতৰত মানুহে ক্ষন্তেক নুশুই নোৱাৰে। শোৱাৰ সময়তো মানুহৰ শত্ৰুৰ অন্ত নাই। কেৱল বনৰীয়া জন্তুৰ পৰাই নহয়, চুবুৰীয়া মানুহৰ পৰাও ভয়। কিন্তু টোপনি নোযোৱাকৈ লক্ষ্মণৰ দৰে কম মানুহেহে উজাগৰে থাকিব পাৰে। সেই কাৰণেই, প্ৰকৃতিৰ বিপদ-বিঘিনি আৰু শত্ৰুৰপৰা ৰক্ষা পাবলৈ মানুহে ঘৰ বা বাসস্থান সাজিব লাগে। গৃহ শব্দৰ অৰ্থ হ'ল সুখ-শান্তিৰে আহাৰ, শয়ন, গ্ৰহণ কৰিব পৰা স্থান।

অসমৰ মানুহৰ ঘৰ আৰু ঘৰ নিৰ্মাণত ভৌগোলিক পৰিৱেশৰ প্ৰভাৱ আছে। হাতত পোৱা লাগতিয়াল সামগ্ৰীৰেই মানুহে ঘৰ-দুৱাৰ সাজে—ই সঁচা। কিন্তু এই কাৰ্যত মাটী আৰু জলবায়ুৰ প্ৰভাৱ একেবাৰে উলাই কৰিব নোৱাৰি। ঘৰ সজাত শিল, ইটা, কাঠ, বাঁহ, খেৰ, বেত, ইকৰা, কোন সামগ্ৰীৰ প্ৰয়োজন, তাক নিৰ্ণয় কৰে জলবায়ুৱে। এই সঁজুলিবোৰৰ প্ৰত্যেকৰে দিন টিকিব পৰা আৰু বতাহ, ধুমুহা, বৰষুণ, শীত, গ্ৰীষ্মৰপৰা ৰক্ষা কৰিবৰ স্বতন্ত্ৰ গুণ আছে। সহজে আৰু অনায়াসে ব্যৱহাৰত লগাব পৰাও এইবোৰৰ বিশিষ্ট গুণ আছে। অসমত বাঁহ, কাঠ, ইকৰা, খেৰ হাততে পোৱা সামগ্ৰী। ইয়াৰে কেতবোৰ অসমৰ মাটী, পাহাৰ আৰু নদীৰ দান।

বানপানী আৰু ভূমিকম্প আদি প্ৰাকৃতিক দুৰ্যোগৰ হেতুও ঘৰ নিৰ্মাণত অসমীয়া মানুহে এইবোৰ সামগ্ৰী ব্যৱহাৰ কৰে। কেৱল সামগ্ৰীৰ ক্ষেত্ৰতেই

নহয়, অসমৰ ঘৰৰ চানেকি আৰু ঘৰ সজাৰ কৌশলো অন্য প্ৰদেশৰ লগত নিমিলে। অসমীয়া সংস্কৃতিৰ ইয়ো এটা বিশেষত্ব।

চৌহদৰ ভিতৰত সৰু-বৰ কেইবাটাও ঘৰ সাজি লোবাটো অসমীয়াৰ নিয়ম। প্ৰাচীন প্ৰবচন মতে 'ঘন ঘন কৈ সৰু ঘৰ, যিমান লাগে সিমান কৰ'। অসমীয়া মানুহে বাটচ'ৰা, চ'ৰাঘৰ, বৰঘৰ, মাৰল ঘৰ, ৰান্ধনি ঘৰ, গোহালি ঘৰ, ভঁৰাল ঘৰ, গোসাঁই ঘৰ, আদি বিভিন্ন প্ৰয়োজনৰ কাৰণে সুকীয়া ঘৰ সাজে। একেটা ঘৰতে বহা, শোৱা, ৰন্ধা, খোৱা, গোসাঁইসেৱা আদি কাৰ্য নকৰে। প্ৰত্যেকেই প্ৰচুৰ মাটি ভোগ কৰিবলৈ পোৱাৰ হেতু ই সম্ভৱ হৈছিল। এই ব্যৱস্থাই অসমীয়া মানুহক পৰিষ্কাৰ-পৰিচ্ছন্নও কৰিছে। অৱশ্যে জনজাতীয় মানুহৰ মাজত বহু ঘৰ সাজি লোৱা ব্যৱস্থা নাই। তেওঁলোকে এটা দীঘল চাংঘৰ সাজে; শত্ৰুৰপৰা ৰক্ষা পাবলৈ একে ঘৰতে পৰিয়ালৰ সকলোৱে বাস কৰে; একে ঘৰতে বিভিন্ন কাৰ্য সাধন কৰে। চাংঘৰৰ তলত গৰু, গাহৰি, কুকুৰা পোহে। কোনো কোনো জনজাতিৰ চাংঘৰৰ চাঙৰ তলেদি বনৰীয়া হাতীয়ে সহজেই অহা-যোৱা কৰিব পাৰে। মিৰিসকলে চাংঘৰৰ কাৰণে বনৰীয়া জন্তুৰ বাহিৰে বানপানীৰপৰাও ৰক্ষা পায়। বনৰীয়া জন্তুৰপৰা ৰক্ষা পাবৰ কাৰণে কোনো কোনোৱে গছৰ আগত টঙিঘৰ সাজে।

অসমীয়া ঘৰৰ নিৰ্মাণ-কৌশলো সুকীয়া। সাধাৰণতে দুচলীয়া ঘৰেই অধিক; বৰষুণৰ পানী শীঘ্ৰে বাগৰিব পৰাকৈ ছাল দুখন সজা হয়। বৰষুণ-প্ৰধান অসমত এইটো নিপুণ ব্যৱস্থা। ঘৰৰ চৌহদত তামোল, পাণ, আম, কঁঠাল, কল, বাঁহ আদি ৰুই খেৰ-বাঁহেৰে সজা ঘৰবোৰৰ লগত প্ৰাকৃতিক দৃশ্যৰ সমতা ৰক্ষা কৰা হয়। অসমীয়া মানুহৰ সেউজীয়া প্ৰকৃতি-প্ৰীতি এই ব্যৱস্থাত প্ৰকাশ পায়। অসমীয়া নামঘৰ আৰু মন্দিৰবোৰতো স্থানীয় বৈচিত্ৰ্য আছে। মন্দিৰৰ কলসী পাহাৰ আৰু গছৰ শিখৰৰ অনুকৰণত সজা হয়।

পৰিবেশৰ লগত মানুহৰ নিবিড় যোগাযোগ স্থাপনৰ অন্যান্য উপায়সমূহৰ ভিতৰত প্ৰধান হ'ল খাদ্যসংগ্ৰহ ব্যৱস্থা। পৰিবহণ আৰু বেহা-বেপাৰৰ হেতু সাজ-পাৰৰ পৰিবৰ্তন যিমান শীঘ্ৰে আৰু ব্যাপকভাৱে হয়,



খাদ্যৰ ক্ষেত্ৰত তেনে নহয়। আহাৰ সম্বন্ধে মানুহ অতিমাত্ৰাই সংৰক্ষণশীল। এক অঞ্চলৰ খাদ্যৰ লগত ভিন অঞ্চলৰ খাদ্যৰ ভালেখিনি অমিল। এখন সমাজক আন এখন সমাজৰপৰা যিসমূহ কাৰণৰ দ্বাৰা পাৰ্থক্য কৰিব পাৰি তাৰ ভিতৰত খাদ্যই প্ৰধান। এক অঞ্চলৰ খাদ্য অন্য অঞ্চলৰ বিষ সদৃশ। এইদৰে আহাৰৰ ক্ষেত্ৰতো দেশৰ ভূগোল আৰু জলবায়ুৰ প্ৰভাৱ পৰিছে। জলবায়ুৰ ওপৰত নিৰ্ভৰ কৰিয়েই বিভিন্ন অঞ্চলৰ খাদ্য-তালিকা সুকীয়া হয়।

ভৌগোলিক প্ৰভাৱত অসমীয়া মানুহৰ খাদ্য-তালিকা আৰু ৰন্ধন-প্ৰকৰণ সুকীয়া হৈছে। যথেষ্ট বৰষুণৰ হেতু অসম ধানখেতি-প্ৰধান; ইয়েই অসমীয়াৰ প্ৰধান খাদ্য। ধানখেতি অসমীয়াৰ জীৱন ধাৰণৰ কেৱল অৱলম্বনেই নহয়—এই ধানখেতিৰ ওপৰতেই অসমীয়া মানুহৰ পাৰিবাৰিক আৰু সামাজিক জীৱনৰ ভেটি স্থাপন হৈছে। ধানখেতি সম্ভৱ হয় পৰিয়ালৰ আৰু সমাজৰ সহযোগ আৰু সমৱেত চেষ্টাৰ ওপৰত। পথাৰত হাল নমোৱাৰপৰা ধান দাই অনালৈকে সকলোখিনি কাম পৰিয়ালৰ সহায় আৰু ৰাইজৰ সমিলমিলৰ বা ৰাইজৰ বান্ধৰ ওপৰত সম্পূৰ্ণ হয়। জলসিঞ্চন, আলি বন্ধা, ভুঁই ৰোৱা, জন্তুৰপৰা শস্যক্ষেত্ৰ ৰক্ষা কৰা, ধান দোৱা—এই কামবোৰ সমূহীয়াভাৱে কৰিব লাগে। আনকি, খেতিৰ সময়খিনিত গঞাই পাল পাতিহে গৰু চৰায়। ধান চপোৱাৰ পিছত ভঁৰালত ডাঙৰি জপা, মৰণা মৰা, ধান জৰা, ধান বনা আদি কামবোৰ পৰিয়ালৰ সকলোৱে মিলি-জুলি কৰিব লাগে। এই খাদ্যসংগ্ৰহ কাৰ্যত ল'ৰা-বুঢ়া, মতা-তিৰোতা পৰিয়ালৰ সকলোৰে বিশিষ্ট স্থান হোৱাৰ হেতু প্ৰত্যেকৰে মনত আত্মসন্তুষ্টিৰ ভাব জন্মে; এইভাৱে পৰিয়ালক একগোট কৰি ৰখাত বিশেষ সহায় কৰে।

ধানখেতিত বছৰৰ কেইমাহমানহে খেতিয়ক ব্যস্ত থাকিব লাগে। আজৰিৰ সময়খিনিয়ে খেতিয়কৰ মাজত সমূহীয়া জীৱন গঢ়ি তোলাত সহায় কৰে; সুকুমাৰ কলাৰ চৰ্চা কৰিবলৈ ৰাইজক সুবিধা দিয়ে।

অন্যান্য ফলমূল অথবা শাক-পাচলিৰ দৰে ধান দুদিনতে গেলি-পচি যোৱা বস্তু নহয়। ইয়াক ভৱিষ্যতৰ কাৰণে সঞ্চয় কৰিবও লাগে। এই সঞ্চয়ৰ

কাৰণে প্ৰথমেই প্ৰয়োজন ভঁৰাল ঘৰ। অসমীয়া অন্যান্য ঘৰৰ নিৰ্মাণৰ লগত ভঁৰাল ঘৰৰ আৰ্হি নিমিলে। দ্বিতীয়তে, ধান জাৰিব-চালিবলৈ আৰু থ'বলৈ ডলা, কুলা, চালনি, ডুলি, পাচি খৰাহিৰ প্ৰয়োজন। অসমৰ প্ৰকৃতিয়ে যোগোৱা বাঁহ-বেতৰ সহায়তেই এই সা-সঁজুলিবোৰ সজা হয়। অসমৰ হস্তশিল্প আৰু লোক-কলাৰ বিচিত্ৰ আৰু মনোৰম চানেকি ধানৰ লগত জড়িত এই সঁজুলিবোৰত প্ৰকাশ পাইছে।

ধানখেতিৰ লগত নানা ক্ৰিয়াকাণ্ড আৰু উৎসৱ অনুষ্ঠানৰ সম্বন্ধ আছে। ব'হাগ বিহুৰ লগত গৰুবিহু আৰু গো-পূজাও জড়িত। খেতিয়কৰ নিজৰ পৰিশ্ৰমৰ ওপৰতে ধানখেতিৰ উৎস নিৰ্ভৰ কৰে। উপযুক্ত বতৰ আৰু যথাসময়ত বৰষুণ—এই দুটাৰ ধানখেতিত বিশেষ প্ৰয়োজন। সেই কাৰণে, দৈৱবিশ্বাসী হৈ খেতিয়কসকলে অধিক শস্যৰ কাৰণে আৰু শস্যক বনৰীয়া জন্তু, পোক-পৰুৱা আদিৰপৰা ৰক্ষা কৰিবলৈ বলি-বিধান, পূজা-অনুষ্ঠানৰ ব্যৱস্থা কৰে। ব'হাগ বিহু, কাতি বিহু মাঘ বিহু, আদি প্ৰকৃততে ধানখেতি-উৎসৱ। খেতি-পথাৰ শত্ৰুৰপৰা ৰক্ষা কৰিবলৈ অসমীয়া ভাষাত ভালেমান মন্ত্ৰৰ ৰচিত হৈছে।

অসমীয়াৰ ভোজন-বিলাসৰ বিকাশ ক্ষেত্ৰত ধান-চাউলৰ দান নগণ্য নহয়। অন্ন, পায়সান্ন, বোকাচাউল, চিৰা, আখৈ, মুড়ি, পিঠাগুৰি, সান্দহৰ বাহিৰেও তৃপ্তিকৰ নানাবিধ পিঠা-পনা চাউলৰ পৰাই কৰা হয়।

অসমৰ সাধাৰণ মানুহৰ মাজত ঘিউ-মাখনৰ বহুল ব্যৱহাৰ নাই। কোনো কোনো জনজাতিয়ে গাখীৰ খোৱা প্ৰথা ঘিণায়। ঘিউৰ সলনি অসমত সৰিয়হ তেলৰ অধিক ব্যৱহাৰ। কিয়নো অসমৰ সৰু-বৰ উৰ্বৰা নৈৰ পাৰত আজিও প্ৰচুৰ পৰিমাণে সৰিয়হৰ খেতি হয়।

নদীসমূহেই অসমীয়া মানুহক আমিষ ভোজীও কৰিছে। অসমত নিৰামিষ নিষিদ্ধ—ই শাস্ত্ৰবচনত পৰিণত হৈছে। ইয়াৰ উপৰিও হাবিয়ে অসমৰ মঙহ যোগায়। জন্তু, বিশেষকৈ পহু চিকাৰ আমোদী ক্ৰীড়াই নহয়, ইয়াৰ দ্বাৰা খাদ্য সংগ্ৰহো হয়। আজিও ভৈয়াম আৰু পাহাৰৰ মানুহে উৎসৱ-অনুষ্ঠানৰ সমূহীয়া ভোজৰ আয়োজনত পহু-গাহৰি চিকাৰ কৰা নিয়ম। মাছ



মৰা আৰু চিকাৰ,—খাদ্যসংগ্ৰহৰ এই দুই আদিম ব্যৱস্থাই অসমীয়াৰ সমূহীয়া বান্ধ আৰু সাহস দৃঢ় কৰিছে। মাছ-মঙহ সংগ্ৰহৰ নিমিত্তে কৌশলী আৰু ধুনীয়া আহিলা-পাতিও আৱিষ্কাৰ হৈছে। নগাযাঠি, খাচীৰ ধনুকাঁড়, গাবোৰ চৰাই ধৰা ফান্দ, কছাৰিৰ মাছ মৰা বিবিধ যন্ত্ৰ—এইবোৰৰ উদ্ভৱ ভৌগোলিক প্ৰভাৱৰ হেতু। কিয়নো বিভিন্ন জন্তু, চৰাই-চিৰিকটি অথবা মাছ-পুঠিৰ কাৰণে বিভিন্ন ধৰণৰ ফান্দৰ প্ৰয়োজন। অসমৰ বন-জঙ্গলত হাতী, বাঘ, গঁড় আদি জন্তু থকাৰ হেতু এইবোৰৰ চিকাৰৰ বিবিধ ফন্দি অসমীয়া মানুহে আৱিষ্কাৰ কৰিছে।

নদীসমূহে কেৱল একশ্ৰেণীৰ নিপুণ মাছমৰীয়াকে জন্ম দিয়া নাই, তেওঁলোকক সাহিয়াল নাৱৰীয়াও কৰি তুলিছে। অধ্যাপক J.E. Spencerৰ মতে মাছমৰীয়াসকলেই সৰ্বপ্ৰথম খাদ্যৰূপে ব্যৱহাৰ কৰিব পৰা গছ-গছনি সংগ্ৰহ কৰে। তেওঁ লিখিছে—

"... the fishing peoples, perhaps will provide with a food supply, began the first specific working with plants and plant products in net and trap making, and that they discovered the many gums, poisons and spices that are so frequent in the tropics.

Tubers, roots, gathered both for food and for body paints and other dyes, came within their working patterns and gradually came to be the first specific crop items in a simple agriculture that depended upon vegetative reproduction of live plant meterials."

জলবায়ুৰ সুচলৰ হেতু অসমত নানা ধৰণৰ গছ-গছনি, শাক-পাচলি হয়। ইয়াৰে ভালেমান অসমীয়া খাদ্য-তালিকাৰ আদৰৰ সামগ্ৰী। খাৰ আৰু টেঙাৰ প্ৰাধান্যই অসমীয়া খাদ্যক অন্য অঞ্চলৰ খাদ্যতকৈ পৃথক কৰিছে। এই দুইৰ প্ৰীতিৰ গুৰিতেও হ'ল পাৰিৱেশিক প্ৰভাৱ। সামুদ্ৰিক অথবা সৈন্ধৱ লোণ দুয়োটাৰ অসমত অভাৱ। গতিকে, অতীজৰেপৰা অসমীয়া মানুহে

লোণৰ সলনি কলগছৰপৰা তৈয়াৰ কৰা খাৰণি ব্যৱহাৰ কৰি আহিছে। অসমৰ মাটীত বিভিন্ন ধৰণৰ টেঙা প্ৰচুৰ পৰিমাণে হোৱাৰ হেতু অসমীয়া ৰন্ধনপ্ৰকৰণত টেঙা ব্যঞ্জনেই বিশিষ্ট স্থান লৈছে।

দেশত জলবায়ুৰ লগত সাজ-পাৰৰ ঘনিষ্ঠ সম্বন্ধ। অসমীয়া পুৰুষ-মহিলাই অতীজৰেপৰা কপাহী আৰু পাট উভয় কাপোৰ ব্যৱহাৰ কৰি আহিছে। অসমৰ ভৌগোলিক পৰিৱেশ আৰু জলবায়ুৱে পলু পোহাত সুযোগ দিছে। অসমৰ পাটশিল্পৰ প্ৰসিদ্ধি ৰামায়ণ-মহাভাৰতৰ যুগৰপৰা চলি আহিছে।

এইখিনিতে আৰু এটা কথা লক্ষ্য কৰিবলগীয়া ঃ অসমৰ ভৌগোলিক অৱস্থিতি ব্ৰহ্ম, তিব্বত, চীনদেশৰ ওচৰত হোৱাৰ এই দেশসমূহৰ সাংস্কৃতিক জীৱন আৰু চিন্তাধাৰাই অসম দেশৰ লোকৰ ওপৰ যুগ যুগ ধৰি প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

অসমীয়া খাদ্য-তালিকাৰ বোকা চাউল, বাঁহগাজ, বেতগাজ, পচলা, লাও-কচু, মাহ (কটাৰী ডবুৰা, লেছেৰা), বিবিধ টেঙা, কঁঠাল, মাছ, কেঁকোৰা, কুকুৰা, গাহৰি দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰপৰা অহা বুলি অনুমান কৰা হয়। এই প্ৰসঙ্গত Professor J. E. Spencerএ কৈছে— "China – Tonking contributed most of citrus fruit, most of the bananas, tea, such fruit as lichee and longan, many of the Chinese cabbages, perhaps some of the soyabeans and the mulberries."

সেই একেজন বিশেষজ্ঞই আকৌ লিখিছে, "There is evedience that both the dog and the pig, as jungle scavengers around sites, were tamed and domesticated very early in South-eastern Asia.....There is some evidence that these two animals, as pets useful or secred animals, spread out of South-eastern Asia in all directions both with early movements of



man, and as animals were passed from group to group. The tabus upon the eating of both do not generally relate to early times in South-eastern Asia, but were later developed elsewhere by people of different cultures.....The dog and the pig were eaten by many groups, but the common use of the dog as food has been kept only by some of the simple peoples.....The use of the dog for food by the Chinese was common until recent centuries."

নগা জনজাতিয়ে কুকুৰৰ মাংস খোৱা মঙ্গোলীয় প্ৰথা। অসমীয়াৰ মাজত এই মাংস নিষিদ্ধ সেই কথা 'কুকুৰৰ মঙহ খুৱাম', এই গালি আষাৰৰপৰাই উপলব্ধি কৰিব পাৰি।

কেতবোৰ গছ-গছনি আৰু শস্যৰ বীজৰ দৰে খেতি-বাতিৰ অন্যতম আহিলা মহো দক্ষিণ-পূব দেশসমূহৰপৰা অসমলৈ আহিছে। কোনো কোনোৱে বান্দৰ, বোন্দা, জহামাল, কেৰ্কেটুৱা আদি জন্তুও এইবোৰ দেশৰপৰা অসমৰ অৰণ্যৰ মাজেদি ভাৰতবৰ্ষত সোমাইছে বুলি অনুমান কৰে।

সাজ-পোছাকতো এই দেশসমূহৰ অৱদান যথেষ্ট। পাট-কাপোৰ আৰু আহোমৰ দিনত বিশেষকৈ প্ৰচলিত কিংখাপ চীনদেশৰপৰা অহা বুলি অনেকে অনুমান কৰে। ৰ'দ-বৰষুণৰপৰা ৰক্ষা পাবলৈ আৰু অভিজাত্যৰ নিদৰ্শনস্বৰূপে ব্যৱহাৰ হোৱা জাপিটো তিব্বত-বৰ্মীৰ দান।

অসমীয়াৰ সৌন্দৰ্য অনুভূতিৰ ক্ষেত্ৰতো দুই-এটা চীনীয় উপকৰণৰ উল্লেখ কৰিব পাৰি। অসমীয়া ডেকা-গাভৰুৰ প্ৰেম নিবেদনত কপৌফুলৰ বিশেষ স্থান আছে। প্ৰধান কাৰণ কপৌফুল প্ৰজননৰ প্ৰতীক। চীনদেশতো কপৌফুলৰ বিশেষ সমাদৰ। বিবাহৰ পূৰ্বে চীনদেশতো ডেকা-গাভৰুৱে ইজনে সিজনক কপৌফুল উপহাৰ দিয়ে। চীনা-সংস্কৃতিত কপৌফুলৰ কি মহান তাৎপৰ্য সেই কথা 'Chinese Civilization' নামৰ প্ৰসিদ্ধ গ্ৰন্থৰপৰা

উদ্ধৃত কৰিলো।

"During the spring festival of the land of Cheng, young men and girls met in a place where scented orchids grew. They plucked them, and weaving them on the waters, they called upon the ancestral souls to come and be reincarnated. The belief they where summoning a soul breath (Hun) which is not distinguishable from the personal name. When the game of rivalry was finished, the girl received a flower (or-chid) as a pledge from the boy to whom she was united. The orchid of the Holy place thus served to procure births for all the people of Cheng. It ended by becoming a pri-mary embelm. Duke Wen of Cheng had a wife of the sec-ond rank whose name was Yen Ki. She dreamed that a messenger from heaven gave her an orchid (Lan) saying to her: 'I am to you I am thy ancestor. Make the son of that.Because the orchid has a princely perfume,(or alter natively, because the orchid has the perfume of the country) he will recognise to be a prince of Cheng and people will love him'.Thereupon, Duke Wen come to see her. He gave her an orchid and lay with her.Asking his perdon, she said, 'your servant has no talent. If by your favour I have a son, people will not believe me: dare I take this orchid as a proof?'The Duke said 'yes',she bade him the Duke Mu whose personal name was Lan (orchid)......when Duke Mu fell ill, he said: when the orchid dies, behold I shall die also,for by it I live (alternatively for it I was born),when



they cut the orchid, the Duke died."

দেশৰ ধৰ্ম, কিম্বদন্তী, পৌৰাণিক কাহিনী, কলা আৰু সভ্যতাৰ অন্যান্য বিষয়ত ভৌগোলিক পৰিৱেশৰ প্ৰভাৱ পৰিলক্ষিত হয়। "Outline of Primitive Beliefs" নামৰ পুথিত কীনিয়ে লিখিছে, "দেশৰ ভৌগোলিক স্থিতি, যি প্ৰাকৃতিক দৃশ্যৰ মাজত দেশবাসীয়ে জীৱন কটাইছে সেই দৃশ্যসমূহ, আৰু যি প্ৰাকৃতিক ঘটনাপুঞ্জৰ মাজত তেওঁলোক ডাঙৰ-দীঘল হৈছে সেই সকলোৰে ওপৰত নিৰ্ভৰ কৰি জনসাধাৰণৰ ধৰ্মমত গঢ়ি উঠে। অৰণ্যত বাস কৰা আৰু উন্মুক্ত বিশাল সমভূমিত বাস কৰা মানুহৰ ধৰ্ম একে হ'ব নোৱাৰে। ঠিক সেইদৰে মেঘাচ্ছন্ন আকাশ, ধুমুহা বতাহৰ কেন্দ্ৰ, বানপানী বিধ্বস্ত দেশৰ মানুহৰ ধৰ্মৰ লগত ৰৌদ্ৰস্নাত শান্ত জলবায়ুৰ মানুহৰ ধৰ্মৰ কোনো মিল নাই।" অসমীয়া মানুহৰ পূজা-অৰ্চনাৰ বহু বস্তু ভৌগোলিক পৰিৱেশতে জন্ম। শিল, পৰ্বত, গছ-গছনি, জীৱ-জন্তুৰ পূজা অসমত আজিও ব্যাপকভাৱে প্ৰচলিত। ব্ৰহ্মপুত্ৰ, দিখৌ, দয়াং, সোৱণশিৰি আদি নদীক অসমীয়া আৰু জনজাতিৰ লোকে পবিত্ৰ জ্ঞান কৰি আজিও বিচিত্ৰ অনুষ্ঠানেৰে পূজা কৰে। ৰূপহী ছোৱালী উচৰ্গা কৰি নদীপূজা কৰাৰ প্ৰাচীন প্ৰথাৰ ইঙ্গিত কমলাকুঁৱৰীৰ গীতত আছে। সম্ভৱতঃ চীনদেশৰপৰাই অসমলৈ এই প্ৰথাৰ প্ৰবৰ্তন হৈছিল। 'Chinese Civilization'ত আছে—

"Every year a beautiful girl was chosen. Fed and ador ned like bride, she was laid on a bridal bed. This was launched on the water and brone to a whirlpool where it sank. Thus the chosen went to be married to the Count of the River."

ইয়াৰ বাহিৰেও ভূত, পিশাচ, দ'ত, যখ, বুঢ়া ডাঙৰীয়া আদিৰ বিশ্বাস গছ-গছনি নদ-নদীৰপৰাই হৈছে। সাপবহুল কাৰণেই মনসা পূজাৰ জন্ম। অসমৰ ধাৰ্মিক জীৱনত মাছ, কুকুৰা, গাহৰিৰো বিশেষ তাৎপৰ্য আছে। বৰষুণৰ কাৰণে ভেকুলি বিয়াৰ যোগে ভেকুলিৰ সন্তুষ্টি সাধন কৰা হয়।

ধৰ্মই সুকুমাৰ কলাৰো জন্ম দিছে। অতীত কালৰপৰাই চিত্ৰ ভাস্কৰ্য, গীত-উপকথা, নৃত্য-সঙ্গীত ধৰ্মৰ লগত জড়িত। ভৌগোলিক পৰিৱেশে জাতিৰ সুকুমাৰ কলা সৃষ্টিত নানাভাৱে সমল আৰু প্ৰেৰণা যোগাই আহিছে। পূৰ্বেই উল্লেখ কৰি অহা হৈছে যে অসমীয়া লোক-শিল্প বাঁহ-বেতৰ সা-সঁজুলি আৰু প্ৰভাৱ তাঁত শিল্পত পৰিস্ফুট। কেৱল শিল্পৰ সামগ্ৰীসমূহতেই যে পৰিৱেশৰ প্ৰভাৱ পৰিছে এনে নহয়; চিত্ৰকলাৰ বিষয়বস্তুৰ ওপৰতো পৰিৱেশৰ প্ৰভাৱ অসীম। অসমীয়া খেতিয়কে বেত-বাঁহৰ সঁজুলিত একা-বেঁকা, চক্ৰ-চতুষ্কোণ আদি যিবোৰ জ্যামিতিক চিত্ৰ তোলে, সেইবোৰ নদ-নদীৰ ভঙ্গী, চন্দ্ৰ-সূৰ্যৰ বিভিন্ন ৰূপহে মাথোন। অসমীয়া তিৰোতাই কাপোৰত বছা ছবিৰ চানেকিও প্ৰকৃতিৰ গছ-লতা, ফুল-কলি, চৰাই পখিলাৰপৰা আহৰণ কৰা। বিহা-গামোচাৰ শেলৰ ৰঙা বং সূৰ্যৰ, সেউজীয়া বৰণ প্ৰাকৃতিৰ আৰু ক'লা সন্ধিয়াৰ অন্ধকাৰৰ।

অসমীয়া লোক-সাহিত্য অসমৰ প্ৰকৃতিৰ বন্দনা গীত; অসমীয়া ফকৰা-যোজনা, অসমৰ উদ্ভিদ আৰু জীৱ-জন্তুৰ বিশ্লেষণ। অসমীয়া সাধুকথা আৰু পুৰা-কাহিনীৰো মূল উপকৰণ হ'ল অসমৰ জীৱ-জন্তু আৰু নদ-নদী আদি প্ৰাকৃতিক পদাৰ্থসমূহ। এই কাৰণেই অসমৰ ভূগোল আৰু ভৌগোলিক পৰিৱেশৰ লগত পৰিচয় নহ'লে অসমীয়া লোক-সাহিত্যৰ সম্পূৰ্ণ সৌন্দৰ্য উপলব্ধি সম্ভৱ নহয়।

জাতিৰ নৃত্য আৰু সংগীততো প্ৰকৃতিৰ প্ৰভাৱ লক্ষ্যণীয়। অসমৰ পৰ্বত-ভৈয়ামৰ বিহুনৃত্য, বতাহৰ গতি, গছ-গছনিৰ সঞ্চালন, জন্তুৰ খোজ-কাটলৰ অনুকৰণত সৃষ্টি হৈছে। নানা বাদ্য-যন্ত্ৰও গঢ়া হৈছে প্ৰকৃতিৰ উপাদানৰপৰাই। ইয়াৰ ভিতৰত বিভিন্ন প্ৰকাৰৰ বাঁহী, লাওৰ টোকাৰী, মহৰ শিঙৰ পেঁপা, গগনা উল্লেখযোগ্য।

অসমীয়া ভাষাৰ এক-স্বতন্ত্ৰ বৈচিত্ৰ্য ফুটাই তোলাত ভৌগোলিক পৰিৱেশৰ ঋণ অস্বীকাৰ কৰিব নোৱাৰি। অসমীয়া মূলতে আৰ্যগোষ্ঠীৰ ভাষা। কিন্তু তিবৃত-বৰ্মী আৰু অষ্ট্ৰিক ভাষা-ভাষী দেশৰ কাষত থকাৰ হেতু অসমীয়া ভাষাই এই ভবাসমূহৰপৰা ধ্বনি আৰু অলেখ শব্দ দ্বিধাবিহীনভাৱে ধাৰ



কৰিছে। এই হেতু আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ মাজত অসমীয়াই অভিনৱ ৰূপ লৈছে। অসম দেশত অন্যান্য ভাষা-গোষ্ঠীৰ সংখ্যাৰ আধিক্যৰ মূলতেও ভূগোলেই। অলঙ্ঘনীয় পাহাৰে এক পৰ্বতীয়া মানুহক ওচৰৰ অন্য পৰ্বতৰ লগত আহ-যাহ, আদান-প্ৰাদনত বাধা জন্মাইছে। তাৰে হেতু নগাপাহাৰ আদি একে অঞ্চলতে অলেখ ভাষাৰ জন্ম হৈছে।

•••

# লোক-সাহিত্য

কবিগুৰু ৰবীন্দ্ৰনাথে কৈছে যে সিয়াই যেনেকৈ মাটিৰ তলত থাকি গছৰ পত্ৰে-পুষ্পে সুশোভিত কৰি ৰাখে, সেইদৰে সকলো দেশৰে সাহিত্যৰ মূলভাগ লোক-জীৱনৰ মাটিৰ তলত ঢাক খাই সজীৱ হৈ থাকে। লোক-জীৱনৰ লগত জড়িত এই সাহিত্য সম্পূৰ্ণভাৱে স্থানীয়; ই কেৱল দেশৰ জনসাধাৰণৰ উপভোগৰ আৰু উপলব্ধিৰ যোগ্য। কবিগুৰুৰ মতে বাহিৰৰ লোকৰ তাত প্ৰৱেশৰ অধিকাৰ নাই। কিন্তু এই সংকীৰ্ণ প্ৰাদেশিক মূলৰ ওপৰতহে সাহিত্যৰ সাৰ্বভৌমিক শাখা-প্ৰশাখাৰ দিগন্তব্যাপী বিস্তৃতি সম্ভৱপৰ। এইখিনিতে এইটোও মন কৰিবলগীয়া যে জাতীয় সাহিত্যৰ এই ভাগত ব্যক্তিবিশেষৰ কল্পনাৰ স্ফুৰণৰ থল নাই; নতুবা কেৱল এজনৰ মনোৰঞ্জনৰ কাৰণেও ইয়াৰ সৃষ্টি নহয়। এই লোক-সাহিত্য সমাজৰ উমৈহতীয়া সৃষ্টি, সমাজৰ সৰ্বজনৰ ভাৱ, চিন্তা আৰু কল্পনাৰ মিলন তীৰ্থ; সমগ্ৰ সমাজৰ আনন্দ বিনোদনৰ কলাক্ষেত্ৰ। যুগ যুগ ধৰি জনসাধাৰণৰ মুখে মুখে লোক-সাহিত্য চিৰন্তন আৰু চিৰজীৱী হৈ আছে।

লোক-জীৱনৰ লগত নিবিড়ভাৱে সম্বন্ধ থকা সাহিত্যৰ ভিতৰত প্ৰধান হ'ল যোজনা-ফকৰা বা প্ৰবাদ, সাঁথৰ, নিচুকনি, জন্মৰপৰা মৃত্যুলৈকে পালন কৰা পৰ্বৰ লগত জড়িত গীতসমূহ, উৎসৱ-অনুষ্ঠানৰ গীত, লোকধৰ্ম সম্বন্ধীয় গীত, কৰ্মগীত, সাধুকথা, কিম্বদন্তী আৰু পুৰা-কাহিনী। যোজনা ফকৰাসমূহ লোক সাহিত্যৰ শুভাষিতাৱলী। এইবোৰে জাতিৰ সামাজিক, আচাৰ-বিচাৰ, আয়ুৰ্বেদ আৰু কৃষি-সম্বন্ধীয় জ্ঞানৰ পৰিচয় দি লোক-জীৱন তাৰ মাজতে সম্পূৰ্ণভাৱে প্ৰতিফলিত কৰে। এই প্ৰবাদসমূহক স্থান, ভূগোল, জাতি, সমাজ, পুৰাণ কাহিনী, বুৰঞ্জী, লৌকিক আখ্যান, সাধুকথা, প্ৰকৃতি, ধৰ্ম,



আচাৰ-ব্যৱহাৰ—এইকেইটা বিভিন্ন শ্ৰেণীত ভাগ কৰিব পাৰি। এইবোৰ লোক-পৰম্পৰা মুখে মুখে বাগৰি অহা জাতিৰ সমূহীয়া ব্যৱহাৰিক আৰু নৈতিক জ্ঞানৰ সঞ্চয় পুঁজি। সাধাৰণ সুবিধাৰ কাৰণে আৰু ইটো যুগৰ পৰা সিটো যুগলৈ হস্তান্তৰ কৰিবলৈ লোক-জ্ঞানৰ এই প্ৰবাদসমূহ গীতৰ আকাৰত ৰচা হয়। সৰহ সংখ্যক ফকৰা-যোজনা বা প্ৰবাদত ঘৰুৱা আৰু গাঁৱলীয়া জীৱনৰ এশ-এটা চিত্ৰ আছে; কোনোটোত মুনিহ-তিৰোতাৰ দোষ-ত্ৰুটিক আঙুলিয়াই দিয়া হৈছে। তাৰে ফলত হাঁহি-কৌতুকৰো সৃষ্টি হৈছে। পানী অনা, ধান বনা, কাপোৰ বোৱা, ভাত বন্ধা আদি গৃহস্থালিৰ অলেখ সাধাৰণ চিত্ৰৰ উল্লেখ থকাৰ হেতু কোনো কোনোৱে এইবোৰ তিৰোতাৰ দ্বাৰা ৰচিত বুলি অনুমান কৰে।

প্ৰবাদসমূহৰপৰা গাঁৱৰ গছ-গছনি, ফল-ফুল, চৰাই-চিৰিকটি, জীৱ-জন্তু, ঋতু-বতৰৰ মনোৰম বৰ্ণনা কৰিব পাৰি। প্ৰাকৃতিক গাঁৱলীয়া মানুহে কেৱল পূজা-অৰ্চনাই নকৰে, নতুবা উৎসৱ-অনুষ্ঠানত প্ৰকৃতিৰ মণ্ডন কাৰ্যত প্ৰয়োগ কৰিয়েই সন্তুষ্ট নহয়, তেওঁলোকৰ দৈনন্দিন জীৱনযাত্ৰাত প্ৰকৃতি অন্তৰঙ্গ সঙ্গী। এই কাৰণেই বিজ্ঞানৰ পাঠ নোহোৱাকৈ গাঁৱৰ মানুহে প্ৰকৃতিৰ বহু ৰহস্য, সত্য, নীতি-নিয়ম উদঘাটন কৰিবলৈ সমৰ্থ। প্ৰকৃতিৰ লগত এই নিবিড় সংযোগ ঘটাত গাঁৱলীয়া মানুহৰ ভাষাও সহজভাৱেই প্ৰকৃতিৰ উপমা প্ৰতীকেৰে সমৃদ্ধ।

এই বিষয়ে সাঁথৰবিলাকো মনত ৰখাৰ সুবিধা কাৰণে ছন্দত ৰচনা কৰা হয়। এশাৰীত সুধিব পৰা প্ৰশ্ন এটাকো সেইদেখি শ্ৰুতিমধুৰ কৰিবলৈ দীঘলীয়া শ্লোকত ৰচনা কৰা হয় ঃ

শদিয়ালৈ নেযাবা সতফুল নেখাবা  
কেঁচাপাতত নেবান্ধিবা লোণ  
উপজিয়েই লৰ মাৰে কোন?

ইয়াৰপৰা সাধাৰণৰ ছন্দ বা কবিতা-প্ৰীতিৰ মনোভাব বুজিব পাৰি। অৱশ্যে এই সাঁথৰবোৰ মনোৰঞ্জকেই নহয়; মন্ত্ৰ, আখ্যান, সাধুকথা আৰু প্ৰবচনৰ দৰে ই মানুহৰ বুদ্ধি আৰু চিন্তাৰো এক অতি প্ৰাচীন ৰূপ।

লোক-ধৰ্ম সম্বন্ধীয় অন্য এক শ্ৰেণীৰ গীত হ'ল মনসা বা বেউলা-লখিন্দৰৰ গীত। মনসাৰ বাহিৰেও হিন্দু আৰু লৌকিক ভালেমান দেব-দেবীৰ পূজা-পাতল গাঁৱৰ মানুহে ঘৰুৱা আৰু সমূহীয়াভাৱে পালন কৰে আৰু কেইবাগৰাকীয়ে লগলাগি (সবাহ-পাতি) নাম গায়। দেব-দেবী আৰু পূজা-পাৰ্বণৰ সম্বন্ধীয় নাম হ'ল আইনাম; অপেচৰী সবাহৰ গীত; 'শুকানী অপেচৰাৰ গীত; তুলসীতলৰ গীত; দেউলৰ গীত; হুঁচৰি গীত আদি। দেহ-বিচাৰৰ গীতসমূহো ধৰ্মগীতেই।

বাৰমাহী ঋতুগীত যদিও ইয়াৰ মাজত নাৰীৰ বিৰহৰ মূৰ্তিয়েই স্পষ্টভাৱে প্ৰকাশ পাইছে। নাৰী জীৱনৰ নানা আশা-আকাঙ্ক্ষা এই বিৰহৰ গীতত মূৰ্তিমান হৈ উঠিছে। সৃষ্টিৰ আদিৰেপৰা প্ৰকৃতি আৰু মানুহৰ মাজত অন্তৰঙ্গ সম্বন্ধ গঢ়ি উঠিছে, বাৰমাহী তাৰেই বন্দনা গীত। নাৰীহৃদয় আৰু প্ৰকৃতি পৰিচয়ৰ বাহিৰেও বাৰমাহী গীতত সামাজিক-ধাৰ্মিক জীৱনৰো যে চিত্ৰ আছে, সেই কথা তলৰ উদ্ধৃত পদ কেইফাঁকিয়েই প্ৰমাণ কৰিব।

আঘোণৰ মাহতে নেকাটিলা পাত।
খাবলৈ নাপালো প্ৰভু নবীন ধানৰ ভাত ।।
(ন খোৱা উৎসৱৰ উল্লেখ)
মাঘৰ মাহতে ধৰমৰ তিথি।
ডাক দালিম শ্ৰীফল খাইতে নেদে বিধি।।
ফাগুনৰ মাহত ফাগুনৰ বাতৰি।
দেউলৰ ওপৰত দেউল তুলিয়া মগৰি।।
আহিনৰ মাহত তুলসীৰ গোৰে চাতি।
বিধৱা ব্ৰাহ্মণী পূজে হাতে লৈয়া বাতি।।
আহিনৰ মাহতে দেবীৰ অষ্টমী।
হাঁহ কাটে পাঠা কাটে পাব জাকে জাকে।।

কৰ্ম আৰু পৰিশ্ৰমেই গাঁৱলীয়া জীৱনৰ দৰ্শন। পৰিশ্ৰম যাতে বিৰক্তিকৰ আৰু অৱসাদদায়ক নহয় তাৰ কাৰণে দৈনন্দিন সকলো কামতে



গীতৰ ব্যৱহাৰ হয়। মুখৰ গীতে শৰীৰৰ ভাগৰ পাহৰাই কাম কৰাত উদ্দীপনা আৰু অনুপ্ৰেৰণা যোগায়। যঁতৰৰ গীত, ধান দোৱা, মৰণা মৰা, ধান বনা, উৰলৰ গীত—কৰ্ম সঙ্গীতৰ ভিতৰত প্ৰধান। ইয়াৰ বাহিৰেও মাছমৰা, নাওবোৱা বিষয়ৰ গীতৰো প্ৰচলন আছে। এই গীতবোৰৰ সুৰ আৰু বিষয়বস্তুৰ আলোচনা কৰিলে জীৱন নিৰ্বাহৰ বিভিন্ন কাৰ্যাৱলীৰ প্ৰতি গাঁৱলীয়া মুনিহ-তিৰোতাৰ কি ধাৰণা কল্পনা আৰু সেইবোৰ কেনেকৈ পালন কৰা হয় তাক বুজিব পাৰি। বিভিন্ন শাৰীৰ এই গীতবোৰৰপৰা সাধাৰণ জীৱনৰ আৱেগ অনুভূতি, গীত-নৃত্যমুখৰ (এই গীতবোৰৰ নৃত্য ছন্দত ভৰি-হাত মিলাই গোৱা হয়) মন-প্ৰাণৰ পৰিচয় ফুটি ওলায়।

এই গীতবোৰ অকণি অকণি বাখৰৰ দৰে—মানুহৰ জীৱন আঙঠিটো এই বাখৰেৰে সৰ্বতিকাল উজ্জ্বল। এই গীতত ব্যৱহাৰ কৰা ভাষাও লক্ষ্য কৰিবলগীয়া। এই গীতত যি ভাষা ব্যৱহাৰ কৰা হয়, সি বহুলাংশে প্ৰতীক-প্ৰধান।

এই লোক-গীতবোৰত জনসাধাৰণৰ পৰম্পৰাগত ৰুচিৰ পৰিচয় আছে; জনঐতিহ্যসমূহৰ লক্ষণ যিমান সাহিত্যমূলক, তাতকৈ অধিক সামাজিক। ইয়াত কলা আৰু নীতি-বিজ্ঞানৰ সামাজিক ঠাঁচৰ খোজত ব্যক্তিগত সৃষ্টি প্ৰেৰণাই খোজ মিলাব লাগে। এই কলা আৰু নীতি-বিজ্ঞান সাধাৰণতে হ'ল বিৰাট জনসাধাৰণৰ কলা আৰু নীতিবিজ্ঞান। ইয়াৰ ফলত যে গীতবোৰ জনপ্ৰিয় আৰু জাঁকজমকীয়া হয়, সেই বিষয়ে কোনো সন্দেহ নাই; কিন্তু লগে লগে ইয়াক মানুহে সহজে সাহিত্যিক সৃষ্টিসমূহ গণ্ডীবদ্ধ হৈ পৰে। লোক-সাহিত্যত ব্যক্তিগত কবিৰ মুক্ত কল্পনাৰ উদ্দাম গতি নাই, নাই ভাবাৱেগৰ গভীৰত্ব, বাধাহীন প্ৰকাশ আৰু সবাতোপৰি দৃষ্টি। লোক-সাহিত্যৰ বিষয় নিৰ্বাচনো সীমাবদ্ধ। প্ৰকাশভঙ্গী ধৰাবন্ধা। কোনো এটা বিশেষ বিষয় বৰ্ণাবলৈ পূৰ্বাপৰ চলি অহা ধৰাবন্ধা নিয়ম পালন কৰা হয়। কলাৰ মাজেদি সাহিত্যৰ সৃষ্টি কৰোঁতে অভিজ্ঞতাৰপৰা পোৱা ঘটনাই প্ৰকাশৰ বিষয়বস্তু হয় আৰু ভাব হয় প্ৰকাশৰ আহিলা। জনসাহিত্যত অৱশ্যে অভিজ্ঞতাৰ প্ৰাথমিক ভিত্তি হ'ল পূৰ্বাপৰ চলি অহা লোকাচাৰ। এই লোকাচাৰসমূহকেই

শব্দ আৰু প্ৰকাশভঙ্গীৰ ৰূপক-প্ৰয়োগৰ মাজেদি প্ৰকাশ কৰা হয়।

অধিক সংখ্যক অসমীয়া লোক-গীতৰ প্ৰধান উপজীব্য হ'ল প্ৰেম; সেই কাৰণে এইবোৰ গীত বহুলভাৱে প্ৰতীকৰ প্ৰয়োগ আছে। কিয়নো প্ৰেমৰ কথা মন্ত্ৰৰ দৰে গোপনীয়। সেই ভাষাৰ অৰ্থ কেৱল প্ৰেমিক-প্ৰেমিকাৰহে উপলব্ধিৰ বিষয়। কেতবোৰ চৰাই-চিৰিকটিৰ নাম অসমীয়া লোক-গীতত সেই কাৰণে বিশেষ অৰ্থত প্ৰতীকৰূপে ব্যৱহৃত হৈছে। যেনে— মউ, মউমাখি, মইনা, কোৰা, শালিকা, ভাটৌ, কুলি, কাউৰী, ম'ৰাচৰাই, কপৌ, হাঁহ, কামচৰাই, চাকৈ-চকোৱা। মউ, মউমাখি আৰু প্ৰজাপতি সকলো দেশৰ সাহিত্যত প্ৰেমৰ প্ৰতীক; সংস্কৃতত প্ৰাকৃত সাহিত্যত ইয়াৰ উল্লেখ আছে। বিহুগীতত আছেঃ

চৰাই হৈ পৰিম গৈ ছালত।।  
আমি জুৰণীয়া মৌ.......।।" ইত্যাদি।

ময়ূৰ সৌন্দৰ্যৰ প্ৰতীক। মাছৰ নাম কেৱল সৌন্দৰ্যৰ প্ৰসংগতে উল্লেখ হোৱা নাই; এই নামবোৰ প্ৰজননৰো প্ৰতীক।

শক্তি আৰু সৌষ্ঠৱৰ আদৰ্শৰূপে হাতীৰ নামৰ প্ৰয়োগ হৈছে (মাক নাই মাউৰা, তিৰী নাই বৰলা, হাতী ধৰিবলৈ যায়।) নেমুটেঙা, সুমথিৰা, জৰা, তিয়ঁহ, জালিকোমোৰা, জলকীয়া, বগীজামু এইবোৰ শব্দই নাৰী আৰু পুৰুষৰ শৰীৰৰ অঙ্গৰ ইংগিত দিয়ে। শিমলু উৰণীয়া মনৰ সংকেত (চ'তে মাহতে শিমলু ফুলিলে, ওপৰে উৰিলে তুলা; কমোৱা তুলাবোৰ যেনেকৈ উৰিছে, তেনেকৈ উৰিবৰ মন)। অকণমান বতাহত বাঁহ হালে জালে। বাৰীৰ বাঁহ কাটি আনি ইচ্ছানুযায়ী ব্যৱহাৰত লগাব পাৰি। লোকৰ ঘৰৰ ছোৱালী বিয়া কৰি আনি ঘৰৰ যিকোনো বন-বাৰীত লগাব পাৰি—এয়ে ইঙ্গিত। বগৰি জেং প্ৰেমৰ প্ৰতিবন্ধক। সেন্দূৰ, জেতুকা, হালধি এইবোৰ আৰু ইয়াৰ বৰ্ণ—যৌৱন, আনন্দ, মিলনৰ প্ৰতীক। চাকি, বন্তি, সলিতা, তেল—এই শব্দবোৰ প্ৰেম নিবেদন, বিৰহৰ বৰ্ণনাত ব্যৱহাৰ হয়। (ৰাতি পৰে পৰে তোলৈ মনত পৰে, চকুপানী দুধাৰে বয়; তললৈ মূৰকই গুণিবলৈ ধৰিলে



আগতে চাকিটো থৈ)। মধ্যযুগৰ সন্ত কবিসকলৰ পদাৱলীত আৰু পাহাৰী চিত্ৰাঙ্কনতো চাকি, তেল সলিতা বিশেষ অৰ্থব্যঞ্জক।

এই গীতবোৰত নামকো প্ৰতীকৰূপে লোৱা হৈছে। অসমীয়া বিয়ানামত ৰামকৃষ্ণ, সীতা, ৰুক্মিণী আদিৰ উল্লেখ আছে, এইবোৰৰপৰা লোক-সাহিত্যত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি; বৈষ্ণৱধৰ্মই আমাৰ সামাজিক আৰু জাতীয় জীৱনত যিদৰে সংস্কাৰ সাধিলে, সেইদৰে অসমীয়া লোক-গীতকো সংস্কৃত কৰিলে। নৰ-নাৰী প্ৰেম-প্ৰসঙ্গত নামৰ উল্লেখ হোৱাত, বিহুগীত অতি বাস্তৱধৰ্মী হৈছে। আধুনিক কাব্য-ৰীতিত স্থূল প্ৰেমৰ বৰ্ণনাত সোণপাহী, অলকানন্দা আদি নামৰ উল্লেখ মন কৰিবলগীয়া। অসমীয়া জাতীয় জীৱনৰ লগত লুইত, দিখৌ, জাঁজি, ধনশিৰিৰ অঙ্গাঙ্গী সম্বন্ধ। এই নদীবোৰে অসমীয়াৰ আৰ্থিক আৰু সামাজিক জীৱনত বহুৰূপে ক্ৰিয়া কৰিছে, এই নদীসমূহৰ তৰঙ্গৰ অসমীয়া জীৱনৰ হৰ্ষ-বিষাদ আনন্দ-উৎসৱ চিৰকাল তৰঙ্গায়িত।

প্ৰত্যেক লোক-গীতৰেই নিজস্ব সুৰ আৰু লয় আছে। বিয়ানাম আৰু বিহুগীত একেটা সুৰতেই গোৱা নহয়। আনকি, একেখন বিয়াৰে বিভিন্ন প্ৰসঙ্গত গোৱা বিভিন্ন নামৰ সুৰৰ মাধুৰীও বেলেগ। গাঁঠিয়ান খুন্দা বা সুৱাগুৰি তোলাৰ গীতৰ সুৰ আৰু লয়, পানীতোলা বা দৰা আদৰা সময়ত গোৱা গীতৰ সুৰ আৰু লয়ৰ লগত নিমিলে। গাঁৱৰে জীৱনৰ দ্ৰুত পৰিবৰ্তন হৈছে তাৰে ফলত বোলছবিৰ গানে আজি লোক-গীতৰ ঠাই দখল কৰিছে। এই লোক-গীতৰ সুৰবোৰ শীঘ্ৰে ৰেকৰ্ড কৰি ৰক্ষা কৰা উচিত; নহ'লে চিৰদিনলৈ ই লোপ পাব।

ফুলকোঁৱৰ আৰু মণিকোঁৱৰৰ গীতবোৰৰ দৰে গল্প গীতিৰ উপকৰণৰ প্ৰাধান্য থকা প্ৰণয়গাথা বা কবিতাও অসমীয়াত আছে। ইয়াৰে কিছুমান বিস্ময়কৰ বীৰৰসাত্মক অথবা প্ৰেম-ৰোমাঞ্চপূৰ্ণ; যেনে—জনা গাভৰুৰ গীত মন্ত্ৰৰ দৰে বিস্ময়কৰ উপাদানেৰে গঁথা। কিছুমান ঐতিহাসিক; যেনে—বদন বৰফুকনৰ গীত। আকৌ খুহুটীয়া কথাৰে ভৰা আৰু আমোদদায়ক মলুৱা বান্দৰৰ গীত।

জন-সাহিত্যৰ অন্য এক ডাঙৰ শাখা সাধুকথা। এই সাধুকথাবোৰৰ সঠিক সূত্ৰ দিয়া কঠিন। সাধুকথাবোৰৰ এটা বিশিষ্ট লক্ষণ, ইবোৰ পৰম্পৰাগত। ইজনৰপৰা সিজনলৈ, এযুগৰপৰা আন যুগলৈ, এখন সমাজৰপৰা আন সমাজলৈ বাগৰি অহা; ইয়াৰ ঐতিহ্য একেবাৰে মৌখিক। সাধুটো শুনিলে শুনোতাই তেওঁৰ মনৰপৰা একো যোগ নিদিয়াকৈ বা তাৰ কোনো সলনি নকৰাকৈ আন এজনৰ আগত তাৰ পুনৰাবৃত্তি কৰে। মাজে সময়ে এই ঐতিহ্য সাহিত্যৰ যোগেদিও জীয়াই থাকে। প্ৰমাণস্বৰূপে, অসমীয়া ভাষাত প্ৰচলিত বহুতো সাধুকথা, হিতোপদেশ, পঞ্চতন্ত্ৰ আৰু আনকি বৌদ্ধ জাতকতো পোৱা যায়। ইউৰোপীয় পণ্ডিতসকলে সাধুকথাৰ বিভিন্ন ৰূপৰ মাজত পাৰ্থক্য দেখুৱাবৰ কাৰণে মাৰ্চেন, চেজেন আদি কিছুমান নাম ব্যৱহাৰ কৰিছে। কিন্তু অসমীয়া সাধুকথা বুলিলে উপাখ্যান, পৰম্পৰাগত আখ্যান—এই সকলো ধৰণৰ মাজত প্ৰচলিত আখ্যানকেই ধৰা হয়। উপাখ্যান, পুৰণি আখ্যান আৰু পৰম্পৰাগত আখ্যানৰ ভিতৰত কেইবা প্ৰকাৰৰো সুস্পষ্ট কাহিনী পৰে। যেনে—(১) সৃষ্টি বা প্ৰকৃতিৰ ব্যাখ্যামূলক উপাখ্যান, (২) অপেশ্বৰী, ভূত-প্ৰেত আলৌকিক জীৱৰ লগত জড়িত কাহিনী, (৩) বুৰঞ্জীমূলক বা বুৰঞ্জীমূলক বুলি বিশ্বাস কৰা চৰিত্ৰ সম্বন্ধে থকা উপাখ্যানবোৰ। কোনো কোনো উপাখ্যান বা পৰম্পৰাগত কাহিনী কওঁতে সঁচা-ঘটনাৰূপে তাক বৰ্ণনা কৰা হয় আৰু কওঁতাই নিজেও তেনেদৰে বিশ্বাস কৰে।

পুৰণি আখ্যানবোৰো সাধুকথাৰ শাৰীতেই পৰে। পৃথিৱী সৃষ্টি হোৱাৰ কাহিনী লৈয়েই পুৰণি আখ্যানৰ জন্ম। ই সৃষ্টি আৰু প্ৰকৃতিৰ পদাৰ্থসমূহৰ আলোচনা কৰে; গতিকে ই সৃষ্টিধৰ্মী আৰু মৌলিক উপাখ্যানৰ শাৰীৰ সাহিত্য। দেৱতাসকলৰ বিজয় অভিযান সম্বন্ধে যেতিয়া ই আলোচনা কৰে, তেতিয়া ই ৰূপকথাৰ শাৰীত পৰে। বহুতো অসমীয়া সাধু, মহাভাৰত, ৰামায়ণ আৰু পুৰাণৰ আখ্যান-উপাখ্যানৰ অসমীয়া ভাঙনি।

অসমীয়া সাধুকথা প্ৰধানতঃ জীৱ-জন্তু, প্ৰাকৃতিক পদাৰ্থ, ঠাট্টা-বিদ্ৰূপ আৰু টেটোন সম্বন্ধীয়। প্ৰায় সকলো জাতিৰ মাজতে জীৱ-জন্তু সম্বন্ধে



সাধু আছে। এসময়ত জন্তু-জগৎখনৰ লগত সাধাৰণ মানুহৰ ঘনিষ্ঠ সম্বন্ধ আছিল; গতিকে স্বভাৱতেই প্ৰকৃতি আৰু জন্তুৰ স্বভাৱ সম্বন্ধে তেওঁলোকে ভালকৈ জানিছিল। কিন্তু জন্তু সম্বন্ধে বৰ্ণনা কৰোঁতে তেওঁলোকে সৰু-সুৰা একো কথাকে বাদ নিদিয়াকৈ খৰচি মাৰি কৈছিল। জন্তু জগতত সম্বন্ধে সাধাৰণ মানুহৰ কি ধাৰণা আছিল সেই কথাও এই সাধুকথাত পোৱা যায়। ড° প্ৰফুল্লদত্ত গোস্বামীয়ে অসমীয়া সাধুকথাৰ বিজ্ঞানসম্মত অনুশীলন কৰিছে। কিন্তু এই বিষয়ে বহু কাম এতিয়াও অসম্পূৰ্ণ হৈ আছে। এই অসম্পূৰ্ণতা কেৱল সাধুকথা সংগ্ৰহৰ ফালৰপৰাই নহয়; অসমীয়া সাধুকথা কেনেকৈ ঠাই বাগৰি ফুৰিছে আৰু ইয়াৰ ওপৰত জনজাতীয় সাহিত্যৰ কেনেকৈ প্ৰভাৱ পৰিছে সেই সম্বন্ধে চৰ্চা আৰু অনুসন্ধান কৰাৰ অৱকাশো আছে। সকলো দেশৰ সাধুকথাৰপৰা জাতীয় চৰিত্ৰ আৰু মনোবিশ্লেষণ কৰিব পাৰি।

লোক-সংস্কৃতি আৰু লোক-সাহিত্য প্ৰসঙ্গত ভাষাৰ আলোচনাও তাৎপৰ্যপূৰ্ণ। সকলো ভাষাৰে ঘাইকৈ দুটা ৰূপ—এটা সংস্কৃত, অন্যটি প্ৰাকৃত; অৰ্থাৎ এটি সাহিত্যকৰ, পুথি-পত্ৰৰ আৰু মাৰ্জিত ৰুচিৰ লোকৰ; আনটি সাধাৰণ, অৰ্থাৎ গাঁৱলীয়া মানুহৰ ভাষা (কথিত বা উপভাষা)। সৰহ সংখ্যক মানুহে এই প্ৰাকৃত অৰ্থাৎ সাধাৰণ মানুহৰ ভাষাটোকেই দৈনন্দিন জীৱনত ব্যৱহাৰ কৰে। এই ভাষাৰ উচ্চাৰণ, শব্দৰ প্ৰয়োগ আৰু অৰ্থ, বাক্যৰীতি সুকীয়া; ই ব্যাকৰণৰ বিধি-নিষেধৰপৰা বহুখিনি মুক্ত। ভাষাতত্ত্বৰ পিনৰপৰা কিন্তু দুয়োটা ৰূপৰেই বিশেষ মূল্য আছে। সাধাৰণ মুখৰ ভাষাৰপৰাও শব্দ আৰু উচ্চাৰণ বিৱৰ্তনৰ মনোৰঞ্জক বুৰঞ্জী সংকলন কৰিব পাৰি। ভাষাতত্ত্বৰ আঁত হেৰাই যোৱা ভালেমান সূত্ৰ এই লোক-ভাষাৰপৰা উদ্ধাৰ কৰা সম্ভৱ।

লোক-সংস্কৃতিৰ তথ্য-পাতি আহৰণ কৰোঁতে এই ভাষাৰো সংগ্ৰহ প্ৰয়োজনীয়। বিভিন্ন সম্প্ৰদায়ৰ গাঁৱলীয়া পুৰুষ-তিৰোতাৰ মাজত আজিও বিশেষকৈ খেতি-বাতি, মাছমৰা, বোৱা-কটা, এড়ি-পলু পোহা, বন্ধা-বঢ়া সম্বন্ধীয় অলেখ বাক্যাংশ বা জতুৱা-ঠাঁচ প্ৰয়োগ হয়; সেই শব্দ আৰু জতুৱা

ঠাঁচবোৰ সাহিত্যৰ ভাষাত বিপুল অৰ্থ ব্যঞ্জনাৰে ব্যৱহাৰ কৰিব পাৰি। কমাৰ, কুমাৰ, বাঢ়ৈ, খনিকৰ, মৰিয়া-সোণাৰীয়ে নিজৰ ব্যৱসায়ত সদা-সৰ্বদা প্ৰয়োগ কৰা শব্দসমূহ চয়ন কৰিব পাৰিলে অসমীয়া পৰিভাষিক শব্দৰ ভঁৰাল নিশ্চয় চহকী হ'ব।

লোক ভাষা সম্পৰ্কে আৰু এটি বিষয় মন কৰিবলগীয়া। প্ৰধান আৰ্য ভাষা অসমীয়াৰ বাহিৰেও সম্প্ৰদায় বিশেষে কোনো কোনোৱে গোষ্ঠীৰ উপভাষাকো; মাতৃভাষাস্বৰূপে ব্যৱহাৰ কৰে; যেনে—লালুং, চুটিয়া, দেউৰী, বড়ো, কছাৰি, মিকিৰ, মিৰি ভাষা। ওচৰা-উচৰি গাঁৱত বাস কৰা হেতু, আৰু এই সম্প্ৰদায়ৰ সকলোৱে শিক্ষা-সংস্কৃতি আৰু ৰাষ্ট্ৰীয় জীৱনত অসমীয়া ভাষাক গ্ৰহণ কৰাত আৰ্য অসমীয়া আৰু আৰ্যেতৰ উপভাষাসমূহৰ সদা-সৰ্বদা আদান-প্ৰদান ঘটিছে। তাৰে ফলত অসমীয়া ভাষালৈ এই উপভাষাসমূহৰপৰা নানা শব্দ, খণ্ডবাক্য, মনোৰম ফকৰা-যোজনা আহিছে। ফলত অসমীয়া ভাষাৰ সৌষ্ঠৱ বাঢ়িছে, লগে লগে অসমৰ সকলো জাতি-উপজাতিয়ে এক উন্মেষহতীয়া পৰিণতিৰ পথত আগবাঢ়িছে। এই উপ-ভাষাসমূহৰপৰা শব্দ আৰু জতুৱা-ঠাঁচ চয়ন কৰি অসমীয়া ভাষাক সমৃদ্ধিশালী আৰু সাৰ্বজনীন কৰা বৰ্তমান সকলো অসমীয়া লিখকৰ কৰ্তব্য।

•••

# লোক-বিশ্বাসত সাপ

ডক্টৰ্ ভগেলে তেওঁৰ 'Indian Serpert Lone' গ্ৰন্থত অতি পুৰণিকালৰেপৰা ভাৰতত সাপ-পূজাৰ বহুল প্ৰচলনৰ বিষয়ে আলোচনা কৰিছে। অসমতো অসমীয়া আৰু জনজাতীয় লোকসকলে জীৱন্ত সৰ্পৰ প্ৰতীকৰ পূজা কৰে। হিন্দুৱে ম'হ, ছাগলি, পাৰ বলি দি বছৰি মনসা বা বিষহৰিৰ পূজা কৰে। সম্প্ৰতি এই সৰ্পদেৱীক মূৰ্তি নোহোৱাকৈয়ে ঘট বা সিজুগছক কেন্দ্ৰ কৰি পূজা কৰা হয়। সংক্ৰামক ব্যাধি নাইবা মহামাৰীৰ সময়ত এই মনসা দেৱী বা মাৰ'ই দেৱীক অতি পয়োভৰেৰে এতিয়াও পূজা কৰা হয়।

কোনো কোনো উপজাতিয়ে পূৰ্বপুৰুষেই পৰিয়ালৰ মঙ্গলৰ অৰ্থে সাপৰূপে জন্ম লৈ ঘূৰি আছে বুলি বিশ্বাস কৰে; বিশেষকৈ, মণিপুৰীসকলৰ মাজত এই বিশ্বাস প্ৰচলিত। তেওঁলোকৰ এজন পূৰ্বপুৰুষ পাখংবা। পাখংবাই এতিয়াও মাজে মাজে সাপৰ ৰূপত দেখা দিয়ে বুলি তেওঁলোকৰ অন্ধবিশ্বাস আছে।

টি. চি. হাড্‌চনে ৰজাৰ সিংহাসন আৰোহণৰ প্ৰসঙ্গত ৰজা বহা সিংহাসনৰ তলৰ এটা খলপাত পাখংবা নামে সৰ্প বাস কৰাৰ উল্লেখ কৰিছে। ৰাজসিংহাসনৰ তলত যিমান দিন পাখংবা থাকিব সিমান দিন ৰজা নিৰাপদে সিংহাসনত উপবিষ্ট থাকিব। এই একে জাতিৰ ভিতৰতে নংশা বা অজগৰৰ শিলামূৰ্তি হ'ল ৰাজ্যৰ সৌভাগ্যৰ প্ৰতীক।

মণিপুৰীসকলৰ পূৰ্বপুৰুষ-সৰ্পৰ উৎপত্তি সম্বন্ধে থাডউ-কুকীসকলৰ মাজতো এটা পুৰণি আখ্যান আছে।

লেংহোই বা লুংমাইদেং নামৰ এজনী ছোৱালী ওচৰৰে গাঁৱত বাস

কৰা এটা ডাঙৰ সাপৰ প্ৰেমত পৰে। তাই পুৰণি কুকীসকলৰ ছোথে জাতিৰ ছোৱালী আছিল। আন মানুহৰ আগত সাপটোৱে সাপ হৈয়েই দেখা দিয়ে; কিন্তু ছোৱালীজনীৰ আগত দেখা দিলে এজন ধুনীয়া ডেকাৰ ৰূপত। কালক্ৰমত তাই অন্তঃসত্ত্বা হ'ল, আৰু শেষত তাইৰ এটি ল'ৰা উপজিল। ল'ৰাটো ডাঙৰ হ'ল আৰু মানুহে তাক বাপেক নোহোৱা বুলি কোৱাত সি লাজ পালে। মাকে ল'ৰাটোক সেই কথালৈ কাণ নিদি সৰ্পৰূপী বাপেকৰ লগত বন্ধুত্ব স্থাপন কৰিবলৈ ক'লে। মাকৰ কথাত ল'ৰাটোৱে সাপটোৰ ওচৰলৈ গৈ তাৰ ডিঙিত ধৰিলগৈ; সপাটোৱেও ল'ৰাটোক তাৰ জীৱনত বহুতো বিস্ময়কৰ ঘটনা ঘটিব বুলি ক'লে। ল'ৰাটোৱে আহি মাকক এই কথা জনালে; মাকেও নতুন ঠাই বিচাৰি নতুন গাঁও স্থাপন কৰিবলৈ 'আহ্টুইচান্' উৎসৱ পালনৰ অৰ্থে কিছুমান কণী আগবঢ়ালে। ল'ৰাটোৱে প্ৰথমে লাংথাবল নামে ঠাইত চেষ্টা কৰিলে; কিন্তু তাত কোনো শুভ-লক্ষণ নেদেখি উপত্যকাৰ মাজলৈ গৈ তাত 'আহ্টুইচান্' উৎসৱ পাতি শুভফল লাভ কৰিলে। সি তাৰ পিছত তাত এখন গাঁও পাতিলে আৰু তাৰেপৰাই মণিপুৰীসকলৰ উৎপত্তি হ'ল।

খাছীয়াসকলৰ মাজতো সাপ-পূজাৰ প্ৰচলন আছে। ইয়েই ইউথ্লেন্ পূজা; এই সাপক তুষ্ট কৰিবলৈ নৰবলিৰ প্ৰয়োজন। এই সৰ্পপূজাৰ নিমিত্তে এতিয়াও গোপনে নৰহত্যা অনুষ্ঠিত হয়। ইউথ্লেনৰ উৎপত্তিৰ বিষয়ে তলৰ বিৱৰণ মন কৰিব লগীয়া ঃ

পুৰণি কালত লভিঘয়াং কোংখেন নামে গাঁৱত এখন বজাৰ আছিল, তাতে দেৱতাসকলৰ এখন পবিত্ৰ স্থান আছিল। তাৰে ওচৰতে বংঝিৰটেহ নামৰ গুহাত প্ৰকাণ্ড এটা থ্লেন বা সাপ বাস কৰিছিল। বজাৰলৈ যাওঁতে বংঝিৰটেহৰ ওচৰ পোৱাৰ লগে লগে মানুহবোৰক এই সাপটোৱে গিলি থৈছিল। থ্লেনে এই কাৰ্য বিশেষ নিয়ম অনুযায়ীহে কৰিছিল। সেয়ে আছিল— যদি দহোটা মানুহ যায়, তাৰে পাঁচোটাকে সি গিলে; অৰ্থাৎ আধাখিনি গিলে আৰু আধাখিনি এৰি দিয়ে। কেৱল এজন মানুহ গ'লে, থ্লেনে তাকএকো নকৰে। সাপৰ অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ মানুহবোৰে সুমাই বজাৰত



এখন মেল চপালে; সেই মেলত খাছীয়াসকল আৰু ভৈয়ামৰ সকলো লোকেই যোগ দিলে। মানুহ গিলা এই থ্লেনটোক কেনেকৈ মাৰিব পাৰি তাৰে উপায় বিচৰা হ'ল। বহুত আলাপ-আলোচনাৰ পিছত উপায় স্থিৰ হ'ল; লাইট্ৰিংগুৰ ওচৰত এখন কুঞ্জবন আছিল ঃ 'উ চুইদ্‌নোহ্-কুঞ্জবন'। তাতে উ চুইদ্‌নোহ্ নামে এজন লোক বাস কৰিছিল। সকলোৱে বিচাৰ বিবেচনা কৰি থ্লেনৰ লগত উ চুইদ্‌নোহৰ বন্ধুত্ব স্থাপন কৰাবলৈ দিহা কৰিলে । উ চুইদ্‌নোহ্ এজন সাহসী মানুহ আছিল; তেওঁৰ সদায় অকলে ফুৰা অভ্যাস আছিল। সেইকাৰণে থ্লেনৰ ওচৰলৈ গ'লে থ্লেনে তেওঁক নাখাইছিল। ৰাইজে উ চুইদ্‌নোহক প্ৰতিদিনে থ্লেনৰ ওচৰলৈ গৈ ছাগলি, গাহৰি নাইবা গৰু আদিৰ মাংস উপহাৰ দিবলৈ উপদেশ দিলে। বহুত দিন এনেদৰে উপহাৰ দিয়াৰ পিছত থ্লেন পোহনীয়া হৈ পৰিল আৰু উ চুইদ্‌নোহৰ লগত বন্ধুত্ব স্থাপন কৰি লো গলোৱা ঘৰ এটা সাজিবলৈ ঠিক কৰিলে। উ চুইদ্‌নোহে তেতিয়া লো গলোৱা ঘৰ এটা সাজি লোবোৰ তপতাই ৰঙা কৰি লৈ চেপেনা এডালেৰে ধৰি আনি থ্লেনক ক'লেহি, "মুখ মেলা, মুখ মেলা, ভিনদেউ! তোমালৈ অলপ মঙহ আনিছোঁ!" থ্লেনে মুখ মেলা মাত্ৰেই জুইত ৰঙা কৰি অনা লোডাল তাৰ মুখত সুমুৱাই দিলে। এই বিৰাট দৈত্যাকাৰ প্ৰাণীটোৱে তেতিয়া মৃত্যুযন্ত্ৰণাত ছট্‌ফটোৱাত তাৰ প্ৰকোপত পৃথিৱী ভূইকঁপত কঁপাদি কঁপিবলৈ ধৰিলে। থ্লেনৰ মৃত্যুযন্ত্ৰণা দেখি উ চুইদ্‌নোহ্ মূৰ্ছিত হৈ পৰিল। উ চুইদ্‌নোহ্ ঘৰলৈ উলটি নহা দেখি তেওঁৰ পৰিয়ালৰ মানুহবোৰে তেওঁক বিচাৰি গৈ দেখিলে যে উ চুইদ্‌নোহ্ মূৰ্ছিত হৈ পৰি আছে। তেওঁলোকে থ্লেনৰ মৃত্যুৰ কথা জানিব পাৰি থ্লেনৰ শটো খাবৰ দিহা কৰিবলৈ এখন সভা মাতিলে। সেই সভাত মীমাংসা হ'ল যে থ্লেনৰ দেহ খাছীয়াসকলে আধা খাব আৰু বাকী আধা ভৈয়ামৰ মানুহে খাব। এই সিদ্ধান্তৰ পিছত মানুহবিলাক গৈ থ্লেনৰ শটো গুহাৰপৰা উলিয়াই টুকুৰা-টুকুৰকৈ কাটিলে। পূৰ্বদেশীয় ভৈয়ামৰ মানুহৰ সংখ্যা সৰহ হোৱাত তেওঁলোকে নিজৰ ভাগৰ মাংস অকণো নেৰাকৈ খালে; সেইকাৰণে ভৈয়ামত থ্লেন নোহোৱা হ'ল। কিন্তু পছিমৰ দেশৰ খাছীয়াসকলৰ সংখ্যা তাকৰ হোৱাত তেওঁলোকৰ ভাগৰ গোটেইখিনি মাংস খাব নোৱাৰি অলপ

এৰিলে। সম্পূৰ্ণকৈ খাব নোৱৰাত থ্ৰেন সিহঁতৰ লগতে থাকি গ'ল আৰু তাৰেপৰাই থ্ৰেন বংশ বৃদ্ধি হৈ খাছী পাহাৰত বিয়পি পৰিল। মাজে মাজে ঘৰৰ সম্পত্তি দান বা বিক্ৰী কৰিলে থ্ৰেনে সেই সম্পত্তিৰ অনুসৰণ কৰি আঁতৰি যায়; কিন্তু যদি কোনো এটা ঘৰত থ্ৰেনে এবাৰ বাস কৰিলে, তেন্তে তাৰপৰা সাৰিবৰ কোনো উপায় নাথাকে। থ্ৰেন শ্ৰী বা ঐশ্বৰ্যৰ অধিষ্ঠাতা; থ্ৰেনৰ সম্বন্ধ সম্পত্তিৰ লগত, মানুহৰ তেজ খাবলৈ দিলে সি ঘৰলৈ ধন-সম্পত্তি আনে। বলি দিবলৈ অনা মানুহটোৰ প্ৰথমে চুলি আৰু হাতৰ নখ ৰূপৰ কেঁচিৰে কাটি পেলোৱা হয়; তাৰ পিছত বলিৰ মানুহজনৰ নাকৰ তেজ বাহৰ চুঙা এটাত উলিয়াই লৈ থ্ৰেনক খাবলৈ দিয়া হয়। থ্ৰেনক ঘৰৰপৰা খেদিবলৈ হ'লে ঘৰৰ সকলো টকা-পইচা, অলঙ্কাৰ-পাতি আৰু অন্যান্য সম্পত্তি দলিয়াই পেলাই দিব লাগে; থ্ৰেনে সেই সম্পত্তি অনুসৰণ কৰিব বুলি কোনেও ভয়ত সেই সম্পত্তি গ্ৰহণ কৰিবলৈ সাহ নকৰে; যাৰ ঘৰত থ্ৰেন পোহা হয় সকলোৱে সেই মানুহক ভয় কৰে; অমঙ্গলৰ আশংকা কৰি সেই মানুহৰ নামো কোনেও নলয়। চিনটেংসকলেও ইয়াক এক প্ৰকাৰ সাপ বুলিয়েই বিশ্বাস কৰে; তেওঁলোকৰ কিছুমান পৰিয়ালে থ্ৰেন পোহে আৰু তাক ঈশ্বৰ জ্ঞান কৰি পূজা কৰে। তেওঁলোকে অকল গাহৰিহে বলি দিয়ে; খাচীয়াসকলৰ দৰে মানুহৰ তেজ দি তেওঁলোকে পূজা নকৰে।

মিল্‌চৰ মতে লোঠা নগাসকলেও তেনেকৈ কুকুৰনেচীয়া বাঘ বা কেতিয়াবা একোটা সাপ পোহে।

ৰাভাসকলেও এসময়ত গুহাত বাস কৰা সৰ্পদেৱতা এজনৰ পূজা কৰিছিল আৰু বছৰি ল'ৰা নাইবা এজনী ছোৱালী বলি দি তাক তুষ্ট কৰিছিল। আও নগাসকলে সাপৰ অনিষ্টকাৰী প্ৰভাৱৰপৰা ৰক্ষা পৰিবলৈ বছৰি কুকুৰা বলি দি তাক তুষ্ট কৰিছিল।

লুচাইসকলে সাপ পূজা নকৰে; কিন্তু তেওঁলোকৰ মাজত ৰুলপুই বা ডাঙৰ সাপৰ বিষয়ে বহুতো কাহিনী আছে।

হিন্দুৰ বিশ্বাসমতে পৃথিৱী ধাৰণ কৰি থকা সাপটোৱে গা লৰালেই ভূঁইকঁপ হয়। এই বিশ্বাসটো ভালেমান পৰ্বতীয়া জাতিৰ পৌৰাণিক কাহিনীতে



আছে। লোঠা নগাসকলৰ বিশ্বাস মতে পছিম দিনৰ আকাশ আৰু পৃথিৱী লগা ঠাইতে এটা ডাঙৰ সাপ আছে; এই সাপে শৰীৰ লৰাই ভূমিকম্পৰ সৃষ্টি কৰে।

পৃথিৱীখন এটা ডাঙৰ সাপে মেৰিয়াই ধৰি আছে বুলি থাডউ কুকীসকলৰ বিশ্বাস। এই সাপটোৱে কেতিয়াবা নিজৰ নেজডাল কামুৰি দুখ পায়; তাৰ ফলত পৃথিৱীখন কঁপি উঠে। মিছিমিসকলৰ এটা পৌৰাণিক কাহিনী মতে পৃথিৱীৰ তলত দেভিত্ৰি নামৰ প্ৰকাণ্ড সাপ এটা আছে। পৃথিৱীখন এটা খুঁটাৰ ওপৰত ৰৈ আছে। এই সাপটোৱে কেতিয়াবা খং উঠি পৃথিৱীৰ মানুহক ধ্বংস কৰিবলৈ এই খুঁটাটো লৰাই দিয়ে; ফলত ভূমিকম্প হয়, আৰু মানুহ মৰে।

এটা টাৰায়ণ কাহিনীৰ মতে বিৰাট জলসৰ্প এটাৰ মূৰৰপৰাই ৰামধেনু ওলায়। আকৌ, সেই একেটা জাতিৰে আন এটা কাহিনীৰ মতে পানীত বাস কৰা এটা ডাঙৰ সাপৰ মূৰৰপৰা ৰামধেনু ওলায়। এই সাপটোৰ ভোক লাগিলে সি মানুহ খাবলৈ বিচাৰে আৰু কাকো খাবলৈ নেপালে আকাশলৈ গৈ দেৱতাসকলৰ ওচৰত আহাৰৰ প্ৰাৰ্থনা কৰে। সি আকাশলৈ উঠি যোৱা বাটটোৱেই হৈছে ৰামধেনু। বুগান কাহিনীৰ মতে সাপেই চন্দ্ৰ-সূৰ্যৰ গ্ৰহণ লগায়। বেলিটো দিনৰ ৰাণী আৰু জোনটো নিশাৰ ৰজা। কিন্তু পৰাক্ৰমী ইটং-এ তেওঁলোকক বধ কৰি তেওঁলোকৰ ঠাইত আকাশৰ ৰজা হ'বলৈ বিচাৰিলে। সেই কাৰণে সময়ে সময়ে সি আকাশলৈ গৈ কেতিয়াবা জোনটো আৰু কেঁতিয়াবা বেলিটো গ্ৰাস কৰে, আৰু তাৰেপৰাই চন্দ্ৰ-সূৰ্যৰ গ্ৰহণ হয়।

অসমীয়া আৰু জনজাতীয় মানুহৰ মাজত এটা সাধাৰণ বিশ্বাস আছে যে পানী, ধানৰ ভঁৰাল আৰু ধন-সম্পত্তি থকা ঠাইত সাপ বাস কৰে আৰু তাৰ ৰখীয়া হৈ থাকে। পুৰণি কালতে মানুহে যেতিয়া পুখুৰী খান্দে, তেতিয়া সেই পুখুৰীৰ মাজভাগত এটা খুঁটা পোতে (সম্ভৱতঃ পানীৰ বঢ়া-টুটা জুখিবলৈ), আৰু সেই খুঁটাটোত এটা সাপৰ মূৰ্তি কাটে। সেই খুঁটাটোক নাগ বোলা হয়; তাকেই জলদেৱতা বুলিও বিশ্বাস কৰে। জনজাতীয়সকলৰ বহুতেই সাপক জলদেৱতা বুলিও ভাবে। এটা হুচো কাহিনীৰ মতে আদিতে

সূৰ্য থকা কালে এটা হ্ৰদত পানী আছিল আৰু সেই হ্ৰদটো এটা ডাঙৰ সাপে মেৰিয়াই ধৰি আছিল। মক্কুমৰ মতেও এটা সাপ বঙোকা শৃঙ্গত (পাটকাই পাহাৰৰ) থকা পানীৰ ৰখীয়া হৈ আছিল। মক্কুম শৃঙ্গত থকা এটা কুকুৰাৰ সৈতে এই সাপটোৱে এদিন পানী উলিয়াই দিবলৈ স্থিৰ কৰিলে; সিহঁতে পাহাৰৰ দুয়োটা কাষ খান্দি দিয়াত হ্ৰদৰ পানী দুই ধাৰা হৈ ভৈয়ামলৈ বাগৰি আহি টিৰাপ আৰু দিহিং নৈৰ সৃষ্টি কৰিলে।

ড° সুকুমাৰ সেনে জল-পূজা (বোৱতী পানী, চাকনৈয়া নাইবা জলাশয়) পানীয়-পূজা (সুৰা আৰু বিষ), গছ-পূজা (পদুম, সিজু আদি) আৰু তন্ত্ৰ-পূজা আদিৰ লগত মনসা বা সাপৰ সম্বন্ধ আছে বুলি মন্তব্য কৰিছে।

অসমীয়াৰ মাজত বিশ্বাস আছে যে, সাপ বিশেষকৈ যোৰ-ফেঁটীসাপ ধানৰ ভঁৰালৰ ৰখীয়া হৈ থাকে। এই ফেঁটীসাপযোৰক মানুহে পবিত্ৰ জ্ঞান কৰে, সিহঁতক মাৰিবলৈ বা সিহঁতৰ কোনো প্ৰকাৰ অনিষ্ট সাধিবলৈ ইচ্ছা নকৰে। বিশ্বাস যে এই ফেঁটীসাপযোৰ থাকিলে ভঁৰালৰ উন্নতি হয়। নামঘৰত বাস কৰা সাপকো মানুহে পবিত্ৰ জ্ঞান কৰে। চৰিত-পুথিৰ মতে মহাপুৰুষ শ্ৰীশঙ্কৰদেৱক ফেঁটীসাপে ফেঁট তুলি ছাঁ দি আছিল; সেই কাৰণে বৈষ্ণৱসকলৰ মতে ফেঁটীসাপ মৰাটো নিষিদ্ধ।

অসমীয়া সাধুকথাত সাপৰ মূৰত উজ্জ্বল মণি থকা আৰু সেই মণিটো মানুহে পাবলৈ ইচ্ছা কৰাৰ কাহিনী আছে।

গৰ্ভৱতী অৱস্থাত তিৰোতাই নাইবা তেওঁৰ স্বামীয়ে সাপ মাৰিব নাপায় বোলা কথাটো বিশেষ অৰ্থপূৰ্ণ। এইটো জনজাতীয়সকলৰো সাধাৰণ জনবিশ্বাস। চেমা নগাৰ তিৰোতাই সৰ্গভা অৱস্থাত সাপ মাৰিলে তেওঁৰ যি সন্তান জন্ম হ'ব, সেই সন্তানৰ জিভাখন সাপৰ জিভাৰ দৰে ঘনাই লৰচৰ কৰি থকা হ'ব বিশ্বাস কৰে। টাঙ্খুলৰ মাজতো এই বিশ্বাস আছে। লোঠা নগাৰ মতে এই কৰ্মফলত জন্ম হোৱা সন্তানৰ জিভা দীঘল হয়। অঙ্গামী নগাই সাপক সাকাৰ-আত্মা বুলি বিশ্বাস কৰে আৰু তাৰ অনিষ্ট কৰা অনুচিত বুলি কয়। চেমা নগাসকলে সাপ মাৰি তাৰ মূৰটো কাটি নেপেলালে সি পুনৰ্জীৱিত হৈ কৰোঁতাক দংশন কৰিব বুলি ভাবে। অঙ্গামীয়ে মৰা সাপৰ



মূৰটো কাটি নেপেলালে যিটো মানুহে তাক মাৰে, সেই মানুহটোক সাপটোৱে শাও দি ৰুগীয়া কৰে বুলি ভাবে।

সাপে খুঁটি মৰা মানুহক দুৰ্ভগীয়া বুলি গণ্য কৰা হয় আৰু এইদৰে মৰা মানুহৰ শটো প্ৰচলিত নিয়ম অনুযায়ী নুপুৰি পুতি পেলোৱা হয়।

সাপ দেখাটো মানুহে মঙ্গল বা অমঙ্গলৰ চিন বুলি বিশ্বাস কৰে। অসমীয়া মানুহে যোৰপতা সাপ দেখিলে প্ৰণয় আৰু কাজিয়াৰ বিষয়ত মঙ্গলজনক বুলি কয়। কেতিয়াবা কেতিয়াবা এই যোৰপতা সাপৰ আগত কাপোৰ এখন পেলাই দিয়া হয়, আৰু এই কাপোৰখন ল'লে যুদ্ধত নাইবা প্ৰণয়-ঘটিত কাৰ্যত কৃতকাৰ্য হয় বুলি বিশ্বাস। কিন্তু লুচাইসকলে এনে দৃশ্য দেখিলে মৃত্যু নহ'লেও টান ৰোগ হ'ব বুলি ভাবে। লুচাইসকলৰ নিমিত্তে সাপ দেখা দুৰ্ভাগ্যৰ চিন আৰু সাপ মৰা তাতোকৈও সাংঘাতিক বিপদৰ চিন। পৰ্বত আৰু ভৈয়ামৰ সৰহভাগ মানুহে সাপ দেখা অমঙ্গল বুলি ভাবে। লোঠা নগাৰ মতে সাপ ওলোৱা ঠাই জুম খেতিৰ কাৰণে অনুপযুক্ত। খেতিৰ কাৰণে উলিওৱা ঠাইত যদি লোঠা নগাই সাপ দেখে, তেন্তে সি যিমান বেগাই পাৰে ঘৰলৈ লৰ মাৰে। সেই ঠাইত খেতি কৰিলে মৃত্যু-নিশ্চিত বুলি সিহঁতৰ বিশ্বাস।

থিংচিৰ সাপ ঘৰৰ ভিতৰত সোমোৱা লুচাইসকলৰ কাৰণে অতি কুলক্ষণ। ঘৰৰ ভিতৰত সাপ সোমোৱা দুৰ্ভাগ্যৰ সংকেত; তাৰ প্ৰতিকাৰৰ কাৰণে 'চখুৱা'ক পূজা দিব লাগে। এই পূজা সোনকালে নিদিলে পৰিয়ালৰ মৃত্যু অনিবাৰ্য।

সপোনত সাপ দেখাটো নানা ধৰণে ব্যাখ্যা কৰা হয়। অসমীয়া মানুহে ইয়াক বন্ধুৰ লগত মনোমালিন্যৰ পূৰ্বাভাস বুলি বিশ্বাস কৰে। ৰেংমাসকলৰ মতেও সপোনত সাপ দেখা কাজিয়া লগাৰ আগ-জাননী।

অসমীয়া মন্ত্ৰ-পুথিত সৰ্পদংশনৰ প্ৰতিষেধক অলেখ মন্ত্ৰ আৰু ভালেমান সাপৰ কাহিনী আছে। মন্ত্ৰৰ লগে লগে সাপৰ মোট আৰু বিষ আদিও নানা দৰৱত ব্যৱহাৰ কৰা হয়। কিছুমান ঔষধ, বিশেষকৈ তিৰোতাৰ মন মোহা

নাৰী-সম্মোহনী মন্ত্ৰৰ লগত ব্যৱহাৰ হয়।

বেংমাসকলে পাৰ্বত্য অঞ্চলৰ একপ্ৰকাৰ সাপৰপৰা নাৰী বা পুৰুষৰ মন আকৰ্ষণ কৰিব পৰা আশ্চৰ্যজনক সম্মোহনী ঔষধ তৈয়াৰ কৰে। এই সাপ বিষাক্ত, আৰু যোৰ পাতিবৰ সময়ত ই ইমান উগ্ৰ হয় যে তাৰ কাষেদি গ'লেও সি খেদি আহে; কিন্তু সম্মোহনী ঔষধৰ নিমিত্তে যোৰ পাতি থকা অৱস্থাতে মানুহে এই সাপ বিচাৰি তাৰ মূৰ কাটি আনে আৰু এই মূৰৰপৰা সম্মোহনী ঔষধ তৈয়াৰ কৰে। কোনো কোনোৱে অৱশ্যে এনে ঔষধ ব্যৱহাৰ নকৰে; কিয়নো তাক ব্যৱহাৰ কৰিলে বংশ নাশ হয় বুলি বিশ্বাস। অঙ্গামীসকলৰ মাজতো এনে এটা ব্যৱস্থা আছে; তেওঁলোকে এই বিষাক্ত সাপৰ মূৰ কাটি আনি গছৰ খোৰোঙত থয়। সেই মূৰ গেলি-পচি গ'লে তাৰ অৱশিষ্ট অংশখিনিৰে সম্মোহনী ঔষধ যুগুত কৰে।

সাধুকথা, কিংবদন্তিত সৰ্প-প্ৰণয়িনী বা,সৰ্প-স্বামীৰ বিচিত্ৰ কাহিনী আছে।

প্ৰখ্যাত অসমীয়া চম্পাৱতী সাধুৰ লগত তলৰ অঙ্গামী সাধুটোৰ সাদৃশ্য মন কৰিব লগীয়া :

এসময়ত এজনী ছোৱালীয়ে পথাৰত কাম কৰিবলৈ গৈছিল। বাটতে সাপ এটা পালে আৰু ছোৱালীজনীয়ে 'মোক তুমি নুখুটিবা, মই তোমাত বিয়াত সোমাম' বুলি ক'লতহে সাপটোৱে তাইক বাট এৰি দিলে। ইয়াৰ পিছত সাপটোৱে তাইক বিয়া কৰালে। সাপটোৱে তাইৰ বুকুত খোঁট মৰাত তাই বস্ত্ৰালঙ্কাৰ পালে, আৰু ভৰিত খোঁট মাৰি দিয়াত ভৰিত পিন্ধা বেতৰ অলঙ্কাৰ পালে। আন এজনী ছোৱালীয়ে এই কথা দেখি আছিল। কিছুদিনৰ পিছত তায়ো এটা সাপ লগ পালে। তাই সাপটোক 'আমি বিয়া পাতিম' বুলি কৈ পাচি এটাত ভৰাই সাপটো ঘৰলৈ লৈ আহিল। সাপটোৱে একো নামাতিলে। তাৰ পিছত ছোৱালীজনীয়ে সাপটোক বুকুত লৈ পাটীত পৰিল। সাপটোৱে তাইৰ বাহুত খোঁট মাৰি দিয়াত ছোৱালীজনী মৰিল।

লুচাই-কুকীসকলৰো এনে কাহিনী আছে।

এসময়ত ছোৱাংছিলি নামৰ ছোৱালী এজনীয়ে জুম খেতি ৰাখিছিল। জুম খেতিৰ ওচৰৰ গছৰ খোৰোং এটাত সাপ এটা আছিল; সাপটোৰ



লগত ছোৱাংছিলিৰ মিলাপ্ৰীতি হৈছিল। খেতিলৈ যাওঁতে ছোৱাংছিলিয়ে সদায়ে তাইৰ ভনীয়েকক সাপটোক মাতিবলৈ পঠিয়াইছিল আৰু সাপটোৱেও আহি ছোৱাংছিলিৰ কোলাত বহিছিলহি। ভনীয়েকে হ'লে সাপটোক ভয় কৰিছিল; অৱশ্যে তাই কথাটো বাপেকক জনাবলৈ সাহ নকৰিলে। ছোৱালী দুজনী জুম খেতি ৰাখিবলৈ যাওঁতে মাকে খোৱাবস্তুৰ টোপোলা দি পঠায়। সাপটোৰ ভয়ত সৰু ছোৱালীজনীয়ে ভাত-পানী একো খাব নোৱাৰি শুকাই-খিণাই গৈছিল। তাকে দেখি মাক-বাপেকে এদিন সুধিলে, "আই, তই দেখোন দিনে দিনে খিণাই গৈছ ?" উত্তৰত তাই মাথোন কয়, "পিতাই, মই কিয় খিণাইছোঁ তোমাক ক'ব নোৱাৰোঁ।" কিন্তু মাক-বাপেকে জোৰকৈ ধৰাত অৱশেষত তাই ক'লে, "বাইদেৱে সদায় সাপ এটাৰ লগত ধেমালি কৰে। পথাৰ পালেগৈয়েই তাই মোক সাপটো মাতি দিবলৈ কয়; ময়ো মাতি দিওঁ। সি আহি বাইদেউৰ কোলাত মেৰ খাই বহে। মই ভয়তে একো খাব নোৱাৰোঁ; সেই কাৰণে খিণাই গৈছোঁ।" পিছদিনা ছোৱাংছিলিক ঘৰত থৈ সৰু ছোৱালীজনী লগত লৈ বাপেক পথাৰলৈ গ'ল, আৰু ছোৱাংছিলিৰ কানি-কাপোৰ পিন্ধি তাইৰ ভেশ ধৰি থাকিল; লগত অৱশ্যে দাখন আছিল। তাৰ পিছত সৰু ছোৱালীজনীয়ে সাপটো মাতি অনাত সি আনদিনৰ দৰে ছোৱাংছিলি বুলি বাপেকৰ কোলাত মেৰ খাই বহিলহি আৰু বাপেকে তাক একে ঘাপেই দুটুকুৰা কৰিলে। ইয়াৰ পিছত সিহঁত গাঁৱলৈ উলটি গ'ল। পিছদিনা ছোৱাংছিলি আৰু সৰু ভনীজনী পামলৈ গ'ল। ভনীয়েকে গৈ সাপটো মাতিলে; কিন্তু সাপ আৰু ক'ত ওলায় ? সিহঁত ঘৰলৈ উভতি আহি দেখিলে যে বাপেকে দুৱাৰডলিৰ ভিতৰ ফালে মাটিত বাগৰি পৰি আছে। ছোৱাংছিলিয়ে মাতিলে, "পিতাই উঠ। মই দুৱাৰদলিত ভৰিৰ বোকা মচোঁ।" বাপেকে কিন্তু লৰচৰকে নকৰিলে। ছোৱাংছিলিয়ে ভৰিৰ বোকা গুচাবলৈ দুৱাৰডলিত ভৰি দিওঁতেই বাপেকে তাইক দাৱে ঘপিয়াই দুটুকুৰা কৰিলে। তাইৰ পেটৰপৰা তেতিয়া এশমান সাপৰ পোৱালি ওলাল। সেই সাপ-পোৱালিবোৰো মাৰি পেলোৱা হ'ল। কিন্তু তাৰে এটা পলাই গৈ মেথোনৰ শুকান গোবৰৰ তলত লুকাই থাকিল আৰু তাতে ডাঙৰ হৈ মানুহক খাবলৈ ধৰিলে। যেতিয়া ক্ৰমে আৰু ডাঙৰ হ'ল, সি কেৰ্মেৰাই গৈ 'ৰুলচমকুৱা' অৰ্থাৎ 'সাপ-পোহা-গাঁত' পালেগৈ আৰু গঞালোকে তাক গাহৰি, ছাগলি আদি খুৱাই-বুৱাই পুহি ৰাখিবলৈ ধৰিলে। কিছুদিনৰ পিছত

সি ছাগলি আৰু গাহৰিতে সন্তুষ্ট নেথাকি মানুহৰ ল'ৰা-ছোৱালীও খাবলৈ বিচাৰিলে। এদিন এজন চীনা ভ্ৰমণকাৰী এঘৰ মানুহৰ তালৈ আলহী থাকিবলৈ আহি দেখিলে যে ঘৰৰ গিৰিহঁত-গিৰিহঁতনীয়ে কান্দি আছে। ইয়াৰ কাৰণ সুধি তেওঁ জানিব পাৰিলে যে সিহঁতৰ সেইদিনা সাপক ল'ৰা এটা দিয়াৰ পাল পৰিছে। এই কথা শুনি চীনা আলহীজনে বুদ্ধি কৰি সাপটো মাৰি পেলালে।

ডক্টৰ ভেৰিয়াৰ এলউইনে তেখেতৰ 'Myths of the North-East Frontier of India' পুথিত ছোৱালী আৰু ল'ৰাৰ লগত সাপৰ বিয়া হোৱা সম্পৰ্কে ভালেমান আমোদজনক কাহিনী সংগ্ৰহ কৰিছে। এটা মিনিয়ং কাহিনীত ছোৱালী এজনীৰ গৰ্ভৰপৰা সাপ আৰু সকলো বিষাক্ত কীট-পতঙ্গৰ জন্ম হোৱাৰ বিৱৰণ আছে। চেনদুকপেন কাহিনীত পানীৰ সাপ এটাই নৈৰপৰা ওলাই আহি ধুনীয়া ডেকাৰ ৰূপ ধৰি গাভৰু এজনীক বিয়া কৰাইছিল। সাপটোৱে ৰাতিহে মানুহৰ ৰূপ ধৰে; দিন হ'লেই সাপৰ বেশ ধৰি নিজৰ নৈৰ তলৰ ঘৰলৈ গুচি যায়। বুগান কাহিনী এটাৰ মতে ছোৱালী এজনীক সাপ এটাই ভাল পাইছিল; শেষত ছোৱালীজনীয়ে সাপটোৰ লগত নৈৰ পানীত বাস কৰিবলৈ ঘৰ এৰি গুচি গ'ল। মিছিমি কাহিনীৰ মতে ডেকা এজনে সৰ্পকন্যা এজনী বিয়া কৰাইছিল। এই সৰ্পকন্যাই তাইৰ সৰ্পদেহ পৰিত্যাগ কৰি স্বামীৰ লগত গাঁৱত বাস কৰিবলৈ গৈছিল।

লাখেৰ জাতিৰ উৎপত্তি-বিষয়ক তলৰ কাহিনীটো বিশেষকৈ পূৰ্বপুৰুষ আৰু বিবাহ-বিধিৰ সম্পৰ্কত মন কৰিব লগীয়া। লাখেৰৰ ভিতৰত বঙঘীয়া আৰু লিউথা জাতিয়ে নিজকে অজগৰৰ বংশধৰ বুলি দাবী কৰে। বহু বছৰৰ পূৰ্বে পিথলং নামে এজনী ছোৱালী আছিল; তাইক ভূত-প্ৰেত আদি অপদেৱতাৰ প্ৰতীক মিছুঙক পূজা দিবলৈ পূজাৰিণী পতা হৈছিল। পূজাৰিণী হোৱা বাবে ছোৱালীজনী অবিবাহিতা হৈ থাকিব লগাত পৰিছিল। এদিন নিশা পিথ্লঙৰ শোৱা ঠাইলৈ অজগৰ সাপ এটাই মানুহৰ ৰূপ ধৰি আহি তাইৰ লগত সঙ্গম কৰিলে। যথাসময়ত পিথ্লঙৰ বঙঘীয়া নামে পুত্ৰসন্তানৰ জন্ম হ'ল। তাৰেপৰাই চেভাং বোলা মুৰব্বী পৰিয়ালৰ উৎপত্তি হয়। বঙঘীয়াৰ জন্মৰ পিছত সাপটোৰ লগত পিথ্লঙৰ আকৌ সম্বন্ধ হ'ল, আৰু দ্বিতীয় পুত্ৰ লিউথাৰ জন্ম হ'ল। লিউথাৰপৰা আৰু এটা জাতিৰ উৎপত্তি হ'ল।



লিউথা জাতিটো যদিও উচ্চবংশীয় আছিল, সিহঁত কোনোদিনেই শাসনকাৰী জাতি নাছিল। বঙঘীয়া আৰু লিউথা দুয়োটাই সৰ্পজাতীয় মানুহ। অজগৰ সাপ বধ কৰা, আনকি স্পৰ্শ কৰাও সিহঁতৰ বাবে নিষেধ। সিহঁতে বিশ্বাস কৰে যে পৰিয়ালৰ কোনো মানুহে অজগৰ সাপ মাৰিলে তাক স্পৰ্শ কৰিলে তাৰো মৃত্যু ঘটিব। সিহঁতে পৰিপি বা অজগৰ সাপক উপকাৰী দেৱতা আৰু, বঙঘীয়া আৰু লিউথা জাতিৰ মানুহবিলাকৰ ৰক্ষক বুলি বিশ্বাস কৰে।

মধ্যযুগৰ অসমীয়া সাহিত্যত মনসা দেৱীৰ পূজা সম্বন্ধে ভালেমান গীত-পদ আৰু আখ্যানমূলক কাব্য ৰচিত হৈছিল। এই কবিতা আৰু গীত ঘাইকৈ বেউলা আৰু লক্ষীন্দৰৰ কাহিনী সম্বন্ধীয়। মহাভাৰতৰ বনপৰ্বৰ অসমীয়া অনুবাদত মূল মহাভাৰতত নোহোৱা সাপৰ বিষয়ে নানা কাহিনী আছে। অসমীয়া কবিয়ে এইবোৰ সম্ভৱতঃ প্ৰচলিত সাধুকথাৰপৰা সংগ্ৰহ কৰিছিল। মধ্যযুগৰ অসমৰ মন্ত্ৰ-সাহিত্যত বেলেগ বেলেগ জাতিৰ সাপৰ বহুতো কাহিনী আছে। সৰ্পৰ জনন-শক্তিৰ প্ৰাচুৰ্যই সাধুকথাত, আৰু বিশেষকৈ বিহুগীতত সাপক সাহিত্যৰ উপযুক্ত প্ৰতীক কৰি তুলিছে।

সৰ্পদেৱী মনসাৰ মূৰ্তি আৰু সৰ্পৰ প্ৰতীক পুৰণি অসমীয়া শিল্পকলাতো দেখিবলৈ পোৱা যায়। স্তম্ভ পূজাৰ লগত সাপৰ সম্বন্ধৰ বিষয়ে থকা ধৰ্মমতৰ কথা উল্লেখ কৰা হৈছে। উত্তৰ-পূব অসমৰ শদিয়াত থকা সৰ্প-স্তম্ভটোৱে স্তম্ভ আৰু সাপ পূজা আদিৰ একত্ৰীকৰণ এক ৰহস্যজনক আৰু উজ্জ্বল আৰ্যীকৰণৰ নিদৰ্শন দাঙি ধৰে। ১৫৩২ চনত খোদিত কৰা এই স্তম্ভটোত মেৰাই থকা সৰ্পমূৰ্তিয়ে এটা পবিত্ৰ পাত্ৰ মুখেৰে ধৰি আছে। আহোম আৰু মিছিমিসকলৰ মাজত হোৱা সন্ধিৰ চিনস্বৰূপে এই স্তম্ভ নিৰ্মাণ কৰা হৈছিল। অসমৰ প্ৰাচীন ভাস্কৰ্যত উৰ্বৰতা আৰু যৌন ইঙ্গিতৰ বাবে যোৰ পতা সাপৰ প্ৰতীক ব্যৱহাৰ কৰা হৈছিল। আজিকালিও কৃষি আৰু তাঁতশালৰ সঁজুলিত সাপৰ চিত্ৰ কটা দেখা যায়। সাপৰ চানেকি অসমীয়া শিপীনীসকলৰ প্ৰিয়। জনজাতিসকলেও সাধাৰণতে দা, যাঠি, কটাৰীৰ নালত-সাপৰ চিত্ৰ কাটে।

•••

# লোক-বিশ্বাসত মাছ

মাছ অসমীয়াৰ প্ৰধান খাদ্য। সেই বাবেই অসমীয়াৰ সাংস্কৃতিক জীৱনৰ লগত মাছ এৰাব নোৱৰাকৈ সাঙোৰ খাই আছে। মাছ খোৱা আৰু মাছ ধৰা অজস্ৰ জনবিশ্বাস আৰু অনুষ্ঠান অসমত প্ৰচলিত।

অসমত সকলোৱে মাছ খায়; ব্ৰাহ্মণ আনকি বৈষ্ণৱসকলেও মাছ খায়। ১৬শ শতিকাত ৰচিত যোগিনীতন্ত্ৰত অসমৰ কোনো শ্ৰেণীৰ মানুহৰ বাবেই মাছ আৰু মাংসৰ ব্যৱহাৰ নিষিদ্ধ নহয় বুলি নিৰ্দেশ আছে। অৱশ্যে কোনো কোনো বিধৰ মাছ খোৱাত নিষেধাজ্ঞা নোহোৱা নহয়। উচ্চ শ্ৰেণীৰ হিন্দুৱে মিৰিকা, শিঙি, নেৰীয়া, গৰুৱা আদি মাছ নাখায়। ৰানচোসকলৰ মাজতো গৰুৱা মাছ খোৱা নিষিদ্ধ। তেওঁলোকে এই মাছক য়ামি বুলি কয়। এই মাছ পূৰ্বতে এজনী ছোৱালী আছিল বুলি তেওঁলোকৰ মাজত বিশ্বাস আছে। চেমা নগাই আকৌ দুবিধ মাছ নেখায়। আখাকি নামৰ এবিধ মাছ ডেকা মানুহে খাব নেপায়। কিম্বদন্তি মতে এই মাছৰ মানুহৰ শৰীৰৰ কোনো এক অংশৰপৰা উৎপত্তি হৈছিল।

আঝো নামে আন এবিধৰ সম্পৰ্কে বিশ্বাস আছে যে এই মাছ খালে মৃত্যুকালত জীয়াতু ভুগিব লাগে। অঙ্গামি নগাৰ মেমি ঠালৰ মহৰা (শিল কটিয়াওঁতা) আৰু আন উচ্চ শ্ৰেণীৰ লোকে কুৰেউ নামৰ সৰু সৰু মাছ নেখায়। মণিপুৰৰ অভিজাত শাৰীৰ মানুহে, বিশেষকৈ, ৰাজ-পৰিয়ালৰ কোঁৱৰসকলে, নগাৰিল বোলা সৰ্পাকৃতিৰ মাছ খাব নেপায়; কিয়নো, জনবিশ্বাস মতে তেওঁলোকৰ আদি-পুৰুষজনে কেতিয়াবা কেতিয়াবা সাপৰ ৰূপ লয়। খাছীয়াসকলৰো কোনো কোনো ঠালে কোনো কোনো শ্ৰেণীৰ মাছৰ লগত তেওঁলোকৰ গোত্ৰ-সম্পৰ্ক আছে বুলি সেই মাছ ব্যৱহাৰ নকৰে



আন এটা বিশ্বাস মতে এবাৰ দুটা ঠালৰ মাজৰ পাৰিবাৰিক সংঘৰ্ষ হৈছিল আৰু শক্তিশালী দলটোৱে অতি নিষ্ঠুৰভাৱে আনটো দলক পৰাস্ত কৰি গাঁৱৰপৰা খেদি পঠোওৱাত সিহঁতে এখন নৈৰ পাৰত আশ্ৰয় ল'লেগৈ। তাত এটা বিৰাট মাছ বামৰ ফালে অহা দেখি তেওঁলোকে পানীত জঁপিয়াই কোনো প্ৰকাৰে তাক পাৰলৈ তুলিলে; উৰহৰ খং ভগা ঢাৰীত সবাৰ দৰে সেই শক্তিশালী দলটোক একো কৰিব নোৱাৰি মাছটোকে কোবাই কোবাই থেতেলা কৰি প্ৰতিশোধ ল'লে। সেই দিনাৰেপৰা এই মাছটোক প্ৰতিশোধ-মৎস্য বোলা হ'ল আৰু তেওঁলোকৰ ঠালটোৱে এই মাছ পালেই খোৱাটো নিয়ম হৈ পৰিল। মণিপুৰীসকলৰ দৰে খাছীয়াসকলেও বিশ্বাস কৰে যে তেওঁলোকৰ উপাস্য সৰ্পদেৱতা উ-থে নেও বছৰি অন্ততঃ এবাৰকৈ মানুহৰ তেজেৰে পূজা নেপালে তেওঁক (গৃহ-দেৱতাক) অৱহেলা কৰা বুলি বাহিৰা মানুহৰ উপস্থিতিত ঘৰৰ ভিতৰত মাছ ৰূপ ধৰি গৃহস্থক লাজ দিয়ে।

উত্তৰ কাছাৰৰ ডিমাছা জাতিৰ ল'ৰা-ছোৱালী নোহোৱা দম্পতিয়ে মুলি-লিঙ্গ নামে এটা ধৰ্মানুষ্ঠান পালন কৰে। এই পূজাত বামী (নাদাং), মাগুৰ (নাম্না), ৰবালি (নায়েহ) আদি মাছ উচৰ্গা কৰা হয়। এই পূজা পাতিলে তেওঁলোকৰ সন্তান-সন্ততি ওপজে। সেই দেখি তেওঁলোকে এইবোৰ মাছ নেখায়। তেওঁলোকৰ ল'ৰা-ছোৱালীৰ অৱশ্যে সেইবোৰ মাছ খোৱাত কোনো বাধা নাই।

কোনো বিশেষ ক্ষেত্ৰত অসমীয়া আৰু জনজাতীয়সকলেও মাছলৈ যোৱাৰ আগতে কিছুমান আচাৰ-অনুষ্ঠান পালন কৰে। চ'ত মাহৰ ভাল দিন এটা চাই আৰু আৰু মাঘ-বিহুৰ উৰুকাৰ দিনা গোটেই ৰাইজে—মুনিহ, তিৰোতা, ল'ৰা আটায়ে—আনুষ্ঠানিকভাৱে ওচৰৰ নৈ বা বিলত মাছ মাৰিবলৈ যায়। পানীত নমাৰ আগতে পাৰত জলদেৱতাৰ নামত পূজা-উচৰ্গা কৰে। জালত ভালদৰে মাছ পৰিবলৈ সেই পূজাত মন্ত্ৰাদিও উচ্চাৰণ কৰা হয়। মাছক মন্ত্ৰমুগ্ধ কৰা আৰু সৰহকৈ মাছ ধৰিব পৰা বহুতো অসমীয়া মন্ত্ৰ আছে।

লোঠা নগাৰ ৰীতি মতে মাছ ধৰিবলৈ যোৱাৰ আগনিশা সহবাস নিষিদ্ধ আৰু পানীত নমাৰ আগতে পুৰা কোনো জন্তু আদিও মাৰিব নেপায়। মাছ মাৰি থাকোঁতে তিৰোতাৰ উপস্থিতিও নিষেধ। গাঁৱৰ সামূহিকভাৱে হোৱা বলি-উৎসৱৰ সময়ত লাখেৰ পুৰোহিতে মাছ নেখায় আৰু মাৰিবলৈকো নেযায়।

জাল মৰা আৰু পানী বিষাক্ত কৰাৰ বাহিৰেও অসমীয়া মানুহে মাছ ধৰাৰ নানা সৰঞ্জাম ব্যৱহাৰ কৰে। চেপা, খোকা, জুলুকি, পল, দলঙা, ডিঙৰা, ভৈৰ, পাউৰী, চৈক আদি সৰ্বসাধাৰণে ব্যৱহাৰ কৰা সঁজুলি। ইয়াৰ বেছিভাগেই বাঁহৰ কাঠি-কামিৰে সজা হয়।

মাছ মৰা এই সা-সঁজুলিবোৰৰ লগত বিবিধ বিশ্বাস জড়িত আছে। শনি বা মঙ্গলবাৰে মকৰাৰ জালত লাগি ধৰা ফৰিং অথবা পোক-পৰুৱা মাছ মৰা জালত গাঁঠি ল'লে অধিক মাছ জালত উঠে বুলি কছাৰীসকলৰ বিশ্বাস। মাছ মাৰিবলৈ যাওঁতে কছাৰীসকলে মাছ মৰা সঁজুলি আনক ছুবলৈ নিদিয়ে; কোনো কোনোৱে মাছ মাৰিবলৈ ওলাওঁতে বাঢ়নীৰে সাতবাৰ নিজৰ জালত কোবায়। বিল বা পুখুৰীত নমাৰ আগতে মাছুৱৈয়ে সেই পানীত তিনিবাৰ থুৱায়। জালত প্ৰথম মাছ লগাৰ লগে লগে জালৰ দাহৰী বা মাৰিত তিনিবাৰ কোবায়।

সামাজিক ৰীতি-নীতিতো মাছৰ এটা বিশিষ্ট স্থান আছে। অসমীয়াৰ বিয়াৰ জোৰোণ বা তেল-ভাৰৰ দিনা জোৰোণৰ কাপোৰ-কানি, আ-অলঙ্কাৰ, তামোল-পাণ আদিৰ লগতে দৰাঘৰৰপৰা মাছ এটাও দিব লাগে। শুভ কাৰ্যত মাছক পবিত্ৰ বুলি ভবা হয়। আকৌ বিয়াৰ পাছত আঠমঙলাৰ দিনা বন্ধু-বান্ধৱক মাতি কইনাঘৰত যি ভোজ দিয়া হয়, তাতো মাছ লাগিবই। মণিপুৰীসকলৰ মাজতো বিয়াৰ পঞ্চম দিনা পতা ভোজত মাছ অপৰিহাৰ্য। এই অনুষ্ঠানৰ নাম মঙ্গানি চকউৰা। যদিহে কেনেবাকৈ মাছ খোৱা নিষিদ্ধ দিনত সেই দিনটো পৰে তেতিয়াহ'লে তাৰ পাছদিনাহে মঙ্গানি চকউৰা পতা হয়। উত্তৰ কাছাৰৰ ডিমাছা-কছাৰীবিলাকৰ মাজতো এটা লোকাচাৰ পালন কৰা হয়। বিয়াৰ দিনা কইনাঘৰলৈ যাওঁতে দৰাই কইনাঘৰীয়া মানুহলৈ লাওপানী (জু), মঙহ (মগং) আৰু মাছ-(নো) লৈ যায়। বিয়াৰ পাছদিনা



এইবোৰ কইনাৰ অঙহী-বঙহীক খুওৱা হয়। কেঁচা মাছ নেপালে শুকান মাছকে দিয়া হয়।

খাছীয়াৰ বিয়াতো মাছৰ ব্যৱহাৰ আছে। তিনি ডোখৰ শুকান মাছ মজিয়াত থৈ তাৰ ওপৰত তিনিবাৰ মদ ঢালি পুৰোহিতে দেৱতা আৰু পূৰ্বপুৰুষৰ আত্মাক বিয়াৰ সাক্ষী হ'বলৈ আহ্বান জনায়। ইয়াৰ পাছত মাছ কেইডোখৰ ঘৰৰ চাল বা মাৰলিত আঁৰি থোৱা হয়। ল'ৰা-ছোৱালী নোপোজালৈকে মাছ কেইডোখৰ নমোৱা নহয়। মিৰিবিলাকৰ বিয়া ঠিক কৰোঁতেও মাছ লাগে। এশ-একুৰি বিধৰ মাছ কেঁচাই হওক বা শুকানে হওক, দৰাই 'আৰুচু আকুন' পালনত অৰ্থাৎ ছোৱালী খুজিবলৈ যাওঁতে লৈ যাব লাগিব। মাছ নহ'লে বাগ্‌দানৰ কোনো মূল্য নেথাকে। মাছৰ সংখ্যা কম হ'লেও কন্যাপক্ষক অৱজ্ঞা কৰা হয়। আকৌ, বিয়াৰ সময়তো সমান আকাৰৰ ষাঠিটা শুকান মাছ দৰাঘৰীয়াই লগত নিব লাগে। সেই মাছ দৰা-কন্যাই একেলগে একেখন কাঁহীতে 'নগাচান' আৰু 'পিম্‌প' 'আপীৰ' অৰ্থাৎ শুকান আৰু বিশেষ ধৰণে ৰন্ধা ভাত খাব লাগে। মিকিৰসকলেও বিয়াৰ সময়ত পূৰ্বপুৰুষসকলৰ উদ্দেশ্যে শুকান মাছ উচৰ্গা কৰে। মণিপুৰীসকলে বিয়াৰ সম্প্ৰদানৰ সময়ত দুটা নগামু নামৰ মাছ পানীত এৰি দিয়ে। সেই মাছ দুটা দৰা আৰু কন্যাৰ প্ৰতীক বুলি ধৰা হয়। এই মাছ দৰাঘৰীয়াই লগত লৈ গৈ কইনাৰ ঘৰত শ্ৰমাহিকা নামে শ্ৰমাহি দেৱতাৰ উদ্দেশ্যে ৰখা কুঠৰী এটাত থৈ দিয়ে। মাছ এৰিবৰ সময় হ'লে দৰাঘৰীয়া দুজনী তিৰোতাই সোঁহাতে থকা মাছটো আৰু আন তিনিজনী তিৰোতাই আনটো মাছ ল'ব। অৰ্থাৎ, দলটোত পাঁচজনী বা তিনিজনী তিৰোতাহে হ'ব লাগে। দুইটা মাছ একে সময়তে পানীত এৰি দিয়া হয়। এই মাছ দুটাৰ গতিবিধি চাই মানুহে দৰা-কইনাৰ ভৱিষ্যৎ গণনা কৰে।

অসমীয়া বিয়াৰ অন্যান্য মাঙ্গলিক অনুষ্ঠানতো উৰ্বৰতাৰ প্ৰতীক স্বৰূপে মাছৰ প্ৰয়োগ আছে। এই সম্বন্ধে তলৰ বিয়ানাম কেইফাঁকি তাৎপৰ্যপূৰ্ণ ঃ

চৰিয়াত জীয়াৰা মাগুৰ মাছ এহালি
কইনাৰ আগতে থবা;
সেই মাছ হালিকে নৈত মেলি দিবা
দীৰ্ঘজীৱী পুত্ৰ পাবা।

পোহন বিয়াৰ নামত আছে ঃ

আজি ৰাধাই হাঁহে মাতে কালি ৰাধাৰ বিয়া;
মাগুৰ মাছে খেলা খেলে ৰাধাৰ পোহন বিয়া ।

আও নগাৰ বিয়াত দৰাই মাছ দিহে বিয়াৰ স্থিৰ সিদ্ধান্ত কৰিব পাৰে। এই অনুষ্ঠানটো এইদৰে পালন কৰা হয় ঃ ডেকাজনে নিজৰ ঠালৰ বুঢ়া মানুহ এজনৰ ওচৰলৈ গৈ কয়; "মই আজি মাছলৈ যাম। সন্ধিয়া মোৰ ঘৰলৈ আহিবা।" তাৰ পাছত তেওঁ কেইটামান মাছ ধৰি আনি সেই বুঢ়াজনক লগ ধৰে। মাছকেইটা বুঢ়াজনৰ হাতত দি বুঢ়াৰ পাছে পাছে তেওঁ কইনা ঘৰলৈ বুলি খোজ লয়। মাছটো কইনাঘৰক দিয়া হয়। বুঢ়া আৰু কন্যা-প্ৰাৰ্থীক মদ দিয়া হয়, কিন্তু বিয়াৰ বিষয়ে তেতিয়া কোনো কথা পতা নহয়। পাছদিনা পুৱা তেওঁ আকৌ ছোৱালীৰ ঘৰলৈ যায়। তেতিয়া তেওঁক ভাত খাবলৈ দিয়া হয়। যদিহে ছোৱালীৰ বাপেক-মাকে তেওঁ দিয়া মাছটো খায় তেনেহ'লে বিয়াত মত আছে বুলি বুজিব পাৰি। আন এটা ৰীতি মতে ডেকাই লগত বিশ-ত্ৰিশজন লগৰীয়া লৈ নৈত মাছ ধৰাৰ বিহ দিয়েগৈ। ধৰা মাছৰ শকত ভাগটো মধ্যস্থতাকাৰীজনে ছোৱালীৰ বাপেক-মাকক দিবগৈ। ইয়াৰে এটা ভাগ আকৌ তেওঁলোকে ওভতাই পঠায় আৰু বাকীখিনিৰ কিছু মিতিৰ-কুটুমৰ মাজত বিলায়। ইয়াৰপৰাই বিয়া হ'ব বুলি ৰাইজে ধৰি লয়।

কেঁচুৱা উপজিলে আত্মীয়-স্বজন, বন্ধু-বান্ধৱক মাছ দিয়া অসমীয়া মানুহৰ এটা সাধাৰণ ৰীতি। পুংসৱন উৎসৱত এযোৰ মাগুৰ মাছ পূজা কৰি পূজাৰ অন্তত তাক পানীত এৰি দিয়া হয়। নামকৰণ উৎসৱ মাছেৰে ভোজ দিয়া হয়। সাধাৰণতে, ছমাহ বয়সত কৰা উৎসৱত মাছ ৰন্ধা হয় আৰু কেঁচুৱাক কাঁইত দিয়া হয়, কিন্তু নুখুৱায়। খাছীয়াসকলে সন্তান ওপজা উৎসৱ লাওপানী, পিঠাগুড়ি আৰু হালধিৰ লগত মাছ খায়। কেঁচুৱা ওপজাৰ পাছত 'পিছকথা'বোৰ সুতি উভতি আহি বাপেকে পিঠাগুড়ি খোৱাৰ পাছত দুজন লগৰীয়াই শুকান মাছৰ কাইট দুডাল লৈ ডোখৰ ডোখৰ কৰে। শুচিকৰণ আৰু নামকৰণ উৎসৱ (ওপজাৰ দিনাই কৰা হয়) পৰিয়ালৰ মানুহে একাঁজলিকৈ চাউলৰ গুড়ি শুকান মাছ আৰু আদাৰে খায়। লোঠা নগাবিলাকে এমাহৰ ভিতৰত উৎসৱ পাতি মাংস বা মাছ কেঁচুৱাৰ মুখত দিয়ে।



অসমীয়া মানুহে পৰিয়ালৰ কোনোবা ঢুকালে অশৌচৰ দিনকেইটা মাছ-মাংস নেখায়। শ্ৰাদ্ধৰ পাছত গিয়াতালি ভোজ পাতি সেই ভোজত জ্ঞাতিৰ লগত মৃতকৰ পৰিয়ালে মাছ খাব লাগে; মৃতকৰ অৰ্থে মাছ ৰান্ধি পিণ্ডও দিয়ে। বাৰ্ষিক শ্ৰাদ্ধৰ অন্নাদি দানত বাকলি থকা মাছ উচৰ্গা কৰিবই লাগে। বাড়োসকলেও এনেকুৱা ভোজ দিয়ে। গাৰোৱে মৃতকক দাহ কৰাৰ পাছদিনা পুৱা পতি বা পত্নী নাইবা কোনো ওচৰ-সম্বন্ধীয়াই ৰন্ধা সাঁজ লৈ পোৰা ঠাইলৈ গৈ তাত ভাত, মিছামাছ আৰু কণী ৰান্ধে। সম্ভৱ হ'লে শৱ-দাহৰ জুইতে সেইখিনি ৰান্ধিব লাগে। ৰন্ধা হ'লে তেওঁ সেই পাত্ৰটো তাতে ভাঙি চিঞৰি বিনায়। মিছামাছ ৰন্ধাৰ কাৰণ হৈছে এয়ে যে যেতিয়া মেগম আইৰিয়া বা প্ৰথম মৃত লোকজন ঘৰলৈ উভতি আহিছিল তেতিয়া ঘৈণীয়েকো মিছামাছ ধৰি থকা দেখিছিল। মংচেন আওবিলাকে মেথোন বলি দিওঁতে বলি উৎসৱ দিয়াজনে উপবাসৰ চতুৰ্থদিনা পুৱা হাবিত শুকান মাছ এডোখৰ আৰু হটা চাউল খাই উপবাস ভাঙে।

দেৱ-দেৱীৰ উদ্দেশ্যও মাছ উচৰ্গা কৰা হয়। যোগিনী-তন্ত্ৰত বিধান আছে যে দেৱতাক নিৰামিষ উপাচাৰৰ বাহিৰেও মাছ বা আন জন্তুৰ মঙহ উচৰ্গা কৰিব পাৰি। যোগিনী-তন্ত্ৰমতে মাছৰ উপাচাৰ বিষ্ণুৰো প্ৰিয়। কামৰূপৰ হাজো দেৱালয়ত বিষ্ণুক মৎস্য অৱতাৰৰূপে মৎস্যধ্বজ নামে পূজা কৰা হয়। যোগিনী-তন্ত্ৰত এই মূৰ্তিৰ প্ৰতিষ্ঠাৰ বৃত্তান্ত আছে; উৰিষ্যাৰ ৰজা ইন্দ্ৰদ্যুম্নই সমাজিক দেখিলে যে এজোপা ডাঙৰ গছ সাগৰত উটি আহি পাৰত লাগিলহি। তেওঁ পাছদিনা সমাজিকৰ নিৰ্দেশ মতে কুঠাৰেৰে কাঠডোখৰ সাত টুকুৰা কৰিলে। তাৰে দুডোখৰ কামৰূপলৈ অনা হ'ল। এডোখৰেৰে হয়গ্ৰীৱ আৰু আনডোখৰেৰে মৎস্যৰূপী দেৱতা মাধৱৰ মূৰ্তি সজোৱা হ'ল। ডক্টৰ কাকতিৰ মতে, মৎস্য দেৱতাৰ মূৰ্তি সজাবলৈ উৰিষ্যাৰপৰা কাঠ আনোৱাৰ কথাটোত এই দেৱতাৰ আগমন দক্ষিণ ভাৰতৰপৰা হোৱা বুলি ভাবিবৰ থল আছে। দেৱীপূজাতো মাছ উচৰ্গা কৰাৰ নিয়ম আছে, বিশেষকৈ শাৰদীয় দুৰ্গাপূজাত। কোনো কোনো দেৱীপূজাত মাগুৰ মাছ বলি দিয়া হয়। কছাৰীসকলে খেৰাই বা বাথৌ (অধ্যাপক সুকুমাৰ সেনৰ মতে বাথৌ প্ৰাচীন ভাৰতৰ বাস্তুভিটা) পূজাৰ

লগত অপদেৱতাসকলবো পূজা কৰে। এই পূজাত মাছৰ টেঙা আঞ্জা ৰান্ধি উচৰ্গা কৰা হয়। তদুপৰি, দাইন অৰাং অৰ্থাৎ ভূত-প্ৰেতৰ পূজাত বৌ মাছৰ আঞ্জা ৰান্ধি ভোজ দিয়া হয়। কুবেৰ আৰু জলকুঁৱৰীক কছাৰীসকলে মাছৰ আদি দেৱতা বুলি বিশ্বাস কৰি কুকুৰা-গাহৰি বলি দি পূজা কৰে। গাৰোসকলে নহমা নহচা (মাছৰ আদি জননী) আৰু মিনিমা ৰোকিম্মেক (লক্ষ্মী) বাই-ভনী বুলি বিশ্বাস কৰে আৰু দুয়োজনাক পূজা কৰে।

খাছীয়াসকলে আদি মাতৃৰ উৎসৱ পালন কৰে। তেওঁৰ কোনোৱা কাহনিতে মৃত্যু হ'লেও এই উৎসৱটো বছৰি পালন কৰা হয়। এই উৎসৱত খাছীয়াসকলে শুকান মাছ ব্যৱহাৰ কৰে। এই উৎসৱৰ উদ্দেশ্য হৈছে মৃত মাতৃগৰাকীৰ আত্মাক জীৱিতসকলৰ ওপৰত আশীষ বৰ্ষণ কৰিবলৈ উদ্বুদ্ধ কৰা। মিকিৰসকলক ধৰ্মানুষ্ঠানত মাছ ব্যৱহাৰ কৰা হয় । তেওঁলোকৰ বিশ্বাস যে শুকান মাছ উচ গা কৰিলেহে ,দেৱতাৰ আশীৰ্বাদ পাব পাৰি। মিকিৰৰ কোনো গুৰুৰ মৃত্যু হ'লে শিষ্যসকলে গুৰুৰ শয্যাত শুকান মাছ থৈ তেওঁৰ নামত উছৰ্গা কৰি আত্মাৰ শান্তি কামনা কৰে আৰু, লগতে মৃত গুৰুৰ আশীৰ্বাদ বিচাৰে। তাৰ বাহিৰেও যিকোনো ধৰ্মানুষ্ঠানৰ অধিবাসৰ দিনা শুকান মাছ পিঠাগুড়িৰে সৈতে ৰান্ধি সকলোকে বিলাই দিয়া হয়। অসমীয়া হিন্দুসকলৰ অধিবাসৰ দিনা মাহ-প্ৰসাদ বিলোৱাৰ লগত এই প্ৰথাৰ কিছু সাদৃশ্য আছে। মিকিসকলে কিউনিউট উয়ি (Kiuniut uii) আৰু আঙ্গে উয়ি (সূৰ্য, চন্দ্ৰ, বায়ু, জল, অগ্নি, তাৰকা আৰু বিদ্যুৎ—প্ৰকৃতিৰ এই সপ্তশক্তিৰ) পূজাত বাকলি থকা মাছ দিয়ে। ইপান-ইজাৰ নামৰ পূজাত মিকিসকলে মাছক লক্ষ্মী গোঁসানীৰ সমগোত্ৰীয় বুলি বিবেচনা কৰে। এই পূজাত মিবু অৰ্থাৎ দেওধায়ে যিকোনো এবিধ আৰু যিকোনো আকাৰৰ মাছ ধৰিব লাগে। সেই মাছটো মাছ ধৰা নৈখন বা পুখুৰীটোৰ পৰা উঁৱালঘৰটোলৈকে বন্ধা ৰচী এডালৰ ওপৰেদি লৈ যাব লাগে। কোনো লোক লক্ষ্মী গোঁসানীৰ নিগ্ৰহত পৰিছে বুলি ভাবিলেহে মিবুৱে এই অনুষ্ঠান পাতে। আজিকালি অৱশ্যে এই প্ৰথাৰ লোপ হৈছে। আও নগাৰ 'চলিং' ঠালটোৱে পুণ্যাৰ্থে ভোজ-উৎসৱ পাতোঁতে সমৃদ্ধি কামনা কৰি বলিৰ মেথোনৰ ওপৰত পাতেৰে মেৰিওৱা দুটোপোলা মাছ থয়। আও নগাৰ



'মংচেন' ঠালে প্ৰথম আৰু তৃতীয় পুণ্যাৰ্থে ভোজ পাতোঁতে উৎসৱৰ বাবে চাউল খুন্দা তিৰোতা কেইজনীক অন্যান্য বস্তুৰ লগতে শুকান মাছৰ আদখিনিও উপহাৰ দিয়ে। ঠিক সেইদৰে চতুৰ্থ দিনাৰ উৎসৱত হোৱা মেথোন বলিটো গিৰিহঁতজনে আৰু তেওঁৰ ঘৈণীয়েক দুয়ো আন আন খাদ্যদ্ৰব্যৰ লগত মাছ নাইবা মেথোনৰ মূৰটো উচৰ্গা কৰে। লোঠা নগাসকলে সৰু মাছ আৰু চাউল পিট-মধুৰে (মদ) সৈতে তেওঁলোকৰ পুৰোহিতৰ ঘৰত ('পটছ') দেৱতাৰ উদ্দেশ্যে থৈ দিয়ে।

মাছ প্ৰজননৰ প্ৰতীক; কিয়নো মাছৰ বংশবৃদ্ধি দ্ৰুতগতিৰে হয়। সেই কাৰণে, কৃষি-বিষয়ক অনুষ্ঠানত মাছৰ ব্যৱহাৰ অপৰিহাৰ্য। খেতিৰ শস্য আৰু ভঁৰালৰ শ্ৰীবৃদ্ধিৰ কাৰণে অসমৰ কোনো কোনো অংশত, বিশেষকৈ উজনি অসমৰ আহোমসকলৰ মাজত অনুষ্ঠিত হোৱা লখিমী আদৰা উৎসৱত এই মাছৰ ব্যৱহাৰ দেখা যায়। এই উৎসৱত গোপিনীসকলে নাম গাই বিয়াৰ দৰে পুখুৰী বা বিলৰপৰা পানীৰ সলনি জাকৈ মাৰি জাবৰ-জোঁথৰ, মাছ আদি তুলি আনে। জাকৈত মাছ উঠাটো শুভ লক্ষণ। তাৰ পিছত এই জাবৰ-জোঁথৰ আৰু মাছ আদি আনি বেদীত উচৰ্গা কৰে। উৎসৱৰ শেষত এইবোৰ সকলোৱে ভাগ কৰি নি ভঁৰাল আৰু শস্যক্ষেত্ৰত ছটিয়াই দিয়ে। লখিমী আদৰা উৎসৱৰ গীতফাঁকিৰ দ্বাৰা ইয়াৰ আভাস পাব পাৰি—

জাকৈ ঘনে কৰি বাবা ঐ দেওধাই
খালৈ ঘনে কৰি চাবা,
খেপিয়াই খেপিয়াই লাহেকৈ ধৰিবা
লখী আইক হাততে পাবা।

জুমখেতি আৰম্ভ কৰাৰ পূৰ্বে গাৰোসকলে খেতিৰ ঠাইত ৰোকিমে আৰু নহ্‌মা নহচাক নানা অনুষ্ঠানেৰে পূজা কৰে। ৰকচি কৃত (শস্য গজি উঠাৰ সময়ত কৰা উৎসৱ) অনুষ্ঠানত যি বেদী সজা হয়, তাত নহ্‌ৰক মাছৰ ফিছা উচৰ্গা কৰা হয়। খেতি ছপোৱা উৎসৱত গাঁৱৰ সকলোৱে মিলি বৌ-আদি মাছৰ ভোজ খোৱা নিয়ম। শস্য সঁচা পাচি-খৰাহিত মাছৰ কাঁইট আদি সুমুৱাই থয়। মাছৰ দৰে এই কঁ'ইটবোৰো পোক-পৰুৱাৰ শত্ৰু—

এয়ে গাবোৰ বিশ্বাস। মুণিপুৰীসকলৰ থাৱন মাহত (আগষ্ট-ছেপ্তেম্বৰ) ঠিক খেতিৰ পাছতে হোৱা থাৱন চাক্ চানাবা নামৰ ভোজটোত মাছ খাবই লাগে। মণিপুৰৰ নগাসকলৰ মাজত খেতিৰ বতৰত ধান সিঁচাৰপৰা ধান চপোৱালৈকে মাছ মৰা নিষিদ্ধ।

অপৰ্যাপ্ত পৰিমাণে মাছ থকা ঠাইখিনিক মিৰিসকলে 'কুমচুং এনেউ' বা ভঁৰালঘৰৰ মাতৃৰ স্থান বুলি বিশ্বাস কৰে। সেই দেখি মিৰিসকলে প্ৰচুৰ পৰিমাণে মাছ ধৰিব পৰা ঠাইতেই বাস কৰিবলৈ বিচাৰে। খেতিৰ বতৰত ৰেংমা নগাসকলৰ আনুষ্ঠানিক ভোজনত মাছৰ এটা বিশিষ্ট স্থান আছে। গাঁৱৰ প্ৰথম কঠীয়া সিঁচোতাজনে সিঁচাৰ পাছত এসাঁজ মাছ আহাৰ কৰে। ধান দোৱাৰ কালছোৱাত প্ৰথম দাৱনীয়ে অকল মাছ, আদা আৰু ভাতহে খায়। পশ্চিমৰ ৰেংমাসকলৰ মাজত নিয়ম আছে যে গিৰিহঁতনীয়ে পুৱতি নিশাতে গৈ ভঁৰালৰপৰা অলপ চাউল আনে; গিৰিহঁতজনে নিঃশব্দে তাকে মাছৰ লগত খায়। সৰহকৈ মাছ ধৰিব পৰা নহৈবা মাছ বিৰাক্ত কাৰিব পৰাটো লোঠা নগাসকলৰ মতে খেতি উভৈনদী হোৱাৰ লক্ষণ। লাখেৰ ৰীতি মতে খেতিৰ দিনত মাছ নমৰাটোহে ভাল; কিয়নো, মাছ খালে ভাত খোৱাৰ পৰিমাণো অধিক হ'ব আৰু সেয়ে হ'লে সৰহকৈ মাছখোৱাৰ পৰিমাণত ভঁৰালৰ চাউল হ্ৰাস হোৱাৰ দৰে পথাৰৰ শস্যও কমি যায়। লাখেৰ আৰু লুচাইসকলৰ মতে ধান সিঁচা আৰু দোৱাৰ কালছোৱাৰ ভিতৰত টঙিঘৰত মাছ পোৱা নিষিদ্ধ। তেওঁলোকৰ বিশ্বাস যে পুৰিলে মাছটো শুকাই যোৱাদি পাথাৰৰ ধানবোৰো শুকাই যায়। গাবোসকলৰ অ'গালমকা বা গালমকা উৎসৱত (ঝুম পোৱা) ন'-কাৰেক শুকান মাছ অপৰিহাৰ্য। পিছদিনা পুৱা নকৈ পুৰি উলিওৱা ঝুম খেতিৰ পথাৰত প্ৰতি ঘৰৰ গিৰিহঁতে গালমকা উৎসৱ পাতে। এই উৎসৱত শস্যাধিপতি ৰুকিমে দেৱতাক কুকুৰাৰ আঞ্জাৰে ন'-কাৰেক উচৰ্গা কৰি পূজা দিয়া হয়। তেওঁলোকৰ ন'-কাৰেক ৰুকিমে দেৱতাৰ প্ৰিয় খাদ্য বুলি বিশ্বাস কৰে।

আন পূজা-পাতলতো মাছ ব্যৱহাৰ কৰা হয়। ঘৰ লোৱা উৎসৱত খাছীয়াসকলে মাছ ব্যৱহাৰ কৰে। নকৈ ঘৰ লওঁতে গিৰিহঁতে কিন্‌জহ



খ' স্কেইন বুলি পূজা এভাগ কৰে; (কিনজহ = যোৱাগৈ ; খ' (দহ্‌খ) = মাছ; স্কেইন্ = মাখি) আৰু পাঁচডোখৰ শুকান মাছ মজিয়াত থ'ব লাগে। তাৰ পিছত, দেৱতাৰ অৰ্থে তাৰ ওপৰতে মদ ঢালি দি তাৰে তিনিডোখৰ মাছ চালত আঁৰি দিয়া হয়। আলহীয়ে তেতিয়া সেই মাছকেইডোখৰ মুখেৰে আঁজুৰি আনিবলৈ যত্ন কৰিব আৰু যেয়ে আনিব পাৰিব সেইজনেই ভোজৰ মুখ্য অতিথি হ'ব। এই ভোজৰ উদ্দেশ্য হৈছে যাতে গৃহস্থৰ ওপৰত আৰু, লগতে যি আই বসুমতীৰ ওপৰত ঘৰৰ ভেটিটো থিয় দি আছে তেওঁৰ ওপৰতো আশীষ বৰ্ষণ হয়। পৃথিৱী এসময়ত পানীৰ তলত আছিল বুলি জনবিশ্বাস এটা আছে। শুকান মাছ দিয়াৰ অৰ্থ ঘৰৰ ভেটি যেন সদায় শুকানে থাকে। লাখেৰসকলে নতুন ঘৰ সাজোঁতে নৈলৈ গৈ সৰু মাছ ধৰি ঘৰলৈ আনে। তেওঁলোকৰ মতে মাছ পৰিচ্ছন্নতা আৰু স্বাস্থ্যৰ প্ৰতীক।

কোনো কোনো ৰেংমা পৰিয়ালে ভঁৰালঘৰ বছৰি ধুই পৰিষ্কাৰ কৰে আৰু ভোজ পাতে। ভোজ আৰম্ভ হোৱাৰ আগতে কুকুৰা আৰু মাছ দিয়া হয়। কোনো কোনো উৎসৱত পূৰ্বাঞ্চলৰ ৰেংমাসকলে ভাতৰ লগত অকল মাছ আৰু আদা খায়; পেলনি যোৱাখিনি জুহালৰ ওচৰত পুতি থয়। অঙ্গামী নগাই মূৰ চিকাৰ কৰি উভতি আহিলে ঘৈণীয়েকে খুঁৰকই বুলি সৰু সৰু মাছ আনেগৈ আৰু সেই নিশা তাকে ৰান্ধি খায়। পূৰ্বে মূৰ-কটা অভিযানৰ পাছত লাখেৰে ডেকাহঁতে নৈত মাছ মাৰিছিল; কিয়নো, মাছক পবিত্ৰতাৰ প্ৰতীক হিচাপে গণ্য কৰা হয়।

ৰবষুণ কামনা কৰি পতা বহুতো ক্ৰিয়া-কাণ্ড অসমত প্ৰচলিত। লোঠা আৰু চেমা নগাসকলৰ মাজত এটা অনুষ্ঠানৰ এনেধৰণৰ প্ৰচলন আছে—বান্দৰৰ মূৰ এটা আৰু কাঠি এডালেৰে মেল খুৱাই খোৱা মুখেৰে সৰু মৰা মাছ এটা নিচেই ওচৰতে থকা জুৰিটোত থ'ব লাগে। যথেষ্ট পৰিমাণে ৰবষুণ হোৱাৰ পাছত বান্দৰৰ মূৰটো তাৰপৰা লৈ যোৱা হয় আৰু মাছটো তাতে গেলি-পচি যায়। কেতিয়াবা পানী থকা ডোবা ৰবষুণ অনোৱা কাৰ্যত ব্যৱহাৰ কৰাৰ ৰীতি আছে। চেমা

নগাসকলৰ মাজত বিশ্বাস আছে যে তেনে ডোবাবিলাকত মাছ মাৰিলে ধাৰাসাৰ বৰষুণ হয়। খৰাং বতৰত ডোবা বা জুৰিত মাছ মাৰিলে বৰষুণ দিয়ে বুলি আও নগাসকলৰ মাজতো এটা বিশ্বাস আছে। ডোবাৰ মাছ বিষাক্ত কৰিলে বৰষুণ দিয়ে বুলি লাখেৰসকলৰ বিশ্বাস। মাছ বিষাক্ত হ'লে সেই ডোবাৰ দেৱতা বিৰক্ত হৈ বৰষুণ দিয়ে।

টোপনিত প্ৰস্ৰাৱ কৰা মানুহক পাটি-মুতুৰা মাছ-খুৱালে সেই ৰোগ দূৰ হয় বুলি মানুহৰ বিশ্বাস। দৰিকণা মাছেৰে ঔষধ তৈয়াৰ কৰি কোনো কোনো স্ত্ৰীৰোগতো ব্যৱহাৰ কৰা হয়। অসমীয়া আৰু জনজাতীয় উভয়ে কোনো কোনো মছৰ মূৰ আৰু কাঁইট চালত আঁৰি থ'লে ভূত-প্ৰেত আঁতৰে বুলি বিশ্বাস কৰে। মাছ ঔষধ আৰু আহুদিতো বহুতে ব্যৱহাৰ কৰে। লোঠা নগাৰ বেজালি কৰা তিৰোতাই গছৰ শিপাৰে সৈতে আহুদি কৰে। সেই শিপাখিনি প্ৰণয় জগাবলৈ মাছৰ আঞ্জাৰ সৈতে প্ৰণয়পাত্ৰক খাবলৈ দিয়া হয়। কেঁচুৱা ল'ৰা-ছোৱালীৰ জিভাত ঘা হ'লে আও নগাই নৈৰপৰা এবিধ পিছল মাছ ধৰি আনি জীয়াই জীয়াই ঘা ডোখৰত ঘঁহি দিয়ে। ল'ৰা-ছোৱালী নহ'লে, আৰু অন্যান্য ৰোগত আও নগাই দোষ আঁতৰাবলৈ টিয়দেৱতাৰ (ভাগ্যদেৱতা) নামত শুকান মাছ উচৰ্গা কৰে। সহজে উলিয়াব নোৱৰা কাঁইট গাত সোমালে অঙ্গামি নগাই এবিধ মাছৰ মগজু সেই ঠাইত সানি দিয়ে। লুচাইসকলে মাছৰ জোল ভেদ আৰু গ্ৰহণী ৰোগত ব্যৱহাৰ কৰে। মণিপুৰীয়ে দৃষ্টিশক্তি দুৰ্বল হ'লে বৌ মাছৰ পেটু খায়। কোনো লোক টান বেমাৰত পৰিলে মণিপুৰী বেজে (মাইবু) ঙ্গামু নামৰ মাছ পানীত এৰি দি মানুহটোৰ জীৱৰ পৰিবৰ্তে মাছটোক গ্ৰহণ কৰিবলৈ প্ৰাৰ্থনা কৰে। মণিপুৰীৰ মিতাই পুৰাণত আছে যে ঙ্গামু মাছক গুৰু চিদবাই (সৃষ্টিকৰ্তা) স্ৰজন কৰি ইয়াক বিপদত পৰা মানুহৰ প্ৰাণ ৰক্ষাকৰী ক্ষমতা দিছিল। ডিমাছা-কছাৰী ভাষাত নাহ-মাম নামে এবিধ মাছ আছে। এইবোৰ উত্তৰ কাছাৰৰ পৰ্বতীয়া নৈত পোৱা যায়। ইয়াৰ মূৰত এবিধ শিল আছে। ডিমাছাসকলৰ বিশ্বাস মতে এই মাছ খালে পিত্তকোষৰ পাথৰি ৰোগ হয়। এই মাছৰ শিলটো আন বনৌষধিৰ লগত মিহলাই পাথৰি ৰোগৰ ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়। ডিমাছাবিলাকে বাঘ মাছৰ পিত পাকস্থলীৰ ৰোগত ব্যৱহাৰ কৰে।

বহুতো বিশ্বাস-অন্ধবিশ্বাস মাছ মৰা, ধৰা আদিৰ লগত জড়িত আছে।



মাছ অপদেৱতাবো প্ৰিয় বুলি জনবিশ্বাস। বিল-পুখুৰী-জান আদিত অপদেৱতা থাকে বুলি অসমীয়াই মাছপ্ৰিয় এইবিধ দেওক বাক বুলি কয়। মিকিৰসকলে এইবিধ দেওক মাছ মৰা জালেৰেহে ধৰিব পাৰি বুলি কয়।

মণিপুৰী বৈষ্ণৱসকলে তেওঁলোকৰ মাৰচ্ হিয়াঙ্গেই মাহত (অক্টোবৰ-নৱেম্বৰ মাহত) মাছ নেখায়। ১৬/১৭ হিয়াঙ্গে তাৰিখে তেওঁলোকে মৎস্য পৰিহাৰ ব্ৰত ভঙ্গ কৰে। এই ব্ৰতক মাৰচ-নগটাঙ্গবা বোলে।

লুচাইসকলে বিশ্বাস কৰে যে মাছ ধৰোঁতে মাহে মাতিলে সিইদিনা বহুত মাছ ধৰিব পাৰি। বড়োসকলে মাছ ধৰোঁতে প্ৰথমে ধৰা মাছটোৰ ফিচাডাল দাঁতেৰে কামুৰি ছিঙি পেলায়, কাৰণ তেওঁলোকৰ মতে তেনে কৰিলে সৰহ মাছ উঠে । প্ৰথম খেপত গেদ্‌গেদী মাছ উঠাটো বেয়া লক্ষণ বুলি ভাবে। প্ৰথম খেপত বাকলি থকা মাছ উঠিলে মিৰিসকলে ইয়াক মাছ ধৰাৰ শুভ লক্ষণ বুলি জ্ঞান কৰে। নাও বাই যাওঁতে মাছ জঁপিয়াই নাৱত পৰিলে সৌভাগ্য সূচিত হয়। মিৰিসকলে প্ৰকাণ্ড মাছুন্দৰী নামৰ মাছটোক মৎস্য দেৱতাৰ অধীশ্বৰ বুলি ভাবে। এই মাছটোৰ সাক্ষাৎ পালে মানুহটোৰ দিন চমু চাপি আহিছে বুলি তেওঁলোকৰ বিশ্বাস। চেমা নগাই আঝো নামৰ মাছ খালে মৃত্যুকালত ভীষণ কষ্ট পাব লাগে বুলি ভাবে; কিয়নো, এই মাছটো কাটিলে বহুপৰলৈ টুকুৰাবোৰে ধৰ্ফৰাই থাকে। কেতিয়াবা দূৰ গাঁৱলৈ ছোৱালী বিয়া দিলে লগত এই মাছৰ মগুহ এডোখৰ দি পঠিয়ায়। যদিহে কিবা টান ৰোগত ছোৱালী মৃতপ্ৰায় হয় তেতিয়া এই মাছ খালে সোনকালে মৃত্যু নহ'ব আৰু ইতিমধ্যে খবৰ পাই মাক-বাপেক জীয়েকৰ ওচৰ পাবগৈ পাৰে। মৃত্যুশয্যাত লোঠা তিৰোতাই শুকান মাছ নোছোৱে।

অসমীয়াই সমাজিকত মাছ দেখিলে বিয়া নাইবা সন্তান জন্মৰ আগজাননী বুলি ভাবে। বগা, চেপেটা মাছ সমাজিকত দেখিলে গাৰোসকলে টকা-পইছা আৰু সৌভাগ্যৰ অনুমান কৰে। সপোনত সৰহ মাছ দেখিলে গাৰোসকলে সৌভাগ্যৰ চিন বুলি ভাবে। খাছিয়াই আকৌ সমাজিকত মাছ খোৱা আৰু ধৰা দেখিলে অমঙ্গল বুলি ভাবে। বিয়াৰ আগতে লাখেৰসকলৰ দৰাঘৰীয়াই কইনাৰ মাক-বাপেকক এখন দা উপহাৰ দিয়ে। এই দাই

মঙ্গলসূচক স্বপ্ন দেখুৱায় বুলি বিশ্বাস কৰে। যদি মাছৰ সমাজিক দেখে তেনেহ'লে বিয়াখন সৌভাগ্যজনক হ'ব। আন সময়তো মাছ দেখিলে-মঙ্গলেই হয়; কাৰণ মাছে স্বাস্থ্য আৰু উপচি পৰা শস্যৰ ইঙ্গিত দিয়ে।)

বগা পুঠী জাতীয় সৰু মাছ সমাজিকত দেখিলে ডিমাছা কছাৰীয়ে ধনপ্ৰাপ্তিৰ লক্ষণ বুলি কয়। ঝুমলৈ বুলি মাটি চাবলৈ যোৱাৰ আগতে এই ধৰণৰ সমাজিক দেখিলে খেতি ভাল হ'ব বুলি বিশ্বাস কৰে।

বহুতো উপকথা, কিম্বদন্তী, সাধু আদিৰ লগত মাছ সংশ্লিষ্ট। খাছীয়া-জয়ন্তীয়া ৰাজপৰিয়ালৰ উৎপত্তি দক্ষিণ জয়ন্তীয়াৰ উয়িৰ উলহ্ বিন্দি নামৰ মানুহ এজনৰ লগত কা-লি ডখা নামৰ মৎস্যকন্যা এজনীৰ মিলনত হয়। কথিত আছে, এবাৰ উলহ্ বিন্দিয়ে উয়িৰ নদীত মাছ মাৰি মাছটো ঘৰলৈ লৈ গ'ল। সি মাছটো খাবলৈ পাহৰিলে। কেইদিনমানৰ পাছত এদিন গধূলি ঘৰলৈ উভতি আহোঁতে দেখিলে যে ঘৰ-দুৱাৰ সৰা-মচা আৰু বস্তু-বাহানিবোৰ যতন লগাই থোৱা আছে। কিছুদিন এইদৰেই গ'ল। কোনেনো এইবোৰ কৰে সি ধৰিব নোৱাৰিলে। এদিন খাপ দি থাকি ঘৰৰ ভিতৰত খোজৰ শব্দ শুনি ভিতৰলৈ সোমাই গৈ দেখে যে এজনী দীপ্লিপ্ ছোৱালী। তাই তাক বিয়া কৰাবলৈ মান্তি হ'ল। তাই ঘৰলৈ গৈ তাইৰ জ্ঞাতি-পৰিয়ালক লৈ আহিবলৈ অনুমতি বিচাৰিলে। পিছে দল-বল লৈ তাই উভতি আহি দেখিলে যে উলহ্ বিন্দিৰ মাকে বাঢ়নী চোতালতে এৰি থৈ গ'ল। বাঢ়নী দেখি সিহঁত কোনো ভিতৰলৈ সোমাব নোৱাৰি উভতি গুচি গ'ল। উলহ্ বিন্দি বেজাৰত বলিয়া হৈ নৈখনৰ পাৰলৈ গ'ল। সিহঁত তেতিয়া সেই নৈ এৰি ক'ৰবালৈ গুচি গৈছে। সি গোটেইবোৰ নৈ-জান-জুৰি চলাথ কৰিলে। এদিন ছুতঙ্গা গাঁৱৰ ওচৰৰ নৈ এখনত মাছ মাৰি আনি মাছটো পূৰ্বৰ দৰেই এইবাৰো খাবলৈ পাহৰিলে। তাৰ পিছত আগৰ দৰেই ঘটনাবোৰ ঘটিবলৈ ধৰিলে। এইদৰে কা-লি ডখাক আকৌ লাভ কৰিলে। এইবাৰ বিয়া হ'ল। সিহঁতৰ দুজনা কন্যা উপজিল। তেওঁলোকেই চুতঙ্গা ৰাজপৰিয়ালৰ আদি মাতৃ। এই ঠালটোৰেই পাছলৈ জয়ন্তীয়া ৰাজ্যৰ শাসক হ'লগৈ।

গাৰোসকলৰ মাজতো পৃথিৱীৰ প্ৰথম মাছটো সম্পৰ্কে এটা বিচিত্ৰ কাহিনী প্ৰচলিত আছে। পৃথিৱী যেতিয়া নিচেই চালুকীয়া আছিল আৰু



ইয়াৰ সকলোবোৰ বস্তুৱেই লাহে লাহে গঢ় ল'বলৈ ধৰিছিল তেতিয়া পৃথিৱীত না'ম চুৰাঙ্গপা-না'চ ৰদলপা নামে প্ৰধান মৎস্য এটি আছিল। সি তেতিয়া তাৰ খুড়াক মীন-পা-ৰংদিনপা-টংচান-মংচানৰ (সাপৰ) লগত আমৰৰী-নি-চিজ-গমৰৰিনি ডেকদ' নামে পুখুৰী এটাত বাস কৰিছিল। এদিনাখন কালগ্ৰা দেৱতা আৰু খুড়াকৰ মাজত লগা যুঁজত কালগ্ৰা দেৱতাই প্ৰতিপক্ষক কঁড়িয়াই আঘাত কৰিলে। সাপটো অসহ্য যন্ত্ৰণাত পলাই গৈ তাৰ নিজৰ গাঁতত সোমালগৈ। না'মচুৰাঙ্গপাই খুড়াকক বিচাৰি ফুৰিলে। খুড়াকক বিচাৰি না'মচুৰাঙ্গপা গাবিল আচঙ্গ নামে ঠাইৰ নৈ এখনৰ কাষেৰে যাব লগা হ'ল। সেই নৈৰ নাম বঙ্গ'গি-পেঙ্গ-ৰঙ্গ চাচম্। ইয়াত গঙ্গাৰ দুজনী ভনীয়েক আৰু এজনী ভতিজাকে গা ধুই আছিল। সিহঁত অপূৰ্ব সুন্দৰী আছিল। না'ম চুৰাঙ্গপাৰ চকু এই কুঁৱৰীসকলৰ শৰীৰত স্থিৰ হৈ ৰ'ল। কিন্তু এটা মৎস্য-যুৱক হৈ মানৱী কন্যাক বিয়া কৰোৱাটো অসম্ভৱ। সেইদেখি আনেও যাতে সিহঁতক লাভ কৰিব নোৱাৰে সেই ভাবি সিহঁতক মাৰি পেলোৱাকে সি ঠিক কৰিলে। সি তাৰ শৰীৰপৰা বিষ উলিয়াই নৈৰ পানী বিষাক্ত কৰি দিলে। বিষাক্ত পানী শৰীৰত সোমালত ছোৱালীজনী সাংঘাতিকভাৱে অসুস্থ হ'ল। গঙ্গাই সিহঁতৰ অসুস্থতাৰ কাৰণ জানিব পাৰি খঙত একো নাই হৈ না'ম চুৰাঙ্গপাক বধিবলৈ বিচাৰিলে। গঙ্গাই প্ৰকাণ্ড-ভুৰ এখন সাজি লগত লগুৱা ৰুদমী আৰু চলতা-পনটেক লৈ ভুৰ বাই তাক বিচাৰি গ'ল। আমক-আদিম গাঁওতেই নিশা হ'ল। ঘোপমৰা এন্ধাৰত একো নমনি; গঙ্গাই তাতে ভুৰ বান্ধিলে। এই এন্ধাৰ নিশাৰ ছেগতে গৈ সি ভুৰখন তাতে বুৰাই দিলে। লগুৱা দুটা তল গ'ল। গঙ্গাই কথমপিহে সাঁতুৰি পাৰলৈ উঠিল। বৰ ভাগৰ লাগিলত গঙ্গা পাৰতে শুই পৰিল। তাতে তেওঁ এটা সমাজিক দেখিলে। সমাজিকত তেওঁক ওচৰৰে পাহাৰ এটাত থকা ভোমোৰাটো মাৰি তাৰ পাখি দুখন পানীত পেলাই দিবলৈ নিৰ্দেশ দিছে তাকে কৰিলে হেনো পানী পৰিষ্কাৰ হ'ব আৰু এন্ধাৰ আঁতৰিব। সাৰ পাই গঙ্গাই সঁচাকৈয়ে এটা ভোমোৰা দেখিলে আৰু তাৰ নিৰ্দেশ মতেই কাম কৰিলে। পানীবোৰ ফট্‌ফটীয়া হৈ পৰিল আৰু এন্ধাৰো নাইকিয়া হ'ল। পানীৰ তলিলৈকে মনিব পৰা হৈ পৰিল। গঙ্গাই ৰুদমী আৰু চলতাপনটেৰ শ উদ্ধাৰ কৰিলে। গঙ্গাই ঔষধ-পাতি দি সিহঁতক জীয়ালে। না'ম চুৰাঙ্গপা আন এঠাইলৈ পলাই গ'ল।

গঙ্গাই লগুৱা দুটাৰে সৈতে তাক বিচাৰি না-গনাৰম্-মিতে-চিলকম নামে পুখুৰীত পালেগৈ। সিহঁতে তাক জীয়াই জীয়াই ধৰিবলৈ মন কৰিলে। সেই উদ্দেশ্যে পুখুৰীটো বাঁহ, জেং, ডাল-পাত আদিৰে বেঢ়ি পেলালে। তাৰ পাছত দুপৰীয়াৰ আহাৰ খাবলৈ যো-জা কৰিলে। না'ম চুৰাঙ্গপাই সাৰিবৰ উপায় নেদেখি কান্দিবলৈ ধৰিলে। সেই পুখুৰীতে থকা বিৰাট কেঁকোৰা আং-কেবোঙ্গা ডামচঙে সেই কান্দোন শুনি দুখ লাগি তলে তলে গাঁত খান্দি তাক নিৰাপদ ঠাই এডোখৰলৈ লৈ গ'ল। গাঁতটো, বহু দূৰত আন এটা পুখুৰীত উলিয়ালেগৈ। এইদৰে না'ম চুৰাঙ্গপা পলাই সাৰিল। না'ম চুৰাঙ্গপাক বধ কৰা হ'লে পৃথিৱীত আৰু মাছ বুলিবলৈ একো নেথাকিলেহেঁতেন।

মাছৰ উৎপত্তি সম্পৰ্কেও অলেখ সাধু আছে। ডিমাছাসকলে ভাবে যে পূৰ্বতে পৃথিৱীখনৰ অধিকাংশ পানী আছিল, অ'ত ত'তহে একো চপৰা মাটি আছিল। পৃথিৱীত জীৱ নাছিল। ঈশ্বৰে প্ৰথম পুৰুষ প্ৰাণী স্ৰজন কৰিলে। 'বাঙ্গলা ৰজা' আৰু তেওঁৰ লগৰীয়া হিচাপে 'আৰিখি ডিমা' নামে স্ত্ৰীৰ সৃষ্টি হ'ল। ক্ৰমে তেওঁলোকৰ মাজত প্ৰেম উপজিল। আৰিখিয়ে সন্তান ধাৰণ কৰিলে। সেই সন্তানক জন্ম দিবৰ বাবে তেওঁলোকে নিৰাপদ ঠাইৰ অনুসন্ধান কৰিবলৈ ধৰিলে। বিচাৰি বিচাৰি ডালওৱা আৰু চাঙ্গিলচ' নদীৰ মাজ ঠাই পালেগৈ। তাতে আৰিখিয়ে সতোটা কণী পাৰিলে। প্ৰথম ছটা কণীৰপৰা ছটা ল'ৰা উপজিল—চিব্ৰাই (জ্ঞানী), নাইকু ৰাজা, দুৰাজা, বাৰাজা ব্ৰিয়ং আৰু হামিৰদাও (খং)। শেষৰটো কণী নুফুটিল। মাকে চিন্তিত হৈ ল'ৰাকেইটাক সেইটো ভাঙি চাবলৈ ক'লে। সেইটো ভাঙিলত এজাক দৈত্য ওলাই আহিল। দৈত্যমখাই ঈশ্বৰক বিচাৰি ফুৰিবলৈ ধৰিলে—পিছে নেপালে। তেতিয়া চিব্ৰায়ে সিহঁতক হাবিত বাস কৰিবলৈ ক'লে, আৰু ক'লে মানুহবোৰে বিপদ-আপদ বেমাৰ-আজাৰত পৰিলে তেওঁক পূজা দিব, সেই পূজাৰ নৈবেদ্যৰ কিছু ভাগ দৈত্যবিলাকেও পাব। তেনেদৰেই সিহঁতে বহুকাল বাস কৰিলে। এবাৰ চিব্ৰাই এটা ভোজ পাতিলে আৰু চাকৰবিলাকক নিৰ্দেশ দিলে যে ভোজৰ এখন আঞ্জা পানীত থকা জন্তুৰ মঙহেৰে ৰান্ধিব লাগিব। সিহঁতে পানীত নামি জলচৰ জীৱৰ সন্ধান কৰিলে। কিন্তু তেতিয়াও তেনে জীৱৰ সৃষ্টিয়েই হোৱা নাই। চিব্ৰাই গভীৰভাৱে ধ্যান কৰাত ঈশ্বৰে সন্তুষ্ট



হৈ বৰষুণৰ লগত মাছ বৰ্ষণ কৰিলে। এইদৰেই পৃথিৱীত মাছৰ আবিৰ্ভাৱ হ'ল। এই মাছকে ভোজত দিয়া হ'ল।

বড়ো-কছাৰীৰ বিশ্বাস মতে পৃথিৱীৰ সৃষ্টিকৰ্তা হ'ল বাথৌ বাৰায় (মহাদেৱ)। মহাদেৱ-পাৰ্বতীয়ে আন জীৱ-জন্তু স্ৰজন কৰাৰ আগতে মাছ স্ৰজন কৰিলে। মাছৰ পিছতহে লক্ষ্মী বা অন্ন স্ৰজন কৰা হয়। কিন্তু মাছ আৰু লক্ষ্মীৰ মাজত কোন্ শ্ৰেষ্ঠ—এই লৈ কাজিয়া লাগিল। পাৰ্বতীয়ে মহাদেৱক এই কাজিয়া ভাঙিবলৈ প্ৰাৰ্থনা কৰি ক'লে, "প্ৰভু আপুনি মাছ আৰু লক্ষ্মীক মানুহৰ মঙ্গলৰ কাৰণে মিলা-প্ৰীতিৰে পৃথিৱীত থাকিবলৈ দিয়ক। আপুনি তেওঁলোক দুয়োৰে মাজলৈ যাওক; যেয়ে আপোনাৰ বাওঁ পিনে থিয় হ'ব, তেৱেঁই শ্ৰেষ্ঠ।" মহাদেৱে পৃথিৱীলৈ নামি আহি লক্ষ্মীক বাওঁপিনে লৈ থিয় হ'ল আৰু সেই দিনাৰপৰাই মাছতকৈ লক্ষ্মী (অন্ন) শ্ৰেষ্ঠ হ'ল।

কছাৰীসকলৰ মাজত হিন্দু জনশ্ৰুতি মিশ্ৰিত আৰু এটি মনোৰম কাহিনী আছে ঃ

আদিতে পৃথিৱীত অকল পানী আছিল; সৃষ্টিকৰ্তা মহাদেৱ আৰু পাৰ্বতী এখন মকৰাজালত আছিল। সেই অৱস্থাত থাকোঁতেই মহাদেৱে পৃথিৱী সৃষ্টি কৰাৰ কথা চিন্তা কৰে আৰু অনতিপলমে পানীৰ মাজত প্ৰথমে মাছ, কেঁকোৰা, কাছ আদি জীৱ সৃষ্টি কৰিলে। পৃথিৱীৰ কাৰণে মাটি সংগ্ৰহ কৰিবলৈ মাগুৰ-মাগুৰীক (মাগুৰ মাছ এযোৰা) পাতালৰপৰা নিমন্ত্ৰণ কৰা হ'ল। মাগুৰ-মাগুৰীক মহাদেৱে পাতালৰপৰা মাটি সংগ্ৰহ কৰিবলৈ আদেশ দিলে; কিন্তু দুয়ো অসমৰ্থ হৈ ঘূৰি আহিল। মহাদেৱে তেতিয়া তাহাঁতক শাপ দি ক'লে ঃ "যা, আজিৰপৰা তহঁতে একাঁঠু ডোবাৰ পানীত থাকিবি; তহঁত মানুহৰ খাদ্য হ'বি।"

তাৰ পিছত মহাদেৱে বৰ্কা মাছক মাতি আনি পাতালৰপৰা মাটি আনিবলৈ আদেশ দিলে। কিন্তু কিছুদূৰ লৰি গৈ উশাহ চুটি হোৱাত বৰ্কা মাছ মহাদেৱৰ কাষলৈ ঘূৰি আহিল। মহাদেৱে সিহঁতক ক'লে, "যাহঁক,

তইঁত আজিৰপৰা ছমাহ গাঁতত একো নোখোৱাকৈ থাকিবি; বাকী ছমাহ পানীত থাকিবি।"

তাৰ পিছত জামান-জামানী (কেঁকোৰা) আৰু বাৰাহ ৰজাক (গাহৰি) মহাদেৱে পাতালৰপৰা মাটি আনিবলৈ আদেশ দিলে। বাৰাহ ৰজাই জামান-জামানীৰ পিঠিত উঠি পাতালৰ হিৰণ্যাক্ষ ৰজাৰ ৰাজ্য পালেগৈ বাৰাহৰে জামান-জামানীৰ পিঠিৰপৰা নামি ওচৰতে থকা ড়োবা এটিত পৰি বোকাৰে লুতুৰি-পুতুৰি হৈ সেই অৱস্থাৰে মহাদেৱৰ কাষলৈ ঘূৰি আহিল। মহাদেৱে বাৰাহৰ নোমৰ গুৰিৰপৰা কটাৰীৰে মাটি এৰুৱাই তিনিটা লাড়ু সাজি তাৰেই পৃথিৱী সৃষ্টি কৰিলে। জামান-জামানীৰ কাৰ্যত সন্তোষ লভি মহাদেৱে ক'লে: তোমালোকে কঠিন মাটিত গাত খান্দি ছমাহ একো নোখোৱাকৈ তাত সোমাই থাকিবলৈ শক্তি পাবা; বাৰিষাৰ লগে লগে পানী ঘূঁৰলিলৈ আহিবা।" কেঁকোৰাই সেইদিনা ধৰি এই দৰে চলি আছে; তাৰ পিঠিত আজিও বাৰাহৰ (গাহৰি) ৰজাৰ ভৰিৰ সাঁচ আছে। গাহৰিয়ে মহাদেৱৰ আশীৰ্বাদত নাকৰ আগ মণ্ডহত শক্তি লাভ কৰিলে; ইয়াৰেই সি মাটিও খান্দিব পাৰে। শত্ৰুক আক্ৰমণ কৰিবলৈ মহাদেৱে বাৰাহক দাঁত এযোৰা দিলে। বড়ো-কছাৰীসকলৰ বিশ্বাস যে গাহৰিৰ দাঁত অথবা গাহৰিৰ গাত লাগি থকা মাটি লগত থাকিলে অপদেৱতা আৰু কুমন্ত্ৰই কোনো অমঙ্গল কৰিব নোৱাৰে।

বানচোসকলৰ মাজত এটা সাধু প্ৰচলিত আছে। এসময়ত এজনী ছোৱালী আছিল। তাই ডিঙিত ধুনীয়া অলঙ্কাৰ আৰু মালা পিন্ধিছিল। সন্ধ ৰৰ খং উঠিল। এদিনাখন দুয়ো হাবিলৈ যাওঁতে ভায়েকে নৈৰ পাৰৰ গছ এজোপাত লতা কেতবোৰ ওলমি থকা দেখি বায়েকক তাত ওলমি দুলিবলৈ ক'লে। তায়ো দুলিবলৈ লাগিল। এনেতে ভায়েকে জোৰেৰে ঠেলা মাৰি দিয়াত তাই লতাৰ বটীত খোপনি ৰাখিব নোৱাৰি পানীত পৰিল আৰু তাতেই মাছ হৈ থাকিল। বানচোসকলে এই মাছটোক য়ামি মাছ বোলে। ছোৱালীৰপৰা হোৱা কাৰণে বানচোসকলে (অসমীয়ায়ো) এই মাছ নেখায়।

মিৰিসকলে ভাবে যে, চিৰকি আবুং নামে নৈখনতে পোন প্ৰথমে মাছৰ উৎপত্তি হৈছিল। শদিয়া আৰু পাচিঘাটৰ মাজত কোনোবা অঞ্চলত এই



নৈখন আছে। এই নৈখনৰ পৰাই আন আন ঠাইলৈ মাছবোৰ যায় বুলি বিশ্বাস। এতিয়াও মাজে মাজে ভৈয়ামৰ নৈবোৰৰপৰা ধাৰ সোঁততো মাছবোৰ উজাই ইয়ালৈ আহে। শৰীৰৰ চাৰিওফালে কাঁইট থকা কিছুমান নিচেই এধান এধান মাছ আছে। এই মাছক মাছৰ ৰজা বুলি কোৱা হয়। এই মাছ কেনেকৈ ৰজা হ'বলৈ পালে তাৰো এটা সাধু আছে।

চিৰকি আবুং নৈৰপৰা এসময়ত কিছুমান মাছ ভৈয়ামলৈ ভ্ৰমিবলৈ গৈছিল। কিছুদিন ভৈয়ামৰ নৈত ফুৰি-চাকি সিহঁত আকৌ নিজ ঘৰলৈ উভতিল। ভৈয়ামৰ মানুহে মাছৰ গোন্ধ পাই সিহঁতক জাকৈৰে ধৰিবলৈ নৈত ভেটা দিলে। ইফালে সিহঁতৰ অঙহী-বঙহী মাছবোৰ সিহঁত নহা দেখি চিন্তিত হৈ আন মাছক খবৰ ল'বলৈ পঠিয়ালে। কিছুদিন বিচাৰ-খোচাৰ কৰি সিহঁতে লগৰীয়াবিলাকৰ বিপদৰ কথাটো গম পাই ততাতৈয়াকৈ উভতি ঘৰত খবৰ দিলেগৈ। ভেটাত বন্দী হোৱা মাছবিলাকৰ উদ্ধাৰৰ উপায় নিৰ্ধাৰণ কৰিবলৈ এখন মেল বহিল। তেতিয়া সেই সৰু মাছবিধে সিহঁতক উদ্ধাৰ কৰি অনাৰ ভাৰ ল'লে। সেই মাছবিধৰ নাম 'পুতি'। কিছু পুতিমাছ ইমান সৰু যে সেই বিৰাট ভেটা ভাঙিবলৈ যোৱা টিপচীয়ে মেৰু পৰ্বত উৰুৱাৰ নিচিনা কথা। গতিকে ডাঙৰ মাছক সেই কামলৈ পচা হ'ল। সিহঁত কিন্তু সৰ্বশক্তি প্ৰয়োগ কৰিও ব্যৰ্থ হৈ উভতি আহিল। আন উপায় নেদেখি পুতিমাছৰ প্ৰস্তাবকে শেষত মানি ল'ব লগা হ'ল। সিহঁতৰ দলপতিয়ে হাজাৰ-বিজাৰ পুতিমাছ লৈ যাত্ৰা কৰিলে। তেওঁ ভেটাৰ গাতে মাছবোৰেৰে এনেদৰে শাৰী পাতালে যে ভেটাৰ মাজেদি পানী সৰকি আহিব নোৱৰা হ'ল। কেবাদিনো পানী বন্ধ হৈ ৰ'ল। পানী আহি ভেটাৰ ওচৰত উপচি পৰি প্ৰবল সোঁত আৰু প্ৰচণ্ড আঘাতৰ সৃষ্টি কৰিলে। ভেটা ভাগি পৰিল। বন্দী মাছবোৰ এনেকৈয়ে উদ্ধাৰ হ'ল। পুতিমাছৰ বুদ্ধিক আটায়ে শলাগিলে সকলো মাছে স্বীকাৰ কৰিলে যে বলতকৈ বুদ্ধিহে বেছি লাগতিয়াল। এই বুলি সকলোৱে একমত হৈ পুতিমাছক ৰজা পাতিলে।

নুচাইসকলৰ মাজত আকৌ আন এটা কিম্বদন্তিৰ প্ৰচলন আছে। ই যেনিবা তেজীমলা সাধুৰ ন-সংস্কৰণ। এবাৰ এহাল মতা-তিৰোতা বাঁহ কাটিবলৈ গ'ল। সিহঁতৰ মাজত ঠিক হ'ল, যেয়ে নিজৰ বাঁহ নিজে বৈ

আনিব নোৱাৰিব তাকে নৈত পেলাই দিয়া হ'ব। তিৰোতাজনীয়ে উভতি আহোঁতে নিজৰ বাঁহৰ বোজাটো ব'ব নোৱৰাত গিৰিয়েকে তাইক পানীলৈ দলিয়াই দিলে। তাতে তাই এটা প্ৰকাণ্ড মাছলৈ ৰূপান্তৰিত হ'ল। মাছটোৰ নাম হ'ল থাইচাওনিনো। এই কথাত তাইৰ জীয়েকে বৰ বেজাৰ পালে। তাই সদায় নৈৰ পাৰলৈ যায়। মাছ হৈ যোৱা মাকজনীয়ে জীয়েকৰ ওচৰলৈ আহি জীয়েকক কিবাকিবি খাবলৈ দিয়ে। ঘৰত তাইৰ মাহীমাকে তাইক খাবলৈ নিদিয়াতো তাই দিনে দিনে শকত-আৱত হৈ যোৱা দেখি মাহীমাকে কাৰণটো অনুসন্ধান কৰি আচল কথাটো গম পাই তাই এটা জালোৱাক জাল বাবলৈ লগালে। জীয়েকে এই ঘটনা দেখি পাৰৰপৰা চিঞৰি ক'ত ক'ত জাল পেলাইছে মাকক জনালে। জীয়েকক তাৰপৰা আঁতৰাই নি মাছমৰীয়াইতে মাছটো ধৰি মাৰিলে। মাকৰ কাঁইটবোৰ নি তাই শিমলু এজোপাৰ তলত পুতি থ'লেগে। ছোৱালীজনীয়ে সেই শিমলুগছৰ ফুলৰ মৌ খায়েই দিন নিয়াবলৈ ধৰিলে। ডাঙৰ হ'লত এজন ধনী ডেকাৰ লগত তাইৰ বিয়া হ'ল।

কছাৰী সাধু এটিত মাছক মানুহ আৰু দেৱতাৰ বন্ধু বুলি বৰ্ণোৱা হৈছে। এহাল বুঢ়া-বুঢ়ীৰ বহুত ল'ৰা-ছোৱালী আছিল। বুঢ়াই সিহঁতৰ ল'ৰা-ছোৱালীবোৰৰ আহাৰ আদিৰ কাৰণে হিমালয়লৈ গৈ এটা প্ৰকাণ্ড পুখুৰী খান্দি তাত মাছ জীয়ালে। এদিনাখন সৌভাগ্যৰ দেৱতা শ্ৰীয়ে পিয়াহত তত নেপাই তালৈ পানী খাবলৈ আহিল। মাছবোৰে তেওঁক পানী দিলে। বিনিময়ত তেওঁ সিহঁতক ব্ৰহ্মপুত্ৰলৈ নৈ যাবলৈ বিচাৰিলে। তেওঁৰ লাঠিডালত সিহঁতক বান্ধি জুৰি এটি খান্দি খান্দি তেওঁৰ পাছে পাছে নৈ গ'ল। এনেকৈয়ে নৈৰ সৃষ্টি হ'ল। মাছবিলাকেও এই উপকাৰৰ কাৰণে শ্ৰীক জাতিলাও এটা আৰু ৰঙালাও এটা দিলে। সেই লাও দুটি সোণ-ৰূপেৰে পূৰ হৈ আছিল। ঘৰলৈ উভতি যাওঁতে তেওঁ লাও দুটা বন্ধু-বান্ধৱক উপহাৰ দিলে। ঘৰলৈ আহি শ্ৰীয়ে দেখে তেওঁৰ জীয়েক টান ৰোগত পৰি শয্যাগত হৈ আছে। মাছবোৰে তেওঁক দিয়া উপহাৰ অৱজ্ঞা কৰি আনক বিলাই দিয়াতে এই ঘটনা ঘটিলে বুলি তেওঁ বুজিব পাৰিলে। মাছবিলাকে অৱশ্যে তেওঁক কৃপা কৰিলে। সিহঁতে বেজৰ ছদ্মবেশত আহি শ্ৰীক ক'লে যে



শ্ৰীয়ে যদি নৈৰ পাৰত গৈ জীয়েকৰ বাবে পূজা দিয়ে তেতিয়া হ'লে জীয়েক ভাল হ'ব। শ্ৰীয়ে তাকে কৰিলে। অধ্যাপক তাৰকচন্দ্ৰ দাসে এই সাধুটোত নদীপূজাৰ নিদৰ্শনতকৈ মাছ পূজাৰ ইঙ্গিতহে অধিক বুলি ক'ব খোজে। ডঃ দাসে কৈছে ঃ "যুক্তিৰ ফালৰপৰা চাবলৈ গ'লে শ্ৰীৰ মাছৰ পূজা কৰাহে সম্ভাৱনা অধিক; কিয়নো মাছবোৰহে বিৰক্ত হৈছিল। নৈবোৰতো তেওঁৰ নিজৰেই সৃষ্টি আৰু মাছ পুহিবলৈ নৈৰ পাৰেই উপযুক্ত স্থান। সম্ভৱতঃ যিটো আগেয়ে মাছপূজা আছিল, তাকে নদী-পূজালৈ পৰিবৰ্তিত কৰাৰ ইয়ে সুযোগ দিয়ে।"

মিকিৰৰ মাজতো অনুৰূপ এটা সাধু আছে। পুৰণিকালত মিকিৰসকলে মাছৰ অস্তিত্ব সম্পৰ্কে একো নেজানিছিল। সেই দেখি তেওঁলোকে মাছ খোৱাও নাছিল। কোনো পৰ্বতৰ ওপৰৰ পুখুৰী এটাত মাছ আছিল। কাষত এখন নৈ আছিল আৰু সেই নৈখনেৰে পুখুৰীটোলৈ পানী গৈছিল। এবাৰ বতৰ বৰ খৰাং হ'লত নৈৰ পানী শুকোৱাত পুখুৰীটোত পানী নোহোৱা হ'ল। এই পুখুৰীত সদায় হাঁহ এটা চৰি ফুৰিছিল। মাছবোৰে হাঁহটোক সিহঁতক তাৰপৰা কোনোবা পানী থকা ঠাইলৈ নিবলৈ অনুৰোধ কৰিলে। হাঁহ অমান্তি হ'লত মাছবোৰে বৰকৈ কাকুতি কৰিলে। এনে সময়তে সেইপিনে এজন মিকিৰ গৈছিল। তেওঁ মাছ আৰু হাঁহৰ কথা-বতৰা শুনিলে। ওচৰলৈ গৈ মাছৰ মুখে সিহঁতৰ বিপদৰ কথা শুনি মিকিৰজনে হাঁহটোক দয়া কৰি মাছবোৰক উদ্ধাৰ কৰিবলৈ অনুৰোধ জনালে। হাঁহ আৰু মিকিৰ দুয়ো লগলাগি মাছবোৰক আন এখন নৈলৈ নিলে। মাছবোৰে কৃতজ্ঞতাত গদ্‌গদ্ হৈ মানুহটোকে ক'লে যে স্বাস্থ্য ভালে ৰাখিবলৈ মানুহে মাজে মাজে মাছ খাব পাৰিব। এইদৰেই মিকিৰসকলে মাছ খাবলৈ শিকিলে।

জয়ন্তীয়াসকলৰ অধিষ্ঠাত্ৰী দেৱী জয়ন্তীৰ মৎস্যৰূপ গ্ৰহণ প্ৰসঙ্গত বুৰঞ্জীত তলৰ আখ্যানটি আছে ঃ জয়ন্তীয়ো লাণ্ডাবৰক খেদাই মনত দুখকৈ বোলে,—"কিনো অযোগ্য কাম কৰিলো। পতিব্ৰতা ধৰ্মকো এৰিলো। মহামায়া ভগৱতী, মোক কোনোৰূপে উদ্ধাৰ কৰা।" এই বুলি শয়ন কৰিলে। পাছে স্বপ্নত দেৱীয়ে বোলে,—"তোৰ পতিব্ৰতা মঞি ৰাখিম; অধমে যিহক

বাঞ্ছা কৰিছে তাকে পাই হেন কৰিম; দুখ নকৰিবি। অশুচি হ'বৰ কালত তোৰ দেহৰপৰা ছায়া প্ৰতিবিম্ব-কন্যা একটা জলত প্ৰৱেশ হ'ব; মৎস্যৰ গৰ্ভত প্ৰবেশ হ'ব। মৎস্যোদৰী নাম কন্যাজাত হই তোৰ ঘৰত থাকিব। সেয়ে সহিতে বসতি কৰিলে তোৰ পতিব্ৰতা ধৰ্ম ৰহিব। মৎস্যোদৰীৰ গৰ্ভে যেমন পুত্ৰ হয় তাত ৰাজ্য সমৰ্পণা কৰি তঞি মোক পাবিগৈ। এখন ৰাজ্য পালি থাক।" এই বুলি মহামায়া অন্তৰ্ধান হ'ল। পাছ চেতন পাই জয়ন্তী ৰাণীসিংহ সন্তোষ হই আনন্দে ৰহিল। মহামায়াক চিন্তি ৰাজ্য প্ৰতিপালি ৰহিল। যি সময়ত অশুচি হ'ল দেৱীৰ স্বপ্নৰ কথা মনত কৈ সুওঙ্গা জুৰিত গা স্নান কৰি অশুচি জয়ন্তীৰ গাৰপৰা ছায়াবিম্ব জলত খেপন স্নান কৰি আপোনাৰ নগৰক আহিল। ছায়াবিম্ব মৎস্যে গিলিলে।

লাণ্ঢা সুওঙ্গায়ো মাছলৈ বুলি জুৰিত খোকা পাতিছিল। দৈৱযোগে ঘোৰ সৃষ্টি হ'ল। পাছে সেই খোকাতে ছায়াবিম্বকে গিলা ৰৰালি মাছ আহি লাগিলহি। পুৱা গৈ লাণ্ঢা সুওঙ্গায়ে ঘৰক আনি আঁৰি থৈ আবাক গ'ল। যাওঁতে ভোবোলা নামে এক গাবোয়ে বোলে,—"ঐ লাণ্ঢা সুওঙ্গা ! বৰ মাছটো যে পাইছ একলে কি কৈ খাবি ?" লাণ্ঢা সুওঙ্গায় বোলে,— "গেলি পোক পৰিব, দিনে দিনে তাকে ভাজি খাম।" আৰা চাই দুই গাবো ঘৰত আহিল। ঘৰ সোমাই নানাবিধ দিহ-দ্ৰব্য সহিতে ভাত দেখি বিস্ময় হই বোলে,—"মঞি লাণ্ঢাবৰ, মোৰ কোনো নাই, মোক লাগি কাৰনো দয়া উপজিলেক ? জানিলো বনদেৱেহে দয়া কৰি মোক লাগি থৈছে।" এই বুলি ভাত-মদ খাই ঘৰত থাকিল। এইৰূপে আনাকাদিনাও লাণ্ঢাবৰ আৰালৈ গ'ল। আবাৰপৰা আহি আকও ভাত-মদ তেনেকৈ পালেহি। লাণ্ঢাবৰে বোলে,—"কি বিস্ময় কথা !" এই বুলি ভাত-পানী খাই লাণ্ঢাবৰ সেইমনে থাকিল। মাছ থ'লে আঁৰি, নেগেলে; বোলে—"কাটি শুকুয়াওঁ।" এই বুলি মাছ কাটিব খোজোঁতে তাৰ হাতৰ দা ছিগি দুডোখৰ হ'ল।

লাণ্ঢাবৰে মাছ আকও আঁৰি থৈ আনাকাদিনা আৰালৈ যাওঁ বুলি



লাণ্ঢাবৰে জুমি আছিল। পাছে মাছৰপৰা ওলাই মৎস্যোদৰীএ ঠাই-ঠুই আওতাই থয়; লাণ্ঢাবৰে গৈ চাব মাৰি ধৰি বোলে—"তঞি কোন ক ?" মৎস্যোদৰীএ বোলে,— "তঞি মনে মনে থাক। তোৰ সুখৰ কাৰণেহে আহিছোঁ। তোৰ নাই কেও; মোৰো নাই কেও; দুয়ো ইয়াতে থাকিম। তঞি আজিৰপৰা আৱালৈ যাব নেলাগে, মই সকলে দিম। তঞি সহিতে গৃহবাস কৰিম; একো সুধিব নালাগে, মনে মনে থাক।" এই প্ৰকাৰে দুয়ো খাৱা-দাবা কৰি বসতি হই ৰহিল।

সেইদিন ধৰি তাৰ ঘৰত অযাচিতে সকলো বস্তু লগ ধৰিলে।

মাছক পবিত্ৰতা আৰু উৰ্বৰতাৰ প্ৰতীক হিচাপে অতি পুৰণি কালৰেপৰা ব্যৱহাৰ কৰা হৈছে। ডাঃ এলউইনে লেখিছে ঃ যোৱা মাছ অঙ্কিত ব্ৰোঞ্জৰ পাত্ৰ, ঘণ্টা, বাদ্যযন্ত্ৰ আদি তিব্বতৰপৰা ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰিছে। মাছক সৌভাগ্যৰ চিন বুলি ধৰা হয় কাৰণে অসমীয়া আৰু জনজাতীয় লোকসকলেও তেওঁলোকৰ কাপোৰত মাছৰ চানেকি তোলে। ঘৰতো মাছৰ ছবি আঁকে।

লোক-গীততো মাছক স্ত্ৰী-সৌন্দৰ্যৰ উপমা, যৌন প্ৰতীক, দাম্পত্য সম্প্ৰীতিৰ (পাভ-যোৰ) আদৰ্শস্বৰূপে ব্যৱহাৰ কৰা হয়। বহুতো অসমীয়া লোক-গীতত মাছক ছোৱালী আৰু মাছ ধৰাক প্ৰেমৰ প্ৰতীক হিচাপে লোৱা হয়।

মাছ হোৱা হ'লে পৰিলোহেঁতেন গৈ<br>
তোমাৰে খেৱালী জালত।

*****

কাক ডোঙ্গাৰ বৰালিৰে দেৱচোৰাৰ বৰালি<br>
কেনেকৈ মিহলি হ'ল ?

মিৰিসকলেও মাছক বিয়াৰ প্ৰতীক হিচাপে লৈ গীত গায়—

চিবকি আবুংলেম কাপেউল্চ<br>
তিউবগ নিউ-মৃগননাম দিপেও মুলচ

মেউনামাই আলপুনা মেবু-নগেকেন পেউ
গিউ টকা।

"যদিহে তোমাৰ চিবকি নৈ চাবলৈ হেঁপাহ আছে আৰু যদিহে তোমাৰ মাছৰ আঞ্জা খাবৰ মন, তেনেহ'লে হেবা মোৰ মৰমৰ ফুলকলি, মোক বিয়া কৰোৱা।"

অসমীয়া মৎস্য পুৰাণ নামৰ পুথিত, অলেখ মাছৰ নাম আছে। মাছবোৰৰ উৎপত্তি আৰু মাছৰ লগত সম্পৰ্ক থকা বহুতো কাহিনী তাত আছে।

মাছৰ আকৃতি, জোখ, বৰণ, লক্ষণবপৰা অসমীয়াত বহুতো প্ৰবাদ আদি প্ৰচলিত হৈ আহিছে। "ওচৰৰ পুঠি-খলিহা দূৰৰ বৌ-বৰালি", "মাছৰ চিকুণ নেৰীয়া" আদি। অসমীয়াত ভকতীয়া-ফকৰা নামে এবিধ বিশেষ ধৰণৰ প্ৰবাদৰ প্ৰচলন আছে। ইবোৰত ধৰ্ম, নৈতিকতা সম্পৰ্কীয় কথা সাঁথৰত বৰ্ণোৱা আছে। এনে ফকৰা কেতবোৰত মাছক উপমা হিচাপে ব্যৱহাৰ কৰা হয়—

বাৰ হাত জালৰ তেৰ হাত ফটা
কি মাছ মাৰিলি বাপৰ বেটা।
বৌ-বৰালি সবকি গ'ল।
পুঠি-খলিহা পাহে পাহে ৰ'ল।

***

একেটা বিলতে দুটিমাছ ওপজে
শাল শল দুইজন।
শালটো মাৰি আনি বাছি কুটি খায়
শলটো হৈলা কোনজন।।

মানুহৰ সাংস্কৃতিক জীৱনৰ লগত ঠাইৰ নামৰ যদি কিবা সম্পৰ্ক আছে তেনেহ'লে মাছৰ নামেৰে যোৱা অসমৰ অলেখ গাঁৱৰ নাম এই সম্পৰ্কত বিশেষ অৰ্থপূৰ্ণ।

●●●

# লোক-বিশ্বাসত কুকুৰা চৰাই

সৰ্বপ্ৰথম অষ্ট্ৰিকভাষীসকলেই কুকুৰা চৰাই ঘৰচীয়া কৰে বুলি অধ্যাপক সুনীতিকুমাৰ চট্টোপাধ্যায়ে মত প্ৰকাশ কৰিছে। অষ্ট্ৰিকভাষী আৰু তেওঁলোকৰ সমগোত্ৰীয় তিব্বত-বৰ্মীসকলৰ সমাজত সেইকাৰণেই কুকুৰাৰ প্ৰাধান্য। পূজা আৰু উচৰ্গাৰ নিমিত্তে তেওঁলোকে কুকুৰাক সৰ্বশ্ৰেষ্ঠ জীৱ বুলি গণ্য কৰে। তেওঁলোকৰ ধাৰ্মিক, সামাজিক, সাংস্কৃতিক জীৱনৰ লগত জড়িত। পূজা-উৎসৱ, আচাৰ-অনুষ্ঠান, লোক-বিশ্বাস, কিম্বদন্তিত কুকুৰাৰ স্থান বিশেষ মন কৰিব লগীয়া। অষ্ট্ৰিক আৰু তিব্বত-বৰ্মী ভাষাৰ লগত ঘনিষ্ঠ সম্বন্ধ থকাৰ হেতু অসমৰ পাহাৰ আৰু ভৈয়াম উভয়ৰে মানুহৰ সামাজিক আৰু ধৰ্ম-সম্পৰ্কীয় জীৱনতো কুকুৰা চৰাই আৰু কণীৰ স্থান অৰ্থপূৰ্ণ। অসমীয়া বিয়াত দৰা-কন্যা নোওৱা বেইৰ তলত দুটা কণী পুতি থোৱা নিয়ম। কামৰূপত পুষ্পিতা হোৱাৰ পিছত ছোৱালীয়ে স্বামীৰ ঘৰলৈ আহোঁতে লগত কণী এযোৰ অনাৰ নিয়ম; ই নিশ্চয় উৰ্বৰতাৰ প্ৰতীক। অঙ্গামী নগাৰ জোবোণ পিঙ্কোৱা উৎসৱৰ দিনা কুকুৰাৰে মূল্য নিৰূপণ কৰা হয়। কেতবোৰ কছাৰী ফৈদেও তেনে কৰে। আও নগাৰ বিয়াৰ লগত জড়িত যিবোৰ আনুষ্ঠানিক উৎসৱ আছে তাৰে এটা হ'ল কুকুৰা বলি দিয়া উৎসৱ। দৰাৰ ঘৰলৈ কন্যা অহাৰ সময়ত দৰাৰ বাপেকে কুকুৰা বলি দিয়ে। কন্যাপক্ষৰ লোকসকল ঘৰৰ বাহিৰত ৰৈ থাকে; ইতিমধ্যে দৰাৰ বাপেকে এটা মতা কুকুৰা বলি দি প্ৰাৰ্থনা কৰে যাতে ল'ৰা-ছোৱালীহাল মাক-বাপেক হয়। লাখেৰসকলৰ মাজত বিয়াৰ লগত এটা উপৰুৱা উৎসৱ জড়িত আছে। এই উৎসৱতো কুকুৰা বলি দিয়া হয়। কুকুৰা বলিৰ অৰ্থ হ'ল দৰা-কন্যাক ল'ৰা-ছোৱালী জন্ম দিবলৈ সক্ষম কৰা। এই কুকুৰাৰ মঙহ খাব পাৰে কেৱল আবিয়ৈ ছোৱালী আৰু বলিদাতাৰ সম্বন্ধীয় লোকসকলেহে। লোঠাসকলৰ

বিয়াৰ বন্দোবস্ত হ'লে দৰা-কন্যাৰ ঘৰত গৈ মতা কুকুৰা খোৱা-বোৱা উৎসৱ পতা হয়। দৰাই মতা কুকুৰাটো নিজ হাতে মাৰি নিজ হাতে বন্ধা-বঢ়া কৰে আৰু বৰ-কন্যা উভয়ে ওৱাণ্টচেনৰ সমুখত বহে। ওৱাণ্টচেন হ'ল গাঁৱৰ বৃদ্ধলোক। তেওঁ সময়ত প্ৰত্যেকৰ হাতত একোখিলাকৈ পাত থয়, পাতকেইখিলাৰ প্ৰত্যেকতে মতা কুকুৰাটো কাটি ১৬ টুকুৰা সৰু সৰু মাংস থয়। চেমা নগাৰ জোৱোণ বিয়াৰ দিনা, ভাবী দৰাজনে কন্যাৰ বাপেক-মাকৰ ঘৰলৈ গৈ ভোজভাত খায়। তেওঁৰ লগত যোৱা দলটোত থাকে বুঢ়ামানুহ, মহিলা আৰু যোদ্ধা। দৰাই এই দলটোৰ লোকসকলক সৰু সৰু কুকুৰা পোৱালি উপহাৰ দিয়ে। ইয়াক "মিনি-ইহা-মি" (বিনামূলীয়া মেখেলা) বোলে। সন্ধিয়া কন্যাই অনা এটা কুকুৰা পোৱালি দলটোৱে মাৰে আৰু ন-কৈ বিয়া হোৱা দৰা-কন্যাহালে ইয়াক ৰান্ধি খায়, তাকে কৰিলেহে বিবাহ হোৱা উৎসৱ সম্পূৰ্ণ হয়। কুকিসকলৰ বিবাহ উৎসৱৰ লগতো কুকুৰা জড়িত আছে। কুকি-বিয়াত দৰা আৰু কন্যাৰ পৰিয়ালৰ প্ৰত্যেকেই একোটাকৈ কুকুৰা মাৰে। কুকুৰাৰ পাখিবোৰ নৱ-দম্পতিৰ ডিঙিত পিন্ধাই দিয়া হয়। পুৰোহিতজনে মুৰটো কাটি কুকুৰাটো দলি মাৰি পেলাই দিয়ে, যদি সোঁ ঠেংটো বাওঁ ঠেঙৰ ওপৰত পৰে, তেন্তে বৈবাহিক জীৱন সুখী হ'ব বুলি ধৰা হয়। থাদাউ কুকিসকলৰ বিবাহ উৎসৱ কুকুৰা কাটি সম্পন্ন কৰা হয়। এই কুকুৰাৰ সোঁ-ডেউকাৰ পাখিবোৰ নি নৱ-দম্পতিৰ চুলিত গুঁজি দিয়া হয়।

ল'ৰা-ছোৱালীৰ জন্মত পালন কৰা উৎসৱৰ লগতো কুকুৰা আৰু ইয়াৰ কণীৰ সম্বন্ধ আছে। চেমা নগা তিৰোতাৰ সন্তান জন্ম হোৱা মাত্ৰেই ওপজা সন্তানটিৰ যি লিঙ্গ হয় সেই লিঙ্গৰ কুকুৰা পোৱালি এটা মাকে খাব লাগে। সন্তান জন্ম হোৱাৰ তিনি দিনৰ দিনা সন্তানটিৰ হৈ এটি কুকুৰা পোৱালি উচৰ্গা কৰা হয়। মাকে এই কুকুৰা পোৱালিটোৰ মাংস নাখাবও পাৰে। ৰেংমা তিৰোতাৰ সন্তান হ'লে বাপেকে সেই মুহূৰ্ততে তিনিডোখৰ শিলৰ উধান যথাস্থানত পাতি নতুন চৰু জোৰে। তাৰ পিছত জুই ধৰি নতুন চৰুত ভাত আৰু কুকুৰা ৰান্ধে—ল'ৰাৰ কাৰণে মতা কুকুৰা আৰু ছোৱালীৰ কাৰণে মাইকী কুকুৰা। বাপেকে নিজহাতেই এক কুকুৰা মাৰিব লাগিব।



এই খাদ্য কেৱল মাকেয়ে খায়, কেঁচুৱাটোৰ কপাল বা হাতত অকণমান মাংস থোৱা হয়। কুকুৰাৰ গাৰপৰা ছিঙা পাখিবোৰ যাতে স্বামী বা স্ত্ৰীৰ বাহিৰে আন কোনেও গচকিব নোৱাৰে তাৰ কাৰণে খোৱাৰ সময়ত আৰু খোৱাৰ পিছত বিশেষ চকু দিয়া হয়। কোনোবাই সেইবোৰ গচকিলে মাক-বাপেকৰ লগত তেওঁৰ কাজিয়া লাগিবই লাগিব বুলি বিশ্বাস। অঙ্গামী নগাৰ প্ৰথম সন্তান জন্ম হ'লে ঘৈণীয়েকে তাক বাপেকৰ ঘৰলৈ লৈ যায় আৰু বাপেকৰ ঘৰত সম্বন্ধীয় সকলো লোকেই তাইক একোটাকৈ কুকুৰা উপহাৰ দিয়ে—ল'ৰা হ'লে মতা কুকুৰা আৰু ছোৱালী হ'লে মাইকী কুকুৰা। এই কুকুৰাবোৰ নি গঁৱালত থোৱা হয় আৰু দিনে দিনে মাৰি মাৰি খায়। ইবাৰে কোনো কুকুৰা পলাই গ'লেও অমঙ্গল বুলি বিশ্বাস। লোঠা তিৰোতাৰ স্বামীয়ে সন্তান জন্মৰ পিছত ঘৰৰ সমুখত কুকুৰা আৰু কণী উচৰ্গা কৰে। প্ৰসৱৰ সময়ত কষ্ট হ'লে দেৱতাৰ সন্তুষ্টিৰ অৰ্থে ঘৰৰ বাহিৰত কুকুৰা উচৰ্গা কৰা হয়। আনকি, গৰু পোৱালি জাগিলেও আও নগাসকলে কুকুৰা বলি দিয়ে।

গাৰোসকলৰ কেঁচুৱাৰ নাই (নাভি) সৰাৰ লগে লগেই মাক আৰু কেঁচুৱাটোক নৈত গা ধুওৱা হয়। তাৰ পিছত পুৰোহিতে বেদীত প্ৰাৰ্থনা জনায় আৰু তাৰ অন্তত কুকুৰাটো লৈ বাপেক ঘৰৰ চালৰ মূধত উঠেগৈ। তেওঁ চৰাইটোৰ মূৰটো কাটি তাৰ তেজবোৰ তলৰ বেদীৰ ওপৰেদি বৈ যাবলৈ দিয়ে। কুকুৰাৰ দেহাটো মাটিলৈ দলিয়াই দিয়ে আৰু ই য'তে পৰেগৈ সেই ঠাইতেই তাক ৰান্ধি-বাঢ়ি খাব লাগে। সন্তান জন্ম হোৱাৰ প্ৰায় মাহেকমানলৈ কছাৰী তিৰোতাক 'অশুচি' বুলি ধৰা হয়। এই সময়ছোৱাত তিৰোতাজনীয়ে ঘৰৰ ঘৰুৱা পূজাৰ বেদীত কুকুৰা আৰু কুকুৰা কণী উচৰ্গা কৰি থাকে।

পোষ্যপুত্ৰ গ্ৰহণত অৰ্থাৎ তোলনীয়া পুত্ৰ লওঁতে পতা উৎসৱ-অনুষ্ঠানতো কুকুৰা চৰাইৰ ভূমিকা আছে। ল'ৰা-ছোৱালী তোলনীয়া কৰি লওঁতে সেহ ফৈদৰ আটাইতকৈ বয়োবৃদ্ধ লোকজনে এটা কুকুৰা পোৱালি হাবিলৈ দলি মাৰি এৰি দিয়ে। হাবিখন গাঁৱৰপৰা দূৰত হ'ব লাগিব যাতে কুকুৰাটো আহি ঘৰ ওলোৱাটো সম্ভৱ নহয়। কোনো এটা ফৈদৰপৰা সেই

ফৈদৰ কোনো লোকে দলত্যাগ কৰা ঘটনাটো যাতে বাৰে বাৰে ঘটিব নোৱাৰে তাৰ বাবে প্ৰতিষেধক ব্যৱস্থা লোৱায়ে এই অনুষ্ঠানৰ উদ্দেশ্য।

কছাৰীসকলে পৰিয়ালৰ কোনো লোকৰ মৃত্যুত গ্ৰাম্যদেৱতাৰ সমুখত কুকুৰা বলি দিয়ে। ইয়াৰ উপৰিও কুকুৰা এটা বা গাহৰি এটা মাৰি তাৰ মঙহেৰে আঞ্জা ৰান্ধি এভাগ মৃতকৰ শিতানত থয়। লোঠা নগাসকলৰ ভিতৰত কোনোবা মৰিলে এজন বয়োবৃদ্ধ লোকে কুকুৰাটো ঠেঙত কড়ি এটা বান্ধি মৃতকৰ হাতত অলপ সময় থৈ দিয়ে। তাৰ পিছত ইয়াক মাৰি পেলায়—যাতে যি বাটেৰে মৃতক সিপুৰীলৈ যাবগৈ সেই বাটেদি সি কক্ কক্ কৰি মৃতক যে আহিব লাগিছে তাৰ আগবতৰা জনাই যাব পাৰে। মৰাশটোৰ মূৰৰ ওপৰত ডিঙিত ৰচী লগাই কুকুৰাটো ওলোমাই থোৱা হয় আৰু শৱ-সংকাৰ কৰাৰ পিছত ইয়াৰ ডেউকা দুখন কাটি ঘৰৰ বাওঁফালৰ বেৰত খুঁচি থোৱা হয়। গাটো পেলাই দিয়ে, নহ'লে খৰি দিয়া মানুহক খাবলৈ দিয়া হয়। দিনদিয়েকৰ পিছত এই মৃতকৰ উদ্দেশ্য উচৰ্গা কৰা কুকুৰাটোৰ ডেউকাকেইখন বেৰৰপৰা এক্‌বাৰাই আনি পুৰুষৰ ক্ষেত্ৰত ৬ বাৰ আৰু তিৰোতাৰ ক্ষেত্ৰত ৫ বাৰ দাৰে কাটি প্ৰাৰ্থনা কৰা হয়। আও সমাজত প্ৰথা মতে মৃতক পুৰুষেই হওক বা তিৰোতাই হওক, যিখন শয্যাত শটো পৰি থাকে তাৰ কাষতে এটা কুকুৰা মাৰি থোৱা হয়। মৃতকৰ লগতে ইও সিপুৰীলৈ যাবগৈ; সেয়ে বিশ্বাস। খাছীসকলে মৃতকৰ পেটৰ (পাকস্থলী) ওপৰত এটা কণী থয়। ইয়াক 'ইউ লেঙ্ খোই' বুলি কোৱা হয়; আৰু এটা কুকুৰা বলি দিয়া হয়। এনে কৰাৰ কাৰণ হ'ল মৃত আত্মাক সিপুৰীলৈ যাবৰ কাৰণে কুকুৰাটোৱে ঠেঙেৰে আঁচুৰি-বাকুৰি এটা বাট উলিয়াই দিব। অঙ্গামী নগাসকলে প্ৰত্যেক মৃত্যুতেই একোটাকৈ কুকুৰা মাৰে। তেওঁলোকৰ শৱ-সংকাৰ কৰাৰ সামাজিক প্ৰথা মতে শৱ গাঁতটো মাটি ভৰাই পোতাৰ পিছত এটা কুকুৰা নেলুত চেপা দি ধৰা হয় আৰু মৰিশালীৰ ওপৰত এটা সৰু খুঁটিত ডিঙিত জৰী লগাই এনেকৈ আঁৰি থোৱা হয় যাতে ঠেংকেইটাই তলৰ মাটি কোনোমতেহে চুই থাকে। তাৰ পিছত অলপ খেৰ-জাবৰ ইয়াৰ সমুখত থৈ জুই লগাই দিয়া হয়। সকলো অপমৃত্যুতে কুকুৰা-বলি প্ৰয়োজনীয়। পুৰুষ বা তিৰোতাৰ মৃত্যু হ'লে গাৰোসকলে এটা পোৱালি



কুকুৰা মৃতকৰ সোঁ বা বাওঁ ভৰিৰ তলুৱাৰ আগভাগত বান্ধি এড়াল দি থয়। এড়াল দিয়া জৰীডাল কুকুৰাটো ঘূৰি ফুৰিবলৈ আঁটাকৈ দীঘল কৰি দিয়ে। ইয়াক 'দোজাসি' বোলে। ই ক্ৰীতদাসৰ ঠাই লৈছে। আগৰ দিনত ক্ৰীতদাসক তেওঁলোকৰ প্ৰভুৰ মৃত্যু-উৎসৱত বলি দিয়া হৈছিল। শৱ-সংকাৰ হৈ যোৱাৰ পিছত এই কুকুৰাটো মাৰি তাৰ তেজ ঘৰৰ চোতালত পূজাৰ বেদীত ঢালি দিয়া হয়।

ৰোগ নিৰাময় কৰিবলৈ আৰু অসুখ-বিসুখৰপৰা হাত সাৰিবলৈ অসমৰ বহুতো জনজাতিয়ে কুকুৰা বলি দিয়ে। মিকিৰসকলে হাইজাৰ দেৱতা আজো-আচেলৈ দুটা কুকুৰা আৰু বহুতো কণী উচৰ্গা কৰে; গাঁৱৰ বাহিৰৰ আলিত ৰাতি এই উচৰ্গা কৰা হয়। এই বলি-বিধানত গোটেই গাঁওখনেই অৰিহণা যোগায়। হাইজাৰ দেৱতাক তুষ্ট কৰিবলৈ কছাৰীসকলে পতা মৰং পূজাত মাজে মাজে ফুল, কুকুৰা কণী, পিঠাগুড়ি আদি ভুৰত ভৰাই নদীত উটাই দিয়া হয়। ই এক প্ৰকাৰ নদীপূজা; কিয়নো, হাইজা বেমাৰ নদীয়ে আনে বুলি বিশ্বাস। বেমাৰত পৰা চেমা নগাই পথাৰলৈ কুকুৰা এটা নি মাৰে আৰু এভাগ তেওঁৰ আত্মাৰ কাৰণে নিলগাই থৈ দিয়ে। এনে ধৰণৰ পূজাত মতা কুকুৰা এটাৰ পাখিবোৰ লাহে লাহে ছিঙা হয়। ফলত, কুকুৰাটোৱে জোৰেৰে আৰু ঘনে ঘনে কক্-ককাবলৈ ধৰে। এনে কৰাৰ উদ্দেশ্য হ'ল বেমাৰীজনক যি দেৱতাই শাস্তি দিছে তেওঁ যাতে চিঞৰ শুনি উচৰ্গা গ্ৰহণ কৰে। বেংমো কুষ্ঠ ৰোগীয়ে তেওঁৰ অসুখৰপৰা নিষ্কৃতি পাবলৈ বগা কুকুৰা বলি দিয়ে। অঙ্গামী নগাই ৰোগৰপাৰ আৰোগ্য লভিবলৈ কুকুৰা এটা এৰি দিয়ে আৰু কণী দলিয়াই দিয়ে। কেতিয়াবা কুকুৰাৰেও বলি-বিধান-কৰা হয়। গাঁৱৰ আলিৰ মাজভাগতে এখন দাৰে কুকুৰাটোৰ মূৰটো কটা হয় আৰু মৃতকক খৰি দিওঁতা লোকসকলে মূৰ আৰু দেহ দুয়োটাকে বাটতে এৰি থৈ গুচি যায়। টোপনি-গধুৰ লোকৰ দ্বাৰাও এই ধৰণে কুকুৰা বলি দিয়া হয়। বুকু বিষালে জীয়া কুকুৰা এটা মাজ বাটতে শূলত খুঁচি থোৱা হয়, তাৰ কাৰণে ডেকেৰুৱা কুকুৰা অধিক ফলপ্ৰসূ। অপদেৱতাই লম্ভিলে বেমাৰ হয় বুলি বহুতো জনজাতিৰ ধাৰণা। তাৰ নিৰাময়ৰ কাৰণে দেৱতাৰ উদ্দেশ্যে কুকুৰা বলি দিয়ে। লোঠা সমাজৰ নীতি অনুযায়ী ল'ৰাৰ কাৰণে এটা মতা গাহৰি

আৰু এজনী মাইকী কুকুৰা লাগে, ছোৱালীৰ কাৰণে এজনী মাইকী গাহৰি আৰু এটা মতা কুকুৰা লাগে। ইয়াৰ উপৰিও ল'ৰা-ছোৱালী উভয়ৰে কাৰণে বলি দিবলৈ সৰু কুকুৰা এটাৰ প্ৰয়োজন। উচৰ্গাৰ অন্তত কুকুৰাটো আকাশলৈ দলি মাৰি উৰি যাবলৈ দিয়া হয়। আৰু দলি মাৰি দিয়াৰ লগে লগে উচৰ্গাকাৰীয়ে এই বুলি কয়, "অমুকা-অমুকীৰ সলনি ইয়াকেই গ্ৰহণ কৰা।" বনৰীয়া জন্তুৰ অত্যাচাৰৰপৰা হাত সাৰিবলৈ গাঁৱৰ বয়োবৃদ্ধ লোকে কুকুৰা উচৰ্গা কৰে। আওসকলে এই বুলিও বিশ্বাস কৰে যে যদি কোনো মানুহক বিদ্ৰূপ কৰা হয়, নাইবা ভাললৈয়ে হওক বা বেয়ালৈয়ে হওক, যদি কোনো এজন মানুহৰ বিষয়ে বৰকৈ চৰ্চা কৰা হয়, তেন্তে তেওঁৰ বেমাৰ হ'ব; তেওঁৰ ভোক কমি যাব, মূৰ কামুৰিব আৰু চুলিৰ চিক্-চিকনি নাইকিয়া হ'ব। তাৰ প্ৰতিকাৰৰ অৰ্থে ধুনীয়া কুকুৰা এটাক জীয়াই জীয়াই পাখিবোৰ ছিঙি পেলাই, কুকুৰাটো মাৰি মঙ্গল কামনা কৰা দৰকাৰ।

দুঃস্বপ্নৰ কুফলৰপৰা হাত সাৰিবলৈ কুকুৰা উচৰ্গা কৰি শুদ্ধিকৰণৰ অনুষ্ঠান পতা হয়। অঙ্গামী নগাই কুকুৰাৰ পাখি আৰু অন্ত্ৰ উচৰ্গা কৰে। এইবোৰ কলপাত এখনত গাঁৱৰ বাহিৰৰ পদুলিত থৈ দিয়া হয়। কুকুৰাটোৰ অৱশিষ্টখিনি স্বপ্ন দেখোঁতাজনে খায়। কোনো কোনো সময়ত কুকুৰাৰ স্বপ্ন দেখিলে তাক প্ৰতীক হিচাপে ব্যাখ্যা কৰে। পূৱ ফালৰ বেংমাসকলৰ মতে সপোনত কুকুৰা ধৰা দেখিলে কাজিয়া লাগে।

অনেক ধৰ্ম-সম্বন্ধীয় উৎসৱ আৰু ক্ৰিয়া-পদ্ধতিত কুকুৰা আৰু কণীৰ ভূমিকা আছে। স্থানীয় দেৱ-দেৱী আনকি হিন্দু দেৱ-দেৱীৰ অৰ্থেও কুকুৰা উচৰ্গা কৰা হয়। মণিপুৰীসকলে এটা বগা কুকুৰা আৰু এটা বগা পাৰ উচৰ্গা কৰি সূৰ্যদেৱতাক পূজা কৰে। আহোমসকলৰ মাজত এটা ঐতিহ্য আছে যে খুনলুং আৰু খুনলায়ে স্বৰ্গৰপৰা কাই-চান্-মুং বা স্বৰ্গীয় কুকুৰাৰ পাখি লৈ আহিছিল। দেওধাইসকলৰ মাজত কুকুৰা বলি দিয়াটো প্ৰাচীন আহোম পূজা-পাতলৰ অত্যন্ত গুৰুত্বপূৰ্ণ অঙ্গ হিচাপে আজিও পৰিগণিত। খাছীসকলৰ মাজত পুৰুষপৰম্পৰায় চলি অহা ৰীতি-নীতি মতে আদিতে পাপ বুলি একো নাছিল, তেতিয়া স্বৰ্গ আৰু মৰ্ত্য ওচৰা-উচৰিকৈ আছিল



আৰু ঈশ্বৰৰ সৈতে মানুহৰ যোগাযোগ পোনপটীয়া আছিল। কিন্তু মানুহ পাপত পতিত হোৱাত মানুহ আৰু ঈশ্বৰৰ মাজত মধ্যস্থতা কৰিবলৈ কুকুৰা আগবাঢ়ি আহিল। কুকুৰা চৰাইক ঈশ্বৰৰ সন্তানৰূপে গণ্য কৰা হ'ল আৰু ই মানুহৰ কাৰণে নিজৰ ডিঙি (জীৱন) আগবঢ়ালে। এটা চুক্তিৰ দ্বাৰা মানুহৰ সলনি ঈশ্বৰে কুকুৰাকে গ্ৰহণ কৰা বুলি ধাৰণা। এই কুকুৰাৰ চুক্তিটো খাছী ধৰ্মৰ মূল ভেটি। গাৰোসকলে চৈধ্যটা তৰা আৰু তাৰকাপুঞ্জৰ বিভিন্ন নাম দিছে। এইবোৰৰ সৰহভাগেই জোনৰ মাকৰ শ্ৰাদ্ধ সম্পৰ্কত বৰ্ণোৱা কাহিনীত স্থান দিয়া হয়। মানুহৰ দৰে চুয়েইবুমি (জোন)ৰ মাককো সৎকাৰ কৰা হৈছিল আৰু মৃতকৰ কাম-কাজত কিবা প্ৰকাৰে প্ৰত্যেকটা তৰাৰে স্থান আছিল। তেওঁলোকৰ বিশ্বাস মতে এই তৰাবোৰৰে কোনো কোনো আদিতে কুকুৰা আছিল। সেইদৰে দোচাদিল (সপ্তৰ্ষি) হ'ল মৃতকৰ আত্মাক স্বৰ্গলৈ লৈ যাবৰ কাৰণে জোনৰ মাকৰ শৱ-সৎকাৰৰ সময় বলি দিয়া কুকুৰাৰ প্ৰতিভূ। দচুতাত হ'ল তাৰকাপুঞ্জ। ই হ'ল কুকুৰাৰ প্ৰতিভূ। জোনৰ মাক মৃত্যুশয্যত থাকোঁতে তেওঁৰ ভৰিত এই কুকুৰা দুটা বান্ধি থোৱা হৈছিল। শ্ৰাদ্ধৰ সময়ত যেনেকৈ ষাঁড় গৰু যুঁজোৱা হয়, ঠিক তেনেকৈ ইহঁতক যুঁজিবৰ কাৰণে জোনে আদেশ দিছিল। এই নামটোৰ অৰ্থ হ'ল যুঁজৰ কুকুৰা। অসমৰ উপজাতিসকলৰ মাজত ভালেমান সাধুকথা প্ৰচলিত আছে। দেৱতাসকল উচৰ্গাৰ কাৰণে কুকুৰা কেনেকৈ বিশেষভাবে উপযোগী সেইকথাকেই এই সাধুবোৰত ব্যাখ্যা কৰা হৈছে।

ঘৰ লোৱা উৎসৱত লোঠা নগাই 'কিচাকনো' বুলি এটা সৰু কুকুৰা হাতত লৈ থাকে। এই কুকুৰাটো পৰিয়ালৰ প্ৰত্যেকজন লোকেই বাওঁহাতেৰে স্পৰ্শ কৰিব লাগে। কুকুৰাটোৰ নেলু চেপি তাৰ নাড়ী-ভুৰু উলিওৱা হয়; নাড়ী-ভুৰুৰ লগতে ঘৰৰ অমঙ্গল দূৰ হয়। কোনো কোনো চেমা গাঁৱত আকৌ নৱ-বিবাহিত দম্পতিৰ কাৰণে সজা নতুন ঘৰত সোমায়েই দৰাই কুকুৰা এটা মাৰি চালত আঁৰি থয়। ঘৰ সাজিবলৈ ঠাই বাছনি উলিয়াৰ বেলিকাও কিছুমান উৎসৱ পতা হয়। এজন বয়োবৃদ্ধ লোকক নিমন্ত্ৰণ কৰা হয়; তেখেতে জীয়াই জীয়াই কুকুৰা এটাৰ পাখি ছিঙি প্ৰাৰ্থনা জনায় আৰু তাৰ পিছত কুকুৰাটোৰ ডিঙিটো কাটি ঘৰ সাজিব খোজা লোকজনৰ ভাগ্য গণনা কৰে।

শিলপূজা অসমীয়া আৰু জনজাতীয় লোকসকলৰ মাজত জনপ্ৰিয়। শিলৰ লগত বহুতো বিশ্বাস আৰু উৎসৱৰ সংযোগ আছে। শিলৰ উদ্দেশ্যে কণী আৰু কুকুৰা উচৰ্গা অসমৰ প্ৰায় সকলো উপজাতিয়েই কৰে আৰু প্ৰায়ে পবিত্ৰ বা যাদু লগা শিলৰ সমুখত কুকুৰা এৰি দিয়া হয়। ৰেংমাসকলৰ মাজত নতুন চক জোৰাৰ সময়ত তেওঁলোকৰ সম্প্ৰদায়ৰ এজন বয়োবৃদ্ধ লোকে কুকুৰা পোৱালি এটা নেলু চেপি মাৰে; পাখিবোৰ ছিঙি কেইডোখৰমান সৰু সৰু মঙহ জুইত সেকে। তাৰ পিছত সেই মঙহৰ টুকুৰাবোৰ কলপাত এখনত থৈ ঘৰৰ দেৱতালৈ উচৰ্গা কৰে। জেওৰা-তাঁতী আদি দিবৰ সময়ত ৰেংমাসকলে গাঁৱৰ এজোপা গছৰ ওচৰত কুকুৰা মাৰে আৰু ঠেঁটখন পূৰ্বমূৰাকৈ কুকুৰাটো শূলত খুঁচি থয়। আওসকলে গাঁৱৰ চৌহদৰ বাহিৰত কুকুৰা বলি দিয়ে আৰু বাটৰ ওচৰত এডাল জোং পাতি থয়। আন গাঁৱৰপৰা অহা যি লোকেই এই জোংডাল পোনতে ডেই যাব তেওঁৰ গাত অপায় অমঙ্গল লম্ভিব।

কিছুমান জনজাতিয়ে উৎসৱৰ দৰে মহাপয়োভৰেৰে জংঘললৈ বাঁহ কাটিবলৈ যায়। সেই অনুষ্ঠানত বাঁহৰ মুঢ়াৰ ওচৰত তেওঁলোকে কুকুৰা এৰি দিয়ে। প্ৰকৃততে ই বলিৰ কাৰণে আগবঢোৱা কুকুৰা। যিসকলে এই কুকুৰাবোৰ এৰি দিয়ে তেওঁলোকৰ যিমান অমঙ্গল আছিল সকলো অমঙ্গল কুকুৰাবোৰে নিজৰ গাতে লৈ যায়। আওসকলৰ মেথোন বলি উৎসৱত ঘৰৰ বাহিৰত কুকুৰা বলি দিয়া হয়।

মানুহৰ মূৰ কটা প্ৰথা প্ৰচলনৰ দিনত লোঠা নগাসকলে আক্ৰমণৰ সিদ্ধান্ত লোৱাৰ পূৰ্বে কুকুৰা মাৰি তাৰে আহাৰ কৰিছিল। ডিঙিটো কাটোঁতে কুকুৰাটোৱে যদি কৰ্কৰ্কায়, তেন্তে তাক অমঙ্গল বুলি অভিযানৰ দিন পিছুৱাই দিয়া হয়। আক্ৰমণত সফল হ'লে চেমা নগাসকলৰ মাজত বিজয়োৎসৱ পালন কৰা সামাজিক প্ৰথা এটা আছে। এই উৎসৱত মানুহৰ মূৰ লৈ অহা প্ৰত্যেকেই এটাকৈ কুকুৰা মাৰে। আওসকলে যুদ্ধলৈ বা মানুহৰ মূৰ কাটিবলৈ যোৱাৰ আগেয়ে তেওঁলোকে শত্ৰুৰ বিৰুদ্ধে দৈৱশক্তিক আহ্বান কৰে; তাকে কৰোঁতে তেওঁলোকে বাটত পোৱা প্ৰত্যেকটো পবিত্ৰ শিলৰ ওচৰতে কুকুৰা



কণী উচৰ্গা কৰে; কোনো কোনো ঠাইত বগা পাখি নথকা কুকুৰা এৰি দি শত্ৰু যাতে কণা হয়, কলা হয় আৰু নিশকতীয়া হৈ তেওঁলোকক বাধা দিব নোৱৰা হয় তাৰ বাবে প্ৰাৰ্থনা কৰে। গৰ্ভৱতী তিৰোতা থকা ঘৰৰপৰা এই আক্ৰমণৰ উদ্দেশ্যে কোনো কণী বা কুকুৰা সংগ্ৰহ কৰা নহয়।

আহোমসকলৰ মাজত কুকুৰা কাটি শপত খোৱাৰ প্ৰথা আছে। অঙ্গামীসকলৰ মাজতো এনে ধৰণৰ নিয়ম আছে। দুটা দলে এটা জীয়া কুকুৰাৰ মাজত ধৰি টানে। এটা দলে মূৰটোত, ইটোৱে ঠেঙত ধৰি জনায় যে কোনোৱে বিশ্বাসঘাতকতা বা চুক্তিভঙ্গ কৰিলে এনে ব্যৱহাৰ পোৱাৰ যোগ্য হ'ব। আওসকলৰ শপত গ্ৰহণ কৰা উৎসৱৰ পিছত দুয়োদলে আৰু মধ্যস্থকাৰীসকলে দেৱতাৰ প্ৰভাৱৰপৰা হাত সাৰিবলৈ কুকুৰা বলি দিয়ে। গাৰোসকলৰ মাজত শপত গ্ৰহণৰ আন এটা ৰীতি আছে; এই ৰীতি মতে কুকুৰাটোৰ মূৰটো কটা হয় আৰু ধৰি থকা বাঁহ এচটা কুকুৰাটোৰ চকুৰেদি সুমুৱাই মূৰটো ইফালৰপৰা সিফাললৈ ফালি পেলোৱা হয়। শপত খোৱা মানুহজনে মূৰটো কামুৰি কয় যে তেওঁ যদি মিছা মাতিছে, তেন্তে তেওঁৰ চকুৰো সেই দশা হ'ব। গৰোসকলৰ অন্য এটা পৰীক্ষাত ডাঙৰ পাত্ৰত উতলি থকা পানীত কণী এটা থয়। সত্যতা পৰীক্ষা কৰিব লগা হোৱা মানুহজনক পাত্ৰত হাত সুমুৱাই কণীটো তুলি আনিবলৈ কোৱা হয়। সাধাৰণৰ বিশ্বাস যে যদি সঁচা কোৱা হৈছে, তেন্তে এই কঠোৰ পৰীক্ষাৰপৰা লোকজনৰ কোনো অপকাৰ নহয় আৰু যদি তেওঁ মিছা কৈছে, তেন্তে তেওঁ ৰৰ বেয়াকৈ পুৰিব।

মাজে মাজে নৈসৰ্গিক বিপৰ্যয়ে শস্য আৰু জীৱন বিপন্ন কৰে। এই ধ্বংসকাৰ্যত বাধা প্ৰদান কৰিবলৈ লোৱা সচৰাচৰ পন্থা হ'ল কণী উচৰ্গা কৰি বা কুকুৰা বলি দি ৰ'দ, বৰষুণ আৰু ধুমুহাই যাতে শস্য আৰু গৰু-ম'হ নষ্ট কৰিব নোৱাৰে তাৰ কাৰণে প্ৰাৰ্থনা কৰা। আওসকলে গাঁৱৰ আলিৰ মূৰত কণী আগবঢ়াই বৰষুণ বন্ধ কৰিবলৈ আৰু ৰ'দ দিবলৈ দেৱতাক প্ৰাৰ্থনা জনায়। ধুমুহা প্ৰতিৰোধ কৰিবলৈ বতাহ আৰু তাৰ অধিষ্ঠাতা দেৱতাজনলৈ কণী উচৰ্গা কৰে। খেতি পথাৰৰ কোনো গছ কাটিবলৈ হ'লে পথাৰত

আগতে পূজা এভাগ দি ল'ব লাগে। এই পূজাত এটা কণী আৰু ছটা কুকুৰা গছৰ তলত উচৰ্গা কৰিব লাগে।

গাৰোসকলৰ বজ্ৰ আৰু বিজুলীৰ দেৱতা গোৰেৰাক গছৰ তলত এটা গাহৰি, এটা কুকুৰা আৰু এটা হাঁহ উচ গা কৰি পূজা কৰা হয়।

গাওঁ আৰু পথাৰৰ উৰ্বৰতাৰ উদ্দেশ্যে কুকুৰা আৰু কুকুৰা কণী উচৰ্গা কৰা হয়। খেতিৰ বতৰ আৰু মাটি চহোৱা কাম আৰম্ভ হোৱাৰ পূৰ্বে অধিকাংশ জনজাতিয়েই কুকুৰা আৰু কণী উচৰ্গা কৰে। খেতি আৰম্ভ কৰাৰ সময়ত মিকিৰসকলে পালন কৰা বছৰেকীয়া গাঁৱলীয়া উৎসৱ ৰংখেতৰ কুকুৰা আৰু ছাগলি বলি দিয়া হয়। ন-খোৱা ভোজৰ সময়ত কোনো উচৰ্গাও নহয় বা কুকুৰাৰ বাহিৰে আন কোনো জন্তু বলি দিয়াও নহয়। মিকিৰসকলে পথাৰত ৰেক এংলঙ (সেই সম্প্ৰদায়ৰ পৰ্বত)ৰ পূজা কৰে আৰু কুকুৰা বলি দিয়ে। মাটি চহাবলৈ আৰম্ভ কৰাৰ আগতে আৰু ন-খোৱাৰ সময়ত কছাৰীসকলেও কুকুৰা বলি দিয়ে। খেতি পথাৰলৈ যোৱা বাটটো উলিওৱাটো এটা প্ৰয়োজনীয় কাম। গতিকে, বাটৰ দেৱতাক সন্তুষ্ট কৰিবলৈ আওসকলে কুকুৰা উচৰ্গা কৰে। দ্বিতীয় প্ৰয়োজনীয় কাম হ'ল টঙিঘৰৰ স্থান নিৰ্বাচন। এই কামৰ আৰম্ভণিতে পালন কৰা উৎসৱত, কুকুৰা আৰু তাৰ কণী উছৰ্গা কৰা হয়। ঠাইডোখৰ পবিত্ৰ কৰিবলৈ এটা ৰঙা কুকুৰা বলি দিয়া হয়। কণী-যুঁজ অসমীয়া ব'হাগ বিহুৰ আনন্দোৎসৱত এটা জনপ্ৰিয় খেল; ব'হাগ বিহু পালন কৰা হয় খেতিৰ কাম আৰম্ভ হোৱা ঠিক আগে আগে। কণী-যুঁজোৱা খেল কৃষি উৎসৱৰ লগত জড়িত উৰ্বৰতাকামী উৎসৱ বুলি বিশ্বাস। গাৰোসকলৰ উৰ্বৰতাৰ দেৱতা হ'ল চলজং। সূৰ্যক চলজঙৰ প্ৰতিভূ হিচাপে পূজা কৰা হয়; সমগ্ৰ শস্য তেওঁৰ তত্ত্বাৱধানত থাকে। তেওঁৰ অনুগ্ৰহ নহ'লে শস্য দাই-কাটি আনিব নোৱাৰি। বছৰটোৰ মহান উৎসৱ ওৱাংগলো এই শস্য-দেৱতাৰ সন্মানাৰ্থেই পালন কৰা হয়। এই উৎসৱত কুকুৰা বলি দি তাৰ তেজ পূজাৰ বেদীত অৰ্পণ কৰা হয়। কছাৰীসকলে ঐশ্বৰ্য-বিভূতিৰ দেৱতা বাথউক ছাগলি, গাহৰি, কুকুৰা আদিৰ মূৰ বলি দি পূজা কৰে। মায়নাওৰ পূজাত কণীয়েই আটাইতকৈ প্ৰিয়। এই পূজা ধান দোৱাৰ সময়ত



কৰা হয়। এই পূজাৰ সময়ত তেওঁৰ উদ্দেশ্যে উদাৰ হাতে অজস্ৰ কণী উচৰ্গা কৰা হয়।

আহোমসকলৰ এক বিশেষ শ্ৰেণীৰ বিষয়াই মতা বা মাইকী কুকুৰাৰ ঠেং পৰীক্ষা কৰি (কুকুৰা ঠেং চোৱা) ভৱিষ্যৎ মঙ্গল-অমঙ্গল গণিছিল। ভৱিষ্যতৰ ফলাফল গণনা কৰা সম্পৰ্কে খাছীসকলৰ সুকীয়া পদ্ধতি আছে। তেওঁলোক কণী ভাঙি এই গণনা কৰে। বহুতো জনজাতিয়ে কুকুৰা চৰাইৰ নাড়ী-ভুঁৰু উলিয়াই সেই নাড়ী-ভুঁৰু চাই ভৱিষ্যৎ গণনা কৰে। এওঁলোকৰ লগত আহোম-প্ৰথা নিমিলে; কিয়নো আহোমসকলে মঙ্গল চায় কুকুৰাৰ ঠেঙত, নাড়ী-ভুঁৰুত নহয়। বিয়াৰ কথা-বতৰা চলাৰ আগতে অঙ্গামীসকলে কুকুৰা এটাৰ নেলু চেপি ধৰে আৰু ই যেতিয়া মৰিবৰ উপক্ৰম কৰে তেতিয়া ইয়াৰ ঠেঙৰ অৱস্থানলৈ লক্ষ্য কৰি ভৱিষ্যৎ ফল নিৰ্ণয় কৰে। আওসকলে শিল-পূজাৰ সময়ত কুকুৰা এটা আকাশলৈ দলিয়ায়। যদি কুকুৰাটো দূৰলৈ উৰি গৈ থিতাতে ঘূৰি আহে, তেন্তে লক্ষণ শুভ। বিয়াৰ আগতে গাৰোসকলে তলত দিয়া ধৰণে মঙ্গল চায় ঃ বিয়াৰ দিহা কৰাসকলৰ সমুখত পুৰোহিতে এটা মতা আৰু এজনী মাইকী কুকুৰা এটুকুৰা কাঠত ধৰি থাকে। তাৰ পিছত তেওঁ কুকুৰা দুটা মাটিত পেলাই দিয়ে। ফলত, কুকুৰা দুটাৰ মৃত্যু হয়, আৰু মৃত্যুৰ পিছত কুকুৰা দুটাৰ আপেক্ষিক অৱস্থানৰপৰা তিৰোতাগৰাকী ভাল নে বেয়া নিৰ্ণয় কৰে। লোঠা নগাসকলে দা এখনৰ ধাৰৰ তালেদি এটা কণী ঘূৰাই সুফল-কুফল গণনা কৰে। যদি ধাৰ বা গাদীৰ ওপৰত কণীটো পৰে, তেন্তে কুলক্ষণ বুলি ধৰা হয়। এখন কুঠাৰৰ ওপৰেদি কণী এটা বগৰাই দিয়া হয়। কণীটো ঘূৰি ঘূৰি ৰ'বৰ সময়ত তাৰ জোঙা মূৰটো যিফালে থাকে সেই ফালৰপৰাই শুভ-অশুভ লক্ষণ গণনা কৰা হয়। তেওঁলোকৰ এই ধৰণৰ ক্ৰিয়া-কলাপ অজস্ৰ আছে।

কুকুৰা সম্বন্ধে থকা কেতবোৰ নিষেধ মন কৰিব লগীয়া। চেমা নগাসকলৰ ক্ৰিয়াবিধি অনুসৰি উমনি দিয়াৰ পিছত জগা কুকুৰা পোৱালি

পাচিৰপৰা উলিয়াই নিয়াৰ আগতেই যদি কোনোবাই হঠাৎ সেই পাচিটো চোৱে, তেন্তে আৰু সেইদিনা পাথাৰলৈ যাব নোৱাৰে। পোৱালি ওলোৱাৰ পিছত কণীৰ চোকোৰাবোৰ এডাল ৰচীত আঁৰি থোৱা হয়; কিছুদিনৰ মূৰত এইবোৰ আপোনা-আপুনি জাহি খহি পৰে। এনে কৰিলে কুকুৰা পোৱালিৰ সংখ্যা বাঢ়ে বুলি তেওঁলোকে ভাবে। চেমা নগা ল'ৰা-ছোৱালীৰ কাণ বিন্ধোৱা উৎসৱত ল'ৰা বা ছোৱালীটিক এটা কুকুৰা উপহাৰ দিয়া হয়, মাকে কিন্তু সেই কুকুৰাৰ মঙহ খোৱাটো নিষেধ।

•••

# লোক-বিশ্বাসত তামোল-পাণ

তামোল-পাণৰ অসমত বিশেষ প্ৰচলন। ভোজনবিলাসৰ বস্তু হিচাপে প্ৰয়োজন হোৱাৰ বাহিৰেও বিভিন্ন ধৰ্মানুষ্ঠান আৰু ক্ৰিয়া-কাণ্ডতো তামোলৰ প্ৰয়োজন হয়। হিন্দু-সংস্কৃতিত তামোল-পাণৰ ব্যৱহাৰ আৰ্যেতৰসকলৰ প্ৰভাৱত সোমাইছে বুলি পণ্ডিতসকলে অনুমান কৰে। সংস্কৃত ভাষাত তাম্বুল শব্দটোৰ ব্যৱহাৰ আছে যদিও, ই অৰ্বাচীন। এই প্ৰসঙ্গত তামোল বুজাবলৈ প্ৰয়োগ হোৱা নাগাবল্লী পুগফলম, গুৱাক আদি শব্দও তাৎপৰ্যপূৰ্ণ। এই শব্দসমূহ সম্ভৱতঃ আৰ্যেতৰ ভাষাভাষীসকলৰপৰা আহিছে। জাঁ পুছিলুস্কিয়ে (Jean Przyluski) মন্‌খেমৰ বুলি ধাতুৰ লগত তম উপসৰ্গ সংযোগ হৈ তাম্বুল শব্দ নিষ্পন্ন হোৱা বুলি মত প্ৰকাশ কৰিছে। পুছিলুস্কিৰ মতে তামোল-পাণৰ লগত জড়িত পোণ, গণ্ডা, কৰি, বিড়া আদি শব্দবো উৎপত্তি অষ্ট্ৰোএছিয়াটিক মন্‌খেমৰ ভাষাৰপৰা।

পেন্‌জাৰে তেওঁৰ The Romance of Betel-Chewing নামৰ সুদীৰ্ঘ প্ৰবন্ধত তামোল খোৱা প্ৰথা ভাৰতবৰ্ষ, দক্ষিণ তিব্বত, দক্ষিণ চীন, শ্যাম, ইন্দোচীন, মালয়, ইষ্ট-ইণ্ডিয়ান আৰ্কিপেলেগু, মাইক্ৰনেছিয়া আৰু নিউগিনিৰ মাজত সীমাবদ্ধ কৰিছে। লেব্ৰনাই Journal of Oriental Research Madrasঅত প্ৰকাশিত প্ৰবন্ধত এই সীমাৰেখা কিছু বহলাই ধৰিছে। তেওঁ কৈছে, "মাদাগাস্কাৰ আৰু জাঞ্জিবাৰৰপৰা এডাল ৰেখা সিন্ধুনদীৰ ওচৰেদি এছিয়া ছুই যোৱাকৈ টনা হওক। তাৰপৰা ৰেখাডাল ইয়াংচি নদীৰ ফালে বঢ়াই দি ফৰ্মোছা আৰু ফিলিপাইনৰ মাজেদি লৈ যোৱা হওক। এই পৰিধিৰ ভিতৰত ব্ৰহ্মদেশ, শ্যাম আৰু ইণ্ডোচীনকো সামৰি লোৱা হওক। এতিয়া এই দীঘলীয়া সীমাৰ ভিতৰত যিটো অঞ্চল পৰিব,

তামোল-খোৱা লোকৰ অঞ্চল বুলি সম্ভৱতঃ তাক ধৰিব পাৰি। এই সীমা আৰু বঢ়াই দিব পৰা হয়। মলুকাচ, মেৰিয়ানা দ্বীপপুঞ্জ, কেৰোলিনাচ, চলোমান দ্বীপপুঞ্জ, দিজি, বিছমাক উপদ্বীপ, নিউগিনি আৰু ৰি-ইউনিয়ন দ্বীপপুঞ্জক বৃত্তাকাৰে লৈ ৰেখাটো ভাৰত মহাসাগৰৰ ফালে নি তাৰপৰা টোৰেচ প্ৰণালীৰ মাজেদি টাইমোৰলৈ বঢ়াই দিয়া হওক। তাৰপৰা সুন্দ দ্বীপপুঞ্জৰ দক্ষিণ সীমালৈকে—এই যিটো অঞ্চল হ'ব—তাৰ ল'ৰা-বুঢ়া, পুৰুষ-স্ত্ৰী, ৰজা-প্ৰজা নিৰ্বিশেষে সকলো জাতি আৰু ধৰ্মৰ মানুহৰ মাজতে তামোল খোৱা অভ্যাসটো ব্যাপক ভাৱে প্ৰচলিত।

কোনো কোনোৰ মতে তামোল খোৱা প্ৰথাটো দ্ৰাবিড়ীয় প্ৰথা। কাৰণ Betel (তামোল) শব্দটোৱেই মালায়ালম্ ভাষাৰ 'ৱেটিল্লা' শব্দৰপৰা অহা। পশ্চিম উপকূললৈ অহা পৰ্তুগীজ ব্যৱসায়ীসকলে এই দ্ৰাবিড়ীয় শব্দটো সৰ্বত্ৰ প্ৰচাৰ কৰে। Areca (তামোল) শব্দটোৰো উৎপত্তি দাক্ষিণাত্যতে। কানাড়ী 'অড়িকে' শব্দৰপৰা এই শব্দটো আহিছে। মহামহোপাধ্যায় কানেৰ মতে দক্ষিণ ভাৰতত তামোলৰ প্ৰৱৰ্তন সম্ভৱতঃ খ্ৰীষ্টীয় শতিকা আৰম্ভ হোৱাৰ কিছুদিনৰ পূৰ্বে। ইয়াৰ পিছতহে এই প্ৰথা উত্তৰ-ভাৰতলৈ বিয়পে।

ঋগ্বেদকে ধৰি প্ৰাচীন সংস্কৃত সাহিত্যৰ ক'তো তামোল খোৱা প্ৰথাৰ বা তাম্বুল শব্দটোৰ উল্লেখ নাই। তামোল খোৱা প্ৰথাৰ উল্লেখ সৰ্বপ্ৰথম পালি সাহিত্যতেই পোৱা যায়। জাতকৰ এটা আখ্যানত বুদ্ধই তামোল খাবলৈ অমান্তি হোৱাৰ উল্লেখ আছে, অৱশ্যে অৱদানশতকে বুদ্ধই তামোল খোৱাৰ ইঙ্গিত দিয়ে। ভোজনৰ পিছত তামোল খোৱা প্ৰথাৰ বিধান স্মৃতিশাস্ত্ৰত আছে। বাৎসায়নৰ কামশাস্ত্ৰত দাঁত ঘঁহি মুখ ধোৱাৰ পিছত তামোল খাই মুখৰ নিশ্বাস সুগন্ধি কৰাৰ নিৰ্দেশ আছে। প্ৰেম-নিবেদনৰ সময়ত প্ৰেমিক-প্ৰেমিকাই পৰস্পৰে পৰস্পৰৰ গাত পাণ আৰু চন্দনৰ প্ৰলেপ ছটিয়াই ইজনৰ মুখৰ তামোল সিজনৰ মুখত দিব লাগে বুলি উপদেশ দিয়া হৈছে (বদনেন তাম্বুমম্)। চৰক, সুশ্ৰুত আদি নিদানকাৰসকলে ঔষধত তামোলৰ গুণাগুণ নিৰ্ণয় কৰি লিখিছে। বৰাহমিহিৰে বৃহৎ-সংহিতাৰ তামোলৰ বিভিন্ন গুণৰ কথাৰ উল্লেখ কৰাৰ উপৰিও মালা অঞ্চলত অৰ্থাৎ মালাবাৰ উপকূলত ইয়াৰ প্ৰাচুৰ্যৰ বৰ্ণনা কৰিছে।



পূজা-উপচাৰৰ অন্যতম উপকৰণস্বৰূপে দশম শতিকাত ৰচিত কালিকা পুৰাণেই সৰ্বপ্ৰথম তামোলক গণ্য কৰিছে (তাম্বুল দক্ষিণা)। অসমৰ তামোল-পাণৰ বাৰীৰ সুখ্যাতি পুৰণি তাম্ৰলিপিতো কৰা হৈছে। বলবৰ্মাৰ শাসনত প্ৰাগ্‌জ্যোতিষ নগৰৰ তামোলৰ গছ পাণেৰে বেষ্টিত আৰু কৃষ্ণ অগৰু গছক ইলাচি লতাই মেৰাই ধৰিছিল বুলি বৰ্ণনা আছে (তাম্বুলবল্লীপৰিণদ্ধ পূগং কৃষ্ণাগুৰুস্কন্ধ নিবেশিতৈলং)। সপ্তম শতিকাৰ আদিত্যসেনৰ অপ্সদলিপিত লৌহিত্যপাৰৰ ৰমণীয় তামোল-পাণৰ বাৰীৰ ছাঁত সিদ্ধসকলে শয়ন কৰা বুলি উল্লেখ আছে। গুৱাক শব্দৰপৰাই গুৱাহাটীৰ উৎপত্তি বুলি সাধাৰণ বিশ্বাস। তামোল শব্দৰপৰাও অসমৰ ভালেমান ঠাইৰ নাম হৈছে, যেনে—তামোলবাৰী, তামুলীছিগা।

অসমৰ তামোল খোৱা প্ৰথাৰ ব্যাপক প্ৰচলন বিষয়ে যোগিনীতন্ত্ৰৰ শ্লোক এটাৰপৰাই বুলিব পাৰি। শ্লোকটোত অসমীয়া তিৰোতাই সকলো সময়তে তামোল চোবোৱাৰ উল্লেখ কৰা হৈছে (তাম্বুলাসা সদা ভৱেৎ)। অসমীয়া পুৰুষ-স্ত্ৰী, ডেকা-বুঢ়া কাৰো কাৰণে তামোল খোৱাত সামাজিক বাধা-নিষেধ নাই। আনকি, দাঁত নোহোৱা বুঢ়ায়ো খুন্দনাত খুন্দি তামোল খায়। আহোম ৰজাৰ দিনত ৰজা আৰু ডা-ডাঙৰীয়াসকলক তামোল-পাণ যতনাবলৈ তামুলী বিষয়া আছিল। সত্ৰসমূহতো গুৱাকটা বাব আছে। মোমাই তামুলীৰ বৰবৰুৱা পদোন্নতিৰ ঘটনাৰপৰা আহোম ৰজাসকলে তামোল-পাণৰ বাৰী পতাত কিমান গুৰুত্ব আৰু উৎসাহ দিছিল বুজিব পাৰি।

বাৰীত তামোল-পাণ ৰোৱা অসমীয়া গাঁৱলীয়া মানুহৰ ধৰা-বন্ধা ৰীতি। অসমীয়া মানুহৰ প্ৰিয় কথা এফাকি মন কৰিব লগীয়া, "আগফাল গুৱনি কাকিনী তামোল, পাছফাল গুৱনি পাণ।" তামোল ৰোৱা আৰু তামোলৰ বাৰী পতা সম্বন্ধে ডাক পুৰুষৰ অলেখ অমূল্য বচন আছে।

আমাৰ ধৰ্মানুষ্ঠান আৰু সামাজিক উৎসৱত তামোল-পাণ বা গুৱা-পাণে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। পূজাৰ নৈবেদ্যত তামোল-পাণ অপৰিহাৰ্য উপচাৰ। গুৰু-গোসাঁইলৈ বা বাইজলৈ তামোলৰ শৰাই আগবঢ়োৱা হয়। উৎসৱ-অনুষ্ঠানত অথবা অপায়-অমঙ্গলৰ সময়ত গুৰুঘৰলৈ,

নামঘৰলৈ, দেৱতা বা অপদেৱতালৈ গুৱা-পাণ আগবঢ়োৱা হয়। আলহী অতিথিক সৰ্বপ্ৰথম তামোল-পাণ দি অভ্যৰ্থনা কৰা হয়। তামোলখনৰ যোগেই গুৰুৰ আশীৰ্বাদ লাভ কৰা হয়; তামোলৰ আদান-প্ৰদানত বন্ধুত্ব স্থাপনো হয়। ৰাজহুৱা দায়-জগৰত পৰিলেও তামোল-পাণৰ দণ্ড এভাগ দি দোষ খণ্ডন কৰিব পাৰি।

ডেকা-গাভৰুৰ প্ৰেম-নিবেদন, বিবাহ আৰু বিবাহ-বিচ্ছেদৰ ক্ষেত্ৰতো তামোলৰ বৈচিত্ৰ্যপূৰ্ণ ভূমিকা আছে। ডেকা-গাভৰুৱে তামোলৰ বিনিময়েৰে ইজনে সিজনক প্ৰেম-নিবেদন কৰাৰ ৰীতি এতিয়াও গাঁৱত আছে। বিহু-গীতত এনে প্ৰেম-প্ৰীতিৰ আবেগময় চিত্ৰ আছে।

কিনো তামোলখনি দিলা মোৰ মইনা
অতি চেনেহৰে খালো।
সেই নো তামোলখনি খাবৰেপৰা
তোমাৰ লগত চিনাকি হলো।।

বিবাহৰ নিমন্ত্ৰণ কাৰ্যতো তামোল-পাণৰ প্ৰয়োজন। তামোল-পাণ থুৰিওৱা আদি কাৰ্যৰ মাজেদি তিৰোতাৰ কলাসুলভ মনৰ পৰিচয় পোৱা যায়। বিয়াৰ ভালেমান ক্ৰিয়াকাৰ্যত তামোলৰ ব্যৱহাৰ মন কৰিব লগীয়া। বিয়াৰ কেইদিনা দৰা-কন্যাই এযোৰ পাণ-তামোল আৰু এখন কটাৰী লগত ৰাখিব লাগে। বিবাহ-অনুষ্ঠান শেষ হ'লে দৰা-কন্যাই এই তামোল-কটাৰী সলনা-সলনি কৰে। দৈয়ন দিওঁতেও পাণৰ প্ৰয়োজন। বিয়াৰ দিনা পুৱা হোৱালীক শোৱা-কোঠাৰ দুৱাৰডলিত পিৰা এখন পাৰি বহুওৱা হয়। কন্যাৰ মাক বা আন কোনো সম্বন্ধীয়া তিৰোতাই দুখন হাতত দুখন পাণ লৈ কন্যাৰ সমুখত আঁঠু কাঢ়ে; পাণ দুখন দৈ-গাখীৰত জুবুৰিয়াই কন্যাৰ গাল, বাহু, ভৰিত সানি দিয়ে। কোনো কোনো অঞ্চলত বিবাহৰ সপ্তপদী গমনত দৰা-কন্যাই সাতখিলা পাণ গচকাৰ বিধি। অসমৰ কোনো কোনো অঞ্চলত 'পাণ-ছিঙা' প্ৰথাৰে বিবাহ-বিচ্ছেদ হয়।

আহোমৰ চকলং বিবাহ-পদ্ধতিতো তামোল-পাণৰ প্ৰয়োজনৰ বিষয়ে বুৰঞ্জীত আছে—"সোণৰ বাটি এটা ভৰাই দৈ, আঁৰা গাখীৰ, মৌ, চেনী,



ঘিউ মিহলোৱা পঞ্চামৃত এবাটি আনি ৰজাৰ ওচৰত দিব। তাৰেপৰা আঙুলি লগাই আনি মুখলৈ টোঁৱাই সুঙ্গি পেলাই খৰিকা লৈ মুখে পানী লৈ তামোল চোবাব। এইদৰে পুনঃ পুনঃ একৈশ বেলি পঞ্চামৃত সুঙ্গি ২১ ডাল খৰিকা, ২১ চলু পানী, ২১ খন থুৰীয়া তামোল চোবাই পেলাব পায়।" (দেওধাই অসম বুৰঞ্জী, ১৩৫)। অসমৰ দৰেই প্ৰেম-নিবেদন আৰু বৈবাহিক অনুষ্ঠানত তামোলৰ ব্যৱহাৰ দক্ষিণ-পূব এছিয়াৰ বহু দেশত আছে। চিলিবিচ দ্বীপত প্ৰচলিত এই প্ৰথাৰ বিষয়ে Hicksonএ লিখিছে ঃ

The areca-nut plays an important part in courtship in Minahassa, as it does all over the Archipelago.

When the young Minahassa falls in love with a young woman he ends her prepared areca-nut. If he accepts it, it is taken as a sign of encouragement, and the youngman sends an emissary asking her to send him one. If he refuses to do this or sends him one which is not prepared for chewing, then it is a sign that he is rejectec, but if she wishes to become his wife she sends him a well-grown nut, with the necessary ingredients, and the lover knows that he is accepted.

তেওঁলোকৰ প্ৰেম-গীতত আছে ঃ

HE : Weeping, cut the aredca-nut in two, weep no more, for I will truly take you to me.

SHE : A young areca-nut I will cut in two, for you, my young love. The young areca-nut will I cut in two, for I love you.

HE : Place one half of the young areca-nut in my mouth, and my feelings will be ever with you.

(*তুলনীয়* ঃ একেখন তামোলক দুখন কৰি খালো
তেও তোৰ নেপালো আস।)

তামোল-পাণে সামাজিক প্ৰাধান্যও নিৰ্ণয় কৰে। উচ্চকুলৰ লোকে জাত যোৱাৰ ভয়ত নীহকুলীয়া লোকৰ হাতৰ কটা তামোল নাখায়।

বিহু নামত আছে ঃ

তোমাৰ কটা তামোল নেখাওঁ ঐ লাহৰী
আমাৰে মৰিব কুল।

তামোল খোৱা-নোখোৱা বিধি-নিষেধক কেন্দ্ৰ কৰি তামোল-নোখোৱা বৈষ্ণৱ সম্প্ৰদায় এটাৰো উদ্ভৱ হৈছে।

তামোল-পাণ গাঁৱলীয়া দৰৱ-জাতিৰ অন্যতম উপাদান। অসমীয়া নিদান মতে তামোল খালে পেটৰ অসুখ, দাঁতৰ ৰোগ আৰু বিষ ভাল হয়। গৰু-ম'হৰ বেমাৰত তামোলৰ পিক ব্যৱহাৰ কৰা হয়। তামোল-পাণৰ অলৌকিক শক্তিত বিশ্বাস কৰি ইয়াক মন্ত্ৰত ব্যৱহাৰ কৰা হয়। কামৰত্নঃ তন্ত্ৰত তামোল-পাণ সম্পৰ্কীয় বহু মন্ত্ৰ আছে; তাৰে কেইটিমান নিদৰ্শনস্বৰূপে উদ্ধৃত কৰা হ'ল ঃ

"কলীয়া অপৰাজিতা মূল তাম্বুলে সহিতে চাৰি-অক্ষৰীয়া মন্ত্ৰ জপি যেই নাৰীক খুৱায় সেই নাৰী বশ হয়।"

"চামুণ্ডা মন্ত্ৰক তাম্বুলত সাতবাৰ জপি যি নাৰীক খুৱায় সেয়ে বশ হয়।"

"ৰক্ত-চন্দনৰ গুটি এলক্ষীৰ গুটি সম কৰি বটি তাম্বুলৰ লগত মন্ত্ৰিত কৰি খুৱাব, বালকুল মোহ হয়।"

"কালিকা-মন্ত্ৰ তাম্বুলত জপি খাব। চোবাৰ গুৰি জম্প দি বাৰীত পেলালে নিদ্ৰা ভাঙ্গে।"

"জল, মধু মিহলাই তামোল খুৱালে সদায় ৰাৰ কাঢ়ি থাকে।"

অসমৰ দৰে ভাৰতৰ অন্য প্ৰদেশত কোমল তামোল অথবা পনিয়লী-তামোল অথবা কেঁচা তামোল খোৱাৰ প্ৰথা নাই। তামোল গাঁতত পুতি ভৱিষ্যতলৈ সাঁচাৰ নিয়মটোও অসমীয়াৰ নিজা। অসমত কোমল তামোলৰ প্ৰচলনৰ বিষয়ে ভাস্কৰবৰ্মাই হৰ্ষবৰ্ধনলৈ হৰিৎ বৰ্ণৰ কেঁচা তামোলৰ ঠোক



উপহাৰ দিয়া কথাৰ পৰাই বুজিব পাৰি (পৰিণত পাটল-পটোলত্বিংষি চ তৰুণহাৰীত-হৰিংতি ক্ষীৰক্ষাৰীণি চ পূগানাং পল্লৱলস্বীনি সৰসানি ফলানি)। গুৰু-ঘৰলৈ ঠোক-তমোল আগবঢ়োৱা প্ৰথা আজিও আমাৰ দেশত প্ৰচলিত। মুছলমান ঐতিহাসিকেও অসমীয়া মানুহে কেঁচা তামোল প্ৰথালৈ লক্ষ্য কৰি গৈছে। কেঁচা তামোল খোৱা প্ৰথা শ্যামী আৰু ভিয়েটনামীসকলৰ মাজতো আছে ঃ

The natives of Stam much prefer the nut in a fresh state, before it is fully ripe. For this purpose, they first divide the entire fruit, with its hull, into longitudinal quarters and then cleave each quarter of the nut from its covering by means of a slender knife, cutting (native fashion) outward from the thumb and fingers which hold it – very dexterously managing to leave a small bit of the inner and lower part of the hull on each quarter to serve as a delicate handle, by which it can be the more gracefully put into the mouth. The work of thus preparing the betel nut for chewing, falls by custom exclusively upon the women and girls, in which they spend a large portion of their time. To have it thus made ready, is a mark of politeness always due from them to the males, more especially their own relatives and friends and to all whom they wish to make their friends. Wives must prefer it for their husbands, sisters for their brothers and sweet-hearts for their lovers.

সংস্কৃত সাহিত্যত কৰ্পূৰ, কংকাল, লৱঙ্গ জাতি ফলৰ লগত মিহলাই তামোল খোৱাৰ নিয়ম বুলি কোৱা হৈছে। এই আটাইকেইটা মিলি হৈছে 'পঞ্চসুগন্ধিকম্'। ভাৰতীয় ধৰ্ম আৰু সংস্কৃতিত পঞ্চ শব্দটিৰ যাদুকৰী প্ৰভাৱ পঞ্চামৃত, পঞ্চগব্য, পঞ্চপল্লৱ, পঞ্চৰত্ন, পঞ্চশৰ, পঞ্চগুণ, পঞ্চসৌন্দৰ্য (চুলি, মাংস, অস্থি, ছাল আৰু যৌৱন), পঞ্চযজ্ঞ, পঞ্চ মহাশব্দ (এই শব্দটো

ভাস্কৰবৰ্মাৰ নিধানপুৰ লিপিত আছে) আদি নামৰ পৰাই উপলব্ধি হয়। আয়ুৰ্বেদ শাস্ত্ৰত পঞ্চমূলৰ (পাঁচবিধ মূলৰ সংমিশ্ৰণ) উল্লেখ আছে । ইয়াৰ ভিতৰত পঞ্চকোল (পিপলি, আদা আদি), পঞ্চ তিক্ত (নিম, বাহক ইত্যাদি), পঞ্চমূল কণ্টক (লেটাগুটি, শতমূল আদি), তৃণ পঞ্চমূল (কুশ, কহুৱা, কুঁহিয়াৰ আদি), পঞ্চ লৱণ (সৈন্ধৱ, ভোট লোণ আদি), পঞ্চ বল্কল (আঁহত, ডিমৰু, বেত আদিৰ ছাল)-ৰ উল্লেখ আছে।

অসমীয়া মানুহে অৱশ্যে পাণ-তামোলত এই আটাইকেইপদ সুগন্ধি দ্ৰব্য ব্যৱহাৰ নকৰে। পুৰণি অসমীয়া সাহিত্যত তামোলৰ লগত সুগন্ধি দ্ৰব্য খোৱাৰ উল্লেখ আছে। বিহুগীতত আছে ঃ

থুৰিয়াই থুৰিয়াই তামোল কাটি দিছিলা
তাৰ মাজত দিছিলা লং।

সাধাৰণতে, পাণত চুণ সানিহে খোৱাৰ নিয়ম। পাণ-চুণৰ অভেদ-সম্বন্ধৰ ওপৰত নিৰ্ভৰ কৰি অসমীয়াত বহু প্ৰবাদৰো সৃষ্টি হৈছে। অৱশ্যে, পূজা-নৈবেদ্যত আগবঢ়োৱা তামোল-পাণত চুণ সনা নহয়। মুছলমানসকলৰ আগমনৰপৰা তামোল-পাণৰ লগত ধঁপাতৰ ব্যৱহাৰৰো নিয়ম হ'ল। মুখত খোৱা এই মলমলীয়া মলা-ধঁপাতৰ প্ৰস্তুত-প্ৰণালী অৱশ্যে সম্পূৰ্ণ অসমীয়া। তামোল, পাণ, চুণ আৰু ধঁপাত এই চাৰিওবিধ মিলিলেহে তামোলখন সম্পূৰ্ণ হয়। এই সম্পৰ্কৰ এফঁকি ধেমেলীয়া ফকৰা আছে ঃ

তামোল এখন দিয়া ভকত
পাণ-চুণ তাৰ লগত
ধঁপাত অকণ দিবা পাছে
এহেলে সকলো লগতে আছোঁ।

সাধাৰণতে, অসমীয়া মানুহে নুথুৰিওৱা তামোল খায়। থুৰিওৱা তামোল উৎসৱ-অনুষ্ঠান আৰু গুৰু-গোসাঁইৰ ঘৰতহে খোৱা হয়। তামোল-পাণ কেনেকৈ কাটিব লাগে, সেই বিষয়ে নানা বিধি-নিষেধ আছে। পাণ হাতেৰে ফলা নিষেধ।



তামোল-পাণ আগবঢ়োৱা বিশেষ সা-সৰঞ্জামৰ প্ৰচলনো মন কৰিব লগীয়া। এইবোৰৰ ভিতৰত পাণ-বটা, শৰাই মুখ্য। বটাশৰাই বিচিত্ৰ কাৰুকাৰ্যমণ্ডিত। আগৰ দিনত এইবোৰত কলা-সুলভ দক্ষতাৰে সোণ-ৰূপৰ পানী চৰোৱা হৈছিল। কোনো কোনোৱে তামোলৰ লগত সম্বন্ধ থকা বটা-শৰাই, এই দুই সামগ্ৰী দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰপৰা অহা বুলি অনুমান কৰে। এই প্ৰসঙ্গত তলত উদ্ধৃতি প্ৰণিধানযোগ্য ঃ

Every Malaya house has a betel-box or betel-tray fitted with the requisites for chewing. The more humble article is made of wood or brass. It is generally about eight inches in diameter, shaped like the frustrum of a pyramid reversed, uncovered and fitted with several brass or silver boxes, one without a cover to hold accessories such as cardamons and cloves, and three covered for the essentials– catechu, lime and tobacco. Finally, there is a small case, open at each end, to hold the betel leaves (though this appears to be rare), a metal spatula for spreading the lime on them and a curiously shaped scissors for cutting the dried areca-nut into small pieces. A complete set in old Malaya silverwork is a much-prized possession.

তামোলৰ হাঁচতি, তামোলৰ জোলোঙা, তামোলৰ কটাৰী, খুন্দনা— তামোল খোৱা প্ৰথাৰ লগত সম্বন্ধ থকা অন্যান্য সামগ্ৰী। সিংহলীসকলৰ মাজতো তামোলৰ জোলোঙাৰ প্ৰচলন আছে এই বিষয়ে কুমাৰস্বামীয়ে লিখিছে ঃ

The betel-bags vary in size from small ones carried in the waist belt, to very large ones, four feet or more in length. The letter were carried by a servant in processions or journeys, slung over the shoulder. Noblemen were never without an attendant carrying their betel-bags nd lime-box;

less important personages carried their own. The large bags are exactly the same in construction as the small ones– a bag of ovel shape made of blue cloth lined with undyed cotton cloth, which opens nearly halfway down the whole length at the sides; the inner part is separated into two divisions. The inner divisions, again consisting of a double piece of cloth; it has a very small opening at the upper end through which spices, money and other valuables are put. Larger things are carried in the two outer pockets. The handle is made of embroidered cloth, or of a band of plaited cord and is finished off at the end with a beautifully and ingeniosly worked, and very hard bull (***vegedi borale***) and tassel (***pohottuva***). The outside of the bag is embroidered on both sides in red and white cotton with conventional designs, sometimes very elaborately. Bags of later makes are often done in red cloth, probably because the blue hard-made cloth could no longer be obtained; some of them are equally good, the tradition both in design and stitches being for some time well maintained.

অসমৰ জনজাতিসকলৰ মাজতো তামোল খোৱা প্ৰথাৰ ব্যাপক প্ৰচলন আছে। আও, লোঠা আৰু কন্যাক নগাসকলে এই অভ্যাস অসমীয়াৰপৰা পাইছে বুলি ডক্টৰ হটনে মন্তব্য কৰিছে। গাৰোসকলৰ মাজতো এই প্ৰথা অসমীয়াৰপৰাই শিপাইছে বুলি ৰেভাৰেণ্ড বোগ্‌ছে (Rev. S.A.D. Boggs) লিখি গৈছে। জনজাতিৰ ভিতৰত খাছী আৰু মিকিৰসকলেই তামোল বেছি খায়। খাছীসকলে মৃতকৰ সংকাৰ কৰোঁতে শৱৰ ওপৰত তামোল এখন থৈ নিবেদন জনায়, "বিদায় ! ভগবানৰ ওচৰলৈ গৈ তামোল এখন খোৱাগৈ !" পূৰ্বে মৃতকৰ সংকাৰ উৎসৱতো তামোলৰ ব্যৱহাৰ চলিছিল।

মিকিৰসকলে পথৰ দূৰত্ব তামোল এখন খোৱাৰ পৰৰ পৰাই নিৰ্ণয় কৰে; সেইকাৰণেই ভ্ৰমণত ওলালে হাঁচতিত সৰহকৈ তামোল-পাণ বান্ধি নিয়ে। এই অভ্যাস অসমীয়া গাঁৱৰ মানুহৰো আছে।

●●●

# নগ্নতা, অশ্লীলতা আৰু শাও-শপনি

অপদেৱতাক ভয় খুৱাই দূৰ কৰিবলৈ যিবিলাক পূজা পতা হয় তাত উলঙ্গ হোৱাটো অধিক প্ৰয়োজন পৰিলক্ষিত। এনেকুৱা ক্ষেত্ৰত উলঙ্গ হৈ ওজাই ভূত-জৰা মন্ত্ৰ মাতে। কোনো কোনো ক্ষেত্ৰত ভূতে-ধৰা মানুহৰ গাত জৰা-পানী ছটিয়াই দিয়া হয়। কঠিন প্ৰসৱৰ সময়তো জৰা-পানী ব্যৱহাৰ কৰা হয়। এনেকুৱা প্ৰসঙ্গত ল'ৰা বা ছোৱালীয়ে নাঙঠ হৈ পানী জাৰে। মন্দিৰৰ প্ৰাচীৰতো নগ্ন ভাস্কৰ্য কটা হয়। ধাননি পথাৰৰপৰা ভূত খেদিবলৈ কাঠত নগ্ন ছবি কাটি বা আঁকি পথাৰৰ মাজত পুতি থোৱা হয়। 'ভিতৰ সেৱা' বুলি অসমীয়াৰ মাজত প্ৰচলিত এবিধ অনুষ্ঠানত বিলনীয়া আৰু সেৱকী আটায়ে নাঙঠ হয় বুলি এটা কথা আছে। নগাঁৱৰ কাছমাৰী মৌজাৰ নাঙঠা থানত কিছু দিনৰ আগলৈকে মানুহে নাঙঠ হৈ পূজা-পাতল আগবঢ়োৱাৰ নিয়ম আছিল।

লোক-সংস্কৃতিত অশ্লীল কাৰ্য আৰু অশ্লীল বচনৰো তাৎপৰ্য নোহোৱা নহয়। অন্য প্ৰসঙ্গত নগ্নতাৰ বিষয়ে উল্লেখ কৰা হৈছে। নগ্নতাও অশ্লীল কাৰ্যৰ অঙ্গীভূত। ক্ৰোধ, ঘৃণা, বিৰক্তি আৰু অসন্তোষ প্ৰকাশৰ সংকেত হিচাপে অসন্তোষৰ ভাব প্ৰকাশ কৰিবলৈ দেখুউৱা অঙ্গী-ভঙ্গীৰ ভিতৰত কেতবোৰ হ'ল—বুঢ়া আঙুলি আৰু গুপ্তাঙ্গ প্ৰদৰ্শন, অথবা আঙুলিৰ ভঙ্গীত গুপ্তাঙ্গৰ প্ৰতীক প্ৰদৰ্শন। আনকি ধৰ্মানুষ্ঠান আৰু সামাজিক অনুষ্ঠানতো এইবোৰৰ প্ৰয়োগ দেখা যায়। কালিকা পুৰাণত উল্লেখ থকা সবৰোৎসৱত অশ্লীল শব্দ উচ্চাৰণ কৰাটো উৎসৱৰ অন্তৰ্ভুক্ত কাৰ্য। আমাৰ বসন্তোৎসৱ বিহুত ডেকা-গাভৰুৱে একেলগে নাচে আৰু কিছুমান নৃত্য-গীত যৌন-সংক্ৰান্ত বিষয়ক কেন্দ্ৰ কৰি হোৱা বিদ্ৰূপেৰে পূৰ্ণ। নাচৰ ভঙ্গীতো অশ্লীল সংকেত থাকে। এই নৃত্যবোৰৰ শস্যৰ উৰ্বৰতা বৃদ্ধিৰ লগত সম্বন্ধ থকা

বুলি বিশ্বাস। অশ্লীল বিদ্রূপ আৰু অশ্লীল গীত-মাত বিয়াত আৰু বিয়ানাম (জোৰা-নাম, খিচা-গীত)তো ব্যৱহাৰ হয়।

অশ্লীল বাক্যাংশ আৰু প্ৰবাদ-বাক্যত সাধাৰণতে মলত্যাগ নাইবা অবৈধ যৌন-সম্পৰ্কৰ উল্লেখ থাকে।

শাও-শপনি দিয়াটো গাঁৱৰ নিত্য-নৈমিত্তিক ঘটনা। মানুহে এই শাও দিওঁতে ইজনে সিজনৰ প্ৰতি নিক্ষেপ কৰা বাক্যবাণত অবৈধ সঙ্গমৰ উল্লেখ কৰে।

ইয়াত মন কৰিব লগীয়া যে যৌন সঙ্গম বা জননেন্দ্ৰিয় সম্পৰ্কে প্ৰয়োগ কৰা দুই শ্ৰেণীৰ পদ অসমীয়া ভাষাত আছে। এক শ্ৰেণী সাধু আৰু আন শ্ৰেণী গ্ৰাম্য। গ্ৰাম্য শব্দ আৰু জনজাতীয় ভাষাৰপৰা লোৱা শব্দৰ বাহিৰেও জনসমাজত বহুতো অশ্লীল আখ্যান, কিম্বদন্তিৰ চলন্তি আছে।

ল'ৰা-ছোৱালীৰ কথা-বতৰাতো এই জাতীয় অনেক শব্দৰ প্ৰয়োগ দেখা যায়। এই শব্দবিলাকৰ ভিতৰত বিদ্রূপাত্মক শব্দ, উপলুঙা নাম দি মতা, গ্ৰাম্য ভাষা, অশ্লীল বাক্য প্ৰয়োগ আৰু যৌন-সম্বন্ধীয় বিষয়ৰ উল্লেখেই প্ৰধান।

অভিশাপ আৰু আশীৰ্বাদ সম্পূৰ্ণ পৰস্পৰ-বিৰোধী। এই দুটা বিষয় সভ্যতাৰ সকলো স্তৰৰ মানুহৰ মাজতে প্ৰচলিত হৈ আহিছে। ভাষাবিদসকলৰ মতে মানুহৰ এই দুটা কথা ভাষাৰ ক্ৰমবিকাশৰ লগত জড়িত।

অভিশাপ আৰু আশীৰ্বাদ মানুহৰ ইচ্ছাবাহক শব্দাৱলী। মঙ্গল বাঞ্ছা কৰিলে আশীৰ্বাদ আৰু অকল্যাণ কামনা কৰিলে অভিশাপ দিয়া হয়। কোনো কোনো ক্ষেত্ৰত ইচ্ছা প্ৰকাশ কৰোঁতাজনৰ নিজৰ কল্যাণ বা অকল্যাণৰ কাৰণেও ইয়াক ব্যক্ত কৰা হয়। কেতিয়াবা কেতিয়াবা ই কেৱল আশা-আকাংক্ষাকে প্ৰকাশ কৰে। কিছুমান বস্তুত সদায়ে অভিশাপ লাগি থাকে বুলি সাধাৰণৰ বিশ্বাস; অন্য কিছুমান বস্তু স্বয়ং অভিশাপৰেই প্ৰতীক।



কেতিয়াবা ই বাঞ্ছিত ফলৰ ৰূপ পৰিগ্ৰহ কৰে, শাও-শপনিৰ বাহক হয় আৰু কেতিয়াবা ইয়াক অভিশাপ বা আশীৰ্বাদৰ সলনি প্ৰয়োগ কৰা হয়। অভিশাপ আৰু আশীৰ্বাদৰ ক্ষেত্ৰত অঙ্গ-সঞ্চালনৰ তাৎপৰ্য বিশেষ মন কৰিব লগীয়া।

এই শাও-শপনিত সাধাৰণ মানুহৰ ধৰ্মমূলক, নৈতিক আৰু সামাজিক চিন্তাৰ পৰিচয় আছে; জাতিৰ লৌকিক বিশ্বাস আৰু অন্ধবিশ্বাসসমূহ ইয়াতে লুকাই থাকে। অসমীয়া শাও-শপনিসমূহক তলৰ দৰে শ্ৰেণীবিভাগ কৰিব পাৰি ঃ

কেতবোৰৰ পৰা সমাজৰ উচ্চ-নীচ জাতিভেদৰ বিষয়ে জানিব পাৰি—অজাতৰীয়া, অজাতিত খোৱা, মটকৰ সঁচ, গৰিয়াত খোৱা।

সাধাৰণ ধৰ্ম-বিশ্বাস আৰু দেৱ-দেৱী সম্বন্ধীয় শাও-শপনি হ'ল—অধৰমীৰ পো, বৌ বৌ নৰকত পৰা গুৰুবধী, গো-বধী, ব্ৰহ্ম-বধী, গুৰু-গোসাঁই নমনা, গোসাঁইৰ তেজ খোৱা, ৰসাতললৈ যোৱা, গাৰ গোসাঁই খেদা, দেউ-ব্ৰহ্ম নমনা, কুগ্ৰহে পোৱা, যমে নিব নজনা, শুকানী অপেস্বৰাই পোৱা, শিৰত শনি চৰা, অশৰণীয়াৰ জাত।

কিছুমান ব্যৱসায় সমাজত হীন বুলি গণ্য। গৰুখুন্দা মহাজন, গোলামৰ সঁচ, নাতেশৰি আদি গালিৰপৰা এই কথা ধৰিব পাৰি।

মৃত্যু আৰু দুৰাৰোগ্য ৰোগৰ কামনা কেতবোৰ শাও-শপনিৰ যোগেদি প্ৰতিফলিত হয়। যেনে,—হইজাত যোৱা, জহনিত যোৱা, মাউৰত মৰা, তেজ বঁতিয়াই মৰা, বাজ মাউৰত যোৱা, মুখত পোক লগা, বৰ ৰোগে ধৰা, পথৰা ওলোৱা, যমে নিব নজনা, ভেটিত তিতা লাও গজা।

কিছুমান গালিত দৈহিক বিকৃতিৰ উল্লেখ থাকে। যেনে,—ফেঁচামুৰা, ফেঁচা নকা, বান্দৰমুৰা, বুঢ়া শগুণ, জপৰা ভালুক, মৌখাপ।

সকলো সমাজতেই দৰিদ্ৰতাক পৰম দুৰ্ভাগ্য বুলি বিবেচনা কৰা হয়। গতিকে, দাৰিদ্ৰ্যকে কেন্দ্ৰ কৰি অনেক শাওৰ সৃষ্টি হৈছে। যেনে,— চুৰাপাত

চেলেকা, ভিকহুৰ জাত, হতচিৰি (হতশ্ৰী) হোৱা, কুকুৰ মৰণে মৰা, টোকাই খোৱাৰ সঁচ।

প্ৰিয় আৰু পৰিজনৰ অমঙ্গল কামনা কৰিও শাও দিয়া হয়ঃ বাপেকৰ মূৰখোৱা, পৈয়েৰৰ মূৰখাঁতী।

চকুত খাঁতী, খুৰা খোৱা, তেজ খোৱা, খেকাৰ খোৱা, গৰু খোৱা, মৰাৰ ছাল টানি খোৱা আদি অভক্ষ্য ভক্ষণৰ কামনা কৰিও শাও দিয়া হয়।

নিকৃষ্ট বুজাবলৈ মানুহক জন্তুৰ লগত তুলনা কৰি দিয়া শাওৰ ভিতৰত কুকুৰৰ পোৱালি, খাই গাহৰি, কুকুৰৰ জাত আদিৰ উল্লেখ কৰিব পাৰি।

শ্লীলতা হানিকৰ আৰু লজ্জাকৰ বিষয়ৰ শাও-শপনি হ'ল—থিয়ৈ নাঙঠ কৰিম, লগুণ ছিঙিম, মেখেলা পিন্ধা, মেখেলা-তলীয়া, কাণ কাটিম, মেখেলাৰে অটাম, বাঢ়নীৰে জাৰিম।

অবৈধ সম্বন্ধ আৰু অগম্য যৌন-সংগম সম্বন্ধীয় ভালেমান শাও আছে। সেইবোৰৰ উদাহৰণ নিষ্প্ৰয়োজন।

কিছুমান শাও-শপনি কেৱল তিৰোতাৰ উদ্দেশ্যেহে প্ৰয়োগ হয়। এইবোৰ হৈছে—জীয়া বাঁৰী হোৱা, ফুলতে বাঁৰী হোৱা, পাখৰী, বনৰী, বঁহিয়া পৰতী, থুপৰী, কাঠবাঁজী।

সেইদৰে পুৰুষৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা আমোদজনক অভিশাপ হৈছে মেখেলা-ভাৰী, নেওচা-খোচা, তিৰোতা-সেৰুৱা, মেখেলা-পিন্ধা, মেখেলা-তলীয়া।

অঙ্গ-সঞ্চালন, অঙ্গভঙ্গি আদি কৰি শাও-শপনি উচ্চাৰণ কৰিলে সি যাদু বা মন্ত্ৰৰ ক্ৰিয়া কৰে। কেতিয়াবা থু পেলাই শাও দিয়া হয়। থু পেলোৱাটো বিৰক্তি, অপমান আৰু ঘৃণাৰ চিন। জন-সংস্কৃতিত থু পেলোৱাটো কেতিয়াবা বিৰক্তিৰ অভিব্যক্তিৰূপে দেখা দিয়ে আৰু ইয়াৰ গুৰুত্ব ধৰ্মমূলক হৈ পৰে; কেতিয়াবা সৌভাগ্য লাভ কৰিবৰ কাৰণে বা দুৰ্ভাগ্য দূৰ কৰিবৰ কাৰণে



থুওৱা হয়। সৰু ল'ৰা-ছোৱালীয়ে উত্তেজনাৰ মুহূৰ্তত খোৱা শপতৰ গুৰুত্বলৈ ভয় কৰি পিছত মানসিক সুস্থ অৱস্থাত "থুই-থাই বেলি আছে শপত নাই" বুলি তাক লঘু বা নুই কৰে। ভূতে ধৰা মানুহৰ গাত থুৱাই ভূত খেদা হয়; গাঁৱলীয়া বেজে দৰৱত থু পেলাই ৰোগৰ অপদেৱতাক দূৰ কৰিবলৈ বিচাৰে।

কেতিয়াবা আঙুলি টোঁৱাই বা ফুটাই শাও দিয়া হয়। শাও দিয়াজনলৈ আঙুলি টোঁওৱাৰ অৰ্থ হ'ল,—মন্ত্ৰবাণ নিক্ষেপ। হাত দঙা, বাহু জোঁকৰা, মেখেলাত ঢপলা পিটা আদি অঙ্গ সঞ্চালন শাও-শপনিৰ লগৰীয়া কথা। এই হাত, বাহু আদি আস্ফালন কৰি শাও দিয়াৰ যাদুবিদ্যাৰ লগত সম্পৰ্ক।

আহুদি কৰা অভিশাপৰ আন এটি ফাল। শত্ৰুৰ দেহত মন্ত্ৰপূত বস্তু সুমুৱাই দিব পাৰিলে অভাৱনীয় ফল ধৰে বুলি সাধাৰণ বিশ্বাস। শত্ৰুৰ চুলি, নখ, তেজ বা তেওঁ ব্যৱহাৰ কৰা কাপোৰ-কানি সংগ্ৰহ কৰি তাত শাও-শপনি উচ্চাৰণ কৰিলে সেইবোৰে অধিক ক্ৰিয়া কৰে। এই বস্তুবোৰৰ ওপৰত শাও-শপনি উচ্চাৰণ কৰোঁতে বস্তুবোৰক অভিশপ্তজনৰ প্ৰতীকৰূপে গণ্য কৰা হয়।

কেতিয়াবা কেতিয়াবা শত্ৰুৰ চৌহদলৈ হুল, জেং, শিলগুটি, অপবিত্ৰ বস্তু দলিয়াই দলিয়াই শাও-শপনি দিয়া হয়। কোনো কোনো ক্ষেত্ৰত কাৰো নাম নধৰাকৈ গালি পৰা হয়; এয়ে গুৱাল গালি।

গুৰুজনে অথবা বয়োজ্যেষ্ঠজনে অভিশাপ বা আশীৰ্বাদ দিলে অধিক ফলিয়ায় বুলি বিশ্বাস। নীচ-জাতৰ মানুহক ব্ৰাহ্মণ বা মহন্তই শাও দিলে সি অধিক ফাঁপে। সাধাৰণতকৈ ব্ৰাহ্মণ, গুৰু-গোসাঁইৰ আশীৰ্বাদ আৰু শাও অধিক কাৰ্যকৰী। সেইদৰে বয়োজ্যেষ্ঠ অথবা মানীজনৰ শাও কনিষ্ঠসকলৰ গাত বেছিকৈ লাগে। মৃত্যুৰ সময়ত উচ্চাৰণ কৰা শাও অতি ভয়াবহ। অতিথি আৰু মগনীয়াৰ শাও-শপনিলৈ মানুহে বিশেষ ভয় কৰে।

গালি সম্বন্ধে উজনি আৰু নামনি অসমত বিভিন্ন ধৰণৰ গীত, ফকৰা যোজনা আছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ প্ৰফুল্লদত্ত গোস্বামীয়ে পলাশবাৰীৰপৰা সংগ্ৰহ কৰা তলত গীতটি এটি উদাহৰণঃ

"তুলাৰ আগতে নুন এ
হাজেলনী গালি পাছ্ছু
কাণ পাতি শুন এ।
পুতে হাতৰ মুৰা এ
পুত খাইতীহাত।
বেৰাৰ আগত চূণ এ
হাজেলনী গালি পাচ্ছু
কাণ পাতি শুন এ
পুতে হাতৰ মুৰা এ
এ বেটী পুত খাইতীহাত॥"

# গৃহ নির্মাণ

## ১. সাধাৰণ ঘৰ

দেশ আৰু যুগৰ সংস্কৃতিৰ লগত ঘৰ আৰু গৃহ নির্মাণ প্রণালীৰ প্রত্যক্ষ সম্বন্ধ। অসমৰ লোক-সংস্কৃতিৰ ক্ষেত্রতো এই কথা প্রযোজ্য। ঘৰ আৰু ঘৰ সজাৰ লগত জড়িত বিভিন্ন বিষয়ৰ আলোচনা নকৰিলে অসমীয়া গ্রাম্যজীৱনৰ অধ্যয়ন অসম্পূর্ণ ৰ'ব।

অসমৰ সৰহভাগ লোক খেতিয়ক; তেওঁলোকৰ প্রয়োজন আৰু শক্তি-সমর্থ্যৰ ওপৰত নির্ভৰ কৰিয়েই অসমৰ গৃহ নির্মাণ প্রণালী গঢ়ি উঠিছে। প্রচুৰ বৰষুণ আৰু সঘনে ভূমিকম্প হোৱাৰ হেতু অসমৰ গৃহাদি নির্মাণৰীতি অন্য শুকান অঞ্চলৰ দৰে নহয়। খেতিয়ক সম্প্রদায়ে নগৰৰ দৰে গাঁৱত ডাঙৰ ৰাজহুৱা ঘৰ সজাৰ প্রয়োজনীয়তাও বোধ নকৰে। তদুপৰি গাঁৱৰ খেলবোৰত ব্যৱসায়ী ৰাজমিস্ত্রীবো দৰকাৰ নাই; তাত প্রত্যেকজন গঞাই নিজৰ সজা-পৰা কামখিনি নিজে কৰে।.

সেই কাৰণে অসমৰ গাঁৱলীয়া মানুহৰ ঘৰ-দুৱাৰ সামাজিক, জলবায়ু আৰু ভৌগোলিক পৰিস্থিতিৰ এক সম্মিলিত ফলস্বৰূপ। সাধাৰণতে, ৰ'দ-বৰষুণৰ আশ্রয় হিচাপে নিজৰ আৰু গৰু-গাইৰ কাৰণে গাঁৱলীয়া মানুহে ঘৰ সাজি লয়। ঘৰসজা আৰু ঘৰৰ আৰ্হি নক্সা কৰোঁতা বিশেষজ্ঞও গাঁৱত নাই। প্রত্যেক গঞাই নিজৰ সা-সুবিধা আৰু সামর্থ্য অনুযায়ী ঘৰ-দুৱাৰ সাজে। কেতিয়াবা গাঁৱৰ বুঢ়মেথা অভিজ্ঞসকলৰপৰা, নাইবা ডাক-ভনিতা আদি পুৰণি প্রবাদৰপৰাও সহায় লয়।

এনেধৰণৰ সহায় আৰু সামান্য সম্বলেৰে, আৰু হাতত পোৱা আহিলা-পাতিৰে তেওঁলোকে অতি সহজভাৱে গৃহ নির্মাণ কৰে। ইয়াতেই তেওঁলোকৰ

সৰল জীৱনযাপনৰ আৰ্হি প্ৰকাশ পায়। ঘৰৰ খুঁটাত বা কাষত (পাৰিত) নিজৰ মনেৰে গঢ় দি লোৱা সুন্দৰ কাৰুকাৰ্যাদিৰ কথা তেওঁলোকে ববকৈ অনুভৱ নকৰে; মাটিৰে লিপা বেৰ, সাধাৰণ ডাং লগোৱা দুৱাৰ, দুখন চাল— এইবোৰৰ আৱশ্যকতাই প্ৰথমে ভাবে।

লোকজীৱন যিহেতু অবিভাজনীয়, সেইবাবে অসমীয়া নামঘৰেই হওক বা থকা ঘৰেই হওক, অসমীয়া জীৱনৰ ই পৰিচয়স্বৰূপ। অসমীয়া গাঁৱৰ ঘৰ স্থানীয় ভৌগোলিক অৱস্থা (নদীৰ পাৰ, পাহাৰ, জঙ্গল আদি) আৰু তাত বাস কৰোঁতাসকলৰ সামাজিক আৰু আৰ্থিক অৱস্থাৰ হেতু কোনো কোনো ক্ষেত্ৰত অৱশ্যে সামান্য বেলেগো হয়।

ওপৰত উল্লেখ কৰা হৈছে যে সাধাৰণ মানুহে স্থানীয়ভাৱে পোৱা সঁজুলিৰেই তেওঁলোকৰ ঘৰ যথাসম্ভৱ সহজভাৱে সাজি লয়; আহিলা-পাতিৰ প্ৰকৃতি কেতিয়াবা ঘৰৰ আৰ্হি আৰু স্থানভেদে বেলেগ বেলেগ ধৰণৰো হয়। ভৌগোলিক অৱস্থান, জলবায়ু মাটি আৰু স্থানৰ পৰিস্থিতি বা পাৰ পৰা আহিলা-পাতি আদি অনেক কাৰণবশতঃ এনে পাৰ্থক্য হয়।

অসমৰ ভৌগলিক গঠনৰো এক বৈশিষ্ট্য আছে ; সৰু-বৰ নদী, অটব্য অৰণ্য, ওখ পাহাৰেৰে ভৰা এই অসম। গৃহ নিৰ্মাণৰ ক্ষেত্ৰত এই অৱস্থাবোৰেও ক্ৰিয়া কৰে। নদীৰ পাৰত বহা গাওঁ কেতিয়াবা বান-পানীয়ে উটাই নিয়ে ; আৰু সেইবাবে তেনে ঠাইৰ লোকে সাধাৰণতে নৈৰ পাৰত সহজতেই পাব পৰা বাঁহ, খেৰ আৰু ইকৰাৰে ঘৰ সাজে । মিৰিসকলৰ দৰে নদীৰ কাষৰ লোকে বানপানীৰপৰা ৰক্ষা পাবলৈ বাঁহৰ চাংঘৰ সাজে। বছৰে বছৰে বানপানী ঘৰৰ চাঙৰ তলেৰেই বাগৰি যায়। পানীউঠা ভৈয়ামৰ দ-ঠাইৰ মানুহেও চাংপাতি ওখকৈ ভঁৰালঘৰ সাজে আৰু তলত গৰু আদি বান্ধে। পাহাৰত সাধাৰণতে কাঠেৰে চাংঘৰ সজা হয়; পাহাৰত কাঠ পোৱা সহজ; গতিকে কেতিয়াবা বেৰবোৰো আনকি কাঠেৰেই কৰি লয়। কাঠৰ বেৰে ভিতৰখন গৰম কৰি ৰাখে আৰু জাৰৰপৰা ৰক্ষা কৰে। ওখকৈ সজা চাংঘৰৰ তলেদি হাতী আদি বনৰীয়া জন্তু সহজে ৰাতিত অহা-যোৱা কৰিব পাৰে।



অসমীয়া মানুহে বাৰীৰ চৌহদৰ ভিতৰত বেলেগ বেলেগ কামৰ কাৰণে কেইবাটাও ঘৰ সাজে; চ'ৰাঘৰ, বৰঘৰ, সৰুঘৰ, মাৰলঘৰ, শোৱনিঘৰ, বুলনী চ'ৰা, পাকঘৰ বা ৰান্ধনিঘৰ, ঢেঁকীশাল, তাঁতশাল, গোহালিঘৰ, ভঁৰালঘৰ আৰু তাৰ উপৰিও বাটচ'ৰা নামঘৰ বা কীৰ্তন-ঘৰ। আহোমৰ দিনত ৰজাসকলৰ নিমিত্তে ইটাৰে কাৰেংঘৰ আৰু তেওঁলোকে ৰং-ধেমালি চাবলৈ ৰংঘৰ সজা হৈছিল। সেইদৰে ৰাজ-অভিষেকৰ কাৰণে পাটঘৰ, হোলোংঘৰ আৰু শিঙৰিঘৰ আছিল। এই ঘৰবোৰৰ প্ৰায়ভাগেই দুচলীয়াকৈ চাৰি-চুকীয়া হিচাপে সজা হৈছিল। আহোমসকলৰ দিনত সাধাৰণ লোকে টুপ দিয়া ঘৰ আৰু পকীঘৰ সাজিব নোৱাৰিছিল। সৰ্বসাধাৰণক পকীঘৰ সাজিবলৈ দিয়া নহৈছিল। নাইবা এটা টুপ দিয়া ঘৰো সাজিবলৈ দিয়া নহৈছিল। একমাত্ৰ ৰজাইহে দুয়োমূৰে টুপ লগোৱা ঘৰ সাজিব পাৰিছিল।

চ'ৰাঘৰ বা আলহীঘৰটো দুচলীয়াকৈ পথালিভাৱে সজা হয় আৰু আনবোৰ ঘৰ শাৰী শাৰীকৈ সাজে। চ'ৰাঘৰত সোমাবলৈ বাহিৰৰ চোতালৰপৰা দুৱাৰ থাকে আৰু ইয়াৰপৰা অন্য ঘৰলৈ যাবলৈ দীঘলী বাট অথবা নাওৰা দিয়া হয়। প্ৰত্যেক ঘৰতে ওলোৱা-সোমোৱা কৰিবলৈ আগফালে আৰু পাছফালে দুখনকৈ দুৱাৰ দিয়া হয়। সাধাৰণতে, ঘৰত খিড়িকী দিয়া নহয়, যদিও পোহৰ আহিবৰ কাৰণে চালৰ নামে আৰু বেৰৰ ওপৰভাগত একোটা সৰুবাট বা জলঙা ৰখা হয়। কিছুমান ঘৰত বেৰৰ ওপৰফালে বাঁহৰ কাঠিৰ শিয়াল-তাঁতীৰ দৰে একোখন ঢাপলিকা বা ৰাকনি বৈ বান্ধি দিয়ে। চ'ৰাঘৰটোত সাধাৰণতে মানুহ-দুনুহ বহিবলৈ মাজত বেৰ নিদি মুকলি কৰিয়েই ৰখা হয়; অন্য ঘৰবোৰৰ মাজত বেৰ একোখন দি দুই-তিনিটা কোঠালি কৰা হয়। জাৰকালি চ'ৰাঘৰত জুহাল পাতে আৰু পৰিয়ালৰ সকলোৱেই দিনৰ পৰিশ্ৰমৰ অন্তত সেই জুহালৰ কেউকাষে বহি ভাগৰ মাৰে। বেউলা আখ্যানত মেৰঘৰৰো উল্লেখ আছে।

বান্ধনি ঘৰটো শেষৰ শাৰীত আৰু থকা-ঘৰৰপৰা আঁতৰত সজা হয়। সাধাৰণতে, গা ধুই পৰিষ্কাৰ নোহোৱাকৈ কাকো তাত সোমাবলৈ দিয়া নহয়। গোহালি ঘৰটো অন্যান্য ঘৰৰপৰা আঁতৰত সজা হয় আৰু ইয়াৰ প্ৰায়ে বেৰ নেথাকে।

লোক-সংস্কৃতিৰ পিনবপৰা অসমৰ ঘৰ-দুৱাৰ বিশেষকৈ ইয়াৰ গৃহ নিৰ্মাণ প্ৰণালী মন কৰিব লগীয়া। এই প্ৰবন্ধৰ পৰিসৰত অৱশ্যে সাধাৰণভাৱে কেইটামান কথাৰ আলোচনা কৰাৰ বাহিৰে গৃহ নিৰ্মাণৰ বিশদ আলোচনা সম্ভৱ নহ'ব।

ঘৰ সজাৰ আগতে ঘৰৰ ভেটি জ্যোতিষীৰ হতুৱাই চোৱাই দিশ ধৰি ঘৰ সজা হয়। বাৰটা মাহৰ আঠোটা দিশ আছে। ঘৰৰ ভেটি চাওঁতে নাগতত্ত্ব বিচাৰ কৰা হয়। ধড়, যম, অগ্নি আৰু প্ৰেতৰ বেলেগ বেলেগ দিশ আছে; তাৰ মাজৰখিনিয়েই ঘৰ সাজিবৰ কাৰণে উপযুক্ত স্থান। ভেটিটোৰ তলত জন্তু আদিৰ হাড়, মূৰ, নখ আদি থকা অশুভ বুলি ধাৰণা কৰি তেনে বস্তু থাকিলে তাক খান্দি উলিওৱা হয়। পথৰুৱা ঠাইৰপৰা মাটি আনি ঘৰৰ ভেটি ওখকৈ বন্ধা হয়। বেৰৰ বাহিৰ ফালে থকা ভেটিৰ অংশক পিৰালি বা কাঁথি বোলে। ডাকৰ বচনাত ঘৰৰ দিশ নিৰ্ণয় প্ৰসঙ্গত আছে—

পূবা পছিমাকৈ সাজিবা ঘৰ।
অকাল মৃত্যুক নাহিকে দৰ।।

পূবে ভঁড়াল পছিমে গঁড়াল।
উত্তৰে চৰু দক্ষিণে গৰু।।

পছিমে বাঁহ পূবে বেত।
উত্তৰে তমোল দক্ষিণে খেত।।

ঘাইখুঁটা, বৰখুঁটা বা মূল খুঁটাটো প্ৰথমে পোতা হয়। মুধৰ খুঁটা, কুমৰ খুঁটা আৰু পানী বা পাৰিৰ খুঁটা বেলেগ। কাঠৰ খুঁটাৰ তলত উঁয়ে নধৰিবলৈ কেতিয়াবা গুৰিটো জুইত অলপ পুৰি দিয়ে আৰু খুঁটাৰ গুৰিত মাটিৰ সলনি বালি দিয়ে। শাল, শলখ, সোণাৰু, নাহৰ, পদ্ম, মজ, আমৰি, নগাটেঙা, বনচোম, তেলী উঁহ, থেকেৰা, কঁঠাল, জামু, নিম, গমাৰি, শিলিখা, কৰৈ, গন্ধসৰৈ, কঁহিৰ, আজাৰ, পোঁজা, চাম, পমা আদিৰ কাঠৰ খুঁটা সাধাৰণতে লগোৱা হয়। বাঁহৰ ভিতৰত ভলুকা বাঁহৰ আৰু গোহালি আদি ঘৰত মকাল বাঁহৰো খুঁটা লগোৱা হয়। তদুপৰি তাল, তামোল, ছোৱা আদি গছৰ খুঁটা



আৰু তলত কাঠৰ শলা জোৰা দি বাঁহৰ খুঁটাও লগায়। তলত সুকাঠি আৰু ওপৰত আওকাঠিৰে জোৰা দিও খুঁটা লগোৱা হয়।

খুঁটাৰ মূৰত চতি ভৰাবলৈ বা মাৰলি লগাই বান্ধিবৰ কাৰণে যথাক্ৰমে আল আৰু কাণ কাটি দিয়ে। মাটিত খুঁটা পুতিবলৈ খন্দা হাতেৰে টুকি নোপোৱা দ গাঁতৰ মাটি বাঁহৰ থাকৰ বা খোকাঁউৰিৰে তোলা হয়।

পথালিৰ দুটা খুঁটাৰ ওপৰৰ আলত সুমুৱাই দিয়া বাঁহ, কাঠৰ নাম চ'তি। এনেদৰে পথালিৰ খুঁটাত জোৰকৈ চ'তি দিয়া হয়। এনেধৰণৰ দীঘল চ'তি হৈছে ভৰলুৱা চ'তি। পথালিৰ পানীপোতাৰ খুঁটাৰ (পাৰিৰ খুঁটাৰ)পৰা নিদি তাৰ ওপৰৰ ভাগত কুমৰ খুঁটা দুটাত দিয়া চ'তিক ফুলচ'তি বা সৰু চ'তি বোলে। পাৰিৰ চাৰিচুকৰ চাৰিটা খুঁটাত যোৰ যোৰ কৰি দুটা চ'তি প্ৰথমতে বহুৱাই লোৱা হয়; মাজৰ পালি খুঁটাতো সেইদৰে চ'তি খুৱাই তাৰ ওপৰত দীঘে দুই পানীপোতাত দুডাল মাৰলি দীঘে দীঘে চালখনৰ সমান দীঘল কৰি বহুৱায়। ঘৰটোৰ প্ৰস্থৰ দুই মূৰৰ মাজভাগত সচৰাচৰ মুধৰ খুঁটা পোতে আৰু তাৰ ওপৰতো সেইদৰে দীঘে দীঘে মুধৰ মাৰলিটো বন্ধা হয়। কেতিয়াবা মাজত চ'তিৰপৰা মুধৰ মাৰলিলৈ মুধৰ খুঁটাৰ সলনি থিয়ভাৱে বাঁহ বা কাঠৰ টুকুৰা দি থয়; সেয়ে দমৰা বা বহিখোৰা। সেইদৰে পানীপোতাৰ চ'তিৰপৰা ফুলচ'তিৰ দুইমূৰলৈ, অথবা মুধৰ খুঁটা বা দমৰাৰপৰা বেঁকাকৈ কুমৰ খুঁটালৈ দি থোৱা ঢোকা দুডাল হ'ল ফ'কাম। মাৰলি সাধাৰণতে তিনিটা বা পাঁচোটা থাকে, ডাঙৰ হ'লেহে পাঁচোটা মাৰলি খুৱায়। মাৰলিৰ ওপৰত চালখন দোপা নপৰিবলৈ চালৰ প্ৰস্থৰ সমান কৰি একোডাল গোটা বাঁহ, সোঁ মাজডোখৰ জুইত পুৰি বা এফাল কাটি ভাঙিব পৰাকৈ মাজৰ (মুধৰ) মাৰলিত বহুৱাই দি বান্ধি দিয়া হয়। ইয়ে জালিবাঁহ। খুঁটাৰে সৈতে চ'তি আৰু মাৰলিত দিয়া গাঁঠি হ'ল নাথনি। কেতিয়াবা কাঠৰ চ'তিত পদুম আদি নানা মনোৰম ফুল কাটি চকুৰোৱাকৈ সজোৱা হয়।

ঘৰবোৰ সচৰাচৰ দুচলীয়া। জাতিবাঁহৰ গুৰিৰ ছেওৰে মূৰত আঁথি ৰাখি কৰা কামীয়েই ৰুৱা। জাতিবাঁহ বা ভলুকাবাঁহৰ আগ কিম্বা অন্য মুটকীয়া বাঁহ গোটা গোটে দিও ৰুৱা কৰা হয়। বাঁহ ফালি, চাঁচি তাৰে কামি কৰে

আৰু এই ৰুৱা আৰু কামিৰে চাল গাঁথে। ৰুৱা কামি ঘুণে নধৰিবলৈ আৰু সোনকালে নপচিবৰ কাৰণে কেইদিনমান পানীত গোঁৰাই থয়। একোটা ৰুৱাৰ বুকুফাল কাটি পাতল কৰি মূৰৰ গাঁঠিটো নিছিগাকৈ মাজত কেইবাচিটাও (দুই, তিনি বা চাৰি) কৰি কামিৰ লগত তল-ওপৰ কৰি বৈ দিয়ে; সেয়ে জেঠি।

ঘৰৰ চাল দুবিধ। দুটীয়া মোৰ বা জাওমোৰেৰে বৈ দিয়া চাল হেঁদালি চাল; তালে-ওপৰে যোৰ কামি দি মাজত জেঠিৰে বৈ গাঁঠি দি বান্ধি জিয়াখন হ'ল শীতলী চাল। চাল বান্ধিবলৈ কুমলীয়া বাঁহৰ পাতলকৈ তোলা কাঠি অৰ্থাৎ তমাল, বেতৰ সূত অথবা টেঁকীয়া লতাৰ ব্যৱহাৰ কৰা হয়। বান্ধি দিয়া চালত মতা গাঁঠি, ৰূপহী গাঁঠি, টোপা গাঁঠি বা থোপা গাঁঠি আৰু মুখত কোমোৰা গাঁঠি আদি গাঁঠি দিয়ে। মূধ, কুম আৰু পানীপোতাৰ প্ৰত্যেকডাল মাড়লিৰে সৈতে চালখন এফালৰপৰা বান্ধি যায়। ইখন চালো সেইদৰে বান্ধে। আৰম্ভণিৰেপৰা এইখিনিলৈকে কৰা কামেই হ'ল ঘৰ উভা। দুয়োখন চাল মেৰিয়াই একেলগে বান্ধিব নেপায় বুলি কয়ঃ তেনে গাঁঠিক হাতীসাঙোৰা গাঁঠি বোলে। সেই গাঁঠি দিয়া ঘৰত বাস কৰিলে সাধাৰণতে কাজিয়া লাগে বুলি বিশ্বাস। চালত গাঁঠিৰ সলনি কেতিয়াবা কেঁকোৰা বা ককোৰা দিও থোৱা হয়।

ঘৰৰ ভেটিটো পিটি ল'বৰ কাৰণে আৰু অপায়-অমঙ্গল দূৰ কৰিবলৈ প্ৰথমতে তাত গৰু বান্ধে।

সাধাৰণতে উলুখেৰ, শৰণখেৰ আৰু বৰতা খেৰেৰে ঘৰ ছোৱা হয়। পুৰণি বুকুলি খেৰো ব্যৱহাৰ কৰা হয়। তলত বুকুলি খেৰ দি ওপৰত নতুন খেৰেৰে ঘৰ ছায়। টকৌ গছৰ পাত, জেংপাত আদিৰেও ঘৰ ছায়। চালৰ লগত (ওপৰত) খেৰ পাৰি কামিৰে বান্ধি দিবলৈ বাঁহৰ দুবিধ তমাল ব্যৱহাৰ কৰে—নলীয়া আৰু পতীয়া বা পিঠীয়া। সাধাৰণতে, মূধচৰ গাঁঠিকেইটা তমালেৰে দিয়ে; তেতিয়া হ'লে সেই গাঁঠি সোনকালে পচি নাযায়।

এবাৰ খেৰ পাৰি তাৰ ওপৰত ছাৱনি কামি পাৰি বেচা বন্ধা হয়। পানীপোতাৰপৰা শাৰী শাৰীকৈ খেৰ পাৰি ওপৰলৈ অৰ্থাৎ মূধচৰ ফাললৈ



ছাই আগবঢ়া হয়। প্ৰথমতে, মুখৰ বেচা বন্ধাৰ আগতে মূধচৰ ফালটো এৰি প্ৰত্যেকখন চালৰে তিনিও ফালে বুকুলি খেৰ বা নতুন খেৰৰ গুৰিটো তললৈ চালখনৰপৰা এবেগতমান বঢ়াই দি এটা কামিৰে বান্ধি লয়; সেয়ে দবা পৰলি বা বাওচলি। এইদৰে বন্ধা ৰীতিয়েই মদালিওৱা। পানীপোতাৰপৰা মূধলৈ দুই মূৰে কাঁড় বোলে। ঘৰ চাই যোৱাৰ লগে লগে তাত পানীপোতাৰ ফালে বেঁকাকৈ নমাই খেৰ বান্ধি থোৱা হয়। প্ৰত্যেক বেচাতেই একোটাকৈ কামি দি ৰুৱাৰে (চালৰ) সৈতে তমালেৰে গাঁঠি দিয়া হয়। ইয়াত নপকীয়া বা টোপা গাঁঠি দিয়ে। পানীপোতাৰ ফালে বন্ধা বেচাৰ নাম পানীবেচা। চালৰ লগত বান্ধি থোৱা প্ৰত্যেক বেচাৰ কামিৰ নাম ছাৱনি কামি। দুয়োখন চালৰ খেৰৰ গুৰিয়ে গুৰিয়ে মূধচত লগ লাগি থকা বেচাৰ নাম হহঁৰা বেচা, সেই বেচাৰ লগত বান্ধি দিয়া কামি হহঁৰা কামি। তাৰ পিছত অগা-গোৰাকৈ মূধচটোত খেৰ পৰা হয় আৰু আগৰেপৰা মিলাই অনা কাঁড়টোৰ লগত, একোটা খেৰৰ ভিতৰ (ওপৰ) ফালে গুৰিটো মিলাই আগটো মেলি দিয়ে। হহঁৰা কামি দুটাত খুঁচি বেঁকাকৈ সেই খেৰখিনি নপৰিবৰ কাৰণে ম'ৰা কামি দিয়ে। কাঁড়ৰ লগত মিলাই তেনেকৈ মেলি দিয়া খেৰ হ'ল ম'ৰা মেলা। তাৰ ওপৰত মূধচৰ কামি দুটা বান্ধি উঠি নপচিবৰ কাৰণে খেৰেৰে একোটা গঁৰিলা দিয়া হয়। গঁৰিলা বান্ধি দিয়া গাঁঠিয়ে হ'ল আল গাঁঠি। মূধচ মাৰি তমালেৰে বান্ধনি গাঁঠি একোটা দি ওপৰলৈ থিয় কৰি খুঁচি থয় আৰু ঘৰটোত পানী এছাটি মাৰি ছোৱা কাম সম্পূৰ্ণ কৰে। পানীপোতাৰ পিনে চালতকৈ বঢ়াই ৰখা খেৰেই আওলা। কোনোৱে আকৌ বেৰৰপৰা বাহিৰত থকা চালৰ চাৰি কোণৰ অংশকহে আওলা বোলে। আগবাঢ়ি থকা খেৰখিনি আওবাৰে নাকাটি শুভবাৰে কটা নিয়ম।

দুচলীয়া ঘৰৰ বাহিৰে তিনিচলীয়া, চৌচলীয়া আৰু টুপ দিয়া ঘৰ আছে। টুপ দুবিধ—গোলমূৰীয়া আৰু হাত কোকৰীয়া। এইবোৰ ঘৰো একে প্ৰণালীৰেই ছোৱা আৰু সজা হয়। চাৰিটা খুঁটা পুতি বা কোনো ঘৰৰ মূধৰ ফালে এখন চাল দি থ'লে তাক চালি বোলে। মূধটো বেছি ওখ নহ'লে সেই ঘৰক চন্দা পৰা বোলে।

দুই ঘৰৰ মাজতো বৰষুণৰ পানী নপৰিবলৈ চোৰা আদি গছৰ এফাল

খুলি নাওৰা দিয়া হয়। নাওৰাৰ মুখৰ পানী চোতালৰ যি ঠাইত পৰে, সেই ঠাইত পানী জোৰেৰে পৰি খাল নকৰিবলৈ বাঁহৰ খোকা এটাৰ ওপৰলৈ মুখ কৰি পুতি তাৰ তলত খেৰ পাৰি দিয়ে। বেৰৰ ওপৰভাগত মূধৰ ফালে সৰা বা ঢাপলি (ঢাপলিকা) বান্ধি দিয়ে। টুপতি তেনেকৈ বান্ধি দিয়া ঢাপলিকাখনেই ছৈ। নামঘৰৰ মূধত দিয়া চালিৰ নাম ঢেঁকেৰী চালি। আসন থকা ঠাইৰ ওপৰ ভাগত আমহি ঘৰ সাজি দিয়ে।

থকা ঘৰতকৈ ভঁৰাল ঘৰ সজাৰ প্ৰণালী অলপ সুকীয়া। ধান থ'বলৈ যিখন চাং সজা হয় তাত প্ৰথমে গছৰ মুঢ়া বা শিলৰ থুম বা ধুম দিয়ে। তাৰ ওপৰত কাঠৰ দীঘল থাম দি গাধৈ বান্ধে। গাধৰি বা গাধৈত চোংহলাৰে বেৰ দিয়ে। সেই চোংহলাৰ লাজত বান্ধি দিয়া যোৰ কামিৰ নাম সৰাহ বা খামোচা। গাধৈত থিয় কৰি দিয়া বাঁহৰ ছটাবোৰ হ'ল লিটিকাই; কোনোৱে মেৰধৰা কামিকো লিটিকাই বোলে। দুখন বেৰৰ মূৰত বাঁহৰ চোঁচ দি জোৰা লগাই পোলা বন্ধা হয়।

বাঁহৰ চোঁচ বা হলাৰে ভঁৰাল ঘৰত বেৰ দিয়া হয়। গাধৈ অজলা মোৰ্ব্বে বয়। ভঁৰালৰ বেৰবোৰৰ ভিতৰ ফালে, মেৰ আৰু ডুলি আদি অকল গোবৰেৰে লেও দিয়ে।

গৰু, ম'হ, ছাগলী আদিৰ কাৰণে গোহালিঘৰ সাজি দিয়াৰ উপৰিও ছাগলীৰ কাৰণে ওখ চাংঘৰ অথবা গোহালি ঘৰৰ ভিতৰতে চাং সাজি দিয়া হয়।

পাৰ চৰাইৰ কাৰণে টঙিঘৰ বা বাহ একোটা সাজি দিয়ে। হাঁহ-কুকুৰা আৰু গাহৰি আদিৰ কাৰণে বাঁহৰ কামিৰে ঘৰা বৈ মাটিত পুতি দিয়ে আৰু এটা বাট কাটি দিয়ে। শিয়াল-কুকুৰে খাব বা নিব নোৱাৰাকৈ ওপৰটোত ঢাকনি এখন দি বান্ধি দিয়া হয়। এনে ঘৰকে গড়াল বোলে। ঘৰৰ খুঁটা আদি সলাবলৈ চাল দাঙি দিয়া ঢোকাৰ নাম খৰ্চনা। ঘৰ কেনিবা উৰুখিলে খোঁচা মাৰি পানী নপৰা কৰে।

থকা, খোৱা, শোৱা আদি ঘৰ, নামঘৰ আৰু ভঁৰালঘৰৰ বাহিৰে আনঘৰ



সাধাৰণতে বেৰ দিয়া নহয়। বাঁহৰ চোঁচ বা হলা, ইকৰা, বাঁহৰ কাঠি আদিৰে গুঁঠি, বৈ বা বান্ধি সাধাৰণতে বেৰ দিয়া হয়। বেৰৰ নিচেই তলত বেৰখন মাটিত লাগি নপচিবলৈ গোটবাঁহেৰে গঁৰিলা বা বাৰতা দিয়ে। এটা বাঁহৰ এফালতকৈ কম অংশ এৰুৱাই খুলি তাত বেৰখনৰ তলত মূৰটো সুমুৱাই খঁবুৱা বান্ধি দিয়ে; বাৰতাৰ ওপৰত খঁবুৱা আৰু তাৰ ওপৰত বেৰখন থাকে। খুঁটাৰ লগত বাহিৰ ফালৰপৰা খ'বুৱা আৰু বাৰতাক সাৱটি ধৰি থকাকৈ, একো টুকুৰা বাঁহৰ ওপৰৰ ভাগৰ এফাল কাটি পেলাই, কটা ফালটো ভিতৰ ফালেদি মাটিত পুতি খুঁটাৰে সৈতে বান্ধি দিয়া হয়। সেইটুকুৰা বাঁহেই কুকুৰ। বেৰখনৰ ওপৰৰ ভাগটোতে তেনেকৈ খুঁটাৰ লগত বাহিৰ ফালৰপৰা শকত কামি একোটা দি মাজত বেৰখনেৰে সৈতে খুঁটাত বান্ধি দিয়ে। খুঁটাৰে সৈতে বেৰখনৰ বাহিৰ ফালে গাঁঠিৰে মেৰিয়াই ধৰা ফলীয়া বাঁহচটা হ'ল সাৱটা। চুকত, য'ত দুখন বেৰ যোৰা লাগে, তাত বাঁহৰ চোঁচ বা এমুঠি ইকৰাৰে বান্ধি দিয়ায়ে হ'ল পোলা বন্ধা। গোবৰ আৰু মাটি মিহলাই বোকা কৰি তাৰে শিপা হয়; আঠা হ'বৰ বাবে তুঁহগুৰি আৰু খাঁলিহেঁও মিহলায়। বেৰৰ ৰং উজ্জ্বল হ'বলৈ উঁইমাটি নাইবা ৰঙা মাটিৰেও এলিপা দিয়ে। কোনো কোনোৱে এই উদ্দেশ্যে কেতিয়াবা কেঁকোৰা গাঁতৰ মাটিও ব্যৱহাৰ কৰে।

দুৱাৰ বা খিৰিকীৰ চৌকাঠ কেতিয়াবা বাঁহেৰেও লগায়। বাঁহৰ চোঁচেৰে বা কাঠিৰ কিম্বা কাঠেৰে দুৱাৰ সজা হয়। বাঁহৰ কাঠিৰে দুৱাৰৰ মাজত বাঁহপাত, টোপৰৰ পাত অথবা টকৌগছৰ পাত দিয়ে, ডাং দিয়ে। দুৱাৰ শলখা লগোৱা দুৱাৰ আৰু চোঁচনি দুৱাৰ আদি বিবিধি ধৰণৰ দুৱাৰ। বাহিৰ-ভিতৰ দুয়ো ফালৰপৰা জপাই থ'ব পৰাকৈ দুৱাৰত ডাং বা শলখা লগোৱা হয়। দুৱাৰৰ তলত গঁৰিলা বা দুৱাৰডলি দিয়ে। মাজত শলখাৰ সলনি কাঠৰ দুৱাৰত ভেকুলীও লগায়। দুৱাৰৰ ওপৰফালে এখন ঢাপলিকা বান্ধে। দুৱাৰখন ঘূৰিবলৈ ঘূৰঘূৰি দিয়ে।

এটা কোঠালিৰপৰা আন এটা কোঠালিলৈ যোৱা বা এটা ঘৰৰপৰা আন এটা ঘৰলৈ যোৱা দীঘলীয়া বাটক দীঘলী বাট বোলে। এটা চ'তিৰপৰা আন এটা চ'তিলৈ বাঁহ পাৰি সাজি নিয়া চাঙক আটাল বোলে।

ঘৰৰ অন্য অপৰিহাৰ্য অঙ্গ হৈছে আগ আৰু পাছপিনৰ চোতাল দুখন। অসমীয়া লোকগীতত চোতালৰ মনোৰম বৰ্ণনা আছে। গাঁৱলীয়া মানুহৰ অৱসৰ বিনোদন মন কৰিব লগীয়া। পুৱা-গধূলি অৱসৰৰ সময়ত ওচৰ-চুবুৰীয়াৰ লগত ইয়াতে মেল মাৰে, জহকালি জুৰ লয়, জাৰকালি জুই পুঁৱায়, পথাৰৰপৰা ধান আনি থয়, মৰণা মাৰে, চলা জৰা কৰে, আজৰি সময়ত বাঁহ-বেতৰ কাম কৰে। মাক-বুঢ়ীমাকে সন্ধিয়া নিচুকনি গীত গাই, সাধুকথা শুনাই কেঁচুৱাক শুৱায়, তাঁত- বাতি কৰে, ধান-চাউল ৰ'দত দিয়ে। ৰভা পাতি চোতালত উৎসৱ-অনুষ্ঠান পালন কৰা হয়। অসমীয়া লোক-জীৱনৰ লগত চোতালৰ এশ-একুৰি সম্বন্ধ।

চোতাল সৰা-মচা আৰু ঘৰৰ মজিয়া সাৰিবলৈ তামোল পাতৰ শোটা, নাৰিকলৰ বাঢ়নী, বাঁহৰ কাঠিৰ বাঢ়নি আদিৰ ব্যৱহাৰ কৰা হয়। ঘৰৰ জাৱৰ আৰু চৰুৰ ছাই আদি পেলোৱাৰ নিৰ্ধাৰিত তিথি, দিন আৰু সময় আছে। সেইদৰে বাহী ঠাই-চোতাল নিতৌ সৰা-মচা কৰিব লাগে। খোৱা-বোৱা কৰা মজিয়া হাতেৰে পানী দি মচা হয়। চুৱা-পাতনি আৰু চোতাল সৰা শোটা বেলেগ। সেইদৰে বাহী ঠাই আৰু সজ ঠাই সৰা শোটাও বেলেগ বেলেগ। পাকঘৰ বা ৰান্ধনি ঘৰ সাৰিবলৈ ধুতি-শোটা আৰু মচিবলৈ নেচাৰ ব্যৱহাৰ কৰা হয়। গোবৰ আৰু বগা মাটিৰে ঠাই মচা হয়। কলগছৰ বৌখা, মৰাপাট বা ফটা কপোৰৰ সোপাৰে নেচা কৰি লয়। অম্বুবাচীত তিনি বিহুত, অশৌচৰ অন্তত, গ্ৰহণত চৰু-হাড়ি ধুই পুৰণি নেচা-শোটা পেলাই নতুনকৈ লোৱা হয়। এইবোৰ সংস্কাৰৰ কাৰণেই গাঁৱলীয়া মানুহৰ ঘৰ-চোতাল সদায়ে পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকে।

ঘৰৰ লগত ভালেমান বিশ্বাসজড়িত আচাৰ-অনুষ্ঠান আছে। গাঁৱলীয়া জীৱনত সেইবোৰৰো বিশেষ মূল্য আছে। তাৰে কেতবোৰ হ'ল—নতুন ঘৰ লোৱা উৎসৱৰ বাহিৰেও ন-ছোৱালীক ঘৰ গচকোৱা বিবাহৰ আনুষঙ্গিক পৰ্ব।

অন্যান্য বিশ্বাসৰ ভিতৰত ঘৰৰ পানীপোতাত আৰু দুৱাৰডলিত বহাৰ নিষেধো এটা। দুৱাৰ ভৰিৰে গুৰিয়াব নাপায়—তাত ঈশ্বৰ বা ঘৰ-জেউতি (লক্ষ্মী) থাকে বুলি বিশ্বাস।



কাৰোবাৰ ঘৰত জুই লগাৰ বাতৰি পালে বা দেখিলে নিজৰ ঘৰত পানী এলোটা ছটিয়াব লাগে; আনকো সেই খবৰ দিব লাগে।

পদুলিৰ মূৰত সিজু, আকণ, বাহক আদি গছ ৰুব লাগে। আকণ গছ থাকিলে কলেৰা নহয় বুলি বিশ্বাস। বাৰীত থকন গছ থাকিলে থকন-খৰিয়াল (কাজিয়া) লাগে বুলি কোৱা হয়। আকৌ, "আগফালে তেঁতেলি পিছফালে ঔ; সেইঘৰৰ মানুহ মৰিলনে নৌ।"

ঘৰত শগুণ, হুদু আদি চৰাই পৰা অমঙ্গল। এনে হ'লে সাধাৰণতে ঘৰটোৰ মুধচটো খুলি পেলাই দিয়া নিয়ম। যি ঠাইত চৰাইটো পৰে, সেই ঠাইৰ তলৰ মাটিও খান্দি পেলাই দিয়া হয়। ঘোৰপতা সাপ, সোণ-গুই আদি ঘৰৰ ভিতৰত সোমোৱা বেয়া। এনেবোৰৰ ক্ষেত্ৰত সহস্ৰ নাম পাঠ, জ্ঞাতি-ভোজন বা নাম-কীৰ্তন কৰোৱাব লাগে।

ভাদ, কাতি, পুহ, মাঘ আৰু চ'ত মহীয়া ঘৰৰ কাম কৰা নহয়। অগ্নিশৰতো ঘৰৰ কাম কৰা নিষেধ। সাতাইছটা নক্ষত্ৰৰ ভিতৰত শেষৰ সাতোটা নক্ষত্ৰত অগ্নিশৰ লাগে। অমাৱস্যা আদিতো ঘৰ ছোৱা, ভেটিবন্ধা নিষেধ।

ব'হাগ মাহৰ প্ৰথম দিনা নাহৰ গছৰ পাতত গোৰোচনা আৰু কুঙ্কুমেৰে কৰা চিএগাহীৰে তলৰ মন্ত্ৰটো ব্ৰাহ্মণ, দৈৱজ্ঞ, গোসাঁইৰপৰা লিখাই ঘৰৰ চালত খুঁচি থ'ব লাগে। এই মন্ত্ৰটো এনেকৈ লিখা থাকিলে বিদ্যুৎ আৰু অগ্নিৰ ভয় নাথাকে ঃ

দেৱ দেৱ মহাদেৱ বিৰূপাক্ষ ত্ৰিলোচন।
বাতবৃষ্টিহৰং দেৱ মহাদেৱ নমস্তুতে।।
জৈমিনিশ্চ সুমন্তুশ্চ বৈশম্পায়নমেৱচ।
পুলস্তি পুলহশ্চৈৱ পঞ্চৈতে বজ্ৰবাৰণাঃ।।
মুনিকল্যাণমিত্ৰস্য জৈমিনেশ্চানুকীৰ্ত্তনাৎ।
বিদ্যুদগ্নি ভয়ং নাস্তি লিখিতস্য গৃহোদৰে।।

নতুন ঘৰ প্ৰথমে লোৱাৰ আগতে গোবৰ-মাটিৰে ঠাই মচি তাত নাম-কীৰ্তন কৰে আৰু তাক ঘৰলোৱা-সবাহ বোলে। তাৰ আগতে ঘৰটোত শান্তি-পানী ছটিয়ায়।

ঘৰ, ঘৰ সজা, ঘৰৰ সা-সঁজুলি আদিক কেন্দ্ৰ কৰি ভালেমান গীত-মাত, প্ৰবচন, উপমা, দৃষ্টান্ত, যোজনা, ফকৰা শাও-শপনিৰ সৃষ্টি হৈছে। নিদৰ্শনস্বৰূপে কেইটামান উদ্ধৃতি দিয়া হ'ল ঃ

চুটিখেৰৰ বেচা ঘন, তোমালৈ যাবৰে মন। (বিহুগীত)
উকখা ঘৰত বাৰিষা বাসা, যুৱতী কন্যা ঘৰত ৰাখা।
বৰঘৰৰ মেকুৰী সৰু বৰলৈ যায়।
ঢাকোন পেলাই পঁইতা খায়।।
আগবাৰী শুৱনি কাকিনী তামোলে, পাছবাৰী শুৱনি পাণ।
বৰঘৰ শুৱনি জীয়ৰী ছোৱালী উলিয়াই দিবলৈ টান।।
ঘৰ ছাই নকৰে মূধচ, তাৰ সমান নাই কুদ্ধচ।
বৰাৰ ঘৰ তৰাৰ গাঁঠি, বৰা নো থাকিব কেই ৰাতি?
শাল-সোণাৰু, কঁহিৰৰ এফাল।
ইকৰাই বোলে, মই নিতিতিলে যাওঁ কতকাল।

ঘৰৰ লগত সম্বন্ধ থকা বাক্যাংশ ঃ

ঘৰভঙা, ঘৰসুন্দৰী, ঘৰপতা, ঘৰৰ ধৈণী, ঘৰ-জোঁৱাই, ঘৰতে শকত, ঘৰচীয়া, ঘৰ-গচকোৱা, ঘৰে-দুৱাৰে খোৱা, ঘাই খুঁটা, বৰ খুঁটা, ঘৰ চপনীয়া ইত্যাদি।

শাও-শপনিত প্ৰয়োগ হোৱা বাক্যাংশ ঃ

ভেটি উছন্ন হোৱা, ভেটিত তিতা লাও গজা, মাটিতে ভেটিয়ে খন্দা, পোলাকটা চোৰ, ঘৰতে বুঢ়ী হোৱা।

গৃহ নিৰ্মাণ কাৰ্যত গাঁৱলীয়া জীৱনৰ কেইবাটাও বৈশিষ্ট্য পৰিলক্ষিত হয়। প্ৰথম, প্ৰাচীন ৰীতিৰ প্ৰতি শ্ৰদ্ধা; পুৰণি পদ্ধতি কেৱল ঘৰৰ আৰ্হি আৰু ঘৰ সজা কাৰ্যতে অনুসৰণ কৰা নহয়—ঘৰৰ লগত সম্বন্ধ থকা ভালেমান ক্ৰিয়া-অনুষ্ঠানো পূৰ্বৰ দৰে গাঁৱলীয়া মানুহে আজিও পালন কৰে। দ্বিতীয়তে, ইজন-সিজনৰ আৰু কেতিয়াবা সমূহ গঞাৰ (যেনে, নামঘৰ নিৰ্মাণত) সহায়তহে গৃহ নিৰ্মাণ সম্ভৱপৰ হয়। আগৰ দিনত গঞাই লগ লাগিহে বছৰটোৰ কাৰণে খেৰ, ইকৰা, বেত আদি মাঘ-ফাগুন মাহত হাবিৰপৰা কাটি আনিছিল। ডেকাৰপৰা বুঢ়ালৈকে সকলোৰে তমাল তুলুৱাৰপৰা মূধচ



মৰালৈকে ঘৰ সজাৰ সকলো কাম কৰিব পৰাটোও গাঁৱলীয়া স্বাৱলম্বী জীৱনৰ অন্যতম বৈশিষ্ট্য।

## ২. নামঘৰ নিৰ্মাণ

অন্যান্য ঘৰৰ দৰেই অসমৰ বৈষ্ণৱীপন্থী গাঁওবিলাকৰ প্ৰায় প্ৰত্যেকখনত একোটিকৈ নামঘৰ আছে। সত্ৰত ইয়াক কীৰ্তনঘৰ বোলে, আৰু জাতীয় ৰঙ্গমঞ্চ আৰু দৈনন্দিন প্ৰাৰ্থনা আদি কামৰ কাৰণে ৰাইজে সমিল-মিলভাৱে কৰি লোৱা ঘৰক নামঘৰ বা গোঁসাই ঘৰ বোলে। ৰাজহুৱা কাম কৰাক 'হজ' কৰা বোলা হয়। নামঘৰ সাজোঁতেও ৰাইজে পাল পাতি হজ কৰে। একো একোটি দলে পাল পাতি ইয়াৰ নিৰ্মাণকাৰ্য সম্পন্ন কৰে।

নামঘৰ বুলিলে সাধাৰণতে দুটা আৰু কেতিয়াবা একেলগে তিনিটা বা চাৰিটা ঘৰকো বুজায়। সেয়ে হৈছে—বাটচ'ৰা, ছোঁ ঘৰ আৰু মণিকূট। প্ৰথমতে বাটচ'ৰাটো দুচলীয়াকৈ সৰু কৰি সজা হয়। কোনো কোনো ঠাইত বাটচ'ৰা নাথাকে। কেতিয়াবা তাৰ সলনি সৰুকৈ চালি এখন দিয়া হয়; সেয়ে ঢেঁকেৰী-চালি।

নামঘৰ পুবা-পছিমাকৈ সাজে; পছিমৰ মূৰত এটা টুপ থাকে। টুপৰ কাৰণে বেঁকা মাড়লিডাল বাঁহৰ কামিৰে সাজি তাৰ ওপৰত মৰাপাট বা বেত মেৰিয়াই দিয়া হয়। টুপটো যি ঠাইৰপৰা দিয়া হয়, মূধচৰ সেইখিনিত ঘূৰণীয়া কাঠ এটুকুৰা নাল ৰাখি নালটো মূধচৰ মাড়লিত সুমুৱাই দিয়ে। টুপৰ পিনৰ মুল দুৱাৰখনেই হৈছে মুখ দুৱাৰ। দুৱাৰৰ দুয়োকাষে আৰু ওপৰৰ কাঠত পদুম ফুল, লতা আদি কাটি দিয়ে; তাক মেহৰাজী কৰা বোলে। দুৱাৰত সিংহ কাটি দিলে হয় সিংহদুৱাৰ। আন ফুল, লতা আদি কটা দুৱাৰক ফুল-তেতেলা-কটা দুৱাৰ নাম দিয়া হয়।

সাধাৰণতে, নামঘৰ তিনি, পাঁচ বা সাত কোঠালিৰ হয়। টুপৰ ভাগ বাদ দি শেষৰ কোঠালিৰ উত্তৰ বা দক্ষিণ পিনে তিনিটা খুঁটাৰে ওখ চাং এখনত দবা থয়। বাহিৰৰপৰা ধৰিব পৰাকৈ দুৱাৰত কলচী আৰু ভিতৰৰপৰা বন্ধ কৰিব পৰাকৈ শলখা লগোৱা হয়। নামঘৰৰ দীঘৰ দুয়োকাষে দিয়া দুৱাৰক পেটদুৱাৰ বোলে।

সাধাৰণতে, চ'তিবোৰতো পুদুমফুল আদি ফুল কাটি দিয়ে আৰু নাইখুঁটা থকা বৰচ'তিতে ঘৰ সজাৰ চন তাৰিখ কাটে। দুয়োকাষে চ'তিত বাঁহ পাৰি আটাল বা চাং সাজি দিয়ে আৰু বেলেগে ছোঁ ঘৰ নাথাকিলে তাতে ছোঁ-মুখা থয়।

পূবৰপৰা প্ৰথম কোঠালিটো আসনৰ কাৰণে এৰি, দ্বিতীয়বোৰ খুঁটাৰ উত্তৰৰটোক লাইখুঁটা বোলে। তাত অধিকাৰ বা গোঁসাইবোৰ বহে। তাৰ দক্ষিণ আসনৰ ওচৰতে ব্ৰাহ্মণসকলৰ স্থান। নামঘৰৰ উত্তৰফালে আইসকল বহে। লাইখুঁটা থকা কোঠালিৰপৰা ক্ৰমে পছিমফালে সাধাৰণ শ্ৰেণীৰ সকলোৰেই বহিব পাৰে। শৰণ, ভজন আৰু মালবস্তু লোৱা বা উদাসীন ভকতসকল আৰু অন্যান্য জাতি যথাক্ৰমে আগশাৰী পাবৰ যোগ্য। অনুন্নত শ্ৰেণীৰসকলক সাধাৰণতে পিছৰ শাৰীত টুপৰ ফালেহে বহিবলৈ দিয়ে।

নামঘৰৰ প্ৰথম কোঠালিত সিংহাসন থাপনা কৰে। কাঠত কটা গৰুড়, হনুমান, লাড়ুৰা-গোপাল আদি মূৰ্তিৰে সেই কোঠালিটো সজোৱা হয়। আসনৰ বাওঁফালে বন্তি লগাবলৈ কাঠৰ, লোহাৰ বা পিতলৰ গছা থাকে। এক বন্তিজ্বলাৰ পৰা হেতা-গছা হৈছে শইকীয়াগছা। ভাওনা আদিত চৌতৰা, মহটা আৰু আৰিয়া জ্বলাই পোহৰৰ ব্যৱস্থা কৰা হয়।


আসন বা সিংহাসন তিনি, পাঁচ, সাত বা ন খলপা কৰি চাৰি চুকে চাৰিটা হাতীৰ ওপৰত সিংহ কাঠত কাটি প্ৰত্যেক খলপাতে লগোৱা হয়। তাতে আসনৰ লেখনিপাট চাৰিখন থাকে। লেখনিপাটত দশাৱতাৰ বা চতুৰ্বিংশতি অৱতাৰৰ ছবি, অথবা ফুল-লতাৰ ছবিখনিকে হেঙুল-হাইতালেৰে বোলোৱা হয়। লেখনিপাটৰ ওপৰত পাৰণিপাট থোৱা হয়। তাৰ ওপৰত আকৌ সিংহ; লেখনিপাট আৰু পাৰণিপাটবোৰ দি খলপাবোৰ সজোৱা হয়। নিচেই ওপৰৰ ভাগৰ পাৰণিপাটত চাৰিচুকে সৰু সৰুকৈ চাৰিটা কাঠৰ খুঁটি দিয়া হয়; সেই খুঁটিৰপৰা ছিটিকা দি আমৰি ঘৰ বা আমহি ঘৰ সাজে। এই খলপাৰ সমুখৰ দুৱাৰমুখৰ দুয়ো কাষৰ থিয় পাট দুখনত দ্বাৰৰক্ষক জয়-বিজয়ৰ ছবি আঁকা হয়। সেই খলপাতে থাপনাৰ পুথি স্থাপন কৰি কাপোৰেৰে ঢাকি থয়। কেউকাষৰ খলপাৰ সমুখৰ ভাগত গোঁসাই কাপোৰ আৰু তাৰ ওপৰত সোণ বা ৰূপৰ ফুল থাকে। গোঁসাই-কাপোৰত শিপিনীয়ে



নানা ধৰণৰ ফুল, অৱতাৰৰ ৰূপ বা ঘোৰা আদি কাপোৰ বওঁতেই তুলি যায়। আমহি ঘৰৰ ওপৰত পিতল, কাঁহ নাইবা কলচী লগোৱা থাকে। সিংহাসনৰ ওপৰত চন্দ্ৰতাপ আঁৰা হয়। আসনৰ নিচেই তলত শিল বা কাঠৰ ঠকুৰা দিয়ে।

আসনৰ দক্ষিণফালে পাঠৰ পুথি আৰু ঠগি বা ঠগা থাকে। ঠগা কেইবাবিধৰো। একে টুকুৰা কাঠৰপৰা দুজপীয়াকৈ কাটি উলিওৱাখন হ'ল জাপ ঠগা। তলত কছ, তাৰ ওপৰত হাঁতী, তাৰ ওপৰত সিংহ আৰু একেবাৰে ওপৰৰ পাটখন কাঠত কাটি দিয়া হয়। মণিকূট নথকা নামঘৰৰ এই কোঠালিতে মাহপ্ৰসাদ যোগাৰ কৰা হয়; কাঁহ, তেল, সলিতা আদি নামঘৰৰ যাবতীয় বস্তু এই প্ৰথম কোঠালিটোতে থয়। সাজৰ পিঠাগুড়ি খুন্দা উড়ল, উড়লমাৰি, দলা আৰু গুড়ি চালনীও নামঘৰতে ৰখা হয়।

লাইখুঁটাৰ পছিমৰ কোঠালিৰ মাজতে শিৰত নাম-লগোৱা বহে। তেওঁৰ সোঁফালে পথালিকৈ মূল দোহাৰজন আৰু অন্য দোহাৰৰ লোক সকলো তেওঁৰ দৰেই শাৰী পাতি আগলৈ বহে। বাওঁফালেও দোহাৰৰ শাৰী বহে। নাম-লগোৱাৰ পিছতে পালিৰ শাৰী বহে। সেইদৰে অন্যসকলো শাৰী পাতি বহে। গোঁসাইসকলৰ ভিতৰত নাম লগোৱা নহ'লে নাম লগোৱাজনৰ উত্তৰফালে পথালিকৈ এইদৰে বহিব লাগে—



অশৌচ আদি লাগিলে কেঁচা অশৌচীয়া অৰ্থাৎ এঘাৰ দিন নোযোৱালৈকে যিকোনো মানুহেই টুপৰ ফালেহে মাথোন বহিব পাৰে। মৰা অশৌচ হ'লে কোনো কোনো ঠাইত এঘাৰ দিন নোযোৱালৈকে নামঘৰত সোমাবলৈ দিয়া নহয়।

ভাওনা আদিত টুপৰ কোঁঠালি বাদ দি তাৰ আগৰ কোঠালিত গায়ন-বায়ন বাহে। মূল গায়নজন বাওঁফালে আৰু পালি গায়নসকল তেওঁৰ শাৰীতে যথাক্ৰমে সোঁফালে বাহে। মূল বায়নজনো গায়নৰ শাৰীৰ দক্ষিণফালে পাথালিকৈ মাজলৈ (উত্তৰলৈ) মুখ কৰি বহে। অন্য বায়নসকল তেওঁৰ শাৰীতে আগলৈ বহি যায়, অথবা উত্তৰফালেও দক্ষিণলৈ মুখ কৰি শাৰী পাতি বহে। মাজখিনি ভাৱৰীয়াৰ কাৰণে মুকলিকৈ ৰখা হয়।

নামঘৰৰ পূবত নামগোৱা, আসন থোৱা, পুথি-পাঁজি আৰু অন্যান্য লাগতিয়াল বস্তু থকা মণিকূট ঘৰটি দুচলীয়াকৈ নামঘৰৰ পথালি কৰি সজা হয়। কোনো কোনো নামঘৰত মণিকূট নাথাকে। নামঘৰত থকাৰ দৰেই মণিকূটতো বেলেগে আসন, গছা, থগা, তাল আদি থাকে। শৰণ, ভজন আৰু মালাবস্ত্ৰ লোৱা পুৰুষকহে কেৱল মণিকূটৰ ভিতৰত সোমাবলৈ দিয়া হয়, সাধাৰণতে তিৰোতাৰ তাত প্ৰৱেশ নিষেধ।

কোনো কোনো সত্ৰত মণিকূটৰ দৰেই খৰমঘৰ আৰু পদশিলা ঘৰো বেলেগভাৱে থাকে। কোনো কোনো অঞ্চলত ভাৱৰীয়াই সাজ-পাৰ কৰিবলৈ আৰু চোঁ-মুখা আদি থ'বলৈ নামঘৰৰ ওচৰতে সৰুকৈ চোঁঘৰ একোটা সজা হয়।

•••

# সাজ-পাৰ

সভ্যতা-সংস্কৃতিৰ অন্যতম পথ নিৰ্দেশক সাজ-পাৰ আৰু অলঙ্কাৰ পাতি। জাতিৰ সাজ-পাৰ আৰু তাৰ উপকৰণত ওপৰত ভৌগোলিক প্ৰভাৱ আৰু ব্যৱহাৰিক প্ৰয়োজন অস্বীকাৰ কৰিব নোৱাৰি। তথাপি, সাজ-পোছাকৰপৰা বৰ্ণ, শ্ৰেণী, বিবাহিত, অবিবাহিত, বয়স, লিঙ্গ—এই প্ৰভেদসমূহৰো সংকেত পায়। পুৰোহিত-ব্ৰাহ্মণ, মহন্ত-সত্ৰাধিকাৰ, বৈৰাগী-সন্ন্যাসীৰ লগত সাধাৰণৰ সাজ-পাৰৰ আজিও পাৰ্থক্য আছে। বিধৱা-সধৱাৰ অথবা বিবাহিতা তিৰোতা আৰু পাটগাভৰু ছোৱালীৰ সাজ-পাৰ একে নহয়; ধনী-দুখীয়াৰ প্ৰথম পৰিচয় বেশ-ভূষাতে। সাজ-পাৰে যিদৰে শ্ৰেণী-বিভাজন সূচায়, সেইদৰে ব্যক্তিত্বৰ ওপৰতো সাজ-পাৰে বিশিষ্ট মৰ্যাদা দিয়ে। এই সাজ-পাৰতেই জাতিৰ শ্লীলতা, আৰ্থিক অৱস্থা, সৌন্দৰ্যপ্ৰিয়তা, শিল্পীমন, সুকুমাৰ প্ৰতিভাৰ প্ৰকাশ।

ধাৰ্মিক আৰু সামাজিক জীৱনৰ লগতো বস্ত্ৰ-অলঙ্কাৰৰ বিশেষ সম্বন্ধ। পূজা-পাৰ্বণত কেৱল পূজাৰীয়ে নহয়, সেবকেও পাট, নৱ-বস্ত্ৰ অথবা ধৌত-বস্ত্ৰ পৰিধান কৰিব লাগে। মন্ত্ৰ-সাধনত আৰু কোনো কোনো পূজা-অৰ্চনাত ৰঙা কাপোৰ পিন্ধাৰ নিয়ম। দুৰ্গাপূজাত নতুন কাপোৰ পিন্ধাৰ নিৰ্দেশ কালিকা পুৰাণে দিছে। বিবাহত, ঘাইকৈ প্ৰতিদিনৰ নোৱানিৰ পিছত, দৰা-কন্যা উভয়ে নতুন বস্ত্ৰ পিন্ধিব লাগে। পুৰণি বস্ত্ৰ আঁতৰাই নতুন বস্ত্ৰেৰে মৃতকৰ দেহ ঢকাৰ বিধি শাস্ত্ৰীয়। গুৰু-গোসাঁই অথবা নামঘৰত সেৱা জনালে কান্ধত চাদৰ বা গামোচা গলবস্ত্ৰৰূপে ল'ব লাগে।

বস্ত্ৰদান পুণ্যকাৰ্য। দুৰ্গাপূজাত, ব'হাগ-বিহুত ন-কাপোৰ ব্যৱহাৰ কৰাৰ বাহিৰেও পৰিয়ালবৰ্গ আৰু আত্মীয়-কুটুম্বৰ মাজত বস্ত্ৰৰ আদান-প্ৰদান চলে।

পূৰ্বে ৰজা-ঘৰলৈ পঠোৱা সন্দেশ-বাৰ্তাৰ লগত বস্ত্ৰ-অলঙ্কাৰো উপঢৌকনস্বৰূপে পঠোৱা হৈছিল। ভাস্কৰবৰ্মাই হৰ্ষবৰ্ধনলৈ পঠোৱা উপঢৌকনৰ ভিতৰত মহামূল্য অলঙ্কাৰ আৰু চিত্ৰ-বিচিত্ৰ পাট-কাপোৰৰ উল্লেখ আছে। আহোম স্বৰ্গদেউ সকলে মোগললৈ পঠোৱা উপহাৰৰ ভিতৰত নানা ধৰণৰ বস্ত্ৰ-অলঙ্কাৰ আছিল।

বিবাহ-মৃত্যু অনুষ্ঠানত আৰু বছৰেকীয়া কৰ হিচাপে গুৰুঘৰলৈ বস্ত্ৰ আগবঢ়োৱা ৰীতি এতিয়াও প্ৰচলিত। নৱ-বস্ত্ৰ আগবঢ়াই দৰা-কন্যাই মানীজনক সেৱা জনোৱা অসমীয়া বিবাহৰ প্ৰাসঙ্গিক অনুষ্ঠান।

বস্ত্ৰদান যিদৰে সম্মানৰ কাৰ্য, বিবস্ত্ৰীকৰণ সেইদৰে অসন্মান আৰু অপমানজনক। 'নাঙঠ-কৰিম'— এইযাৰ ডাঙৰ গালি। তিৰোতাক পুৰুষৰ আৰু পুৰুষক তিৰোতাৰ কাপোৰ পিন্ধোৱাও অসন্মানৰ কথা। অসমীয়া লোক-বচন আৰু সাহিত্যত সাজ-পাৰ সম্বন্ধীয় বহু উক্তি আৰু বৰ্ণনা আছে। এইবোৰৰ সংকলন হ'লে অসমীয়া মানুহৰ সাজ-পাৰ সম্বন্ধীয় প্ৰাচীন ধৰণ-কৰণৰ বিষয়ে জনা যাব।

পুৰণি অসমীয়া সাজ-পাৰৰ বিষয়ে এতিয়ালৈকে আমি নিচেই কম বিৱৰণহে পাইছোঁ। এই বিৱৰণ ঘাইকৈ প্ৰাচীন মূৰ্তি-শিল্পৰপৰাহে সংগ্ৰহ কৰিব পাৰি। হৰ্ষচৰিত আৰু কালিকাপুৰাণতো কিছু উল্লেখ আছে। এই বিষয়ে A Cultural History of Assam গ্ৰন্থত আলোচনা হৈছে। মধ্যযুগৰ অসমীয়া সাহিত্যত বিশেষকৈ চিত্ৰ-সম্বলিত পুথিসমূহৰ চিত্ৰৰপৰা ৰজা, বিষয়া সাধাৰণ প্ৰজা, সন্ন্যাসী, তিৰোতা, নটি আদি বিভিন্ন শ্ৰেণীৰ মুনিহ-তিৰোতাৰ সাজ-পাৰ, অলঙ্কাৰ-পাতিৰ আভাস পায়।

ভাৰতৰ অন্যান্য প্ৰদেশৰ দৰে ধোতি বা ধুতিয়েই সৰ্বশ্ৰেণীৰ অসমীয়া মানুহৰ সকলো যুগতে প্ৰধান আধোবাস আছিল। এই ধুতি পিন্ধা পদ্ধতিৰপৰাই মানুহৰ সামাজিক মৰ্যাদা নিৰ্ণয় কৰিব পাৰি। খেতিয়ক, গৰখীয়া আদিয়ে নাইৰ তলত (সম্ভৱতঃ নাইৰ সৌন্দৰ্য দৰ্শাবলৈ; দেওপানীৰ দশম শতিকাৰ বিষ্ণু-মূৰ্তিত নাইৰ তলত ধুতি পিন্ধাৰ ৰীতি দেখা গৈছে) আৰু আঁঠুৰ ওপৰত পেলাই ধুতি পিন্ধিছিল। কাম-বন কৰোঁতে সুলকি নপৰিবলৈ



ধুতিৰ এটা আঁচল কঁকালত টানকৈ মেৰিয়াই বান্ধিছিল; এয়ে কমৰ-বন্ধৰ কাম কৰিছিল। দুই কৰঙণৰ মাজেদি সৰকাই নি অন্যটো আগেৰে পোন্ধ মাৰিছিল। পোন্ধ সম্ভৱতঃ পঞ্চগচ্ছম শব্দৰ ৰূপান্তৰ। এই ৰীতিত পিন্ধা ধুতিয়ে আজিকালিৰ হাফ্‌পেণ্টৰ ৰূপ লৈছিল। সৈনিক আৰু যুঁজাৰুসকলেও এই ভঙ্গিতে (মল্লবেশত) ধুতি পিন্ধিছিল; ধুতিৰ বাহিৰে তেওঁলোকে কঁকালত কমৰ-বন্ধও মাৰিছিল। প্ৰাচীন সাহিত্যত যোদ্ধাৰ বেশৰ ভিতৰত সন্নাহৰ উল্লেখ আছে। কোনো কোনোৰ মতে সন্নাহ কপাহী কাপোৰেৰে নিৰ্মিত (a coat of quilted cotton)।

সন্ন্যাসীসকলে কৌপীন পিন্ধিছিল, মূৰত জঁটা ৰাখিছিল; কেতিয়াবা তিৰোতাৰ নিচিনাকৈ দীঘল বেণীও গাঁঠিছিল।

বিষয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহে সাধাৰণতে দুই বস্ত্ৰ পৰিধান কৰিছিল। প্ৰধান হ'ল অধোবাস, অৰ্থাৎ ধুতি; আঁঠুৰ তললৈ নমাই পিন্ধা ধুতিয়ে কেতিয়াবা ভৰিৰ সৰু গাঁঠি স্পৰ্শ কৰিছিল। এয়ে এতিয়াৰ 'গোৰোৱা লেটাই' ধুতি পিন্ধাৰ ৰীতি। ধুতিৰ একাষেৰে সমুখৰ পিনে দীঘলকৈ থোৰ মাৰিছিল। প্ৰসঙ্গত হৰ্ষবৰ্ধনক কুমাৰ ভাস্কৰবৰ্মাই বেতৰ জপাত কুণ্ডলী পকোৱা (অৰ্থাৎ থুৰিওৱা) কাপোৰ উপহাৰ দিয়া মন কৰিব লগীয়া (কুণ্ডলী পকোৱা ধুতি আৰু চাদৰ ধনী শ্ৰেণীৰ বঙালীয়ে এতিয়াও ব্যৱহাৰ কৰে)। কেতিয়াবা থোৰ নেমাৰি আগটোৰ সামান্যভাগ সমুখৰ পিনে পুৰণ চিনৰ দৰে গাঁথি বান্ধি থৈছিল (A Cultural History of Assamৰ ১২ নং চিত্ৰত দেখুৱাৰ দৰে)। এতিয়াও সাধাৰণ মানুহে এই ভঙ্গিত ধুতি পিন্ধে (পিন্ধন নেতৰ ধড়া কতি বেঢ়ি দুলে—বৰগীত)। সৰু ল'ৰা-ছোৱালীয়ে কেৱল কাছনী পিন্ধিছিল।

দ্বিতীয় বস্ত্ৰ হ'ল উত্তৰীয় বা চাদৰ (পিচৌৰা)। চাদৰ লোৱা ৰীতি কেইবা প্ৰকাৰৰো। সাধাৰণতে, ডিঙিত পেলাই (কেতিয়াবা কুণ্ডলীকৃত কৰি) দুই বাহুৰ ওপৰেদি সমুখলৈ অনা নিয়ম (উত্তৰ ভাৰতীয় তিৰোতাই লোৱা দুপট্টাৰ দৰে)। এই প্ৰথাই শোভা বঢ়ায়; কিন্তু শৰীৰৰ আচ্ছাদিত নকৰে। কেতিয়াবা সমুখৰ সোঁ আঁচলটো ঘূৰাই বাওঁ কান্ধত থোৱা হয়। শীতকালত

# খোৱা-বোৱা

ভৌগোলিক পৰিৱেশে যে জাতিৰ আহাৰৰ তালিকা নিৰ্ণয় কৰে আৰু আহাৰৰ বিষয়ত গাঁৱলীয়া মানুহ যে ৰক্ষণশীল,—এই কথা পূৰ্বৰ এক অধ্যয়ত কোৱা হৈছে। অৱশ্যে পাৰিপাৰ্শ্বিক অৱস্থা জয় কৰা মানুহ মাত্ৰৰে স্বাভাৱিক প্ৰবৃত্তি। সেই কাৰণে পানী যোগানৰ নানা বাধা-বিঘিনি অতিক্ৰম কৰিও জনজাতিসকলে পৰ্বতৰ ওপৰত ধান-খেতি কৰিছে; তাৰ ফলত তেওঁলোকৰ বহুকলীয়া আহাৰ প্ৰথাৰো পৰিৱৰ্তন হৈছে; মাছ-মঙহ, ফল-মূলৰ লগত ভাত প্ৰধান আহাৰ হৈ পৰিছে।

তদুপৰি, কেতিয়া কোন বস্তুৱে মানুহৰ মন আকৰ্ষণ কৰে কোৱা টান; কেতিয়াবা অকস্মাতে বাহিৰৰপৰা অহা বস্তু মানুহে সাদৰে গ্ৰহণ কৰে। ব্ৰহ্মা বা তিব্বতৰপৰা অহা গোমধান (ইয়াৰ সৰ্বভাৰতীয় ভুট্টা নামে ভোট দেশৰপৰা প্ৰব্ৰজনৰ ইঙ্গিত দিয়ে) হঠাতে লুচাই পাহাৰৰ প্ৰধান খেতি হৈ মিজোসকলৰ খাদ্য-তালিকাত সোমাল। সেইদৰে ধঁপাত আৰু চাহ অসমীয়া আহাৰৰ নিত্য সামগ্ৰী। অসমীয়া খাদ্য-তালিকাত যে ওচৰ-চুবুৰীয়া দেশ আৰু জাতি-উপজাতিৰ দান আছে তাক কিছুমান শাক-পাচলিৰ নামৰপৰা অনুমান কৰিব পাৰি। তাৰে কেতবোৰ হৈছে— মানকচু, মানধনীয়া, মানলাই, মানধঁপাত, মৰাণ-আদা, নৰা-বগৰি, নৰা-তগৰ, নৰা-মাহ, ভোট-জলকীয়া, ভোট-মনোহৰ, ভোট-লাই, ভোট-বেঙেনা, চেনিচম্পা, নগা-জেনেৰু, নগা-পাণ, নগা-চাকলা, নগা-ওদালি, মিৰি-মাহ, মিৰি-আলু, চুটিয়া-লফা, গাৰো-মাহ, ডফলা-মাহ ইত্যাদি।

আদিম মানুহে আহাৰ পোনপটীয়াভাৱে প্ৰকৃতিৰপৰা সংগ্ৰহ কৰিছিল। প্ৰথমে পশু-পক্ষী, মাছ-কাছ চিকাৰ কৰি বৰ্তিছিল, পিছত বনৰ জন্তুক ঘৰচীয়া



কৰি ঘৰতে পুহি তাৰ বংশ বৃদ্ধিৰ কৌশল উলিয়ালে; গাঁৱৰ কাষতে পুখুৰী খান্দি মাছ-পুঠি পোহা হ'ল। ফল-মূল আহৰণৰ ক্ষেত্ৰতো নতুন কৌশলৰ সৃষ্টি হ'ল। কৃষিজ্ঞান লাভৰ পিছত খেতি-বাতি কৰি বিবিধ খাদ্যশস্য আনকি অৱতৰতো উৎপন্ন কৰিবলৈ সক্ষম হ'ল। গাঁৱৰ মানুহৰ মাজত অৱশ্যে খাদ্য সংগ্ৰহৰ এই দুই প্ৰথা সমান্তৰালভাৱে আজিও চলি আছে। পূৰ্বৰ দৰে তেওঁলোকে মঙহৰ কাৰণে আজিও দল বান্ধি হাবিত চিকাৰ কৰে; নৈ-জান-জুৰিত নানা বুদ্ধি-কৌশলেৰে মাছ ধৰে। সেইদৰে বাৰীৰ শাক-পাচলিৰ বাহিৰেও কচু, ঢেঁকিয়া, মৰলীয়া, মানিমুনি, মালভোগ, মছন্দৰী, ভতুৱা, কলমৌ আদি বিবিধ শাক হাবি-বননিৰপৰা সংগ্ৰহ কৰে। এই প্ৰসঙ্গত কোনো কোনো অসমীয়া শাক-পাচলিৰ দুটা নাম তাৎপৰ্যপূৰ্ণ; ইয়াৰে এটা বনৰীয়া, অন্যটো কৃষিজাত। যেনে— বন কেৰেলা, বন তিয়ঁহ, বন আদা, বন আফু, বন আম, বন জালুক, বন জলকীয়া, বন নহৰু, বন বগৰী, বন পুৰৈ, বন মালা, বন মেথী, বন সৰিয়হ, বন যনী, বন হালধি, বন পিপলি ইত্যাদি। আকৌ, বিয়নী-সাবটা, চাল-কুঁৱৰী, উলু-কুঁৱৰী, কুঁৱৰী-আলু, নিলাজী বন, বাঘ-চোৰাত, বাই-বাঘিনী, ছাগল-শিঙীয়া, হাঁহ-ঠেঙীয়া (কাঁথি-কুঁৱৰী), কুকুৰা ঠেঙীয়া (মাটি-কাঁদুনি), কেঁকোৰা-শিঙীয়া, হাঁতী-শুঁৰীয়া, যম লাখুটি, যাত্ৰা-সিদ্ধ, কাম-তাল উৰহী, জপা-পেটৰি, জাপৰি আলু,—শাক-পাচলিৰ এনে এশ-এটা নাম শব্দতত্ত্বৰ পিনৰপৰা বিশেষ অৰ্থব্যঞ্জক।

খাদ্য সংগ্ৰহৰ এই প্ৰাচীন ৰীতি আজিও চলি থকাৰ হেতু গাঁৱলীয়া মুনিহ-তিৰোতা ল'ৰা-ছোৱালীৰ প্ৰকৃতিৰ লগত ঘনিষ্ঠ পৰিচয় ঘটিছে। তাৰে ফলত প্ৰাণীবিদ্যা, উদ্ভিদবিদ্যা অধ্যয়ন নকৰাকৈয়ে তেওঁলোকে জীৱ-জন্তু, গছ-গছনি, ফল-ফুলৰ বিষয়ে সাধাৰণ জ্ঞান লাভ কৰে । এইবোৰৰ গুণাগুণ আৰু বিভিন্ন ৰোগত তাৰ প্ৰয়োগ-বিধিও তেওঁলোকে জানে; বন-দৰৱস্বৰূপে এইবোৰ সদাসৰ্বদা ৰোগ-ব্যাধিত ব্যৱহাৰো কৰে। প্ৰকৃতিৰ বহু সামগ্ৰী ঘৰুৱা জীৱনত অপৰিহাৰ্য হোৱাৰ হেতু প্ৰকৃতিৰ প্ৰতি গাঁৱলীয়া মানুহৰ সহজ সমাদৰ আৰু সহানুভূতি।

জাতি-বৰ্ণ-নিৰ্বিশেষে অসমীয়া মানুহে আমিষ আহাৰ কৰে। ব্ৰাহ্মণৰ

বাহিৰে অন্য বৰ্ণৰ বিধৱায়ো আমিষ ভোজন কৰে। অসমীয়া আহাৰৰ ভিতৰত আৰৈ-অখুৱা চাউলৰ ভাতেই হ'ল মূল। অভাৱ-অনাটনত খুদ চাউলৰ ভাতো খোৱা হয়। অসমীয়া জীৱনত ধান-চাউলৰ মূল্যৰ বিষয়ে পূৰ্বে আলোচনা কৰা হৈছে। আহু, শালি, বাও—এই তিনিৰূপে অনেকবিধৰ ধানখেতি কৰা হয়। ধানৰ অসংখ্য নামেই এই খেতিৰ প্ৰাধান্য সূচায়। বিভিন্ন অঞ্চলৰপৰা সংগ্ৰহ কৰা ধানৰ তলৰ নামবোৰৰ অধ্যয়ন কেৱল মনোৰঞ্জকেই নহয়, তাৎপৰ্যপূৰ্ণও। এইবোৰ হৈছে—বগা জহা, ক'লা জহা, মাগুৰি জহা, টুনি জহা, শালি জহা, খৰিকা জহা, মাণিকী-মধুৰী জহা, মালভোগ জহা, প্ৰসাদভোগ জহা, নবাবী জহা, কুণকুণি জহা, গোবিন্দ তুলসী, জেঙ্গনি, জাহিঙ্গা, পাৰু জাহিঙ্গা, বোকা জাহিঙ্গা, মঠঙ্গা, বৰ মঠঙ্গা, শিলগুৰি, দলকাছু, কৰচালি, পাখীচকৰি, চৰাইবুলি, বগীতৰা, নেকেৰা, বাটকপাহী, চকোৱা, ধানখোৱা, বৰ সুবাগমুৰী, সৰু সুবাগমুৰী, সুবাগমণি, পাৰ চকুৱা, মাগুৰি, ভোগ মাগুৰি, ক'লা মাগুৰি, ধুচুৰি, বগাসাগৰ, ক'লাসাগৰ, আমনা, নেঘেৰী, বৰ নেঘেৰী, নেঘেৰী টেমা, সৰু গেন্ধেলি টেমা, মলসৰ, কাতিনেউলী, জেংগুৰি, ৰূপহী মটঙা, বৰ খামতী, মৌগুটীয়া, কটাৰিডবুৰা, কণাই মলখু, সৰু চকুৱা, বৰ চকুৱা, জোবাই কমলা, বুদুমণি, ইন্দুনাৰায়ণ, অগ্নিশালি, আখিশালি, ৰৰশালি, লাহিশালি, ক'লাশালি, বগাশালি, মুগীশালি, ৰঙাশালি, পাখীশালি, হালধৰমৰশালি, ছকোৱাশালি, কাতিশালি, হাতীশালি, সাগৰশালি, নাগাশালি, আহোমশালি, কছাৰিশালি, গাৰোশালি, ৰমশালি, আহুৰা, লঠৌৰা, টাঙোন ৰৰা, পৈতাৰৰা, চকোৱাৰৰা, কলাৰৰা, গমিৰিৰৰা, মিৰিৰৰা, বকুলৰৰা, পাখৰিৰৰা, কোমল ইত্যাদি।

ধানৰ আকাৰ-প্ৰকাৰ, স্বাদ-গুণৰ সম্বন্ধে জনোৱাৰ উপৰিও, এই নামৰ অসমীয়া মানুহৰ নামৰ সৌন্দৰ্য-প্ৰীতিৰ নিদৰ্শক। কিছুমান নামত জনজাতিৰ কৃষি ইতিহাস লুকাই আছে। আৰৈ আৰু অখুৱা চাউলৰ ভিতৰত আৰৈৰ ব্যৱহাৰ ব্যাপক; আৰৈ চাউলক পৱিত্ৰ বুলি গণ্য কৰি পূজা-পাৰ্বণত লগোৱা হয়।

তপত ভাতৰ বাহিৰেও (তপত ভাতক নথৱা ৰাখি) বাহী, পঁইতা, কৰ্কৰা বা জকৰা ভাতো খোৱা হয়। কিন্তু 'পঁইতা পাল-মৰা, কৰ্কৰা লৱমৰা,



তাপত দিনটোলৈ গাটো শকত'; পঁইতাই মাকৰ গাখীৰৰ দৰে গা জুৰ পেলায়ঃ আইৰে শপনি পঁইতা পোতনি। পঁইতাৰ লগত পোৰামাছ, পোৰা আলু-বেঙেনা, পকাতেল, কাঁহুদি-খাৰলি জুতিলগা উপকৰণ।

অসমীয়া জা-জলপানো ধান-চাউলৰপৰাই প্ৰস্তুত কৰা হয়। লোক-সাহিত্য আৰু পুৰণি সাহিত্যত অসমীয়া জা-জলপানৰ মনোৰম উল্লেখ আছে। ইয়াৰ ভিতৰত চিড়া, মুৰি, মুৰিৰ লাডু, আখৈ, আখৈলাডু বা মোৱা লাডু (বৰগীতত আছে, গোট জামুৰিকা আৰু মোৱা লাডু) মোদক (নৱনীমোদক ঘৃত লৈল ভাবে ভাবে), সান্দহ, গোটকৰাই, ডেৱাভজা, পিঠাগুড়ি, কোমল চাউল আৰু পিঠাই প্ৰধান। বৰগীতত মিঠাইৰ উল্লেখ আছে—"একু গোৱাৰিণী মাতিয়া হামাকু, দেলহ বুলি মিঠাই।" বিচিত্ৰ স্বাদ আৰু বিভিন্ন সাঁচৰ পিঠাৰ ভিতৰত তিল দিয়া বা খোলাচপৰীয়া পিঠা (খোলাত চপৰিয়াই সজা হয়), ঘিলা পিঠা, টেকেলি পিঠা, ফেনী পিঠা, পানী পিঠা, সুতলী পিঠা, লাওপিঠা, উৰহীয়া পিঠা, জকাই পিঠা, নাঙল পিঠা, চুঙাপিঠা (এই নামবোৰত পিঠা গঢ়াৰ ইঙ্গিত আছে)। কল, কঁঠাল, আম, লাও, কুঁহিয়াৰৰ ৰস মিহলাই অথবা গুৰ দি পিঠা ভজা-পোৰা হয়। গাখীৰ তপতাই ঘন কৰি খীৰ আৰু খীৰৰ লাডু কৰা হয়ঃ খীৰৰ লাডু, সাজি দিবো চেনি দৈ মাখি। গাখীৰত চাউল সিজাই কৰা পায়স পৰমান্ন বুলি বিবেচিত। সা-সবাহ আৰু সমূহীয়া ভোজনতো পৰমান্ন উৎকৃষ্ট জলপান। গাখীৰ-চেনিৰ লগত কৰ্পূৰ, জাইফল আদি গন্ধদ্ৰব্য পৰমান্নত দিয়া হয় (বহুবিধ সংযোগে সাজিলো পৰমান্ন)। অন্যান্য জলপানো গাখীৰ-দৈৰ লগত সানি-পুতকি খোৱা হয়; বিশেষকৈ কোমল চাউল বা বোকা চাউল আৰু পিঠাগুড়িৰ লগত। গাখীৰ পিঠাগুড়ি, আঠীয়াকলেৰে কৰা লুথৰি কেঁচুৱাৰ উৎকৃষ্ট খাদ্য। দৈ, কোমল চাউল, গুৰ, বিয়া-সবাহ, প্ৰীতি-উৎসৱত তৃপ্তিকৰ জলপান। সবাহত কোমল বা বোকা চাউলৰ পৰিবৰ্তে দৈ, কল, আৰৈ চাউল মিহলাই গোপালভোগ কৰিও আগবাঢ়োৱা হয়।

ফলাহাৰো জা-জলপানৰ ভিতৰুৱা। নামঘৰত আগবঢ়োৱা মাহ-প্ৰসাদৰ শৰাইত জাতীয় বৈশিষ্ট্য লক্ষ্য কৰিব পৰি। অন্য প্ৰদেশৰ লোকে পূজা-অৰ্চনাত অসমীয়াৰ দৰে মগু, মাটিমাহ নলগায়; তেওঁলোকৰ গাঁজি প্ৰসাদ

নামৰ সামঞ্জস্য থাকিলেও প্ৰকৃততে ই খাৰ নহয়; ঈষৎ জলা ব্যঞ্জন। আধুনিক জোলৰ দৰে ই অতি সৰ্বৱহী ব্যঞ্জন। মাছ-মঙহ আৰু বহুবিধ খাৰধি-পাচলি মিহলাই এই ব্যঞ্জন ৰন্ধা হয়। সাধাৰণতে, এই ব্যঞ্জনত প্ৰয়োগ হোৱা পাচলিৰ ভিতৰত—লাই (সৰিয়হ জাতীয় শাক), পালেং, বাবৰি, মনোৱা, মৰলীয়া, কলমৌ, চোবাতৰ আগ, পোৰোলা শাক (পোৰোলা শাক বোহিত মাছ, ডাকে বোলে সেহি ব্যঞ্জন সাঁচ), কচু, লাও, কোমোৰা, জিকা, ধুন্দুলি ভোল, বেঙেনা, বিভিন্ন ধৰণৰ আলু, (কাঠ আলু, মোৱা আলু, লতা আলু, আহিনা আলু ইত্যাদি) কচু, উৰহী আৰু মাহ (লেচেৰা, কটাৰী ডবুৰা ইত্যাদি)। মাছ-মঙহৰ ৰন্ধন ৰীতি কেইটিমান হৈছে—

কচে বচে বেসুৰাৰি শৌলে মূলে সঙ্গ।
ডৰিকে বেঙ্গনে আড়িমাছত পালঙ্গ।

* * * *

পাৰাৱত আনি কৰিবেক তাল।
কচ্ছপৰ মাংসত দিবেক বৰকাল।।

* * * *

হৰিণৰ মাংসে সমে হিঙ্গৰ ফোটন।
ৰম্ভামূলে বৰাহৰ মাংসে বিতোপন।।

মাহৰ (দাইল) বেলেগ ব্যঞ্জনো ৰন্ধা হয়। পূৰ্বে মগুমাহ, মাটিমাহ আৰু ক'লামাহৰেই অধিক প্ৰচলন আছিল; আজিকালি সেই ঠাই মচুৰ দাইলে লৈছে। পুৰণি পুথিত দাইল ৰন্ধা প্ৰকৰণত আছে—

মগুৰ ডালিত ঘৃত চিনি চূড়া দিল।
আতি ভাল কৰি তাক মসুৰে বান্ধিল।
আদা লোণ যনী জিৰা মৰিচক দিল।।

মাছৰ মুৰিঘণ্টতো দাইল আৰু চাউল দিয়া হয়ঃ বৰালিৰ ঘাণ্টি লাড়ি মৎস্যত মসুৰ।

জাল ব্যঞ্জনত জালুক, জলকীয়া প্ৰয়োগ হয়। সন্তানৱতী তিৰোতাক জাল খুওৱা নিয়ম। ডাকৰ বচনত আছেঃ



লোণ জালুকেৰে খুৱাবা জাল।
তেবে স্তনৰস হৈবে ভাল।।

সন্তান জন্ম হোৱা পিছত গাঁৱত এতিয়াও কচুঠোৰত জালুকৰ জাল দি পোৱাতীক খুৱায়। পাৰৰ লগত কচুঠোৰ আৰু জালুক মিহলাই ৰন্ধা আঞ্জা সন্তানৱতী তিৰোতাৰ নাড়ী-শুকনি ব্যঞ্জন। জালখোৱা প্ৰসঙ্গত ঃ

নাগিনীয়ে ল'ৰা পায়।
নগাই জাল পায়।।

— এই বিদ্ৰূপাত্মক যোজনা ফাঁকি মন কৰিব লগীয়া।

'লাতুমণি'ৰ সাধু এটাত শ্ৰীবেণুধৰ শৰ্মাই শাহুৰেকে ন-জোঁৱাইৰ কাৰণে ৰন্ধা ব্যঞ্জনৰ মনোৰম তালিকা এটি দিছেঃ

..... "বেৰা-কাঁহীত মাণিকী-মধুৰি জহা-চাউলৰ ভাত ম-ম কৰে গোন্ধাই আছে। চাবদিয়া গাখীৰৰ খমা-দৈ, ৰহ দিয়া সোন্দাকল গোন্ধত আমোলমোলাই আছে। আমৰ মল, শ'ল মাছৰ জলা আঞ্জা, উৰিকে-বেঙেনাই ভজা, মৰঠী পুঠিৰ চৰ্চৰীয়া, পোৰা বেত-গাজ আৰু ভেঁকুৰি-গুটিৰে পাতত দিয়া মোৱা উঁৰিকণাৰ পিটিকা, ভূতমূলাৰ খাৰণি, মহানিম-শেৱালি ফুলৰ পাতৰ আৰু বৰকলা মাহৰ বৰ—এইবোৰেই কাঁহী-দাঁতিৰ বাটিত ভৰি ভৰি আছে। বানৰ দাঁতিত বাটিয়ে বাটিয়ে ঔ-টেঙা দিয়া লফাশাক কাৱৈ মাছৰ আঞ্জা, পকা-খৰিছা দি ৰন্ধা লুথুৰী, পাভমাছৰ থপ্থপীয়া জোল আৰু আদাপাত-গন্ধকচু মিহলাই সিজোৱা মাটিমাহৰ টেঙাই মোক-খা মোক-খা কৈ আছে। 'মধুৰেণ সমাপেয়েৎ' কৰিবলৈ পায়স-পৰমান্ন এৰী-গাখীৰ মৌজোলো বাটিত চপ্চপীয়াকৈ যতাই থোৱা আছে।"

ৰোগ-ব্যাধি নিবাৰকণ আৰু শৰীৰৰ শক্তি বঢ়াবলৈ বেলেগ বেলেগ শাক-পাচলি, মাছ-মঙহৰ মুখৰোচক ব্যঞ্জন ৰন্ধা হয়। এইবোৰত ব্যৱহাৰ কৰা শাক-পাচলিৰ ভিতৰত হৈছে—ভেদাই, মানিমুনি, পনৌনৱা, হেলেঞ্চি, মাটিকাদুৰি, হাঁহঠেঙীয়া শাক, ভূতমূলা, নিমপাত, নৰসিংহ, পোৰোলা শাক, ডিমৰু, পুৰাকল, কুজীথেকেৰা, কৰ্দৈ ইত্যাদি। মাছৰ ভিতৰত কাৱৈ, গঁৰৈ, শ'ল, মাগুৰ আদি বোকাৰ মাছ বিশেষ উপকাৰী।

পুৰণি অসমীয়া ৰন্ধন-প্ৰকৰণত পঁচিশ আৰু পঞ্চাশ ব্যঞ্জনৰ তালিকা আছে। একে ধৰণৰ পাচলি-খাৰখি, মাছ-মঙহ, কণীৰ (চৰাই আৰু কাছৰ) লগত ভিন ভিন উপকৰণ আৰু বিভিন্ন প্ৰণালীত পঞ্চাশ ব্যঞ্জন বন্ধা হয়। ব্যঞ্জনৰ স্বাদ লোণৰ ওপৰত নিৰ্ভৰ কৰে ঃ

হালধি মচলা দিলোঁ বাটি।
লোণ নহে কৰিলে মাটি।

আকৌ— 'পাতত যিজনে পৰিশে লোণ, তাইৰ ঘৰত হৰিব সোণ।' 'শাকত নেখায় লোণ, পিটিকাত যায় তিনি গুণ।' লোণৰ দুষ্প্ৰাপ্যৰ বাবেই এইবোৰ প্ৰবাদৰ সৃষ্টি হৈছে। সোণৰ সলনি লোণদান আৰু নাম-প্ৰসঙ্গত ভকতসকলৰ মাজত লোণ বিলোৱা প্ৰথা আজিও গাঁৱে-ভূঞে প্ৰচলিত। (যাৰ লোণ খায় তাৰ গুণ গায়।)

অধ্যাপক নিৰ্মলকুমাৰ বসুৱে তেল জাতীয় পদাৰ্থৰ ব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰি ভাৰতবৰ্ষৰ আঞ্চলিক সংস্কৃতি নিৰ্ণয় কৰিছে। অসম, বঙ্গ, উৰিষ্যা, বিহাৰত সৰিয়হ তেল; অন্ধ্ৰ, মাদ্ৰাজ, কেৰেলাত তিল, নাৰিকল আৰু বাদাম তেল; মহাৰাষ্ট্ৰত তিল তেল; পঞ্জাব আৰু উত্তৰ প্ৰদেশত ঘিঁউৰ প্ৰচলন অধিক। অসম-বঙ্গৰ ধৰ্ম আৰু সামাজিক অনুষ্ঠানত (বিবাহত) আৰু মন্ত্ৰাদিত সৰিয়হ আৰু সৰিয়হৰ তেলৰ ব্যৱহাৰ হয় (Culture Zones of India প্ৰবন্ধ)। লোণ-তেলৰ বাহিৰেও ব্যঞ্জনত সুগন্ধি দ্ৰব্য (মচলা) আদি দিয়া হয়। এইবোৰৰ ভিতৰত হালধি (ব্যঞ্জন চিকণ হালধি), হিং, সৰিয়হ, মেমেধু (ধনীয়া), জিৰা, যনী, জালুক, নহৰু, পনৰু, মিথি, কৰ্পূৰ, আদা, আদাৰস দিয়াৰ প্ৰথা। 'ফোৰণ মৰা'ৰ উল্লেখো প্ৰাচীন সাহিত্যত আছে। ভাস্কৰবৰ্মাই হৰ্ষবৰ্ধনলৈ পঠোৱা সুগন্ধি দ্ৰব্যৰ ভিতৰত বাঁহৰ চুঙাত ভৰোৱা সুগন্ধি আমৰ ৰস, শীতল কৰ্পূৰ আৰু কস্তুৰী, পকা কক্কোল ফল আৰু পত্ৰ-লবঙ্গ পুষ্প, জাইফল আছিল। জনজাতি লোকসকলৰ মাজত তেজপাতৰ প্ৰচলন আৰু অসমৰ তেজপাত ভাৰতৰ অন্য প্ৰদেশলৈ সৰবৰাহৰ কথা প্ৰাচীন বিদেশী পৰ্যটকেও বৰ্ণাই গৈছে। গন্ধদ্ৰব্য পিহিবলৈ পটা আৰু পটাগুটি ব্যৱহাৰ কৰা হয়। ডাকৰ বচনতো আছে ঃ



ৰন্ধন শালত নবাটে পটা।
* * *
বোলন্ত ডাকে পাঞো বিড়ম্বনা।।

প্ৰধান ব্যঞ্জনৰ বাহিৰেও ভাজি, পুৰি, খৰিকাত দি, পাতত দি মাছ-মঙহ, পুৰাকল, আলু, ফলৰ গুটি (কঁঠাল গুটি), শাক-পাচলি খোৱাৰ ৰীতি। ভজাৰ ভিতৰত শাকৰ খৰ'লি বিশেষ উল্লেখযোগ্য। অৱশ্যে, ভাজিতকৈ পুৰি, পাতত অথবা খৰিকাত দি খোৱাৰ ব্যাপক প্ৰচলন। মাঘবিহুত পোৱা বস্তু খোৱাৰ নিয়ম।

কাঁহদি-খাৰলি আধুনিক আচাৰৰ দৰে ভোজনৰ লগত ব্যৱহৃত হৈছিল। খৰিচা (গাজ ঠেঙা), থেকেৰা, বগৰী গুড়ি, আমগুড়ি, মাহগুড়িও (বিশেষকৈ ক'লামাহৰ) লোণ-তেলেৰে সানি ভাতৰ লগত খোৱা হয়। এইবোৰ বতৰতে ৰ'দত শুকুৱাই টেকেলি বা বাঁহৰ চুঙাত মুখ বান্ধি (হৰ্ষবৰ্ধনলৈ সুগন্ধি গছৰ পাতেৰে মুখ বন্ধা আমৰ ৰসৰ চুঙাকে পঠোৱা হৈছিল) ভৱিষ্যতৰ ব্যৱহাৰৰ কাৰণে থোৱা হয়। ডাকৰ ভণিতাত আছে ঃ

ৰৌদ্ৰত কাটিকুটি থৰে শুকায়।
বৰ্ষা চাৰিমাসে বসিয়া খায়।।

ভোজনৰ পিছত মুখশুদ্ধি বা মুহুদি সাধাৰণতে তামোলেৰেই কৰা হয়। তামোল-পাণৰ অবিহনে ডেৰাচালি খোৱা হয়। কৰ্পূৰ, তাম্বুল, আদা, আমলখি, পিপলি, শিলিখা, মুহুদিৰ অন্যান্য উপকৰণ। পুৰণি লোকোক্তিত আছে ঃ

আদাৰে ভোজন শিলিখাৰে শুদ্ধি।
তেবেসে লভিবা আয়ুস বৃদ্ধি।।

আকৌ—

ভাত খাই উঠি খাবা তিনি শিলিখা।
কি কৰিব জানা ৰোগ পিলিকা।।

কি শাক-পাচলি কোন্ সময়ত খাব লাগে, কেতিয়া সংগ্ৰহ কৰিব লাগে, কেনেকৈ কুটিব-বাছিব লাগে, সেই সম্বন্ধেও ভালেমান নিয়ম পালন কৰা হয়। ৰাতি তিতা ব্যঞ্জন আৰু দৈ, মাছ-মঙহৰ ব্যঞ্জনৰ লগত গাখীৰ অথবা খাৰ খোৱা নিষিদ্ধ। সেইদৰে কোনো কোনো তিথিতো কোনো কোনো শাক-পাচলি খোৱাৰ নিষেধ আছে। যেনে— প্ৰতিপদত কোমোৰা, দ্বিতীয়াত খৰুৱা বেঙেনা, তৃতীয়াত পটল, চতুৰ্থীত মূলা, পঞ্চমীত বেল, সপ্তমীত তাল, অষ্টমীত নাৰিকল, নৱমীত লাও, দশমীত কলমৌ, একাদশীত উৰহী, দ্বাদশীত পুঁৰৈ, ত্ৰয়োদশীত বেঙেনা, চতুৰ্দশীত ক'লামাহ, পূৰ্ণিমা, আঁউসি, সংক্ৰান্তিত মাছ-মঙহ খোৱা নিষেধ। 'দৰঙ্গ ৰাজবংশাৱলী'ত আছে ঃ

বাত পিত্ত কফ শ্লেষ্মা যেন নলংঘয়।
ভোজনৰ দ্ৰব্য সেহি মতে মিলৱয়।।
যে তিথিতে যি ব্যঞ্জন খাইতে নিষেধন।
সবাকে জানয় সুপকাৰ শুদ্ধজন।।

শাক-পাচলি দিনৰ পোহৰতে বাছিব-কুটিব লাগে ঃ

শাক শুকলতি দিনত বাছে।
সেই ঘৰত জানিবা লখিমী আছে।।

শাক-পাচলি কুটা পদ্ধতিৰ ওপৰত ব্যঞ্জনৰ সোৱাদ নিৰ্ভৰ কৰে ঃ কুটনে চিকন খাবধি। কোনো শাক নখেৰে, কোনো শাক মৈ দাৰে কুটিব লাগে। আকৌ, টেঙাৰ কাৰণে যিদৰে পাচলি কুটা হয়, খাৰ বা খৰলিৰ কাৰণে সেইদৰে কুটিলে ব্যঞ্জনৰ স্বাদ নষ্ট হয়। বিভিন্ন ব্যঞ্জনৰ কাৰণে মাছ-মঙহ কুটা-বছাৰো নিয়ম সুকীয়া। কাৰৈ, মাগুৰ মাছৰ দৰে চিতল বা বৌ মাছ কুটা নহয়। মাগুৰ মাছ কুটোঁতে দুটুকুৰা কৰি কাটিব নাপায়। চিৰা, মুৰি, পিঠা ভজা-পোৱাত শিল্প-কৌশল প্ৰকাশ পোৱাৰ দৰে পাচলি-খাবধি বছা-কুটাটো অসমীয়া তিৰোতাৰ ৰন্ধন-নিপুণতাৰ পৰিচয় পায়।

•••

# বেজ-বেজালি

ভেষজ-বিদ্যাৰ প্ৰথম চৰ্চা গাঁৱলীয়া জীৱনত। গছ-লতা, বনপাত, ফল-ফুল, শিয়া-ছালৰ যে বেলেগ দ্ৰব্যগুণ আছে, সেই তত্ত্ব সাধাৰণ মানুহে প্ৰথমে আৱিষ্কাৰ কৰে। যুগ যুগৰ অভিজ্ঞতাৰ পৰা লাভ কৰা এই জ্ঞান গাঁৱলীয়া মানুহে আজিও ব্যৱহাৰত লগায়। চিকিৎসা-বিদ্যাৰ বৰ্তমান বহু উন্নতি আৰু প্ৰচাৰ হোৱা সত্ত্বেও সাধাৰণ ৰোগ নিৰাময়ৰ কাৰণে গাঁৱলীয়া মানুহে এতিয়াও মন্ত্ৰ-তন্ত্ৰ আৰু বন-দৰবৰ সহায় লয়। ৰোগ আৰু অপায়-অমঙ্গল দূৰ কৰিবলৈ অসমীয়া মানুহে মন্ত্ৰ আৰু যাদুবিদ্যা যিদৰে ব্যৱহাৰ কৰে, সেই বিষয়ে 'অসমীয়া ভাষা আৰু সংস্কৃতি' পুথিত আলোচনা কৰা হৈছে। ইয়াত তাৰ পুনৰুক্তি নিষ্প্ৰয়োজন। মন্ত্ৰ-তন্ত্ৰৰ বাহিৰে দেৱ-দেৱী, গ্ৰহ-নক্ষত্ৰ, ভূত-প্ৰেতক সন্তুষ্ট কৰিও ৰোগ-ব্যাধি গুচাবলৈ চেষ্টা কৰা হয়। এই অৰ্থে কামাখ্যা, নৱগ্ৰহ, শিৱদৌল আদি মন্দিৰত নিৰ্দিষ্ট দিন তিথিত পূজা-বলি, দান-দক্ষিণা দিয়া হয়; আৰু পয়োভৰেৰে যাগ-যজ্ঞ পতা হয়। দৈৱজ্ঞ-জ্যোতিষী, বেজ-বেজিনীৰ নিৰ্দেশ মতে মাদুলি-কৱচ আৰু নানা ধৰণৰ ধাতুৰ অলঙ্কাৰ সামৰ্থ্যানুযায়ী মানুহে ধাৰণ কৰে। লোক-সংস্কৃতিৰ লগত এই বিশ্বাস আৰু ক্ৰিয়া-কৰ্মৰ ঘনিষ্ঠ সম্বন্ধ আজিও সম্পূৰ্ণভাৱে পৰিলক্ষিত।

ৰোগ-ব্যাধি নিৰাকৰণৰ এইবোৰ বিধিৰ বাহিৰেও গাঁৱলীয়া মানুহে সদা-সৰ্বদা বন-দৰব ব্যৱহাৰ কৰে। এই বন-দৰব সকলোৱে নিজ নিজ হাউলিৰ ভিতৰত পায়। বন-দৰবৰ ভিতৰত জীৱ-জন্তু, চৰাই-চিৰিকটি, পোক-পৰুৱাৰ হাড়-মঙহ, তেজ-তেল, পাখি-নখ, মল-মূত্ৰও পৰে। আশ-পাশৰ গছ-গছনি, বন-লতাও বিভিন্ন অংশ যেনে—শিয়া, পাত, ছাল, ফুল, কেশৰ গুটি, কি কি দ্ৰব্যগুণ সম্পন্ন সেইকথা গাঁৱৰ প্ৰায়বোৰ মতা-তিৰোতাই

জানে। সেইদৰে জীৱ-জন্তুৰ হাড়-মূৰ, তেজ-মঙহৰ দ্ৰব্যগুণৰ বিষয়েও তেওঁলোকৰ স্বভাৱলব্ধ জ্ঞান আছে। সেইকাৰণে ইয়াৰ কেতবোৰ ভৱিষ্যৎ ব্যৱহাৰৰ কাৰণে সাঁচি থোৱাও হয়। পুৰণি ঘিঁউ, পুৰণি গুৰ, পুৰণি কোমোৰা, শোকোটা, আমঠু, শুঠি, বাঘৰ তেল, শিহু-ঘঁৰিয়ালৰ তেল গাঁৱৰ বহু মানুহে আটোম-টোকাৰিকৈ সঞ্চয় কৰে। কোনো কোনো বন-দৰব নিৰ্দিষ্ট তিথি-বাৰ-নক্ষত্ৰত সংগ্ৰহ কৰিলে তাৰ দ্ৰব্যগুণ সম্পূৰ্ণভাৱে ৰক্ষা হয় বুলি বিশ্বাস। সেইবোৰ সেইদৰে যথা-নিয়মে সংগ্ৰহ কৰা হয়। কোনো কোনোৱে স্বপ্নত অথবা সন্ন্যাসীৰপৰাও ঔষধিৰ দ্ৰব্যগুণ সম্বন্ধে জ্ঞান লভে। এনে উপলব্ধিৰ লগত বহু কিম্বদন্তি-উপকথাৰ সংযোগ আছে; সেইবোৰ সংগ্ৰহ কৰিব পাৰিলে তাৰপৰাও লোক-বিশ্বাসৰ আভাস পাব পাৰি।

গছ-গছনি আৰু জীৱ-জন্তুৰপৰা প্ৰস্তুত কৰা এই দৰবসমূহ দুই প্ৰকাৰে প্ৰয়োগ হয়; খোৱা দৰব, নোখোৱা দৰব। নোখোৱা দৰব শৰীৰত ঘঁহা হয়; তাৰে প্ৰলেপ লগোৱা হয়; কাবলতিৰ তলত অথবা হাতৰ মুঠিত ধৰি থাকিলেও এই দৰবে গুণ দিয়ে বুলি বিশ্বাস। এইখিনিতে ইয়াকো লক্ষ্য কৰিব লগীয়া যে সাধাৰণ মানুহে প্ৰতিটো দ্ৰব্যৰ কেৱল কি স্বতন্ত্ৰগুণ সেইটোকে যে মাত্ৰ জানে সি নহয়—বিভিন্ন দ্ৰব্যৰ সংমিশ্ৰণত নতুনকৈ কি গুণাগুণৰ সৃষ্টি হয়, তাকো জানে। সাধাৰণ ৰোগ-ব্যাধিসমূহৰ লক্ষণ কি সেই বিষয়েও তেওঁলোকৰ বহুখিনি জ্ঞান আছে।

গাঁৱৰ ভাষা-সংস্কৃতিৰ সংৰক্ষক তিৰোতাসকলেই বুলি অন্য প্ৰসঙ্গত কোৱা হৈছে। বাহিৰৰ লগত আদান-প্ৰদান, অহা-যোৱা নোহোৱাত তিৰোতাসকলৰ ধৰ্মবিশ্বাস, আচাৰ-নীতি সাধাৰণতে সংৰক্ষণশীল। তিৰোতাৰ এই ৰক্ষণশীল স্বভাৱ এপিনে যেনেকৈ আমাৰ লোক সাহিত্য (সাঁথৰ, যোজনা, নিচুকনি গীত, বিয়ানাম), সাজ-পাৰ, অলঙ্কাৰ আদি প্ৰাচীন সাংস্কৃতিক ঐতিহ্য জীয়াই ৰাখিছে, সেইদৰে অসমীয়াৰ ভেষজ জ্ঞান-ভাণ্ডাৰকো ৰক্ষা কৰি আছে। গাঁৱৰ প্ৰায়বোৰ বয়সিয়াল তিৰোতাই গৰ্ভধাৰণৰপৰা সন্তান-পালনলৈকে সকলো কথা নিয়াৰিকৈ বুজে; সময়ত দেখা দিয়া ৰোগ, তাৰ লক্ষণ, প্ৰতিৰোধ আৰু প্ৰতিকাৰৰ বিধি-নিষেধ আৰু



দৰব-জাতিৰ বিষয়ে জানে। এই জ্ঞান শাহুৰপৰা বোৱাৰীয়ে অথবা মাকৰপৰা জীয়েকে মুখ পৰম্পৰাত যুগ যুগ ধৰি লভি আহিছে।

গাঁৱলীয়া তিৰোতাৰ অস্ত্ৰোপচাৰ সম্বন্ধেও যৎসামান্য জ্ঞান নোহোৱা নহয়। গৰ্ভতে মৃত্যু হোৱা সন্তানৰ প্ৰসৱ, সন্তান ওপজাৰ পিছত বাঁহৰ চোঁচেৰে নাই কটা, পোৱাতীৰ ফুল পৰাত সহায় কৰা কাৰ্য গাঁৱৰ বহু তিৰোতাই পাৰদৰ্শিতাৰে সম্পাদন কৰে। ল'ৰা-ছোৱালীৰ খহু, গাৰ বিহ-ফোঁড়াত পকনি দি (প্ৰলেপ) পকুৱাই তাক কাঁইটেৰে খুঁচি অথবা তীক্ষ্ণ অস্ত্ৰেৰে ফালি তেজ-পূঁজ উলিয়াই শুকনি দৰব দি শুকুৱাব জানে।

সন্তানৰ সামান্য ৰোগ-ব্যাধিত তেওঁলোকে উধাতু খাই বেজ-কবিৰাজৰ ওচৰ নেচাপে। ল'ৰা-ছোৱালীৰ কাহ-জ্বৰত তিতাবাহক, পাণ বা কলীয়া তুলসীৰ ৰস, কৃমিৰ দোষত মদাৰ পাত বা ভেদাইলতাৰ জোল বা সোণ-বৰিয়ালৰ শিপাৰ ৰস, কোষ্ঠবদ্ধতাত পাণ বা কচুৰ ঠাৰিৰ প্ৰয়োগ সকলো গাঁৱলীয়া তিৰোতায়ো জানে।

মানুহৰ ৰোগ-ব্যাধিৰ বাহিৰেও গৰু-ছাগলী, হাতী-ঘোঁৰা, হাঁহ-কুকুৰাৰ প্ৰতিষেধক বন-দৰব আছে; আজিও সেইবোৰ বহু পৰিমাণে ব্যৱহাৰ কৰা হয়। এই সকলোবোৰে জাতিৰ প্ৰজ্ঞা, জ্ঞান-বিজ্ঞানৰ চৰ্চাৰ পৰিচয়।

ৰোগ নিৰাকৰণৰ বাহিৰে ৰোগৰ সৃষ্টি কৰিবলৈকো কু-মন্ত্ৰ আৰু বন-দৰব প্ৰয়োগ কৰা হয়। শত্ৰু শালিবলৈ অথবা কোনো দুষ্ট অভিসন্ধিৰ অৰ্থে ইয়াক ব্যৱহাৰ কৰা হয়; এয়ে মন্দকৰা, হৰা দিয়া, আহুদি কৰা। পৰৰ অনিষ্ট সাধনত প্ৰয়োগ হোৱা মন্ত্ৰ আৰু বন-দৰব সংগোপনে কৰা হয়। গাঁৱৰ সকলো মতা-তিৰোতাই এইবোৰ নেজানে; তাৰ কাৰণে বেজ-বেজিনীৰ সহায় লাগে। বেজ-বেজিনী গাঁৱৰ অপৰিহাৰ্য অঙ্গ; হিতকৰ ভালেমান কামত

তেওঁলোকৰ প্ৰয়োজন। এওঁলোক কিছু পৰিমাণে প্ৰাচীন ভেষজ-বিদ্যা আৰু বিশ্বাস অনুষ্ঠানৰ সংৰক্ষক। বেজ-বেজিনীৰ হাতত এতিয়াও মন্ত্ৰ আৰু সাঁচিপতীয়া বেজালি পুথি আছে। এইবোৰৰ সংগ্ৰহে আৰু বেজ-বেজিনীৰ অনুষ্ঠানৰ আলোচনাই অসমীয়া লোক-সংস্কৃতিৰ আন এটা দিশ নিশ্চয় উজ্জ্বল কৰিব। অৱশ্যে, স্বৰ্গীয় গঙ্গাৰাম দাস তহচিলদাৰে তেখেতৰ 'বৈদ্য অমৰ' গ্ৰন্থত অসমীয়া বনৌষধি আৰু আসুৰিক চিকিৎসা প্ৰণালীৰ বিষয়ে বহু অমূল্য কথাৰ নিদৰ্শন দি গৈছে। তাৰ বাবে স্বৰ্গীয় দাসৰ ওচৰত লোক-সংস্কৃতিৰ সাধক সৰ্বতিকাল ঋণী।

•••

# উৎসৱ-অনুষ্ঠান

পঞ্জিকাত বিভিন্ন দেৱ-দেৱীৰ পূজা-অৰ্চনা, উৎসৱ-অনুষ্ঠান আৰু বছৰৰ পবিত্ৰ দিনসমূহৰ উল্লেখ আছে। গাঁৱলীয়া মানুহৰ ধৰ্মমূলক আৰু সামাজিক জীৱনৰ লগত এইবোৰ ওতপ্ৰোতভাৱে জড়িত। এইবোৰ পালনৰ আচাৰ-ব্যৱস্থা, ক্ৰিয়া-কাণ্ড, উপবাস, স্নান, দান আৰু দক্ষিণাৰ নিয়মৰ বিষয়ে শাস্ত্ৰৰ বিধি আছে। এইবোৰ মূলতে সৰ্বভাৰতীয়। ইয়াৰ বাহিৰেও ভালেমান আঞ্চলিক পূজা-পাৰ্বণ আৰু লৌকিক উৎসৱ-অনুষ্ঠান গাঁৱৰ মানুহে গোটেই বছৰ পালন কৰে। এই লৌকিক আৰু সামাজিক উৎসৱ-অনুষ্ঠানসমূহ জাতি-ধৰ্ম-নিৰ্বিশেষে সকলো মানুহেই পালে। ধৰ্ম বা সমাজ, যিহৰ লগতেই এই পৰ্ববোৰ সংযুক্ত নহওক, ইবোৰে যে গাঁৱৰ গতানুগতিক জীৱনক আনন্দমুখৰ কৰি তোলে তাত সন্দেহ নাই।

একাদশী, আঁউসি, পূৰ্ণিমা, চন্দ্ৰগ্ৰহণ, সূৰ্যগ্ৰহণ, সংক্ৰান্তি আদি সাধাৰণভাৱে পালন কৰা পবিত্ৰ দিন। একাদশীৰ ভিতৰত আষাঢ় মাহৰ শয়ন বা বিষ্ণুশয়ন একাদশী প্ৰধান। কাতি মাহৰ উত্থান একাদশী, মাঘৰ ভীম একাদশী আৰু ব'হাগৰ পাৰ্শ্ব একাদশী উল্লেখযোগ্য। এই দিনবোৰত গাঁৱলীয়া মানুহে হাল বোৱা আদি কৃষি-কাৰ্যৰপৰা বিৰত থাকে; তিৰোতাই ধান সিজোৱা, ধান বনা আদি সদায় কৰি থকা গৃহস্থালিৰ কামৰপৰা বিশ্ৰাম লয়।

গ্ৰহণত স্নান-দান পুণ্য কাম। মাঘৰ মাঘী-সপ্তমীত আৰু চ'তৰ অশোকাষ্টমীত ব্ৰহ্মপুত্ৰত পুণ্যসঞ্চয়ৰ অৰ্থে স্নান কৰা হয়। আশোকাষ্টমীত দুখ-শোকৰপৰা ৰক্ষা পাবলৈ অশোক ফুলৰ পাহি চোবোৱা নিয়ম। পুৰাণ

আৰু স্মৃতিশাস্ত্ৰত অসমৰ বহু নদ-নদীক পবিত্ৰ বুলি গণ্য কৰা হৈছে। তাৰে ভিতৰত কৰতোয়া, ব্ৰহ্মপুত্ৰ, স্বৰ্ণশ্ৰী (সোৱণশিৰি), মঙ্গলা, বল্লভা (বৰলিয়া), ভট্টাৰিক (জীয়া ভৰলী), বৃদ্ধগঙ্গা (বুঢ়ী গাং), দিক্কৰবাসিনী (ডিক্ৰি) ইত্যাদি প্ৰধান। অমাৱস্যা, পূৰ্ণিমা আৰু অন্যান্য পূজা-পাৰ্বণত এই নদীবোৰত স্নান, দান, তৰ্পণ কৰিলে মহাপুণ্য লাভ হয়। অন্যান্য নদীৰ ভিতৰত দিখৌ আৰু দয়াং নদীক নগাসকলে বিশেষ পবিত্ৰ জ্ঞান কৰে। দৈয়াং বা টংপু নৈৰ পানীক সাক্ষী কৰি নগাসকলে শপত খায়। কিন্তু 'কোনোবাই যদি সেই নদীৰ পানীক সাক্ষী কৰি মিছা শপত খালে—তেন্তে তেওঁ আৰু সেই নদী পাৰৰো হ'ব নোৱাৰে, তাৰ পানীতো দুনাই নামিবহি নোৱাৰে। কাৰণ, তেনে কৰিলেই তেওঁৰ মৃত্যু অৱশ্যম্ভাৱী। কেৱল সেয়েই নহয়, সেই নৈৰ পানীৰপৰা মাছ এটা নি খোৱাৰপৰাও তেওঁ ওৰে জীৱনলৈ বঞ্চিত হ'ব; কাৰণ, সেই মাছ খালেই তেওঁৰ মৃত্যু ধ্ৰুৱ।'

পূজা-পাৰ্বণবোৰৰ ঘাইকৈ ধৰ্মৰ লগত সম্বন্ধ। গতিকে, ভিন ধৰ্ম-মতাৱলম্বীৰ মাজত ভিন ভিন ধৰ্মানুষ্ঠানৰ ব্যৱস্থা আছে। ধৰ্মানুযায়ী এইবোৰক শৈৱ, শাক্ত, গাণপত্য, বৈষ্ণৱ আদি ভাগত শ্ৰেণী বিভাগ কৰিব পাৰি। কিন্তু গাঁৱত সকলো কৰ্মৰ মানুহে একেলগে বাস কৰে; তদুপৰি, এই পূজা-পাৰ্বণবোৰৰ লগত লৌকিক আনন্দ-উৎসৱ সাঙোৰ খাই আছে। গতিকে, বহু ক্ষেত্ৰত শাক্তৰ পূজা-পাৰ্বণত বৈষ্ণৱে যোগ দিয়ে; সেইদৰে, বৈষ্ণৱৰ উৎসৱত শাক্তসকলেও সহযোগ কৰে। সমিল-মিলভাৱে এইবোৰৰ পালনত ধৰ্মবিদ্ৰোহ বা বিৰোধ নঘটে।

'অসমীয়া সংস্কৃতিৰ ইতিহাস' নামৰ ইংৰাজী গ্ৰন্থত শৈৱধৰ্ম যে অসমত প্ৰাচীন কালৰেপৰা চলিছিল তাক প্ৰমাণ কৰা হৈছে। যিকোনো কাৰণেই নহওক, শৈৱধৰ্ম অসমত ব্যাপকভাৱে প্ৰচলিত হৈছিল; আৰু এই ধৰ্মই জনজাতিসকলৰ মন অপূৰ্বভাৱে আকৰ্ষণ কৰিছিল। জনজাতিসকলৰ বিশ্বাস-অনুষ্ঠান, আখ্যান-কিম্বদন্তিৰ লগত সানমিহলিৰ ফলত সৰ্বভাৰতীয় শৈৱধৰ্মৰ এক অসমীয়া গ্ৰাম্য সংস্কৰণৰ সৃষ্টি হৈছে। দেৱাদিদেৱ মহাদেৱৰ কল্পনাৰপৰা ভস্মসনা, ভাং-ধুতুৰা সেৱক, তিৰোতাৰ লগত কাজিয়া কৰা, কছাৰী ৰমণীক সম্ভোগ কৰা, এক সাধাৰণ দেৱতাত শিৱ ৰূপান্তৰিত হৈছে। জনজাতিসকলে



নানা নামত আৰু নিজা আচাৰ-বিধিৰে শিৱক আজিও পূজা কৰে। কছাৰীসকলৰ বাথৌ ব্ৰাই আৰু সাধাৰণৰ বুঢ়া-বুঢ়ী, খেতৰ-খেতৰণী আদি গাঁৱলীয়া দেৱতা শিৱৰ ৰূপান্তৰ বুলি অনেকে অনুমান কৰে। শিৱ-পূজাত শাস্ত্ৰসম্মত বলি-বিধান আৰু উপচাৰৰ বাহিৰেও কুকুৰা-গাহৰি, পকান্ন লাওপানী উচৰ্গি আৰু দেওধনি আদি নৃত্য-গীতেৰে কৰা হয়। 'দৰং ৰাজবংশাৱলী'ত কছাৰীমতে সদাশিৱৰ পূজা কৰা প্ৰসঙ্গত আছে ঃ

> হংস পাৰ মদ ভাত মহিষ শূকৰ।
> কুকুৰা ছাগল উপহাৰ নিৰন্তৰ।।
> পাতিলা নাচন তথা মাদল বজাই।
> সবাৰো মাজত তুলিলন্ত দেওধাই।।

পুৰণি শিৱমন্দিৰৰ বাহিৰেও শিৱথান, বঢ়া-বুঢ়ীৰ থান নামৰ কেতবোৰ পুণ্যস্থানত গোট বা চটা শিল অথবা ঢিপক শিৱজ্ঞান কৰি বিশেষকৈ উৎসৱ-পাৰ্বণত পূজা কৰা হয়। শৈৱ উৎসৱৰ ভিতৰত শিৱৰাত্ৰি বিশেষ জনপ্ৰিয়। ফাল্গুণ মাহৰ এই উৎসৱত উমানন্দ, দেৱগাঁও আৰু শিৱসাগৰৰ শিৱদৌল, তেজপুৰৰ শিঙৰি, মহাভৈৰৱ আদি মন্দিৰত ৰাজ্যৰ নানা ঠাইৰ শিৱভক্ত আৰু শৈৱ সাধু-সন্ন্যাসী গোট খায়হি। এই উৎসৱৰ লগত মেলা বহে; নাচ-গানৰ ব্যৱস্থা থাকে। এই আনন্দ-অনুষ্ঠানত ভিন্নপন্থী লোকেও যোগ দিয়ে। অসমৰ বহু অঞ্চলত 'শিৱথান' বুলি কেতবোৰ পবিত্ৰ স্থান আছে। শিৱথানসমূহতো সমাৰোহেৰে শিৱৰাত্ৰি উৎসৱ পালন কৰা হয়।

আষাঢ় মাহৰ অম্বুবাচী কামাখ্য মন্দিৰৰ প্ৰধান উৎসৱ। এই উৎসৱলৈ সৰ্বভাৰতীয় তীৰ্থযাত্ৰী আহে; তাত সৰ্বভাৰতীয় সাধু-সন্ন্যাসী আৰু তেওঁলোকৰ ধৰ্ম, চিন্তাধাৰা, জীৱনযাপনৰ লগত অসমীয়া মানুহৰ পৰিচয় ঘটে। তাৰে ফলত এক সৰ্বভাৰতীয় জীৱনাদৰ্শ আৰু সাংস্কৃতিক ঐক্যৰ সূচনা হয়। এই উৎসৱত আয়োজন কৰা মেলা জাতীয় শিল্প-প্ৰদৰ্শনীত পৰিণত হয়।

প্ৰাচীন শাস্ত্ৰকাৰসকলৰ মতে অম্বুবাচী মূলতে শস্য উৎসৱ। বাৰিষাৰ বৰষুণৰ লগে লগে পৃথিৱীত শস্য গজি উঠে; সেই কাৰণে অম্বুবাচীত পৃথিৱী

ঋতুমতী হোৱা বুলি বিশ্বাস। বিধৱাসকলে উৎসৱৰ দিনকেইটাত উপবাসে থাকি ব্ৰত পালন কৰে। কোনো কোনো অঞ্চলত মাটিৰ চৰুত মাটি-পানী থৈ তাত শস্যৰ বীজ সিঁচা হয়। উৎসৱৰ অন্তত গজি উঠা সেই শস্য চৰুৰে সৈতে নদীত উটাই দিয়ে।

বৰতীয়া বিধৱাসকলে সেই কেইদিন মুঠেই ফলাহাৰহে কৰে। অম্বুবাচীৰ পূৰ্বেই আম-কঁঠাল আদি ফল সংগ্ৰহ কৰি পৃথিবীৰ লগত সম্পৰ্ক নোহোৱাকৈ চাঙৰ ওপৰত তুলি থয়। কোনো কোনো বিধৱাই এই কেইদিন নদীৰপৰা পানীও নোতোলে।

শাক্তসকলৰ পূজাৰ ভিতৰত শাৰদীয় দুৰ্গাপূজা বৰ্তমান ব্যাপকভাৱে পালন কৰা হয়। অসমত শক্তিপূজা অনুষ্ঠানৰ ঐতিহ্য অতি প্ৰাচীন। কামৰূপ প্ৰাচীন কালৰপৰাই শাক্তধৰ্মৰ কেন্দ্ৰ আছিল আৰু কামাখ্যা ইয়াৰ প্ৰাধান মন্দিৰ। অসমত শাক্তধৰ্মৰ ইতিহাস সুদীৰ্ঘ। বহুতো ধৰ্ম-নিৰপেক্ষ আৰু ধৰ্মমূলক অনুষ্ঠানত ইয়াৰ স্পষ্ট অৱদান আছে। অসমীয়া সংস্কৃতিত শাক্তধৰ্মৰ প্ৰভাৱ নুই কৰিব নোৱাৰি।

শাক্ত পূজাৰ ক্ৰিয়া-কাণ্ড আৰু শাক্ত দৰ্শনৰ বিষয়ে অনেক পুথি সংস্কৃতৰপৰা অসমীয়ালৈ অনুবাদ কৰা হৈছিল। আনকি, অসমত কালিকাপুৰাণ, হৰগৌৰী-সম্বাদ, যোগিনীতন্ত্ৰ, কামাখ্যাতন্ত্ৰ আদি শাক্তধৰ্মৰ ক্ৰিয়া-পদ্ধতি সম্পৰ্কীয় অনেক পুথি সংস্কৃত ভাষাতে লিখা হৈছিল।

সঙ্গীতৰ ক্ষেত্ৰতো ইয়াৰ গুৰুত্বপূৰ্ণ বিকাশ হৈছিল। বৈষ্ণৱসকলৰ দৰে শাক্তসকলেও অসমীয়াত এক শ্ৰেণীৰ স্তোত্ৰ ৰচনা কৰিছিল। এই স্তোত্ৰবিলাক এতিয়াও প্ৰাৰ্থনা সঙ্গীত হিচাপে পূজাৰীসকলে গায়। দুৰ্গাপূজাত গোৱা আগমনী (আদৰণি) আৰু বিজয়া (বিদায়) গীতিসমূহ গভীৰতা আৰু ঐকান্তিকতাৰে গাম্ভীৰ্যপূৰ্ণ। শাক্ত দেৱ-দেৱীৰ পূজাৰ ফলত বহুতো বিভিন্ন ছন্দসম্বলিত অসমীয়া স্তোত্ৰৰ সৃষ্টি হৈছে।

অসমৰ শাক্ত-কলা মুলতঃ সৰ্বভাৰতীয় ঐতিহ্যৰ অনুগামী। আহোম যুগত নিৰ্মাণ কৰা শাক্ত মন্দিৰসমূহৰ অৱশ্যে কিছুমান নিজস্ব বৈশিষ্ট্য আছে।



ইয়াৰ নিদৰ্শন মন্দিৰ আৰু প্ৰাচীৰৰ মূৰ্তিত দেখা যায়। এই প্ৰসঙ্গত দেউলত ত্ৰিশূল আৰু ময়ূৰ আৰু দেৱালত শক্তিপূজাৰ লগত জড়িত পক্ষী আৰু জন্তুৰ প্ৰতীক-মূৰ্তি বিশেষভাৱে উল্লেখযোগ্য। কোনো কোনো দেৱ-দেৱী মন্দিৰত কুকুৰাৰ মূৰ্তিও কটা হয়। জনজাতীয়সকলে দেৱীৰ আগত কুকুৰা বলিও দিয়ে। মঙলদৈৰ কুকুৰাকটা থানত নৰকাসুৰে কামাখ্যাক পত্নীৰূপে নেপাই কুকুৰাৰূপী ভৈৰৱীক বধ কৰিছিল বুলি লোকশ্ৰুতি আছে। হিন্দুশাস্ত্ৰতো দেৱীৰ লগত কুকুৰাৰ সম্বন্ধৰ বিষয়ে উল্লেখ আছে। চণ্ডীত কুকুৰাই কাৰ্তিকক আৱৰি থকাৰ উল্লেখ আছে।

> ময়ূৰে কুক্কুটেবৃতে মহাশক্তিধৰেহনঘে।
> কৌমাৰী ৰূপ সংস্থানে নাৰায়ণি নমস্তুতে।। (চণ্ডী ১১/১৫)

শিৱাৰ্চন চন্দ্ৰিকাৰ সুব্ৰহ্মণ্যমনু প্ৰকৰণত ম'ৰা আৰু কুকুৰাক স্কন্দৰ বাহনস্বৰূপে পূজা কৰাৰ বিধান আছে। মহাভাৰতত আছেঃ

> ত্বং ক্ৰীড়সে ষন্মুখ কুক্কুটেন
> যথেষ্ট নানাবিধ কামৰূপী
> দীক্ষাসি সোমো মৰুত ঃ সদৈৱ
> ধৰ্ম্মোসি বায়ুৰচলেন্দ্ৰ ইন্দ্ৰঃ।

"হে ষড়ানন, তুমি কুকুৰাৰে খেমালি কৰা; তুমি নিজৰ ইচ্ছা অনুসৰি ৰূপ ধাৰণ কৰা। তুমিয়েই দীক্ষা, সোম, মৰুৎ, ধৰ্ম, বায়ু, গিৰিৰাজ আৰু ইন্দ্ৰ।"

শাক্তসকলে দেৱী-পূজাত বিশেষ গুৰুত্ব আৰোপ কৰাৰ ফলত বিভিন্ন দেৱীমূৰ্তিৰ উদ্ভৱ হৈছে। এই দেৱীসকলৰ ভিতৰত প্ৰধান হ'ল মহিষ-মৰ্দিনী, কামাখ্যা, ভুৱনেশ্বৰী, কালী, উগ্ৰতৰা, ত্ৰিপুৰেশ্বৰী, চণ্ডী, চণ্ডিকা (কামৰূপৰ ছয়গাঁৱত এই দেৱীৰ মন্দিৰ আছে), দুৰ্গা, জয়দুৰ্গা, ভৈৰৱী, বসুন্ধৰী, ব্যাঘ্ৰেশ্বৰী (গোৱালপাৰা), বুঢ়ী গোসাঁনী, কেচাইখাতী, চামুণ্ডা। কামাখ্যা আৰু নগাঁও জিলাৰ ন-ভঙাত পোৱা চামুণ্ডাৰ মূৰ্তি ভাৰতীয় মূৰ্তি-শিল্পৰ ইতিহাসত এটি আপুৰুগীয়া সম্পদ। প্ৰায় এই সকলো দেৱীৰেই নিজা নিজা

মন্দিৰ আছে, এই দেৱীসকলক বিশেষ পূজা-পাতল আৰু বলি-বিধানেৰে আজিও পূজা কৰা হয়। কেচাইখাতী গোসাঁনীৰ আগত নৰবলি হৈছিল। কোনো কোনো দেৱীৰ আগত ফৰিং আৰু কলীয়াকচুও বলি দিয়া হৈছিল। হাজোৰ ওচৰৰ ব্যাঘ্রেশ্বৰীৰ আগত ফৰিং কাটি বলি দিয়াৰ জনশ্রুতি আছে। 'দৰঙ্গ ৰাজবংশাৱলী'ত বিশ্বসিংহই দুৰ্গাক ফৰিং কাটি পূজা দিয়াৰ প্ৰসঙ্গত আছে ঃ

"দুৰ্গাক পূজিবে প্ৰতি কৰিলেক মন।
গোৰোখীয় সকলক বুলিলা বচন।।
শুন গোৰোখীয়াসৱ মোৰ আজ্ঞা ধৰ।
ফৰিঙ্গ ধৰিয়া আনি দিওক সত্বৰ।।
দুৰ্গাক পূজিবে মোৰ লাগে ভক্তিভাৱে।
পূজা কৰি নমস্কাৰ কৰোঁ তান পাৱে।।
গোৰোখীয়াসৱে শুনি প্ৰচণ্ড বচন।
বনত পশিলা সৱে ফৰিঙ্গক পণ।।
বিচাৰি ফৰিঙ্গ ধৰি অসংখ্যাত পাইলা।
সমস্তে ফৰিঙ্গ আনি বিশুত জোগাইলা।।
উভতাই লৰু আনি তথাতে পুতিলা।
কাকোৰা বাঁহৰ চোঁচ খড়্গা কৰিলা।।
ভক্তিভাৱে উচৰ্গিলি ফৰিঙ্গ যতেক।
সমস্তকে কাটি পূজা কৰিলা প্ৰত্যেক।।

শাক্তসকলৰ পূজাত কেতবোৰ ভয়ঙ্কৰ মূৰ্তিৰো কল্পনা আছে। এই ভয়াবহ মূৰ্তি আৰু তাৰ লগত জড়িত পূজাপদ্ধতি জনজাতীয় উপাখ্যান আৰু লোকবিশ্বাসৰপৰা গ্ৰহণ কৰা হৈছে বুলি কোনো কোনোৱে অনুমান কৰে। ডক্টৰ ৰামপ্ৰসাদ চন্দৰ মতে বিন্ধ্যবাসিনী, কিৰাতিনী, আনকি দুৰ্গাও আৰু পুলিন্দসকলৰপৰা অহা দেৱী। আৰু এটা কথা লক্ষ্য কৰিব লগীয়া যে শাক্তসকলে কোনো কোনো মন্দিৰ পৰ্বতৰ শৃঙ্গ আৰু অগম্য অৰণ্যত প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ উদ্দেশ্য আদিবাসী আৰু জনজাতিৰ মাজত হিন্দধৰ্ম আৰু সংস্কৃতিৰ বিস্তাৰ কৰা। শাক্তসকলে এই পূজাপদ্ধতি আৰু অনুষ্ঠানৰ যোগে



বিভিন্ন জাতি আৰু উপজাতিৰ মাজত সাংস্কৃতিক সমন্বয় সাধনৰ চেষ্টাও কৰিছিল। দুৰ্গাপূজাৰ সৱবোৎসৱ আৰু নৱপত্ৰিকা অনুষ্ঠান এই প্ৰসঙ্গত তাৎপৰ্যপূৰ্ণ। অসমীয়া জীৱন আৰু সমাজলৈ শাক্তসকলৰ ই এটা বিশিষ্ট অৱদান।

শাক্তপূজাৰ প্ৰকাৰ প্ৰধানত ঃ তিনিটা—জপ, হোম আৰু তৰ্পণ। জপ হ'ল পূজাৰ পদ্ধতি; ইয়াত দেৱীৰ মূলমন্ত্ৰ স্মৰণ কৰা হয়। হোম হ'ল হোমৰ জুইত আহুতি দিয়া; ষোড়শ উপচাৰেৰে দেৱীৰ পূজাই হ'ল তৰ্পণ। এই উভয় পদ্ধতিৰেই মন্দিৰ আৰু সাৰ্বজনীন মণ্ডপত পূজা-পাৰ্বণ কৰা হয়। ৰাজহুৱাভাৱে কৰা পূজাই সাম্প্ৰদায়িক সম্প্ৰীতি, সামাজিক সহযোগিতাৰ ভাব দৃঢ় কৰিলে। শাৰদীয়া পূজাৰ দৰে অন্যান্য পূজাও স্তোত্ৰ পাঠ, প্ৰাৰ্থনা, নৈবেদ্য আৰু বলিৰে বাহুল্যকৈ আনন্দ-উৎসৱৰ মাজেৰে অনুষ্ঠিত হয়। প্ৰতিমাৰ সম্মুখত ধূপ-দীপ, নৃত্য-গীতেৰে আৰতি হয়। জনসাধাৰণে এই অনুষ্ঠানসমূহ উপভোগ কৰে। এইখিনিতে উল্লেখযোগ্য যে অসমৰ মন্দিৰত নৃত্যৰ প্ৰচলন পোনপ্ৰথমতে শৈৱ মন্দিৰতে হয়; ইয়াৰ কাৰণে প্ৰত্যেক মন্দিৰতে এক শ্ৰেণীৰ নটীৰ ব্যৱস্থা আছিল। শাক্তসকলেই আৰতি-নৃত্যৰো প্ৰৱৰ্তন কৰে।

শাস্ত্ৰীয় বিধি অনুসাৰে শাক্ত পুৰোহিত পূজাৰ বিভিন্ন অনুষ্ঠানৰ কাৰণে সুকীয়া সুকীয়া সাজ পিন্ধিব লাগে। ভক্তসকলেও আহুতি দিবৰ সময়ত ন-সাজ পিন্ধাৰ নিয়ম। এই প্ৰথাই সাধাৰণ মানুহৰ সৌন্দৰ্যবোধ বঢ়ায়; কিন্তু তাতোকৈও ইয়াৰ ফলত ৰাজকীয়া আৰু সৰ্বসাধাৰণৰ সাজ-পাৰতকৈ পৃথক পুৰোহিতৰ সাজ এটাৰ প্ৰচলন হ'ল।

শাক্ত ধৰ্মৰপৰাই গাঁৱলীয়া জীৱনৰ ক্লান্তিকৰ গতানুগতিকতাত বৈচিত্ৰ্য অনা বহুতো ধৰ্মোৎসৱৰ উৎপত্তি হৈছে। মন্দিৰৰ পূজাৰ লগতে এই উৎসৱবোৰে ভাৰতীয় সংস্কৃতি আৰু ধৰ্মক সাধাৰণ মানুহৰ মাজত প্ৰচাৰ কৰি জাতীয় ঐক্য সাধনত সহায় কৰিছে। কেইবাদিনো জুৰি আনন্দ-উল্লাসত বুৰগৈ থাকিব পৰা দুৰ্গাপূজাটোৱেই আটাইতকৈ উৎসৱমুখৰ। এই কেইদিন ল'ৰা-বুঢ়া, পূজাত বিশ্বাসী-অবিশ্বাসী, সকলোৱেই ন ন কাপোৰ পিন্ধি

আমোদ-আহ্লাদ কৰে। দেৱীক আদৰিবলৈ ন-সাজ পিন্ধিব লাগে বুলি কালিকা পুৰাণতো উল্লেখ কৰা হৈছে। পূজাত পিতা-মাতা, আন বয়সীয়া আৰু চহকী মানুহে ল'ৰা-ছোৱালীক পুতলা উপহাৰ দিব লাগে বুলি তাত কোৱা হৈছে।

বৈষ্ণৱ ধৰ্মতকৈ শাক্ত ধৰ্ম কেৱল পূজা আৰু ক্ৰিয়া-কাণ্ডৰ ফালৰপৰাই পৃথক নহয়, শাক্তসকলৰ জীৱন-দৰ্শনো সুকীয়া। বৈষ্ণৱ ধৰ্মই দাৰিদ্ৰ্যত মহত্ব আৰোপ কৰে আৰু বৈষ্ণৱৰ কাৰণে দাৰিদ্ৰ্যত ভয় কৰিব লগীয়া একো নাই। তাতোকৈও বৈষ্ণৱে বৈৰাগ্য আৰু সহজ জীৱনযাপন কৰিবলৈ জীৱনৰ বহুতো আমোদ-প্ৰমোদ ত্যাগ কৰিবলৈ ইচ্ছা কৰে। কিন্তু শাক্ত এজনৰ স্পৃহা তেনে নহয়; তেওঁলোকে ঈশ্বৰে মানুহলৈ বুলি সৃষ্টি কৰা সকলো ভাল বস্তুকে উপভোগ কৰিবলৈ বিচাৰে। দেৱীৰ সমুখত এজন শাক্তৰ সাধাৰণ প্ৰাৰ্থনা হ'ল ঃ

"ৰূপং দেহি, জয়ং দেহি, যশো দেহি, দ্বিষো জহি"
"বিধেহি দেৱী কল্যাণং বিধেহি বিপুলা শ্ৰিয়ম্"
"বিদ্যাবন্তং যশস্বন্তং লক্ষ্মীবন্তঞ্চ মাং কুৰু"
"ভাৰ্য্যাং মনোৰমাং দেহি মনোবৃত্ত্যনুসাৰিণীম্"'

শাক্ত ধৰ্মৰ লগত জড়িত অন্যান্য পূজা হ'ল কালী আৰু চণ্ডী। কাতিমাহৰ অমাৱস্যাত শাস্ত্ৰীয় বিধানেৰে বছৰেকীয়া কালী পূজা পালন কৰা হয়। ইয়াৰ বাহিৰেও অপায় অমঙ্গল দূৰ কৰিবলৈ আন আন অমাৱস্যাতো শাক্তসকলে কালীপূজা পাতে। সময়ে সময়ে চণ্ডীপাঠো কৰা হয়।

লক্ষ্মী পূজা, শীতলা পূজ, সত্যনাৰায়ণ সেৱা, ৰাজহুৱাভাৱে কৰাতকৈ ঘৰুৱাভাৱেহে পালন কৰা হয়। আজিকালি লক্ষ্মীপূজা আইনাম (শীতলাপূজা) ৰাজহুৱা নামঘৰত ঘাঁইকৈ তিৰোতাসকলে পাতে। এই পূজা-অৰ্চনাত শাক্ত-বৈষ্ণৱ দুয়োৰে সংমিশ্ৰণ ঘটিছে।

দেশত নতুন নতুন শিল্পানুষ্ঠান গঢ়ি উঠাত বৰ্তমান চহৰবোৰত ভাদ-আহিনৰ সংক্ৰান্তিত বিশ্বকৰ্মাৰ পূজাও আড়ম্বৰেৰে পালন কৰা হয়। কিন্তু



সকলোতকৈ অধিক জনপ্ৰিয় হৈছে মাঘ মাহৰ বসন্ত-পঞ্চমী বা শ্ৰীপঞ্চমী। বসন্ত-পঞ্চমী পূৰ্বে ঋতু-উৎসৱ আছিল। আজিকালি জ্ঞান-বিজ্ঞান আৰু সুকুমাৰ কলাৰ অধিষ্ঠাত্ৰী সৰস্বতী পূজাত পৰিণত হৈছে।

নৱগ্ৰহ আৰু শনিৰ পূজাও ঘৰুৱাভাৱে কৰা হয়। গুৱাহাটীৰ চিত্ৰাচল মন্দিৰ নৱগ্ৰহ পূজাৰ প্ৰাচীন কেন্দ্ৰ। অসমৰ বহু অঞ্চলত গণেশ বা বিঘ্নেশ্বৰৰ মূৰ্তি সিঁচৰতি হৈ আছে। সাধাৰণ মানুহে এই মূৰ্তিত মাজে-সময়ে ভোগ দি পূজা কৰে। গুৱাহাটীৰ কাষৰ গণেশগুৰিৰ আৰু তেজপুৰৰ গণেশঘাটৰ গণেশ মূৰ্তিত বিশেষভাৱে পূজা দিয়া হয়।

শাক্ত ধৰ্মৰ লগত জড়িত অন্য এক লৌকিক পূজা হৈছে মনসা বা মাৰৈ পূজা। শাওণ মাহত বাৰ্ষিক মনসা পূজা শাস্ত্ৰীয় বিধি-বিধান আৰু ম'হ বলি দি ৰাজহুৱাভাৱে পতা হয়। মাৰি-মৰক আৰু সৰ্পভয়ৰপৰা ৰক্ষা পাবলৈ অন্যান্য সময়তো ঘৰুৱা অথবা ৰাজহুৱা হিচাপে মনসাপূজা পালন কৰা হয়। এই পূজা আঞ্চলিক; বড়ো-কছাৰী সমাজৰ মাজত ইয়াৰ ব্যাপক প্ৰচলন।

শঙ্কৰদেৱৰ পূৰ্বেই অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ হৈছিল। এই বিষয়ে **A cultural History of Assam**অত কোৱা হৈছে। অসমৰ সৰ্বত্ৰ বিষ্ণুৰ পূজা-অৰ্চনাৰ লগত সম্বন্ধ থকা ভালেমান পুণ্য স্থান আছে। বিভিন্ন নাম আৰু ৰূপত এই স্থানসমূহত বিষ্ণুক আজিও যাগ-যজ্ঞেৰে পূজা কৰা হয়। হাজোৰ হয়গ্ৰীৱ দেৱালয়, লক্ষ্মীমপুৰৰ বাসুদেৱ থান, তেজপুৰৰ দুলাল-মাধৱ, নগাঁৱৰ সৌভাগ্য মাধৱ আদি প্ৰধান। প্ৰায় সকলো মাহতে বিষ্ণুক পূজা-অৰ্চনা কৰা হয় যদিও, মহাপুৰুষীয়া বৈষ্ণৱসকলৰ কাৰণে ভাদ মাহটো পবিত্ৰ। এই মাহতে তিনিটা প্ৰধান তিথি উৎসৱ হয়। সেয়ে হৈছে—কৃষ্ণা অষ্টমী তিথিত শ্ৰীকৃষ্ণৰ জন্মদিন—জন্মাষ্টমী; শুক্লা দ্বিতীয়া তিথিত শঙ্কৰদেৱৰ তিৰোধান তিথি আৰু কৃষ্ণা পঞ্চমীত মাধৱদেৱৰ তিথি।

গোটেই ভাদ মাহটোত সত্ৰত আৰু গাঁৱৰ নামঘৰত দুপৰীয়া, আবেলি আৰু গধূলি—এই তিনিপৰত খোল-তালেৰে জোৰা গোৱা হয়। ইয়াৰ বাহিৰেও সত্ৰসমূহত বেহাৰৰ গীত গায়; নটুৱা ল'ৰাক ভঙ্গী (নাচ) শিকায়।

গুৰু-কীৰ্তনৰ দিনাই নতুন গায়ন-বায়ন, নাম লগোৱা আদি পতা হয়।

জন্মাষ্টমী তিথি বৈষ্ণৱৰ অন্য এটি উৎসৱ। ঘৰত আৰু গাঁৱৰ নামঘৰত মহাসমাৰোহেৰে নামপ্ৰসঙ্গ আৰু কৃষ্ণলীলাৰ কীৰ্তন, ভাওনা আদি দিনে-ৰাতিয়ে কৰা হয়। জন্মাষ্টমীৰ পিছদিনা নন্দোৎসৱ। নন্দই বৃদ্ধবয়সত কৃষ্ণক পুত্ৰৰূপে পোৱাৰ কাৰণে সমগ্ৰ গোকুলবাসীৰ আনন্দ-উৎসৱক সুঁৱৰি এই পৰ্ব উদ্‌যাপন কৰা হয়। এই দিনটোত তিৰোতাই গীত গাই পাঁচতি আৰু মতা-মানুহেও বোকা ভাওনা পাতে।

ৰথযাত্ৰা, ৰাসপূৰ্ণিমা আৰু ঝুলনযাত্ৰা আৰু দৌলযাত্ৰাও বৈষ্ণৱসকলৰ উৎসৱ। আষাঢ় মাহত জগন্নাথৰ বলৰাম আৰু সুভদ্ৰাৰে সৈতে ৰথত যাত্ৰা কৰা উৎসৱেই ৰথযাত্ৰা হিচাপে পালন কৰা হয়। সঙ্গীতমুখৰ শোভাযাত্ৰা এই উৎসৱৰ উল্লেখযোগ্য অঙ্গ। ৰাস-পূৰ্ণিমা আঘোণ মাহত হয়; আৰু জাক্‌জমকেৰে ইয়াক পালন কৰে। মাজুলিৰ সত্ৰসমূহত এই উৎসৱ অতি পয়োভৰেৰে পতা হয়। প্ৰাচীন বসন্ত উৎসৱৰপৰাই দৌলযাত্ৰা, হোলি বা ফাকুৱাৰ উৎপত্তি। বহু পণ্ডিতে এই উৎসৱ আৰ্য আৰু আৰ্য-পূৰ্বসকলৰ সংমিশ্ৰণত গঢ়ি উঠিছে বুলি অনুমান কৰে। বৰদোৱা আৰু বৰপেটাৰ দৰে বৈষ্ণৱ সত্ৰবোৰত এই উৎসৱ উৎসাহ-উদ্দীপনাৰে পালন কৰা হয় । এই উৎসৱত বিধৱাসকলে দল বান্ধি বাৰ দেউল দৰ্শন কৰা মহা পুণ্য কাম।

জন্মাষ্টমীৰ বাহিৰেও বৈষ্ণৱ গুৰুসকলক সুঁৱৰি পালন কৰা অনেক তিথি-উৎসৱ আছে। গুৰু-কীৰ্তন আৰু মাধৱদেৱৰ তিথিৰ বাহিৰেও গোপালদেৱ, হৰিদেৱ, দামোদৰদেৱ আদি ধৰ্মগুৰুসকলৰ তিৰোধান তিথিও দুজনা গুৰুৰ তিথিৰ দৰেই গাঁৱৰ নামঘৰত নামপ্ৰসঙ্গ আদিৰে শিষ্য-ভকত সকলোৱে সমাৰোহেৰে পালন কৰে।

ভাদ-আহিনৰ সংক্ৰান্তিৰ দিনা সত্ৰ আৰু অন্যান্য নামঘৰত 'নাম সামৰা' উৎসৱ হয়। সচৰাচৰতকৈ বেলেগ বেলেগ সুৰৰ বিভিন্ন প্ৰকাৰৰ নাম ৰাইজে সমূহীয়াভাৱে গায়। ল'ৰা- বুঢ়া প্ৰত্যেকেই হাতত একোযোৰ তাল লৈ এই নাম গায়। নামৰ লগত নাচো আছে; তাত সকলোৱে যোগ দিয়ে; তাৰ



উপৰি 'বছৰেকীয়া সেৱা' বুলি পালনাম পাতে। ঘৰেপতি পইচা বৰঙণি তুলি নাম-কীৰ্তন পতা হয় আৰু সমূহ গঞাই মিলি জা-জলপানো খায়। ওচৰ-চুবুৰীয়া গাঁৱৰ ৰাইজকো নিমন্ত্ৰণ কৰি খুৱায়। এই উৎসৱতে ৰাতি ভাওনা পাতে। কোনো কোনো সত্ৰত বছৰত এবাৰ নামঘৰৰপৰা থাপনা বা মূৰ্তি উলিয়াই মুকলি ঠাইত ৰভা দি কেইবাদিনলৈকে থোৱা হয়। এই কেইদিন নাম কীৰ্তন, বাৰ খেলৰ ভাওনা আৰু মেলা আদি আনন্দ-উৎসৱ আয়োজন হয়।

সত্ৰবোৰৰ নীতি-নিয়ম অনুসৰি প্ৰত্যেক সত্ৰতেই সত্ৰৰ প্ৰতিষ্ঠাতাজনৰ বা মৃত অধিকাৰৰ তিৰোধান তিথিত নানা উৎস উদ্‌যাপন কৰা হয়। আজিকালি গুৰুসকলৰ জন্মতিথি পালনবো নিয়ম প্ৰবৰ্তিত হৈছে। ধৰ্মলৈ প্ৰেৰণা যোগোৱাৰ উপৰিও এই উৎসৱসমূহে গ্ৰাম্যজীৱনৰ সংঘবদ্ধতাত সহায় কৰে, ৰাজহুৱাভাৱে গাঁৱৰ কল্যাণকৰ কাম কৰাত সুবিধা যোগাই গঞাক সমূহীয়া ভাবাপন্ন কৰে আৰু গাঁৱৰ সমাজসংগঠন আৰু সংহতি দৃঢ় কৰে। ৰাজহুৱাভাৱে পালন কৰা এই উৎসৱ-অনুষ্ঠানৰ গীত-মাত, শাস্ত্ৰ-অবৃত্তি, নৃত্য-অভিনয়ত অংশগ্ৰহণ কৰাৰ হেতু গাঁৱৰ মানুহৰ শিল্পানুৰাগ, কলাসুলভ দক্ষতা আৰু যুটীয়াভাৱে কাম কৰাৰ মনোভাৱ সহজেই গঢ়ি উঠে। সংস্কৃত সমাজ গঠনত উৎসৱ-অনুষ্ঠানে এইদৰে বৰঙণি যোগাইছে।

জাতীয় উৎসৱৰ ভিতৰত বিহুৱেই প্ৰধান। ব'হাগ বা ৰঙালী, মাঘ বা ভোগালী আৰু কাতি বা কঙালী এই তিনিটা বিহু। চ'ত আৰু ব'হাগৰ মহাবিষুৱ সংক্ৰান্তিত ৰঙালী বিহু। ই মূলতঃ কৃষিপ্ৰধান উৎসৱ। সংক্ৰান্তিৰ দিনা গৰুবিহু পালন কৰা হয়। সেইদিনা গৰুক মাহ-হালধিৰে নোৱাই-ধুৱাই গো-সেৱা কৰা হয়। দ্বিতীয় দিনা মানুহবিহু। ৰাতি হুচৰি গায়। ঢোপ খেলা, মালযুঁজ কৰা, তেল দিয়া, বিহু নাম হুচৰিনাম আদি গোৱা আৰু কড়ি পাশা খেলা এই বিহুৰ অঙ্গস্বৰূপ। তৃতীয় দিনা গোসাঁইবিহু, অৰ্থাৎ নামঘৰ বা হৰিমন্দিৰত নাম-কীৰ্তন আদিৰে উৎসৱ পালন কৰা হয়। গোটেই ব'হাগ মাহ জুৰি আনন্দ-উৎসৱ চলি থাকে। তিৰোতাসকলে বিহুৱান বয় আৰু পৰিয়ালৰ প্ৰত্যেকজনকে আৰু মিতিৰ-কুটুমকো একো সাঁজ দিয়ে। ব'হাগৰ

বিহুত মঙলদৈ অঞ্চলত বিষ্ণুমূৰ্তি স্থাপন কৰি বৈশাখী দৌল উৎসৱ পালন কৰা হয়; পূজাৰ লগত ডাঙৰ মেলাও বহে। এই পূজা আৰু মেলা চাবলৈ বহু দূৰৈৰ গাঁৱৰ মানুহো আহে। হাজোৰ হয়গ্ৰীৱ মাধৱত আৰু গোৱালপাৰাৰ ভৈৰৱ থানতো ব'হাগৰ বিহুত মেলা বহে। ব্ৰাহ্মণ-সজ্জনক দান দিয়া ব'হাগ বিহুৰ এটি অঙ্গ; এই প্ৰথা পুৰণি কালৰপৰা চলি আহিছে। বলবৰ্মাৰ নগাওঁ তাম্ৰশাসনত ব্ৰাহ্মণৰ উদ্দেশ্য চ'তৰ সংক্ৰান্তিত দান দিয়াৰ কথা আছে। ৰত্নপালৰ বৰগাওঁ লিপিত বিষুৱপদী সংক্ৰান্তি আৰু কমৌলি লিপিত ব'হাগৰ একাদশীৰ উল্লেখ আছে।

আহিন-কাতিৰ সংক্ৰান্তিৰ দিনা কাতি বিহু। ইও কৃষি বা শস্য উৎসৱ আৰু খেতি-বাতিৰ মঙ্গলৰ কাৰণে এই বিহুত বিবিধ বিধি-বিধান পালন কৰা হয়। সেইদিনা আলু-কচু আৰু ভেঁট-শেলেকু খোৱাৰ নিয়ম। এই দিনত তুলসীৰ তলত বন্তি লগাই নাম গায়; ভঁড়ালৰ গুৰিত বন্তি জ্বলোৱা হয়। কামৰূপৰ কোনো কোনো অঞ্চলত বিশেষকৈ পশ্চিম বৰিগোগ মৌজাৰ দৈ-চপৰা গাঁৱত কুমাৰী ছোৱালীয়ে কাতি মাহত পদুলিত কলগছ পুতি তাৰ গুৰিত চাকি জ্বলাই কেইবাদিনো ধৰি শস্যবৃদ্ধিৰ অৰ্থে জগন্নাথৰ নাম গায়। এই উৎসৱৰ কলপুলি উভালি নেপেলাই য'তে ৰুৱে ত'তে বাঢ়িবলৈ দিয়ে। সেই গছৰ প্ৰথম কলঠোক সবাহত লগোৱাৰ নিয়ম। কৃষি আৰু উৰ্বৰতাৰ উৎসৱস্বৰূপে কাতি বিহুৰ লগত ওৰাওসকলৰ 'কৰম-গাবা' পূজাৰ সাদৃশ্য আছে। এই পূজাৰ বিষয়ে W. G. Archer-এ লিখিছে ঃ

The Karam festival occurs in August at the cumax of the monsoon when the paddy is standing in the fields but has not yet come into ear. It makes a period of relaxation between the arduous work of transplanting the peddy, and rigours of the harvest; and is possibly a fecundity festival so help the ripening of the crop.

মাঘ বিহু খেতি-চপোৱাৰ আনন্দ-উৎসৱ; ই এক প্ৰকাৰ নবান্ন বা পিঠা-উৎসৱ। মাঘবিহুৰ লগত জড়িত মেজি, মেজিঘৰৰ (ভেৰা ঘৰ, হাৱলি ঘৰ)



জুইত ন-ধানৰ চাউল, মাহ, তিল উচৰ্গা কৰা হয়; এই পিনৰপৰা চাবলৈ গ'লে এইবোৰ অগ্নি-তুষ্টিৰ অনুষ্ঠান; বৈদিক যুগৰ শস্য উৎসৱ অগ্ৰহায়ণ-ইষ্টিৰ লগত ইয়াৰ অলপ মিল দেখা যায়। এই যজ্ঞৰ উপহাৰ সম্বন্ধে অধ্যাপক কীথে লিখিছে ঃ

Before partaking of any of the fruits of the fields it is necessary for a man who has established fire to make offerings. The normal offerings are those of rice in Autumn and barley in Spring, alternative are bamboo seeds in Summer or millet in Autumn or the rains.

শস্য উৎসৱৰ ভিতৰত আহিন মাহৰ লখিমী সবাহ উল্লেখযোগ্য। আহিন মাহৰ ধানত ঠোক ওলাবৰ সময়ত তিৰোতাসকলে গোট খাই লখিমী নাম গাই এই সবাহ পাতে। আহোমসকলে লখিমী-উৎসৱ বিশেষ বিধি-অনুষ্ঠানেৰে পালন কৰে। আঘোন মাহৰ পূৰ্ণিমাত 'ম'হ-হ' উৎসৱ। এই উৎসৱত ডেকা-ল'ৰাবোৰে গাঁৱৰ ঘৰে ঘৰে গীত গাই ম'হ খেদে।

ব'হাগ মাহত বিশেষকৈ কামৰূপ অঞ্চলত 'ভথেলি' উৎসৱ হয়। এই উৎসৱত বাঁহ এডালত কাপোৰ মেৰিয়াই আৰ মালা পিন্ধাই দৰা সাজি মাটিত পোতে আৰু অন্য কেইডালমান বাঁহক কন্যাৰ সাজ পিন্ধাই তাৰ চাৰিওকাষে পোতা হয়। হাতত গদা ঘূৰাই সেই বাঁহৰ (সাধাৰণতে পাৰ বোলা হয়) চাৰিওফালে মানুহে ঘূৰি ঘূৰি নাচে। পূৰ্বে এই উৎসৱ কেইবাদিনলৈকে চলিছিল। ইয়াৰ লগত প্ৰাচীন শত্ৰোত্থান বা ইন্দ্ৰধ্বজ উৎসৱৰ সম্বন্ধ অনুমান কৰিব পাৰি। কালিকা পুৰাণত শত্ৰোত্থানৰ বিস্তৃত বিৱৰণ আছে। বঙ্গদেশৰো কোনো কোনো অঞ্চলত এই ইন্দ্ৰ উৎসৱৰ প্ৰচলন আছে। মেদিনীপুৰ জিলাত ভাদ-মাহৰ শুক্লপক্ষৰ দ্বাদশী তিথিত পথাৰত শালগছ এজোপা পুতি তাৰ ওপৰত এটা বাঁহৰ ছাতি তৰি দিয়া হয়। ছাতিটোৰ ওপৰত আখৈ আৰু দৈ ছটিও [illegible]য়। এই গছৰ চাৰিওকাষে মানুহে নৃত্য-গীত বাদ্যৰ অনুষ্ঠান কৰে। আঠ দিনৰ অন্তত গছজোপা বিসৰ্জন দিয়া হয়।

সামাজিক অনুষ্ঠান হিচাপে বিয়া আৰু মৃত্যু এই দুটা সমানে

উল্লেখযোগ্য। সামূহিকভাৱে তাত ৰাইজ গোট খায় আৰু গাঁৱৰ সকলোৱেই এই অনুষ্ঠানত যোগ দিয়ে। বিয়াৰ লগত জড়িত নীতি-নিয়ম, ক্ৰিয়া-কাণ্ডত তিৰোতাসকলে বিশেষভাৱে অংশগ্ৰহণ কৰে। সেইবোৰৰ ভিতৰত দুৱাৰমুখত আমপাত আঁৰি দিয়া, গাঁঠিয়ন-খুন্দা, নোৱাবৰ কাৰণে সেই বেঙ্গ সজোৱা, মৰল সজোৱা দুণড়িত চাউল-বন্তি ভৰোৱা আদি প্ৰধান। বিয়াৰ আগদিনা ৰাতি অধিবাস কৰে, আৰু দোক-মোকালিতে দৈয়ন দিয়ে। বাহী-বিয়াৰ পিছদিনা খোবা-খুবুনি উৎসৱ; দৰা-কন্যাক সেইদিনা ঢেঁকী দিবলৈ দিয়া হয়। তিৰোতাসকলৰ শিল্পনিপুণতা আৰু কবিসুলভ দক্ষতা প্ৰকাশ পোৱা আনবোৰ কাম হৈছে—নোৱনি পানী তোলা, সুৱাগুৰি তোলা, আগ চাউল দিয়া, দৰা আদৰা আদি। বেলেগ বেলেগ সুৰেৰে এই অনুষ্ঠানসমূহত বিভিন্ন ধৰণৰ বিয়ানাম গোৱা হয়। অন্য এবিধ বৰ আমোদজনক বিয়ানাম হৈছে—জোৰা নাম। কন্যা-ঘৰলৈ দৰা আহি পোৱাৰ পিছত এই নাম হোমৰ গুৰিত গোৱা হয়। দৰা আৰু কন্যাঘৰীয়া দুয়োদল নামতীৰ মাজত এই জোৰানামেৰে তৰ্ক আৰু কেতিয়াবা কাজিয়াও লাগে।

ছোৱালী পুষ্পিতা হ'লে চাৰিদিন বা সাত দিনত তোলনি বিয়া, নোৱাই তোলনি, পুহা-বিয়া বা উঠন-বিয়া পতা হয়। এই বিয়াত মাথোন তিৰোতাসকলেহে অংশগ্ৰহণ কৰে। সেইদৰে আগৰ দিনত গোসাঁই-বামুণ আদিৰ আগ বিয়াৰ পিছত শান্তি-বিয়া পতাৰ নিয়ম আছিল।

জন্মৰ পিছত নামকৰণ, অন্নপ্ৰাশন, চূড়াকৰণ, কৰ্ণবেধ আৰু বিদ্যাৰম্ভ আদি অনুষ্ঠান ঘাইকৈ উচ্চবৰ্ণৰ হিন্দুৱে পালন কৰে। ব্ৰাহ্মণৰ মাজত লগুণদিয়নী বা উপনয়ন ডাঙৰ মাঙ্গলিক অনুষ্ঠান। উপনয়নত গোৱা সুকীয়া গীতো আছে। বিভিন্ন জাতি-বৰ্ণৰ মাজত মৃত্যুত বিবিধ আচাৰ-অনুষ্ঠান সমূহীয়াভাৱে পালন কৰা হয়। মৃত্যু-সম্বন্ধীয় ভালেমান আচাৰ-নীতি আৰ্য-অনাৰ্যৰ সংমিশ্ৰণত গঢ়ি উঠিছে; ইয়াৰে কেতবোৰ সম্পূৰ্ণ আৰ্যীকৰণৰ ফল।

ঘৰলোৱা, পুখুৰীখন্দা, মাৰি-মৰক, বিপদ-আপদত নানা অনুষ্ঠান, নাম-কীৰ্তন, পাঠ আদি কৰা হয়। এই সকলোবোৰ ৰাজহুৱাভাৱে কৰা হয়, আৰু



ইয়াত গোটেই গঞাৰে নহ'লেও অন্ততঃ চুবুৰীৰ আত্মীয়-কুটুম্বৰ সহায়-সহযোগ মিলা-প্ৰীতি ঘটে।

এইবোৰ পূজা-পাৰ্বণৰ বাহিৰেও ঘাইকৈ তিনিটা অনুষ্ঠানে অসমীয়া গাঁৱলীয়া মানুহৰ জীৱন উৎসৱমুখৰ কৰি তুলিছে, সামাজিক সংঘবদ্ধতা, জাতীয় আৰু সাংস্কৃতিক ঐক্যস্থাপনত বিশেষভাৱে সহায় কৰিছে—সেয়ে হৈছে—তীৰ্থস্থান, সত্ৰ-নামঘৰ আৰু মন্দিৰ দেৱালয়। শাক্ত-বৈষ্ণৱৰ সৰু-বৰ ভালেমান তীৰ্থক্ষেত্ৰ অসমৰ বহু ঠাইত আছে। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰই এই তীৰ্থসমূহৰ শ্ৰেণী বিভাগ কৰি দীৰ্ঘ তালিকা আৰু বিস্তৃত বিৱৰণ দিছে তাৰ ভিতৰত, কামাখ্যা, হয়গ্ৰীৱ, অশ্বক্ৰান্ত, উৰ্বশী, মণিকৰ্ণেশ্বৰ সিদ্ধেশ্বৰী, অপূৰ্ণভৱ আৰু পাণ্ডুনাথ প্ৰধান। কামাখ্যা আৰু পৰশুৰাম কুণ্ড ভাৰত-প্ৰসিদ্ধ। 'শিৱনাথ', 'আই গোসানীৰ থান', 'বাসুদেৱ থান', 'বুঢ়া-বঢ়ীৰ থান' নামৰ অন্যান্য কিছুমান পবিত্ৰ থানো আছে। দেৱ-দেৱী, ঋষি-মুনিৰ আখ্যানৰ লগত সংযুক্ত লিঙ্গ, শিল, আশ্ৰম, কুণ্ড, ঘাট আদিক পবিত্ৰ জ্ঞান কৰি বছৰৰ বিভিন্ন মাহ তিথিত সমূহীয়াভাৱে পূজা-অৰ্চনা কৰা হয়। ইয়াৰ ভিতৰত বিশ্বনাথ আৰু মণিকৰ্ণেশ্বৰৰ শিৱলিঙ্গ, শিলঘাটৰ দুই মুনি-শিলা, বশিষ্ঠাশ্ৰমৰ অৰুন্ধতী শিল, বশিষ্ঠাশ্ৰম, কন্যকাশ্ৰম, পৰশুৰাম কুণ্ড, ভৈৰৱকুণ্ড, গণেশঘাট অধিক পুণ্যস্থান। নানা উৎসৱ-পাৰ্বণত এইবোৰ দৰ্শন কৰিবলৈ যাত্ৰীৰ সমাগম হয়। তাৰে ফলত জাতীয় সম্প্ৰীতি আৰু ঐক্য গঢ়ি উঠে।

সত্ৰ-নামঘৰত নিতৌ নাম-কীৰ্তন, পাঠ, আলোচনাৰ ব্যৱস্থা আছে, বাৰ মাহত তেৰটা পৰ্ব হৈয়ে থাকে। সৰু-বৰ সত্ৰসমূহ অসমৰ সৰ্বত্ৰ স্থাপিত হোৱাৰ হেতু, সমগ্ৰ অসমীয়াৰ দৈনন্দিন জীৱনৰ ওপৰত এইবোৰৰ বিশেষ প্ৰভাৱ লক্ষ্য কৰিব লগীয়া।

মন্দিৰ-দেৱালয়সমূহত কেৱল বাৰ্ষিক পূজা পাতলেই নহয়; নানা বিধি-অনুষ্ঠানেৰে দৈনিক পূজা-অৰ্চনাও পালন কৰা হয়। এই দৈনিক উপাসনা, পূজা-সেৱাত ভক্ত আৰু সাধাৰণ লোকে যোগ দিয়ে; অৱসৰৰ সময়ত শাস্ত্ৰ-ব্যাখ্যা, উপাসনা সঙ্গীত শুনে।

সত্ৰসমূহৰ দৰে অসমৰ বহু ঠাইত ভালেমান মঠ-মন্দিৰ আছে, ইয়াৰে বেছিভাগ আহোম ৰজাসকলে নিৰ্মাণ কৰা। অৱশ্যে বহু মন্দিৰ প্ৰাচীন ঐতিহ্যমণ্ডিত আৰু বহু কালৰেপৰা পবিত্ৰ জ্ঞান কৰা থানত সজোৱা হৈছিল। এই মঠ-মন্দিৰবোৰৰ কোনো কোনোটো ধ্বংস হৈছে যদিও, সেই ধ্বংসস্তূপতে গাঁৱলীয়া ৰাইজে আজিও পূজা-অৰ্চনা, দান-দক্ষিণা দি আছে। বছৰৰ বিভিন্ন পূজা-পাৰ্বণত এইবোৰ ঠাইত যাত্ৰীৰ সমাগম হয়। পূজা-পাৰ্বণৰ বাহিৰেও এই মঠ-মন্দিৰ, তীৰ্থপীঠত, গাঁৱলীয়া মানুহে অপায়-অমঙ্গল, ৰোগ-ব্যাধিৰপৰা হাত সাৰিবলৈ, বিবাহৰ শুভফল আৰু অন্যান্য মনস্কামনা সিদ্ধিৰ অৰ্থে পূজা-পাতল দিয়ে। নগাঁৱৰ সৌভাগ্য-মাধৱ, পলাশবাৰীৰ বাগেশ্বৰী থানত আবিয়ৈ গাভৰুৱে স্বামী পাবলৈ আৰু শিপিনী হ'বলৈ কামনা কৰি পূজা আগবঢ়ায়।

অসমৰ বিভিন্ন জিলাৰ কেতবোৰ মঠ-মন্দিৰ, পবিত্ৰ স্থানৰ এটি তালিকা তলত দিয়া হ'ল। সেই দেব-দেবীৰ উল্লেখৰপৰাই আমাৰ দেশৰ গাঁৱে-ভুঞে শৈব, শাক্ত, গাণপত্য, বৈষ্ণৱধৰ্ম কেনেভাৱে প্ৰচাৰ হৈছিল আৰু সেই বিভিন্ন ধৰ্মমতে সাধাৰণ অসমীয়া প্ৰজাৰ ওপৰত কিভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল তাক বুজিব পৰা যাব।

কামৰূপ জিলাৰ মঠ-মন্দিৰ আৰু কেতবোৰ পবিত্ৰ স্থানৰ ভিতৰত হৈছে ঃ

অশ্বক্ৰান্ত (বৰ্তমান মন্দিৰ শিৱসিংহে বজাই নিৰ্মাণ কৰাইছিল), অগ্নি বাণেশ্বৰ (শিৱসিংহ), অম্ৰতকেশ্বৰ (ৰামচা মৌজাত), ঈশ্বৰ পটেশ্বৰী (কপচি), উগ্ৰতাৰা, উমানন্দ (দুয়োটা শিৱসিংহ), কামাখ্যা, কালী (খাটা মৌজাত), কুৰ্ম-মাধৱ, কুৰ্ম-জনাৰ্দন, গোপেশ্বৰ দেৱালয় (শিৱসিংহ), চণ্ডিকা দেৱালয় (শিৱসিংহ), ছত্ৰাকাৰ দেৱালয় (কমলেশ্বৰ সিংহ), জনাৰ্দন (শিৱসিংহ), জয়দুৰ্গা (হাজো, লক্ষ্মীসিংহ), দক্ৰেশ্বৰ (বৰপেটা), দীৰ্ঘেশ্বৰী (ৰাজেশ্বৰসিংহ), দীপ্তিশ্বৰ (পূব কাছাৰিমহল), ধাবেশ্বৰ (শিৱ-সিংহ), নৱগ্ৰহ-চিত্ৰাচল (ৰাজেশ্বৰ সিংহ), পাণ্ডনাথ (গৌৰীনাথ সিংহ), পৱিহৰেশ্বৰ (লক্ষ্মীসিংহ), বশিষ্ঠ (ৰাজেশ্বৰ সিংহ), বিশ্বেশ্বৰ (ধৰমপুৰ মৌজা), বাণেশ্বৰ (চন্দ্ৰকান্ত সিংহ), বাসুদেৱ থান (বৰপেটা), বুঢ়াগোসাঁই থান (ছয়গাঁও), ভঙ্গেশ্বৰ (শিৱসিংহ), মদন কামদেৱ, মাধৱ দেৱালয় (হাজো), মণিকৰ্ণিকেশ্বৰ ৰুদ্ৰেশ্বৰ (শিৱসিংহ), শুক্ৰেশ্বৰ (শিৱসিংহ), শ্যামৰাই (হাজো), সিদ্ধেশ্বৰ।



নগাঁও জিলাৰ পূজা-অনুষ্ঠানৰ প্ৰধান কেন্দ্ৰ হ'ল বৰভগীয়া মৌজাৰ অম্বিকানাথ, নন্দকেশ্বৰ আৰু সৌভাগ্য-মাধৱ আৰু পুব-থৰিয়াৰ দুলাল-মাধৱ, বামুণীৰ চিত্ৰামন্দিৰ। শিলঘাটৰ কামাখ্যা মন্দিৰ আৰু চামগুৰি অঞ্চলৰ শিৱ আৰু বুঢ়া-বুঢ়ীৰ থান প্ৰসিদ্ধ।

শিৱসাগৰ জিলাৰ প্ৰধান মন্দিৰসমূহ হ'ল দেৰগাঁৱৰ ন-দৌল (ৰাজেশ্বৰ সিংহ); নামতিৰ বগী দৌল (লক্ষ্মীসিংহৰ মাতৃ), বৰপাত্ৰ দৌল (হৰিনাথ বৰপাত্ৰ) আৰু ৰাণী প্ৰমথেশ্বৰীয়ে সজোৱা গৌৰীসাগৰ শিৱ আৰু দেৱীদৌল; ৰুদ্ৰসিংহ স্বৰ্গদেৱে সজোৱা জয়সাগৰ দৌল, মাজুদৌল আৰু দেৱীদৌল। নামতিৰ অন্যান্য দৌলৰ ভিতৰত হৈছে নামতি দৌল (লক্ষ্মীসিংহ); মহাৰাজ ৰুদ্ৰসিংহই নিৰ্মাণ কৰোৱা অন্যান্য দৌলৰ ভিতৰত ৰঙ্গনাথ ফাওৱা, হৰগৌৰী দেৱালয়, শিৱদৌল, বিষ্ণুদৌল আদি।

লক্ষ্মীমপুৰ জিলাৰ পৰশুৰাম কুণ্ড আৰু তাম্ৰেশ্বৰী মন্দিৰ ভাৰত প্ৰসিদ্ধ প্ৰাচীন তীৰ্থস্থান। এই জিলাৰ সোৱণশিৰি নৈৰ পাৰত বাসুদেৱ থান, সাৰ্হিদেৱী দেৱালয়, পিছলাৰ পাৰত (চামকৰা নৈ) পূৰ্বৰ মাঘলোৱা দৌল, গহপুৰৰ খৰুই নদীৰ পাৰৰ কলাবাৰী বাসুদেৱ থান; বিহপুৰীয়া মৌজাৰ কন্দলীপুখুৰীৰ পাৰৰ মোৱামৰীয়া সম্প্ৰদায়ৰ গুৰু আনিৰুদ্ধদেৱৰ থানলৈ বছৰি, বিশেষকৈ খৰালি মাহকেইটাত বিদেশৰপৰাও যাত্ৰীৰ সমাগম হয়। পিছলা নৈৰ পবিত্ৰতাৰ বিষয়ে পিচ্ছিলাতন্ত্ৰত উল্লেখ আছে; এই নদীৰ কাষতে তান্ত্ৰিক ধৰ্মৰ এক প্ৰধান কেন্দ্ৰ আছিল আৰু ইয়াৰপৰাই ভালেমান জনজাতিৰ মাজত আনকি তিব্বতলৈকো তান্ত্ৰিক ধৰ্মৰ বিস্তাৰ হোৱাৰ প্ৰমাণ পোৱা গৈছে। আইৰ নামত পিছলা নদীৰ পাৰৰ দেৱী পূজা আৰু চণ্ডীপাঠৰ উল্লেখ আছে ঃ

পিছলাৰ ঘাটে আয়ে পানী তোলে
তামৰে কলসী লৈ,
ছ-অড়া বামুণে চণ্ডীপাঠ কৰিছে
ভৱানীক আগতে থৈ।

তেজপুৰ মহকুমাৰ উল্লেখযোগ্য মঠ-মন্দিৰৰ ভিতৰত হ'ল উমাদৌল (শিৱসিংহ), চণ্ডী (গদাধৰ সিংহ), তিঙ্গেশ্বৰ, দুলাল-মাধৱ, নন্দিকেশ্বৰ (ৰুদ্ৰসিংহ), নাগশঙ্কৰ, পূৰ্বশঙ্কৰ, ফুলকৰি (ৰুদ্ৰসিংহ), বাণেশ্বৰ, বৰদৌল, বাসুদেৱ (ৰাজেশ্বৰ সিংহ), বুঢ়ামাধৱ (শিৱসিংহ), বিশ্বনাথ (গদাধৰসিংহ), ভৈৰৱ, মহা-ভৈৰৱ, মক্তিনাথ, যোগেশ্বৰ (ৰুদ্ৰসিংহ), ৰুদ্ৰপাদ (শিৱ সিংহ), শুক্ৰেশ্বৰ, সিঙ্গৰি সূৰ্যমাধৱ, সৌভাগ্য-মাধৱ ইত্যাদি। দৰঙৰ তাম্ৰেশ্বৰ, ৰুদ্ৰশ্বেৰ বুঢ়াগোঁসাই, বুঢ়ীগোঁসাই আদিয়েই মুখ্য। দৰঙৰ সোণাইগাঁৱৰ ভৈৰৱকুণ্ডত দান-দক্ষিণাৰে পবিত্ৰ যাত্ৰীয়ে স্নান কৰে।

গোৱালপাৰা জিলাৰ পঞ্চৰত্ন, মহাদেৱ পাহাৰৰ দেবালয় উল্লেখযোগ্য প্ৰাচীন পুণ্যক্ষেত্ৰ। মহাদেৱ পাহাৰৰ শিৱ থানত ব'হাগ বিহুৰ সময়ত যাগ-যজ্ঞ উৎসৱ-অনুষ্ঠান কেইবাদিনজুৰি পতা হয়; দূৰ ঠাইৰপৰাও ইয়ালৈ যাত্ৰীৰ সমাগম হয়।

•••

# ধৰ্মমূলক নৃত্য

নৃত্য সাধাৰণতে আনন্দ আৰু ব্যায়ামৰ মাধ্যম বুলি বিবেচিত হ'লেও প্ৰাচীন কালৰে পৰা ধৰ্মমূলক আচাৰ-অনুষ্ঠান আৰু উৎসৱৰ লগতহে ইয়াৰ সম্বন্ধ। আজিকালি অৱশ্যে ধৰ্মমূলক আৰু সামাজিক আনন্দ-উৎসৱ আদি ভিন ভিন উদ্দেশ্যে নাচ অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে সাঙোৰ খাই আছে। তথাপি, প্ৰচলিত দুই-এটা নাচঅনুষ্ঠানৰপৰা ইয়াৰ যে মূলত ধৰ্মৰ লগত সম্বন্ধ, সেই কথা প্ৰমাণ কৰিব পাৰি। অসমৰ দেওধনী নাচঅনুষ্ঠানেই দৃষ্টান্ত। ঘণ্টাৰ পিছত ঘণ্টা নাচ চলি থাকে; দৰ্শকৰ আনন্দ উপভোগৰ সকলো অনুভূতি শেষ হৈ যায়; তথাপি, দেওধনীৰ নাচৰ বিৰাম নাই। এই ৰীতিৰপৰা পূজা-অৰ্চনাৰ লগত যে নৃত্যৰ প্ৰধান সম্বন্ধ সি সহজেই অনুমেয়।

ধৰ্ম আৰু ধৰ্মানুষ্ঠানৰ লগত জড়িত নাচ অনুষ্ঠানৰ সংজ্ঞা কিছু ব্যাপক। হাত, ভৰি, বাহু, মূৰৰ তাল-লয় সংযোজিত অঙ্গ-সঞ্চালনকেই ধৰ্মমূলক নাচৰ সংজ্ঞাত ধৰিব পাৰি। কোনো কোনো ধৰ্মমূলক নৃত্যত অঙ্গৰ সঞ্চালন নাই বুলিয়েই ক'ব পাৰি; কোনো নাচৰ গতি অৰ্থাৎ পদ-সঞ্চালনো নহয়। কম অঙ্গ-সঞ্চালনৰ ধাৰ্মিক নৃত্যৰ ভিতৰত খাছীসকলৰ নংক্ৰেম নাচ পৰে। এই নাচত কেবল এবাৰ আগলৈ আৰু এবাৰ পিছলৈ ভৰি চালনা কৰা হয়; কোনো কোনো মুহূৰ্তত ভৰিৰ গতি বন্ধ কৰি একে ঠাইতে বৈ থকাও এই নৃত্যৰ ৰীতি। দেৱ-দেৱীৰ সমুখত দৰ্শোৱা ভালেমান উপাসনানৃত্যত পদ-সঞ্চালন একেবাৰেই নহয়; দেৱতাৰ সমুখত বহি অথবা আঁঠু কাঢ়িয়েই নৃত্যৰ ভঙ্গীত হাত-মূৰ সঞ্চালনেই পদ্ধতি।

বহু বিচাৰ-বিশ্লেষণৰ ফলত আদিতে সকলো নৃত্যই ধৰ্ম অথবা দেৱ-দেৱী উপাসনা-সম্বন্ধীয় আছিল বুলি পণ্ডিতসকলে সিদ্ধান্ত কৰিছে আৰু

এই নৃত্যৰ সৃষ্টি মানুহৰ অনুকৰণপ্ৰিয় প্ৰবৃত্তিৰপৰা জন্ম হৈছে বুলি অনুমান কৰা হয়। এতিয়া কথা হ'ল—মানুহে কাক অনুকৰণ কৰে ? এই প্ৰশ্নৰ সমাধান দিবলৈ গৈ নৃত্যবিদসকলে আদিম মানুহৰ মন অধ্যয়ন কৰিব লগাত পৰিছে। আদিম মানুহে (আনকি আজিও সাধাৰণ লোকে) লৰচৰ কৰা যিকোনো বস্তুকেই জীৱ থকা বা প্ৰাণৱান বুলি অনুমান কৰে। বতাহত গছ-গছনিৰ ডাল-পাত লৰে; গতিকে, গছ-গছনিৰ জীৱ আছে। বোৱতী নদী অথবা নিজৰাৰ ক্ষেত্ৰতো সেই একে অনুমান; এইবোৰ গতি আছে— গতিকে, জীৱন্ত। আদিম মানুহৰ কল্পনাৰ মতে কোনো এক অলৌকিক শক্তিয়ে এই সঞ্চালন সম্ভৱপৰ কৰে; কিয়নো, গতি হৈছে অলৌকিক শক্তিৰ লক্ষণ (তেওঁলোকৰ উদাহৰণ—মেঘ, বৰষুণ, বিজুলী, ধুমুহা, চন্দ্ৰ, সূৰ্য ইত্যাদি)। গতিকে, নৃত্যত তেওঁলোকে অলৌকিক শক্তিৰ প্ৰধান গুণ গতিকে অনুকৰণ কৰে; আৰু যি দেৱ-দেৱীক অথবা অপদেৱতাক পূজা কৰে তেওঁলোকক সন্তোষ দিবলৈ বা তেওঁলোকৰ লগত মিলন লভিবলৈ এই উপায় (গতি অৰ্থাৎ নাচ) গ্ৰহণ কৰা হয় ।

কোনো কোনোৱে এই উপাসনা-নৃত্য জন্তুৰ অনুকৰণত উৎপত্তি হৈছে বুলিও ভাবে। কোনো কোনো জন্তুৰ খোজ-কটালত নৃত্য-ভঙ্গিমা অৱশ্যে আছে তালৈ লক্ষ্য কৰি অসমীয়াত এনেবোৰ প্ৰবচন গঢ়ি উঠিছে— হংসিনী গমন; মৰাল গতি; গজ গতি ; খঞ্জন খোজ, ময়ূৰ ভঙ্গিমা ইত্যাদি।

অসমৰ বিভিন্ন উপজাতি আৰু সম্প্ৰদায়ৰ মাজত ময়ূৰ-নৃত্য, বাঘ-নাচ, মৎস্য নৃত্য আদি জীৱ-জন্তুৰ অনুকৰণত সৃষ্টি হোৱা নাচ এতিয়াও দেখা যায়। আও নগাসকলৰ আঙ্গা মালু নৃত্যত নাচোঁতাসকলে চাৰিজন চাৰিজনকৈ মিলি একোটা একোটা শাৰী হৈ ঢোলৰ ছেৱে ছেৱে দ্ৰুততালত নাচে। চাৰিজনীয়া এই শাৰীবোৰে মাছে পানীত সাঁতোৰাৰ দৰে চাৰিওপিনে ঘূৰি ঘূৰি মৎস্য-নাচ নাচে।

অসমৰ ভালেমান নৃত্য ধৰ্ম, ধাৰ্মিক অনুষ্ঠান আৰু পূজা-পদ্ধতিৰ লগত যে জড়িত, সেইকথা কেইটামান নাচ অনুষ্ঠানৰ বিষয়ে আলোচনা কৰিলেই বুজা যাব। নাচৰ প্ৰথম আৰু সৰ্বপ্ৰধান উদ্দেশ্য হ'ল দেৱ-দেৱী অথবা



অলৌকিক শক্তিসমূহক শ্ৰদ্ধা দেখুউৱা। শ্ৰদ্ধা প্ৰদৰ্শনৰ নৃত্য মাধ্যম হোৱাৰো অনেক কাৰণ আছে। ই প্ৰথমে অনুকৰণ; দেৱতাক অনুকৰণ কৰাৰ কাৰণ হ'ল তেওঁলোকৰ সন্তুষ্টিবিধান (এজনে আনজনক অনুকৰণ কৰিলে যাক অনুকৰণ কৰা হয় তেওঁৰ প্ৰতিপত্তি আৰু আত্মগৌৰৱ বাঢ়ে)। দ্বিতীয়তে, দেৱতাৰ সন্তোষৰ কাৰণে তেওঁৰ সমুখত নিজৰ কৃতিত্ব প্ৰকাশ (সৰু ল'ৰা-ছোৱালীয়ে অঙ্গী-ভঙ্গী কৰি নাচি অথবা আবৃত্তি কৰি মাক-বাপেক বা গুৰুজনক সন্তোষ লগাবলৈ চেষ্টা কৰে)। দেৱতাৰ সমুখত অন্তৰ প্ৰকাশ আৰু দেহ-উৎসৰ্গৰ বিচিত্ৰ ৰীতি সকলো দেশৰ ধৰ্মতে আছে। কালিকাপুৰাণ আৰু অসমৰ মন্ত্ৰ-সাহিত্যত দেৱ-দেৱীৰ বেদীত গাৰ তেজ উচৰ্গা কৰাৰ উল্লেখ পোৱা যায়। সাধকৰ এই কাৰ্যই দেৱ-দেৱীক আনন্দ দিয়ে বুলি সাধাৰণ প্ৰজাৰ বিশ্বাস; আৰু সেই কাৰণেই দেৱতাৰ সমুখত অন্তৰৰ নিবেদন অঙ্গভঙ্গীৰ সঞ্চালনৰ মাজেদি প্ৰদৰ্শোৱা হয়।

দেৱ-দেৱী পূজাৰ লগত জড়িত অসমৰ প্ৰাচীন নাচ হ'ল— নটীনাচ। ই দাক্ষিণাত্যৰ দেৱদাসী নৃত্য অনুষ্ঠানৰ সমপৰ্যায়ৰ; বিশেষকৈ শৈৱ আৰু শাক্ত মন্দিৰত এই নৃত্য অনুষ্ঠিত হৈছিল। প্ৰাচীন তন্ত্ৰ-মন্ত্ৰ আৰু আহোম যুগৰ বুৰঞ্জীত এই নৃত্যৰ প্ৰচলনৰ বিৱৰণ আছে। অসমৰ ধৰ্ম-সম্বন্ধীয় নৃত্যৰ বিভিন্ন ৰীতিৰ বিকাশ আৰু প্ৰচাৰৰ ক্ষেত্ৰত শৈৱ-শাক্ত ধৰ্মৰ প্ৰচুৰ অৱদান উল্লেখযোগ্য। এই ধৰ্ম আৰু জনজাতীয় ধৰ্মীয় অনুষ্ঠান সংযোগ হৈ সৃষ্টি হৈছে দেওধনী নৃত্য। এই নৃত্যত দেৱীলৈ উচৰ্গা কৰা জীৱৰ মাংস খাই বা ৰক্ত পান কৰি দেৱীৰ লগত একে হ'বলৈ প্ৰয়াস কৰা হয়। নাচনী তিৰোতাগৰাকীয়ে দেৱীৰ লগত একীভূত হ'বলৈ কৰা এই নৃত্যপদ্ধতিত ঘাইকৈ তিনিটা অৱস্থাৰ পৰিচয় প্ৰকাশ পায়। সেয়ে হৈছে, অনুকৰণ, ৰূপ-ধাৰণ আৰু একীভূত অৱস্থা। দেওধনীয়ে বিৰাম নোলোৱাকৈ বহুপৰ নাচি থাকে। এই দীৰ্ঘ নৃত্যকালত প্ৰথমে দেখা দিয়ে মূৰঘূৰণি, তাৰ পিছত আহে অৰ্ধচেতন অৱস্থা, শেষত অৰ্ধপ্ৰলাপ আৰু সম্পূৰ্ণ সম্মোহনৰ অৱস্থা। এনে অৱস্থাত দেৱীয়ে দেওধনীক অনুগ্ৰহ কৰি দৈৱশক্তি দান কৰা বুলি দৰ্শক আৰু সাধকসকলে বিশ্বাস কৰে। (এইখিনিতে 'গাত-দেওধনী লাগিছে'— এই অসমীয়া কথাশাৰীৰ তাৎপৰ্য লক্ষ্য কৰিব লগীয়া।) অৰ্ধ প্ৰলাপত

দেওধনীয়ে কোৱা কথাবোৰত বিশেষ অৰ্থ সংযুক্ত কৰি দৈৱবাণী বুলি ধৰা হয়। এই দেওধনী নৃত্য মনসা পূজা, কামাখ্যাৰ কুমাৰী পূজা (কুমাৰী পূজাত পুৰুষেহে নাচি নাচি দৈৱশক্তি লাভ কৰে) আৰু বড়ো-কছাৰীসকলৰ খেৰাই পূজাতে কেৱল অনুষ্ঠিত নহয়; সাময়িক, অপায়-অমঙ্গল, যুদ্ধ-বিগ্ৰহৰ সময়তো এই নৃত্য-অনুষ্ঠান পতা হয়। উত্তৰ কাছাৰৰ কছাৰীসকলৰ মাজত পত্ৰিছ নামৰ পুৰুষ নৰ্তক আছে। এওঁলোকে নাচি নাচি দৈৱশক্তি লাভ কৰে; এই দৈৱশক্তি লাভ কৰিবলৈ নাচৰ লগত খৰমমুৰজৰ (ঢোল আৰু বাঁহী) ব্যৱহাৰ অনিবাৰ্য)।

ওজাপালি নাচৰো আদিতে মনসা বা মাৰৈ পূজাৰ লগতহে ঘাই সংযোগ আছিল। শাক্ত পূজাৰ লগত জড়িত শাস্ত্ৰসন্মত আন আন কলা-নিপুণ নৃত্য হৈছে আৱতি আৰু পূজাৰী নৃত্য। মধ্যযুগত বৈষ্ণৱধৰ্মৰ জাগৰণৰ সময়ত বিবিধ ৰীতিৰ শাস্ত্ৰীয় আৰু লৌকিক নৃত্যৰ সৃষ্টি হৈছিল। শাস্ত্ৰীয় নৃত্যৰ চৰ্চাৰ কাৰণে মহাপুৰুষ শঙ্কৰদেৱে অসমত এক নতুন শিলা প্ৰতিষ্ঠান স্থাপন কৰিছিল। ভাওনাৰ লগত জড়িত নাচসমূহ আৰ গায়ন-বায়ন অনুষ্ঠান— এই দুইৰ তাৰপৰা উদ্ভৱ। শাস্ত্ৰসন্মত এই নাচবোৰৰ ভিতৰত কৃষ্ণ নাচ, সূত্ৰধাৰী নাচ, চালি নাচ, নটুৱা নাচ আদি আটাইবোৰৰেই মূল আবেদন ধৰ্মৰ। শঙ্কৰী বৈষ্ণৱ ধৰ্মত পূজা-বিধি নাই; কিন্তু আছে নাম প্ৰসঙ্গ। প্ৰায়বোৰ নামপ্ৰসঙ্গত—যথা কীৰ্তন পাঠ, থিয় নাম, দিহা নাম, নগৰ সংকীৰ্তন, হঁচৰি, বোকা ধেমালি আদিত অঙ্গৰ সঞ্চালন হয়। গতিকে, উপাসনা পদ্ধতিৰ এই অনুষ্ঠানবোৰকো ওপৰত দি অহা সংজ্ঞা মতে নাচৰ পৰ্যায়ত ধৰিব পাৰি।

মণিপুৰীসকলৰ লাইহৰৌবা নৃত্য দেৱ-দেৱীক সন্তুষ্ট কৰাৰ নৃত্য। লাইহৰৌবা নৃত্য কেইবা প্ৰকাৰৰো আছে; যেনে— নংদন, জাগই লেইটাই মুংদাই আৰু লেইনেট জাগই। এই নৃত্যবোৰত মাইবা বা পুৰোহিতসকলে নাচে। অন্য পুৰুষ আৰু নাৰীয়ে লাইপৌ নৃত্য নাচে। বৈষ্ণৱ আন্দোলনে মণিপুৰীসকলৰ মাজত আন একধৰণৰ ধৰ্মমূলক নৃত্যৰ বিকাশ সাধিলে— বিশেষকৈ ৰাস-নৃত্যত; ৰাস-নৃত্যৰো বহুতো ৰূপ আছে। যেনে—ভঙ্গী, খুৰুম্বা, পাৰেং, বৃন্দাবন পাৰেং, চনচেনবা, আইচেই ইত্যাদি।



বড়োসকলৰ মাজত খেৰাই পূজাই হ'ল আটাইতকৈ গুৰুত্বপূৰ্ণ ধৰ্মোৎসৱ। বিশদভাৱে খেৰাই নৃত্যেৰে এই উৎসৱ পালন কৰা হয়। এই নৃত্য বাৰ প্ৰকাৰৰ ঃ বাথৌ গিদিংগ্ৰয় (বেদী প্ৰদক্ষিণ কৰি কৰা নৃত্য), ছাত্ৰালি মোছানয় (গোড়া ধৰ্ম নৃত্য), খফ্ৰি চিব্ৰয় (জাপি লৈ কৰা নৃত্য), খইজোমা পনয় (পোক-পৰুৱা দূৰ কৰিবলৈ কৰা নৃত্য), গণ্ডোবালা বননয় (পখিলা ধৰিবলৈ কৰা নৃত্য), ছাগোলন (এই জগতলৈ জীৱন প্ৰবাহৰ ধাৰা কিদৰে বৈ আহিল, তাৰ প্ৰদৰ্শন নৃত্য), মইছো জেলেনয় (ম'হৰ নৃত্য), নাওবনয় (নাৱৰ নৃত্য), গোৰাই দাব্ৰাই নৃত্য (ঘোঁৰাত উঠা নৃত্য), নফুৰ গেলেনয় (ভালুকৰ নৃত্য), দাও থই লংনয় (কুকুৰা কাটি তাৰ ৰক্তপাত কৰা নৃত্য), পাপলা মোচানয় (বীৰৰ নৃত্য)।

দেৱতা পূজা সম্বন্ধীয় নৃত্যসমূহৰ ভিতৰত সূৰ্য, চন্দ্ৰ, তৰা, ৰামধনু আদিৰ সন্তুষ্টিবিধানৰ কাৰণে কৰা নাচকো ধৰিব পাৰি। আও নগাসকলৰ চন্দ্ৰ-নৃত্য বিশেষকৈ ৰাতিত অনুষ্ঠিত হয়। ছোৱালীবিলাকে মুখামুখিকৈ দুশাৰী হৈ শাৰী পাতে। দুয়োটা শাৰীৰে প্ৰত্যেকজনী ছোৱালীয়ে হাতেৰে বিপৰীত শাৰীৰ ছোৱালীৰ কঁকালত ধৰি লয়। এটা শাৰীয়ে নিজৰ পাল পৰিলে দুখোজ গৈ এটা জাঁপ মাৰে আৰু ইটো শাৰী পিছুৱাই যায়।

ভূত-প্ৰেত আৰু ব্যাধি দূৰ কৰিবলৈকো নৃত্য অনুষ্ঠিত হয়। নগৰ সংকীৰ্তনৰ উদ্দেশ্য হ'ল ব্যাধি দূৰ কৰা। অসমীয়াৰ ম'হ-হো আৰু কছাৰীসকলৰ মোহা হোনয় ম'হ-খেদা নৃত্য।

দেৱতালৈ উচৰ্গা কৰা বলি পৱিত্ৰ কৰাৰো নৃত্যপদ্ধতি নগাসকলৰ মাজত প্ৰচলিত। মেথোন বলি দিবৰ সময়ত এই নৃত্য কৰা হয়। এই সময়ত আওবিলাকে কৰা নৃত্যটোৰ নাম হ'ল ৎচুংচেং (Tsungsang)। নাচটো উৎসৱৰ যিজনে সেৱকী তেওঁৰ ঘৰৰ ভিতৰত পতা হয়।

এই নৃত্যত এজন মুনিহ, এজন তিৰোতা—এই ক্ৰমত ইজনে সিজনৰ বাহুত ধৰি ধৰি চক্ৰাকাৰভাৱে থিয় হয়—আৰু সুৰ লগাই মন্ত্ৰ মাতে। মন্ত্ৰৰ সুৰে সুৰে ধীৰে ধীৰে অঙ্গচালনা আৰম্ভ হয়।

মন্দিৰ প্ৰদক্ষিণ এটা অতি প্ৰাচীন ধৰ্ম-সম্পৰ্কীয় প্ৰথা। কেতিয়াবা কেতিয়াবা এই প্ৰদক্ষিণ শোভাযাত্ৰা আৰু নিৰ্দিষ্ট পদক্ষেপৰ ভিতৰেদি আৰু কেতিয়াবা নৃত্যৰ যোগেদি অনুষ্ঠিত হয়। এই প্ৰদক্ষিণ, প্ৰতিমা, দেৱী, দেৱতালৈ আগবঢ়োৱা বলি, কোনো পবিত্ৰ গছ বা কোনো নদীৰ চাৰিওকাষে ঘূৰি ঘূৰি কৰা হয়। অসমীয়াৰ ভিতৰতো, ঘাইকৈ বিহুত গাভৰু ছোৱালীয়ে নৈৰ পাৰত কোনো গছৰ চাৰিওফালে ঘূৰি ঘূৰি বিহু নাচে। গছক প্ৰদক্ষিণ কৰি নচাৰ উদ্দেশ্য সম্ভৱতঃ সৰহ শস্য উৎপাদনৰ অৰ্থে বৃক্ষ দেৱতাৰ তুষ্টিসাধন। সকলো জড় পদাৰ্থৰ ভিতৰত বোৱতী পানীৰ লগত থকা অলৌকিক সম্বন্ধই আটাইতকৈ লক্ষণীয়। গতিকে, নৃত্যৰ যোগেদি নৈ বা জুৰিক পূজা কৰাটো স্বাভাৱিক। ব'হাগ বিহুত অসমীয়া ছোৱালীয়ে লুইত, সোৱণশিৰি, জাজী, দিখৌ, কলং আদি নৈৰ পাৰত নচা নাচৰ কথা এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি। খেৰাইপূজাত মহাদেৱক তুষ্ট কৰিবৰ মানসে বড়ো তিৰোতাসকলে চোতালত সিজু গছ ৰুই তাৰ চাৰিওফালে ঘূৰি ঘূৰি নাচে।

খাছীসকলৰ নংক্ৰেম উৎসৱৰ লগত সম্বন্ধ থকা কিছুমান নাচ বেদীৰ চাৰিওফালে আৰু কিশ্চট মেই বা পবিত্ৰ স্তম্ভৰ সমুখত নচা হয়। নগাসকলে পূজাৰ খুঁটা আৰু উচৰ্গা কৰিলৈ সেই খুঁটাত বান্ধি থোৱা মেথোনৰ চাৰিওফালে ঘূৰি ঘূৰি নাচে।

অসমীয়া বিয়াৰ কেতবোৰ আনুষ্ঠানিক ক্ৰিয়া-কাণ্ডকো নৃত্যৰ বহল সংস্কাৰৰ ভিতৰত ধৰিব পাৰি। নোৱনি, দৰা-আদৰা আদি আনুষ্ঠানিক ক্ৰিয়া-কাণ্ডত নৃত্যৰূপ স্পষ্ট। তিৰোতাসকলৰ পানী তুলিবলৈ যোৱাটোৰো সমদল নৃত্যৰ লগত সাদৃশ্য আছে। মিৰিসকলৰ জন্ম, যৌৱনকালপ্ৰাপ্তি, বিবাহ আৰু মৃত্যু—জীৱনৰ এই আটাইকেইটা দোমোজাতেই নৃত্য অপৰিহাৰ্য মাঙ্গলিক অনুষ্ঠান। বিয়াত তেওঁলোক অনেক প্ৰকাৰৰ নাচ নাচে। মণিপুৰী বিবাহোৎসৱ আৰম্ভ হয় নাট-পালাৰে (সংকীৰ্তন)। এই সংকীৰ্তনত তিন্দন, ৰাজমন, তনচুপ আৰু মেনকুপ গোৱা হয় আৰু নচা হয়। তিন্দনত সাধাৰণতে নৃত্য নাথাকেই বুলিব লাগে। ইয়াত তেওঁলোকে বহি বহি গীত গায় আৰু কৰতাল বা পুং বজাই তাৰ ছেৱে ছেৱে মাথোন নাচে। কিন্তু ৰাজমন, তনচুপ আৰু মেনকুপত অংশগ্ৰহণকাৰীসকলে নাচিবই। তেতিয়া এই নৃত্যত কন্যাই আহি যোগ দিয়েহি। কিন্তু কন্যাই নচা মানে হ'ল সংকীৰ্তনৰ গীতৰ তালে তালে দৰাৰ চাৰিওফালে প্ৰদক্ষিণ কৰা। বড়োসকলৰ ভিতৰতো গাভৰু ছোৱালীয়ে আনকি বুঢ়া-বুঢ়ীয়েও বিয়াত নাচে।

দেৱতা-সম্পৰ্কীয় নৃত্য শৱ-সংকাৰতো অনুষ্ঠিত হয়। কোনো কোনোৱে অপদেৱতা বা ভূত খেদিবলৈও নৃত্য কৰে আৰু মৃতকক সম্মান কৰিবলৈ নাচৰ অনুষ্ঠান পতা হয়। শৱ-সংকাৰৰ সময়ত নচা-প্ৰথা অসমীয়া হিন্দুৰ মাজত প্ৰচলন নাই। জনজাতীয় লোকসকলৰ মাজতহে ইয়াক ঘাইকৈ দেখা যায়। সৎকাৰ নকৰাকৈ বহুদিন মৰাশটো ৰখাৰ নিয়ম মিজোসকলৰ ফৈদ এটাৰ ভিতৰত আছে। শৱটো কেইবাদিনো সম্পৰ্কীয় লোক আৰু বন্ধু-বান্ধৱৰ ঘৰে ঘৰে লৈ ফুৰোৱা হয়; মৰাশটো নিওঁতে গীত গাই নাচি নাচি যোৱা হয়। আকৌ ঘৰৰ ভিতৰত সম্পৰ্কীয় লোক আৰু বন্ধু-বান্ধৱসকলেও মৰাশটোৰ আগত নাচে।

লুচাইসকলৰ মাজত মিট্থিৰপ লাম বুলি এটা জাক্জমকীয়া উৎসৱ হয়। ৰাইজৰ এই সমূহীয়া আনোৎসৱৰ লগতে নৃত্যও কৰা হয়। এই নৃত্য জীয়া মানুহৰ নৃত্যতকৈ মৰা মানুহৰ নৃত্য যেনহে লাগে। এই নৃত্যত মৃত উপৰিপুৰুষ আৰু সম্পৰ্কীয়সকলৰ প্ৰতিমূৰ্তি সাজি নচুউৱা হয়। নাচৰ পিছত প্ৰতিমূৰ্তিবোৰ বিশেষ ধৰণে সজা এখন দোলাৰ ওপৰত থিয় কৰি থোৱা হয় আৰু নাচৰ ভঙ্গীত নাচোঁতাসকলে ইয়াক দোলাই থাকে। গাৰোসকলৰ মৃত্যু অনুষ্ঠান 'মন গোনা'ত নৃত্য অপৰিহাৰ্য অঙ্গ।

অসমৰ জনজাতিসকলে যুদ্ধত জয়লাভৰ উদ্দেশ্যে যুঁজাৰুসকলক সহায় কৰিবলৈ আৰু সাম্প্ৰদায়িক সম্প্ৰীতি শক্তিশালী কৰিবলৈ নৃত্যৰ আয়োজন কৰে। বাটলাৰে লিখিছে যে, "অতীতকালত কুকীসকলে যুদ্ধত জয়লাভ কৰিলে শত্ৰুৰ মূৰ ঘৰলৈ লৈ আহে আৰু গাঁও সোমোৱাৰ লগে লগে যুঁজাৰুসকলে যুদ্ধৰ সাজ-পাৰ পিন্ধি নৃত্য কৰে।" বহুতো নগা ফৈদৰ ৰণ-নৃত্য আছে। কেদোহাহ বা অঙ্গামী নগাসকলৰ ৰণ-নৃত্য অৱশ্যে আনুষ্ঠানিক নহয়। এই নৃত্যত যাঠি, ঢাল আৰু দাৰে সজ্জিত হৈ ডেকা এজনে জঁপিয়াই

জঁপিয়াই যাঠিডাল ঘূৰায় আৰু সচৰাচৰ শত্ৰুপক্ষক যুঁজাৰুবোৰে চিৎকাৰ কৰি প্ৰত্যাহ্বান জনোৱাৰ দৰে এই ডেকাজনেও চিএঞৰি চিএঞৰি প্ৰত্যাহ্বান জনায়।

অসমৰ জনজাতিসকলৰ চিকাৰী নৃত্য আমোদ-আনন্দৰ কাৰণে আৰু চিকাৰ অনুসৰণৰ দ্বাৰা জন্তুৰ অধিষ্ঠাতা দেৱতাক সন্তুষ্ট কৰিবলৈও কৰা হয়। চিকাৰত সফলতা লাভ কৰি চিকাৰী গাঁৱলৈ উভতি আহিলে লুচাইসকলে আত্মীয়-স্বজনেৰে সৈতে লগলাগি চিকাৰত পোৱা জন্তুটোক নৃত্যেৰে অভ্যৰ্থনা জনায় (প্ৰকৃততে মৃত জন্তুৰ আত্মাক পূজা কৰে)। মণিপুৰীসকলৰ মাজতো বিবিধ পদ্ধতিৰ চিকাৰী নৃত্য আছে। এনেবোৰ চিকাৰী নৃত্যত মণিপুৰীসকলে চিকাৰৰ জন্তুক সম্মোহিত কৰিবলৈ হাতত যাঠি লৈ লাস্যময় গতিত চিকাৰযাত্ৰা আৰম্ভ কৰে। মাছ মাৰোঁতেও এডাল দীঘল বাঁহ পথালিকৈ ধৰি তাৰে বিলম্বিত আৰু দ্ৰুত তালত পানী কোবাই কোবাই নাচিবলৈ ধৰে।

সাধাৰণতে, কল্যাণময় শক্তিসমূহক আহ্বান কৰি আৰু অনিষ্টকাৰী অপদেৱতাক দূৰ কৰি জীৱনৰ প্ৰধান অৱলম্বন খাদ্যশস্যৰ শ্ৰীবৃদ্ধি কৰা হয়। গতিকে, দেৱতা-পূজা সম্পৰ্কীয় নৃত্যৰ আন এটা উদ্দেশ্য হ'ল শস্য বৃদ্ধি কৰা বা দেৱতাক তেনে কিৰিবলৈ সহায় কৰা বা খোচামোদ কৰা। এফালৰপৰা চালে এনে নৃত্য এই ক্ষেত্ৰত এটা অনুকৰণীয় যাদু। এইদৰে ওখ ওখ জঁাপ মৰি যি নৃত্য কৰা হয় সেই নৃত্যবোৰৰ ফলত শস্যবোৰো ওখ জঁাপৰ দৰেই লহপহকৈ বাঢ়ি আহিব বুলি বহুতে বিশ্বাস কৰে। অনুকৰণীয় যাদুৰ কাম হিচাপেই এই উপাসনা নৃত্যৰ উদ্দেশ্য হ'ল সূৰ্যক তাৰ নিজ কক্ষপথত ঘূৰিবলৈ সহায় কৰা। ব'হাগ বিহুৰ বিহু নাচবোৰো আচলতে উপাসনা নৃত্যই। এই নৃত্যবোৰৰ যোগেদি ভাল শস্য প্ৰচুৰ পৰিমাণে হ'বলৈ দেৱতাৰ মন যোগোৱা হয়। মাঘ বিহুৰ নিশা মেজি আৰু হাৰলী ঘৰত ভোজ-ভাত খাই হাঁহি ফুৰ্তি কৰি নচা নাচবোৰো উপাসনা নৃত্য। এনে নৃত্যবোৰৰ যোগেদি ভাল খেতি হোৱাৰ কাৰণে দেৱতাসকলক ধন্যবাদ জ্ঞাপন আৰু সন্মান প্ৰদৰ্শন কৰা হয়।



গাৰোসকলৰ মাজত মি গি অ'বা ভূইবোৱা নৃত্যৰ চলন্তি আছে। কঠীয়া কেনেকৈ সিঁচা হয় আৰু পথাৰত কেনেকৈ ভূঁই ৰোৱা হয় তাৰ অনুকৰণত নৃত্য কৰা হয়। যিকোনো বয়সৰে মুনিহ-তিৰোতা উভয়েই এই নৃত্যত যোগ দিব পাৰে। নাচোঁতাসকলৰ দুশাৰী হয়; আগৰ শাৰীত তিৰোতা, পিছৰ শাৰীত মুনিহ। পুৰুষসকলে বাদ্য বজায় আৰু তিৰোতাসকলে ভূঁইবোৱাৰ অনুকৰণত বাদ্যৰ ছেৱে ছেৱে নাচি থাকে।

গাৰোসকলক জা মোগোপা বা ৰংচুগালা আৰু ওৱাংগালা বুলি দুটা গুৰুত্বপূৰ্ণ কৃষি-নৃত্য আছে। জা মোগাপা কৃষি-দেৱতালৈ (ৰোকিমে) খেতিৰ প্ৰথম শস্য উচৰ্গা কৰা উৎসৱ। ওৱাংগালা পালন কৰা হয় খেতি চপোৱাৰ ঠিক পাছতেই, সচৰাচৰ অক্টোবৰ মাহত। দুয়োটা উৎসৱতেই তিৰোতাসকলে মনৰ হেঁপাহেৰে নাচে। এই নাচবোৰক নোকজাং চিও বা 'ঘৰৰ মাজৰ নাচ' বুলি কোৱা হয়। এই নাচতো দেৱতাক প্ৰাৰ্থনা কৰি গোৱা হয়—"হে দেৱতা, উঠা; আমি ঘৰৰ মাজত নাচিছোঁ; তুমি আমাৰ প্ৰতি সদয় হোৱা।" ইত্যাদি। মণিপুৰীসকলৰ ফৌগৌৰবা নৃত্যও কৃষি-নৃত্যই। এই নৃত্য মইবা বা পুৰোহিতে কৰে। বড়োসকলে খেৰাই পূজা পাতে কাতিমহীয়া আৰু গোছ উঠাৰ পিছত। খেতি যাতে প্ৰচুৰ পৰিমাণে হয় তাৰ কাৰণে শিৱক সন্তুষ্ট কৰিবলৈ খেৰাই পূজাত মুনিহ-তিৰোতা উভয়েই নাচে। মিকিৰসকলেও নৃত্যৰ যোগেদিয়েই লখিমী-চপোৱা (হং) উৎসৱ পালন কৰে।

নগাসকলৰ বিভিন্ন ফৈদৰ মাজত ৰীতিৰ নাচ আছে। এই নাচবোৰ কৃষিক কেন্দ্ৰ কৰি কৰা দেৱতাপূজা সম্বন্ধীয়া নাচ। লখিমী চপোৱা উৎসৱ ৰেংমা নগাসকলৰ প্ৰধান উৎসৱ। এই উৎসৱত অত্যন্ত গুৰুত্ব আৰোপ কৰা হয় আৰু ই অনেক দিন ধৰি চলে। উৎসৱৰ চতুৰ্থ দিনটোৰ নাম হ'ল কুনীহুংজং বা নৃত্য-দিৱস। এইদিনাৰ নাচটো ভাল সাজ-পাৰ পিন্ধি নচা হয়; আৰু সেইদিনা গোৱা গীতবোৰত অতীতৰ মহাপুৰুষসকলৰ গুণানুকীৰ্তন কৰা হয়।

শস্য ভাল-বেয়া হোৱাটো দেৱতাৰ কৃপাৰ ওপৰত নিৰ্ভৰ কৰে বুলি লাখেৰসকলে বিশ্বাস কৰে। সেইকাৰণে, কৃষিকৰ্মৰ বিভিন্ন পৰ্যায়সমূহত

পাহাৰ আৰু পাহাৰৰ দেৱতাসকলৰ সন্তুষ্টি বিধানৰ কাৰণে বুলি আগবঢ়াই নৃত্য কৰা হয়। প্ৰথমতে দিয়া বলিটোক কোৱা হয় ৰায়ালংছি আৰু ঝুমখেতি আধা-আধি দোৱা হওঁতে সকলো গএল ৰাইজ গোট খাই এই বলিদান কৰে। ঝুমখেতি দোৱা শেষ হৈ গ'লে পখুপিলা নামেৰে এটা নৃত্য কৰে। গাঁৱৰ আলিত ডেকা-গাভৰুৱে পখুপিলা নাচে। ডেকাসকল চক্ৰাকাৰে থিয় হয়; প্ৰত্যেক ডেকাৰ কাষত এগৰাকী গাভৰু থাকে। এই চক্ৰাকাৰ দলটোৰ কেন্দ্ৰত সোমাই এজন পুৰুষে গং বজাই নৃত্য আৰু গীত পৰিচালনা কৰে। নাচনী-নাচনিয়াসকলে এইদৰে গোটেই গাঁৱতে ঘূৰি ঘূৰি গীত গায় আৰু নাচে। এই সময়ৰ বাহিৰে অন্য সময়ত পখুপিলা নচা নিষিদ্ধ। গোমধানৰ খেতি চপোৱা উৎসৱ পালনাৰ্থে কোনো কোনো লাখেৰ গাঁৱত পাজুতাওলা নামৰ নৃত্য অনুষ্ঠিত হয়। গোমাধান খেতি চপোৱাৰ বাহিৰে অন্য প্ৰসঙ্গত এই নৃত্য অনুষ্ঠিত নহয়। কুকীসকলৰ লামগং আৰু অনল বোলা লখিমী চপোৱা উৎসৱ নৃত্য আৰু গীতেৰে পালন কৰা হয়। খাছীসকলৰ সকলো উৎসৱতেই নৃত্য প্ৰধান আৰু খাছীসকলৰ নংক্ৰেম অনুষ্ঠানকো কৃষিৰ লগত জড়িত নৃত্য বুলি ধৰিব পাৰি। এই ক্ষেত্ৰত প্ৰধান পুৰোহিত আৰু বিভিন্ন লিংডো বা পুৰোহিতসকলৰ সহায়ত খিৰিমৰ চিয়েমে (বা নংক্ৰেমে) কৃষি সমৃদ্ধি হ'বৰ কাৰণে আৰু ৰাজ্যৰ সকলো লোকৰে উজ্জ্বল ভৱিষ্যতৰ সংকল্প যাতে কৃতকাৰ্য হয় তাৰ কাৰণে অধিষ্ঠাত্ৰী দেৱী কাচক্ৰেই চিন শচৰক সন্তুষ্ট কৰে।

মাছ মৰা, খেতিৰ কাৰণে ন-মাটি ভঙা, ঘৰ উভা, পূজাৰ কাৰণে প্ৰতিষ্ঠা কৰিবলৈ শিল বগৰাই অনা, নতুন পুখুৰী বা কুঁৱা খন্দা আদি অন্যান্য কাৰ্যকলাপৰ ক্ষেত্ৰটো পূজা সম্বন্ধীয় নৃত্য অনুষ্ঠিত হয়।

•••

# বাদ্যযন্ত্ৰ

ভাৰতৰ অন্যান্য প্ৰদেশৰ দৰে প্ৰাচীন অসমতো সঙ্গীতৰ যথেষ্ট চৰ্চা হৈছিল; সংগীতৰ লগত নানাবিধ বাদ্যযন্ত্ৰৰো সংযোগ আছিল। আমৰ দেশত অ'ত-ত'ত সিঁচৰতি হৈ থকা পুৰণি ভাস্কৰ্য আৰু বৈষ্ণৱযুগৰ চিত্ৰাঙ্কিত সাঁচীপতীয়া পুথিসমূহৰ চিত্ৰৰপৰা এইবোৰৰ বিষয়ে জানিব পাৰি। পঞ্চদশ শতিকাত মহাপুৰুষ শঙ্কৰদেৱৰ ভক্তি-আন্দোলন সঙ্গীত আৰু নাটক-ভাওনাৰ যোগেদি দেশৰ ইমূৰৰ পৰা সিমূৰলৈকে বিয়পি পৰিছিল। বৈষ্ণৱধৰ্মৰ লগত জড়িত সত্ৰ আৰু নামঘৰ, এই দুই জাতীয় অনুষ্ঠানে, সঙ্গীত আৰু ভাওনা আজিলৈকে অসমত প্ৰাণৱান কৰি আহিছে। এই বিষয়ে আমাৰ ধাৰ্মিক আৰু সামাজিক উৎসৱ-অনুষ্ঠানৰো দান কম নহয়। পূজা-পাৰ্বণ আৰু বিয়া-বিহুত গীত আৰু বাদ্য অপৰিহাৰ্য অঙ্গ।

ভাৰতীয় শাস্ত্ৰ মতে অসমৰ বাদ্যসমূহ তত-যন্ত্ৰ, ঘন-যন্ত্ৰ, সুষিৰ-যন্ত্ৰ, আনদ্ধ-যন্ত্ৰ আদি বিভিন্ন পৰ্যায়ত ভাগ কৰিব পাৰি। তত-যন্ত্ৰৰ ভিতৰত তাঁৰৰ বাদ্যযন্ত্ৰসমূহ পৰিছে। ইয়াৰ ভিতৰত বীণ বা বীণাই অতি প্ৰাচীন; ই ভাৰতত জাতীয় বাদ্যযন্ত্ৰৰূপে পৰিগণিত। A Cultural History of Assam পুথিত তেজপুৰ, শিৱসাগৰ, কামাখ্যা মন্দিৰৰ পুৰণি মূৰ্তিৰ হাতত থকা বীণাৰ উল্লেখ কৰা হৈছে। প্ৰাচীন অসমীয়া সাহিত্যত বিপঞ্চি, দোতাৰা, বিলাস, কবিলাস বা ৰুদ্ৰবিলাস, বীণ, ৰুদ্ৰবীণা, ৰামবীণা, ৰবাব, স্বৰমণ্ডল, চাৰিন্দা, টোকাৰী, ৰুদ্ৰক টোকাৰীৰ উল্লেখ আছে। টোকাৰীৰ গ্ৰাম্যসংস্কৰণ হ'ল লাও-টোকাৰী। বিশেষকৈ দেহ-বিচাৰৰ গীত গাওঁতে বৰাগীয়ে লাও-টোকাৰীৰ ব্যৱহাৰ কৰে। মাধবদেৱৰ বৰগীতত ইয়াৰে কেইখনমান বীণৰ উল্লেখ আছে ঃ

ৰুদ্ৰ কবিলাস বিপঞ্চি ৰবাব
শবদ স্বৰমণ্ডলে।
মধুৰ মৃদঙ্গ মন্দিৰা উপাঙ্গ
বাহ বাদ্য সুমঙ্গলে।।

কাঁহ, তাল, ঘণ্টা আদি ঘন-যন্ত্ৰৰ শাৰীৰ। তাল অনেক প্ৰকাৰৰ। শব্দৰ মাধুৰ্য আৰু গাম্ভীৰ্য অনুযায়ী বিভিন্ন প্ৰসঙ্গত বিভিন্ন তাল ব্যৱহাৰ কৰা হয়। আকাৰত ডাঙৰ তালৰ ভিতৰত হ'ল বামতাল বা ভোৰতাল। ভোৰতাল ভোটদেশৰপৰা অহা বুলি অনুমান হয় (ভোট<ভোড়<ভোৰ)। তিব্বতী বৌদ্ধ-সঙ্গীতত এই তালৰ ব্যাপক ব্যৱহাৰ আছে। সৰুবিধৰ ভিতৰত খঞ্জৰি, খঞ্জৰিকা, মন্দিৰা, খুটিতাল আদি। বাঁহৰ শালেৰে সজা এবিধ বাদ্যযন্ত্ৰৰ নাম কৰতাল। ধৰ্মসঙ্গীতৰ লগত ইয়াক বজোৱা হয়।

এই শাৰীৰ অন্য এক প্ৰকাৰৰ বাদ্যযন্ত্ৰ হ'ল কাঁহ। ইয়াৰে এবিধ হ'ল বৰকাঁহ আৰু আনবিধ সৰুকাঁহ। তাবোপৰি মঞ্জৰ, ঝঞ্জন বা ঝঞ্জিৰিকা নামৰ কাঁহৰ বাদ্যৰ উল্লেখ পোৱা যায়। অন্য এবিধ বাদ্যযন্ত্ৰ হ'ল ঘণ্টা। হিন্দুসঙ্গীত আৰু পূজ-অৰ্চনাত অতীতৰপৰাই ঘণ্টাৰ ব্যৱহাৰ হৈ আহিছে। আজিও ভক্তই পুণ্য আৰ্জিবলৈ মন্দিৰত প্ৰৱেশ কৰি ঘণ্টা বজায়। কিঙ্কিনী আৰু নূপুৰকো বাদ্যযন্ত্ৰৰ ভিতৰত ধৰিব পাৰি।

মুখেৰে ফুদি বজোৱা বাদ্যযন্ত্ৰসমূহেই হ'ল সুষিৰ-যন্ত্ৰ। ফু দি বজোৱা পুৰণি বাদ্যযন্ত্ৰৰ ভিতৰত শিঙাই প্ৰধান। গাঁৱলীয়া অঞ্চলত আৰু জনজাতীয়সকলৰ মাজত ম'হৰ শিঙৰ শিঙাৰ এতিয়াও প্ৰচলন আছে। প্ৰয়োগ অনুসৰি শিঙাৰ বিভিন্ন নামকৰণ কৰা হৈছে; বামশিঙা, খংশিঙা, ৰণশিঙা। অসমীয়া সাধুকথাত খংশিঙা আৰু ৰণশিঙাৰ উল্লেখ মন কৰিব লগীয়া। বহু জনজাতিয়ে মন্ত্ৰৰ লগত শিঙা বজাই ভূত-প্ৰেত, আপদ-অমঙ্গল দূৰ কৰিবলৈ বিচাৰে। পেঁপাও অন্য এটি সাধাৰণতে প্ৰচলিত বাদ্যযন্ত্ৰ। ভাৰতীয় ধৰ্মমূলক আৰু সামাজিক মাঙ্গলিক অনুষ্ঠানত শঙ্খৰ প্ৰাচীন কালৰেপৰা সম্বন্ধ; যুদ্ধক্ষেত্ৰত শঙ্খৰ প্ৰয়োগ হৈছিল। ভাৰতীয় সংস্কৃতিৰ ইতিহাসত বাঁহী, বেণু বা মুৰুলীৰ স্থান অতি চিত্তাকৰ্ষক আৰু ঐতিহ্যমণ্ডিত।



বাঁহীৰ নিদৰ্শন নানা স্থানত আবিষ্কৃত হোৱা অসমৰ প্ৰাচীন ভাস্কৰ্যত পোৱা গৈছে। পুৰণি সাহিত্যত কীচক-বেণুৰ উল্লেখ আছে। কোনো কোনো পণ্ডিতে কীচকবেণু আৰু কীচক শব্দটো চীন দেশৰপৰা অহা বুলি মত প্ৰকাশ কৰিছে। বাঁহীৰ গ্ৰাম্যসংস্কৰণ পেঁপা। বড়ো-কছাৰীসকলৰ মাজত দীঘল চিফুং বাঁহীৰ ব্যাপক প্ৰচলন। অসমত কালি বা কালিয়াৰ ব্যৱহাৰ যে বহুদিনীয়া সেইকথা তেজপুৰৰ এটি পুৰণি ভাস্কৰ্যই প্ৰমাণ কৰে। ইয়াক ধাতু আৰু কাঠ দুয়োটাৰে নিৰ্মাণ কৰা হয়; আৰু বিশেষকৈ বিবাহ উৎসৱত বজোৱা হয়। পুৰণি পুথিত কালি, কালিয়া, জয়কালি, বীৰকালিৰ উল্লেখ আছে। এই শাৰীৰ অন্য এক বাদ্যযন্ত্ৰ ভেৰী সম্ভৱতঃ তিব্বতৰপৰা আহিছে। ৰামভেৰী বা ৰণভেৰী সম্ভৱতঃ ৰণবাদ্যযন্ত্ৰ। মহৰি আৰু গগনা লৌকিক উৎসৱ-অনুষ্ঠানত বজোৱা হয়। গগনাৰ ঘাই সম্বন্ধ বিহুগীত আৰু বিহুনৃত্যৰ লগত। বিহু নামত তিৰোতায়ো গগনা বজায়।

আনদ্ধ যন্ত্ৰৰ ভিতৰত ঢোলজাতীয় বাদ্যৰ স্থানেই সৰ্বপ্ৰথম। ঢোলজাতীয় বাদ্য অসমৰ অন্যতম প্ৰধান গুৰুত্বপূৰ্ণ বাদ্যযন্ত্ৰ। অসমত প্ৰচলিত ঢোলজাতীয় বাদ্য অনেক প্ৰকাৰৰ; আকাৰ, গঢ় আৰু নিৰ্মাণৰ উপাদানভেদে সেইবোৰৰ নামো ভিন ভিন। ডাঙৰ ডাঙৰ ঢোলবোৰৰ নাম হ'ল—দামা বা দামামা, গোমুখ, কহলা বা কহালি, নাগাৰা আৰু পটহ। ডঙ্কা, ডিণ্ডিম, দুন্দুভি, জয়ঢাক আদি হ'ল ৰণবাদ্যযন্ত্ৰ। ৰামায়ণত যুদ্ধ-প্ৰসঙ্গত আছে—

কহালি মুহোৰি ভেৰী শবদ তুমুল।
দুন্দুভি মৃদঙ্গ দাম বাজে ঢাক ঢোল।।

কালিকা পুৰাণত আছে—

অবাদয়ন্ত তে শঙ্খান্ পটহান্ পৰিবাদিনঃ।
মৃদঙ্গাণ্ডিণ্ডিমাংশ্চৈব গোমুখান্ পণবাংস্তথা।।

এই জাতীয় অন্য এবিধ বাদ্যযন্ত্ৰ হ'ল দবা। ই আকাৰত ডাঙৰ। নামঘৰ, মন্দিৰৰ অনুষ্ঠানত ইয়াক ব্যৱহাৰ কৰা হয়। মন্দিৰ বা নামঘৰত দবাই গাঁৱৰ মানুহক দৈনন্দিন বিভিন্ন কামৰ সময়সঙ্কেত দিয়ে। দবা কোবালে ভূত-

প্ৰেত আদি অমঙ্গল বিদূৰ হয় বুলি সাধাৰণৰ বিশ্বাস। ধুমুহা-বৰষুণ, ভূমিকম্প, অগ্নিসংযোগ আদি প্ৰাকৃতিক দুৰ্যোগবোৰৰ সময়ত দবা কোবাই ৰাইজক সজাগ কৰা হয়। ভাৰতীয় আনদ্ধ যন্ত্ৰৰ ভিতৰত প্ৰাচীনতম বাদ্যযন্ত্ৰৰ এবিধ হ'ল মৃদঙ্গ। মৃদঙ্গ নামটোৰেই ই যে মাটিৰে (মৃৎ) নিৰ্মিত সেই কথা সূচায়। গায়ন-বায়নৰ মূল বাদ্যযন্ত্ৰই হ'ল মৃদঙ্গ। প্ৰাচীন অসমীয়া সাহিত্যত মহিলাই মৃদঙ্গ বজোৱাৰ উল্লেখ আছে। মৃদঙ্গৰ আধুনিক ৰূপ হ'ল খোল। চৰিত পুথিৰ মতে মহাপুৰুষ শঙ্কৰদেৱে কপিলীমুখৰ কুমাৰৰ হতুৱাই প্ৰথমে খোল নিৰ্মাণ কৰোৱাইছিল। ঢোলৰ ক্ষুদ্ৰ সংস্কৰণ ডম্বৰুৱে শিৱৰ বাদ্যযন্ত্ৰস্বৰূপে অসমীয়া প্ৰাচীন মূৰ্তিকালত বিশেষ মৰ্যাদা লাভ কৰিছে। ইয়াৰ ভিতৰত ঢোল, ঢোলক, খুমুচি আৰু মাদলৰ নাম পোৱা যায়। তেজপুৰত পোৱা প্ৰাচীন ভাস্কৰ্যত ঢোল বা ঢোলকৰ চিত্ৰ আছে। লোক-সঙ্গীততেই ঢোল আৰু ঢোলকৰ প্ৰচলন অধিক। সামাজিক উৎসৱত ঢুলীয়া-খুলীয়াই ঢোল আৰু পাতিঢোল ব্যৱহাৰ কৰে।

মাধৱ-কন্দলীৰ ৰামায়ণত বাদ্যযন্ত্ৰৰ এটি তালিকা ঃ

বীৰ ঢাক ঢোল বাজে তবল ডগৰ দণ্ডি
শৰদ শুনিয়া কোলাহল।
ভেমচা ক্ষেমচা চায় ঝাঝাৰ বেমচি বাজে
ৰামতাল আৰু কৰতাল।।
টোকাবি কেন্দৰা, ৰুদ্ৰ বিপঞ্চি দোতাৰা বাজে
বীণা বাঁশী দোশৰি মোহৰি।
জিজিৰা কাহালি শিঙ্গা ভেৰি থাকে নিৰন্তৰ
স্বৰ্গ ভুৱনকো গৈলা পূৰি।।

আন এজন অসমীয়া কবি সূৰ্যখৰি দৈৱজ্ঞই তেওঁৰ দৰং ৰাজবংশজাত কেতবোৰ বাদ্যৰ নাম উল্লেখ কৰিছে ঃ

শঙ্খ ঘণ্টা কৰতাল, দুন্দুভি বজাৱে ভাল,
ঢাক ঢোল ডগৰ নাগাৰা।



ৰামবেনা কবিলাস, যাহাৰ মধুৰ ভাষ,
খঞ্জৰীক মোহৰী দোতাৰা।।
ৰবাব সাৰিণ্ডা বাঁশী, ঝিলি ঝিঞ্জিৰিকা ৰাশি
ৰুদ্ৰ টোকাৰী বাৰে তুড়ি।
মৃদঙ্গ মন্দিৰা খোল, ধোমচিৰ শুনি বোল,
গোগোনা যে বজাৱে মুৰুলী।।
উপাঙ্গ যে বৰকাহ্ন, মচুৰই বাবে জস্ফ,
জয়কালী বজাৱয় ভেৰী।
ৰাম শিঙা ৰাম তাল, খোঞ্জৰা বজাৱে ভাল,
গোমুখ বজাৱে উচ্চ কৰি।।
বীৰ কালি সিংঘবান তবল বজাৱে ঘন,
পূৰয় অম্বৰু বাদ্যচয়।
পালি ৰণ শব্দ আতি, দোচৰি ঢোলক জাতি
আনো বাদ্য অসংখ্য বাজয়।।

এইবোৰ বাদ্যযন্ত্ৰৰ বাহিৰেও প্ৰাচীন অসমীয়া সাহিত্যত ভামৰি, ভাণ্ডি বেনা, বেনী, ভেমেচি, দণ্ডি, দিণ্ডি, দোচৰি, ধোমচি, মচুবৈ, মুৰুয়া, পনৱ, বেমচি, শিঙ্গবান, টকা, তবলা, টুপেচি, তুৰ্য আদি বাদ্যযন্ত্ৰৰ উল্লেখ আছে।

•••

# লোক-শিল্প

গাঁৱলীয়া জীৱনৰ সুকুমাৰ-কলা প্ৰীতিৰ পৰিচয় ফুটি ওলায় হস্ত-শিল্প আৰু লোক-শিল্পত। কেৱল দৈনন্দিন প্ৰয়োজনৰ সা-সঁজুলিতে নহয়, ধৰ্মমূলক ক্ৰিয়া-অনুষ্ঠানৰ লগতো লোক-শিল্পৰ সম্বন্ধ মন কৰিব লগীয়া। এই লোক-শিল্পৰ প্ৰাচীন নিদৰ্শন হ'ল মৃৎশিল্প বা কুমাৰৰ শিল্প। গাঁৱৰ মানুহৰ নিত্য ব্যৱহাৰৰ কাৰণে তৈয়াৰ কৰা এই সামগ্ৰীসমূহত কুমাৰৰ শিল্পনিপুণ ব্যক্তিত্বৰ মনোৰম ছাপ প্ৰকাশ পায়। বাৰ্ড়উডে ঠিকেই কৈছে, "ৰূপ আৰু ব্যৱহাৰিক সুবিধা, আৰু অনাড়ম্বৰতাৰ পিনৰপৰা ভাৰতবৰ্ষৰ মৃৎ-শিল্প প্ৰকৃতিৰ লগত ৰজিতা খাই পৰিছে; কলাৰ ক্ষেত্ৰতো, ঘৰুৱা আৰু কম খৰচীসকলো হস্ত-শিল্পৰ ভিতৰত মৃৎ-শিল্প সৰ্বাঙ্গসুন্দৰ।"

প্ৰাচীন মৃৎ-শিল্পৰ চানেকি অসমত সৰহ নাই। ইয়াৰ প্ৰধান কাৰণ মাটিৰ বস্তু বহুদিন নিটিকে। তাৰোপৰি মাটিৰ পাত্ৰ সহজতে অশুচি হয় বুলি এবাৰ ব্যৱহাৰৰ পিছতে তাক নষ্ট কৰি পেলোৱা হয়। গুৱাহাটীৰ ৰাজ্যিক সংগ্ৰহালয়ত কেইটিমান বিভিন্ন চানেকিৰ মাটিৰ পুৰণিকলীয়া পাত্ৰ সংৰক্ষণ কৰা হৈছে। ইয়াৰে ভগা কলহ আৰু ধূনা জ্বলোৱা পাত্ৰটিয়ে শিল্পীৰ শিল্পাদৰ্শৰ সুন্দৰ পৰিচয় দিছে।

কলহটোৰ গাৰ অঙ্কন-ৰেখা আৰু চাকচিক্যই দৰ্শকৰ দৃষ্টি সহজে আকৰ্ষণ কৰে।

দৈনন্দিন প্ৰয়োজনৰ বস্তুৰ বাহিৰেও কুমাৰে বিলাস আৰু আনন্দ-উৎসৱৰ পুতলা আদি সামগ্ৰীও গঢ়ে। গাঁৱৰ কুমাৰ আৰু খনিকৰে নানা দেৱ-দেৱীৰ প্ৰতিমাও গঢ়ে। কুমাৰ আৰু কুমাৰণীৰ বস্তুৰ ভিতৰত মানুহ, জীৱ-জন্তু, গছ-গছনি অঙ্কিত পোৰা মাটিৰ কেইখনো প্ৰাচীন ফলক শদিয়াৰ



তাম্ৰেশ্বৰী মন্দিৰ আৰু শিৱসাগৰৰ দৌল-দেৱালয়ৰ কাষত পোৱা গৈছে। উচ্চ-স্তৰৰ শিল্প নহ'লেও, এইবোৰত মানুহ আৰু প্ৰকৃতিৰ মনোৰম ব্যঞ্জনা ফুটি উঠিছে।

পুতলাৰ প্ৰসঙ্গত কামৰূপৰ পুতেলি বিয়াৰ উল্লেখ বিশেষ প্ৰয়োজন। ব'হাগ মাহত পুত্ৰহীনা বিধৱাই পৰিয়ালৰ ঘাইকৈ বন্ধ্যা তিৰোতাৰ পুত্ৰ কামনা কৰি কেইবাযোৱাও পুতলাৰ দৰা-কন্যা সাজি পুতলা-বিয়া পাতে। বিবাহ-অনুষ্ঠানৰ পিছত এই পুতলাৰ দৰা-কন্যাবোৰ কলগছৰ ভুৰত তুলি কেইটামান হাঁহ-কণীৰে সৈতে নদীত উটাই দিয়ে।

প্ৰাচীন কালৰেপৰা অসম শৈৱ আৰু শাক্ত ধৰ্মৰ প্ৰখ্যাত কেন্দ্ৰ। শৈৱ আৰু শাক্ত দেৱ-দেৱীৰ অলেখ শিলৰ মূৰ্তি অসমৰ বহু ঠাইত আৱিষ্কৃত হৈছে। সাময়িক পূজা-অৰ্চনাৰ কাৰণে কুমাৰেও পোৰা মাটিৰ মূৰ্তি, চক্ৰ আৰু মণ্ডল সাজিছিল। এনে কেইটামান মূৰ্তি গুৱাহাটীৰ সংগ্ৰহালয়ত সংৰক্ষিত কৰা হৈছে। এই মূৰ্তি সমূহৰপৰা শৈৱ-শাক্ত ধৰ্মৰ প্ৰচাৰ আৰু পূজানুষ্ঠানৰ বিষয়েও জানিব পাৰি।

মাটিৰ পিছতে শিল্প-সৃষ্টিৰ ক্ষেত্ৰত সহজতে পোৱা উপকৰণ হৈছে বাঁহ, বেত আৰু কাঠ। অসমৰ বাঁহ-বেতৰ কাম অতীতৰেপৰা সুবিখ্যাত. কুমাৰ ভাস্কৰবৰ্মাই মহাৰাজ হৰ্ষবৰ্ধনলৈ পঠোৱা উপহাৰৰ ভিতৰত বিচিত্ৰ ৰঙৰ বেতৰ জপাত (বেত্ৰকৰণ্ড) কুণ্ডলী পকাই ভৰাই নিয়া উত্তৰীয়-বস্ত্ৰ, প্ৰিয়ংগু মঞ্জৰীৰ বেতৰ আসন, সহকাৰ ৰসেৰে পৰিপূৰ্ণ বাঁহৰ চুঙা, বেতৰ সজাত ভৰোৱা মাত লোৱা শুক-সাৰিকা আদিয়েই প্ৰধান। ফাটিয়া-ই-ইব্ৰাহিয়ে অসমৰ কাঠৰ কামৰ বিশেষ প্ৰশংসা কৰিছে। মোগলৰ বুৰঞ্জীলিখকসকলে ব্ৰহ্মপুত্ৰত বেগাই যাব পৰা বিভিন্ন ধৰণৰ নাৱৰ বিৱৰণো দি গৈছে। অসমৰ সত্ৰসমূহৰ হেঙুল-হইতালেৰে বোলোৱা চৰা-নাও বিশেষ উল্লেখযোগ্য। অসমৰ পুৰণি লিপি আৰু মধ্যযুগৰ সাহিত্যত বিশেষকৈ মনসা কাব্যত, সোণ-খটোৱা আৰু বিভিন্ন ধৰণৰ বেপেৰুৱা নাৱৰ বৰ্ণনা আছে।

পুৰণিকালৰ যান-বাহনৰ ভিতৰত দোলা প্ৰধান। আভিজাত্যৰ স্তৰ অনুসৰি বিভিন্ন আৰ্হি আৰু কাৰুকাৰ্যমণ্ডিত দোলাৰ প্ৰচলন আছিল।

স্বৰ্গদেউসকলৰ, সত্ৰাধিকাৰৰ, বিষয়াৰ, বিবাহ আদি উৎসৱত ব্যৱহৃত হোৱা সাধাৰণ প্ৰজাৰ আকৌ বিভিন্ন শ্ৰেণীৰ তিৰোতাৰ সুকীয়া সুকীয়া আৰ্হিৰ দোলা আছিল।

সত্ৰৰ কৰপাট আদি ঘৰ-দুৱাৰ আৰু গাঁৱৰ নামঘৰেও গাঁৱলীয়া ৰাইজক কাৰু-শিল্পৰ চৰ্চাত সুযোগ আৰু প্ৰেৰণা যোগাইছে। সত্ৰীয়া কীৰ্তন ঘৰৰ ডাঙৰ ডাঙৰ ঘূৰণীয়া খুঁটাত, চ'তিত, দুৱাৰত বিবিধ মূৰ্তি কটা হয়। সিংহাসন, থাপনা, ঠগী আৰু গছাতো জীৱ-জন্তু, ফুল-লতা—বিশেষকৈ পদুম ফুল কাটি হেঙুল-হাইতালৰ সংমিশ্ৰণত চকুৰোৱাকৈ গঢ়া হয়। ইয়াৰ বাহিৰেও সিংহ, গৰুড়, হনুমান, জয়-বিজয় আৰু প্ৰহ্লাদৰ কাঠৰ মূৰ্তিৰে নামঘৰ সজায়। কীৰ্তিমুখ, মগৰ আৰু সিংহই পিছপিনৰপৰা হাতীক আক্ৰমণ কৰা মূৰ্তি অসমৰ শিল্পত সৰবৰাহী হৈ পৰিছে। এনে মূৰ্তি সাধাৰণ মানুহৰ ঘৰ-দুৱাৰৰ বাহিৰেও তাঁত আৰু ঢেঁকীশালৰ সা-সঁজুলিটো কটা হয়।

মন্দিৰত আৰু নামঘৰৰ বেৰত সজাবলৈকো কাঠত মূৰ্তি কটা হয়। কোনো কোনো অঞ্চলত বছৰেকীয়া পূজাৰ দেৱ-দেৱীৰ মূৰ্তি কাঠত কটা হয়। পুৰণি মূৰ্তিৰ ওপৰতে বছৰে বছৰে নকৈ ৰহণ বোলাই পূজা কৰে।

বাঁহৰ কাঠী তুলাপাতৰ বাহিৰে কাঠত কটা মুখাও আছে। ভাওনাৰ মুখাবোৰ ঘাইকৈ তিনি শ্ৰেণীত ভাগ কৰিব পাৰি ঃ দেৱতাদানৱৰ মুখা, পৌৰাণিক আৰু বাস্তৱ জীৱ-জন্তুৰ মুখা আৰু বহুৱাৰ মুখা। ইয়াৰে কেতবোৰ মুখত পিন্ধা হয়, কিছুমানে ভৰিৰপৰা মূৰলৈকে ঢাকি ধৰে।

কাঠৰ ঘৰুৱা সা-সঁজুলিৰ ভিতৰত ফুলজালি কটা পীৰা, বৰ পীৰা, চাল পীৰা, পেৰা, বৰপেৰা আদি সচৰাচৰ ব্যৱহৃত হয়। এইবোৰৰ গাত চৰাই-চিৰিকটি, ফুল-লতা, জ্যামিতিক চিত্ৰ কটা হয়। ধুনীয়াকৈ লতা-ফুল কটা উৰল এটি গুৱাহাটীৰ চৰকাৰী বয়ন-বিভাগে সংগ্ৰহ কৰিছে; ই যিকোনো দেশৰ শিল্প-সংগ্ৰহালয়ৰে সৌন্দৰ্য বঢ়াব।

বাঁহ-বেতৰ বস্তু ঘাইকৈ গৃহস্থালিৰ প্ৰয়োজনৰ কাৰণেই সজা হয়। ইয়াৰ সৰহভাগৰে সম্বন্ধ ধানৰ লগত। সেইবোৰ হৈছে সৰু বৰ, ঘন-সেৰেঙা, নানা প্ৰকাৰৰ চালনী, খৰাহী, পাচি, ডুলি, ডলা, কুলা; জোখ-মাপৰ দোণ



আৰু তুলাচালনী। কাপোৰ কানি বয়-বস্তু থ'বলৈ গাঁৱৰ মানুহে বেত-বাঁহৰ জপা সাজে। ভাস্কৰবৰ্মাই এনে জপাতে কাপোৰ নুৰিয়াই হৰ্ষবৰ্ধনলৈ পঠাইছিল। অসমীয়া পুৰণি-সাহিত্যৰ ঠায়ে ঠায়ে বিছনীৰ মনোৰম বৰ্ণনা আছে। জাপি লোক-শিল্পৰ উচ্চতম সৃষ্টি। ব্যৱহাৰিক প্ৰয়োজনৰ বাহিৰেও আহোম যুগত জাপি আভিজাত্যৰ নিদৰ্শন আছিল। কোনো কোনো পণ্ডিতে জাপি তিব্বতী-বৰ্মীভাষী দেশৰপৰা অহা বুলি মত প্ৰকাশ কৰিছে। গাঁৱলীয়া তিৰোতাই বেত-বাঁহৰপৰা নাক-কাণৰ অলঙ্কাৰ-পাতিও গঢ়ায়। মূৰ আঁচোৰা আৰু চুলিত গোজা নানা আৰ্হিৰ ফুল-লতা কটা কাকৈ-ফণীও বাঁহ-বেতেৰে সজা হয়। কাকৈ আনকি প্ৰেম নিবেদনত উপহাৰ দিয়া হয়, পূজা-অৰ্চনাতো ইয়াৰ প্ৰয়োগ আছে। এই সম্বন্ধে লোকগীতত উল্লেখ আছে ঃ

তোৰে মূৰ চাই ফণীখন গাঁথিলো,<br>
লগাই ৰাঙলীয়া বেত।<br>
খাৰু লোৱা মণি লোৱা কুণ্ডল সাতেসৰী।<br>
তেল সেন্দুৰ ফণি ফালি লোৱা শৰাই ভৰি।।

তাঁতশালৰ লগত সম্বন্ধ থকা যঁতৰ, নেওঠনি, নাচনী, ৰাচ বা তোলা চুঙাতো কাৰুকাৰ্য কৰা আৰু ৰং বোলোৱা হয়। শিৱসাগৰৰ পৰা পোৱা তাঁতশালৰ কেইটিমান ধুনীয়া সা-সঁজুলিৰ চিত্ৰ এই পুথিত সংযোগ কৰা হৈছে। গাখীৰ খীৰোৱা বাঁহৰ চুঙা আৰু কাঠৰ কঁৰীয়াতো নানা চিত্ৰ কটা হয়। দৈনন্দিন ব্যৱহাৰৰ এই বস্তুবোৰ সাধাৰণ মানুহৰ সৌন্দৰ্যপ্ৰীতি আৰু শিল্পায়ন প্ৰতিভাৰ পৰিচায়ক।

ঘৰুৱা জীৱন আৰু ধৰ্মানুষ্ঠানত বহা আসনৰ প্ৰয়োজন। এইবোৰ বেত কুঁহিলাৰে সজা হয়। এইবোৰৰ মূৰত বৰ্গ, ত্ৰিকোণ, বক্ৰৰেখা, সৰলৰেখাৰ ৰূপ ফুটি উঠে। কোনো কোনোৱে এই চিত্ৰৰ সম্বন্ধ তান্ত্ৰিক চক্ৰ, মণ্ডলৰ লগত থকা বুলি অনুমান কৰে।

ধাতুৰ শিল্পৰ ক্ষেত্ৰতো অসমীয়া মানুহৰ শিল্প-নিপুণতাৰ পৰিচয় ওলাইছে। কাঁহী, বাণ-কাঁহী, মাইহাং, পাণ-ধোৱা বাটি, বাণ-বাটি, লোটা, চৰিয়া, বটা আদিৰ চাকচিক্য, গঢ় মনোৰম কাৰুকাৰ্যই কঁহাৰৰ শিল্প-চাতুৰ্যৰ

পৰিচয় দিয়ে। এইবোৰ বস্তুৰ গঢ়ৰূপৰ (যেনে— মাইহাং, বাণ-বাটি) মাজেদি জাতিৰ শিল্প-সংস্কৃতিৰ সংমিশ্ৰণো হৈছে।

পিতলৰ বস্তুৰ নিৰ্মাণ সাধাৰণতে মৰীয়া সম্প্ৰদায়ৰ মাজতে আবদ্ধ। মৰীয়াসকলে কেৱল সাধাৰণ প্ৰয়োজনীয় টৌ-চৰিয়া কলহ, গাগৰিকেই নগঢ়ে, তেওঁলোকে হিন্দুৰ ধৰ্মানুষ্ঠানত সদা-সৰ্বদা লাগি থকা শৰাই, গছা, চাকিও গঢ়ে। এইবোৰৰ বাহিৰে পিতলৰ গহনা-গাঁঠৰি গাঁৱলীয়া তিৰোতাই আজিও পিন্ধে। বিহুগীতত আছে — 'চকা পিতলৰে আঙঠি গঢ়াই দিম, গলপতা গঢ়াই দিম গলত।'

অৱশ্যে এইবোৰ সামগ্ৰীত শিল্প-সৌন্দৰ্যতকৈ পুৰণি ঐতিহ্যহে সংৰক্ষিত হৈছে। শিল্পীসকলৰ সৃজনধৰ্মী কল্পনা আৰু অভিনৱ ৰূপ দিয়াৰ ক্ষমতা নোহোৱাত ইয়াৰ সমাদৰ দিনে দিনে হ্ৰাস হৈছে। তদুপৰি এলুমিনিয়াম, এনামেল, চীনামাটি, প্লাষ্টিকৰ সস্তীয়া বস্তুৰ প্ৰচলনৰ লগে লগে এইবোৰৰ ব্যৱহাৰ কমি আহিছে। অৱশ্যে, এই শিল্পক কিছুদিনলৈ গাঁৱৰ ধাৰ্মিক আৰু সাংস্কৃতিক অনুষ্ঠানে জীয়াই ৰাখিব বুলি আশা কৰিব পাৰি। গাঁৱলীয়া জীৱনৰ পূজা-পাৰ্বণ, বিবাহ-মৃত্যুৰ অনুষ্ঠাত এতিয়াও এইবোৰৰ ব্যাপক প্ৰচলন।

অসমৰ হাতীদাঁতৰ শিল্পই মহাভাৰতৰ যুগৰপৰাই খ্যাতি লাভ কৰি আহিছে। ভগদত্তই যুধিষ্ঠিৰলৈ পঠিওৱা উপহাৰৰ ভিতৰত অন্যতম আছিল হাতীদাঁতৰ নালৰ তৰোৱাল (শুদ্ধ দন্তত সৰুসীন্)। ভাস্কৰবৰ্মাই হৰ্ষবৰ্ধনলৈ হাতীদাঁতৰ কুণ্ডল আৰু গজমুক্তা পঠিয়াইছিল। আহোম যুগত হাতীদাঁতৰ আঙঠি, ফণী, টৈমা, তৰোৱালৰ নাল, কটাৰীৰ ডাবৰ বিশেষ প্ৰচলন আছিল। গাঁৱলীয়া শিল্প আৰু গাঁৱলীয়া মানুহৰ প্ৰয়োজনতে এই শিল্প এতিয়াও জীয়াই আছে।

গাঁৱলীয়া খনিকৰে জন্তুৰ শিঙৰপৰাও দুই-এপদ বস্তু গঢ়ে। কাঠৰ মুৰত হৰিণৰ শিং লগাই ধুনীয়া শিল্পৰ বস্তু গঢ়ে। জনজাতিসকলে ম'হৰ শিঙত ৰং চৰাই ঘৰৰ সমুখত সজাই থয়। ই গৃহস্থৰ সচ্ছল অৱস্থাৰ চিনাকি দিয়ে। ম'হৰ শিঙৰ পেঁপা, ফণীও গঢ়া হয়। গাঁৱলীয়া জীৱনৰ লগতে এইবোৰৰ ঘাই সম্বন্ধ আৰু গাঁৱৰ সংস্কৃতিত এই শিল্প বৰ্তি আছে।



সোণাৰী-শিল্প অন্য এটি প্ৰাচীন শিল্প। সময়ৰ লগে লগে এই শিল্পৰ প্ৰয়োজন আৰু প্ৰচাৰ বাঢ়িছে যদিও, অসমীয়া সোণাৰী ব্যৱসায়চ্যুত হৈছে; গাঁৱে-ভূঞে আন দেশৰ সোণাৰীয়ে তেওঁলোকৰ স্থান দখল কৰিছে। এসময়ত অৱশ্যে অসমীয়া সোণাৰীৰ শিল্প ভাৰতবিখ্যাত আছিল। হৰ্ষবৰ্ধনলৈ ভাস্কৰবৰ্মাই পঠোৱা অলঙ্কাৰৰ তালিকাৰপৰা অসমীয়া সোণাৰীৰ শিল্প-দক্ষতা উপলব্ধি হয়। অসমীয়া সোণাৰীৰ সোণ-গলোৱা প্ৰণালী, অলঙ্কাৰ-পাতি গঢ়া শালৰ স্বকীয় পদ্ধতি আছিল। তালপতা, বিৰী, ঢোল-বিৰী, গেজেৰা, ডুগডুগা, কেৰু-কৰীয়া, লোকাপাৰ, কাণফুল, খাৰু, গামখাৰু, আঙঠি আদি অসমীয়া গহনা-গাঁঠৰিৰ স্বতন্ত্ৰ ৰূপ লক্ষ্য কৰিব লগীয়া। এইবোৰ ফুল, লতা, শেন, ভাটৌ আদি অসমৰ প্ৰকৃতিৰ বিভিন্ন সামগ্ৰীৰ অনুকৰণত গঢ়া হয়। আজিও গাঁৱলীয়া তিৰোতা-গাভৰুৰ মাজত অসমীয়া আৰ্হিৰ গহনা-গাঁঠৰিৰহে অধিক সমাদৰ। তিৰোতাৰ জীৱনত অলঙ্কাৰৰ কি মৰ্যাদা। সেই কথা আঙঠি পিন্ধোৱা, খাৰুমণি পিন্ধোৱা অনুষ্ঠানৰপৰাই বুজিব পাৰি।

ৰামায়ণ-মহাভাৰতৰ যুগৰপৰাই পাটশিল্পৰ কাৰণে অসমে খ্যাতি লাভ কৰি আহিছে। ৰামায়ণত অসমক 'পলু-পোহাৰ' দেশ বুলি কোৱা হৈছে। ভাস্কৰবৰ্মাই হৰ্ষবৰ্ধনলৈ পঠোৱা উপহাৰৰ ভিতৰত শৰৎকালৰ চন্দ্ৰৰ সদৃশ ক্ষৌম বস্ত্ৰ (শৰচ্চন্দ্ৰমৰীচিৰুঞ্চি শৌচক্ষমাণি ক্ষৌমাণি), ভূৰ্জপত্ৰৰ দৰে কোমল, যুতিফুল বৰণীয়া পাট কাপোৰ ভূৰ্জত্বকোমলা ঃ স্পৰ্শৱতী ঃ জাতীপট্টিকাঃ) মুখ্য আছিল। মুছলমান ঐতিহাসিকে অসমৰ পাট অতি উৎকৃষ্ট আৰু চীনৰ পাট কাপোৰৰ সমকক্ষ বুলি লিখি গৈছে। বিদেশী পৰ্যটক বাৰ্ণিয়াৰে অসমৰ পাট-শিল্পৰ ভূয়সী প্ৰশংসা কৰিছে। আহোম স্বৰ্গদেৱসকলৰ পৃষ্ঠপোষকতাত পাট-শিল্প আৰু বয়ন-বিদ্যা অপূৰ্বভাৱে শ্ৰীমণ্ডিত হৈছিল। আহোমসকলেই কিংখাপ, মেজাঙ্কৰী আৰু সোণালী-ৰূপালী গুণাৰ কাম কৰা কাপোৰৰ ব্যৱহাৰ কৰে।

বিধৱাৰ বাহিৰে অসমীয়া জীয়ৰী-বোৱাৰীয়ে সাধাৰণতে উকা সাজ-নিপিন্ধে। ফুলবছা নহ'লেও শেল দিয়া ৰিহা-মেখেলা চেলেংহে সধৱা তিৰোতা আৰু জীয়ৰী-বোৱাৰীয়ে ব্যৱহাৰ কৰে। আনকি, সদায় ব্যৱহাৰ

কৰা গামোচা এখনতো তেওঁলোকে ফুল বাছি সহজ সৌন্দৰ্য-প্ৰীতিৰ চিনাকি দিয়ে। প্ৰকৃতিৰ ৰূপ-ৰঙৰ প্ৰতিও অসমীয়া তিৰোতা সমানে সজাগ। চৰাই, পখিলা, ভোমোৰা, লতা-ফুল-পাত, জোন-বেলি-তৰাৰ ৰূপ অসমীয়া বোৱনীয়ে স্বাভাৱিকভাৱেই কাপোৰত বাছিব পাৰে। তেওঁলোকৰ কাপোৰত জ্যামিতিক ৰেখাও প্ৰকাশ পায়। কোনো কোনোৱে এই চিত্ৰসমূহবো শাক্ত-তান্ত্ৰিক পূজা-পদ্ধতিৰ লগত সংযোগ কল্পনা কৰে। চক্ৰপূজা বা চীনাচাৰৰ লগত সম্বন্ধ থকা কাপোৰত বছা এই ৰেখাবোৰে শত্ৰু আৰু অপদেৱতা ভয় দূৰ কৰি সৌভাগ্যক আদৰণি জনায় বুলি সাধাৰণৰ বিশ্বাস।

গাঁৱলীয়া তিৰোতাৰ শিল্পৰুচিৰ পৰিচয় তেওঁলোকৰ পিঠা-পনাতো ফুটি উঠে। পিঠা-পনা কেৱল সুস্বাদু, মুখৰোচক আৰু ভোজনবিলাসৰ সামগ্ৰী নহয়, এইবোৰ লোক-শিল্পৰো সৌৰভময় নিদৰ্শন।

•••

## গাঁও

অসমীয়া গাঁও কোনো আৰ্হি বা নিৰ্দিষ্ট আঁচনি অনুযায়ী পতা নহয়; গাঁৱৰ ৰূপটো জ্যামিতিৰ কোনো চিত্ৰৰ লগতো মিলাব নোৱাৰি। গাঁও স্থাপনত ঘাইকৈ স্থান নিৰ্বাচনৰ ওপৰতহে অধিক মন দিয়া হয়। ইয়াৰ কাৰণে ওখ বৰি মাটি, বাজ-আলিৰ কাষ, পুখুৰী, নৈ, নিজৰা আদিৰ পাৰ উপযুক্ত। গাঁও পতা প্ৰসঙ্গত পুৰণি প্ৰবাদ এফাঁকি মন কৰিব লগীয়া ঃ "কূল ল কূল ল নদীৰ কূল ল, সঙ্গ ল সঙ্গ ল জ্ঞাতিৰ সঙ্গ ল।" বিশেষকৈ আগৰ দিনত যাতায়াতৰ সুবিধা আছিল নদীয়েদি; সেই দেখি প্ৰায়বোৰ পুৰণি নগৰ, গাঁও নদীৰ পাৰত পতা হৈছিল। বাট-পথৰ সুচল হোৱাত আহোম যুগৰপৰা আমাৰ দেশত গাঁওবোৰ ঘাইকৈ বাজ-আলিৰ কাষত স্থাপন কৰাৰ ব্যৱস্থা হ'ল। লেজুৰ দৰে দীঘলীয়াকৈ আলিৰ কাষে কাষে গাঁওখন সচৰাচৰ বাঢ়ি যায়। এশাৰীকৈ ঘৰ বহুৱাৰ সুবিধাৰ নিমিত্তেই গাঁওবোৰ দীঘলীয়াকৈ পতা হয়। দুশাৰীয়া ঘৰ থকা অৰ্থাৎ এশাৰী ঘৰৰ পিছপিনে অন্য এশাৰী ঘৰ থকা গাঁও সততে চকুত নপৰে। কেতিয়াবা কেতিয়াবা কেইবাখনো গাঁও লানি নিছিগাকৈ একেপিনেই গঢ়ি উঠে; এখনৰপৰা সিখনক পাৰ্থক্য কৰাই টান। সাধাৰণতে, বহল ধাননিপথাৰ, নৈ, নিজৰা, পুখুৰী, হাবি-বাঁহনিয়ে দুখন গাঁৱৰ মাজত ব্যৱধানৰ সৃষ্টি কৰে। প্ৰতিখন গাঁৱৰে এক ভৌগোলিক সীমাৰ বাহিৰেও সুকীয়া সুকীয়া নাম আছে। এই নামবোৰৰপৰা স্থান-বৈশিষ্ট্য (যেনে—গাখীৰ খোৱা), স্থান-মাহাত্ম্য (শিৱথান), প্ৰকৃতি পৰিচয় (তামোলবাৰী), কোনো জাতিৰ প্ৰাধান্য (গণকপুখুৰী) আদি বুজিব পাৰি। গাঁৱৰ মানুহৰ ঘৰবোৰ, আলিবাট, পুখুৰী, নৈ-জানৰ কাষে কাষে থুপ খুৱাই সজা হয়। পূৰ্বে উল্লেখ কৰা হৈছে অন্য-প্ৰদেশৰ দৰে অসমৰ গাঁৱৰ ঘৰবোৰ কাণে-বাৰে অকণো ঠাই নৰখাকৈ সজা নহয়; অন্য প্ৰদেশৰ দৰে সুকীয়া

বাৰী পাতি আম-কঁঠালৰ খেতি কৰাও নহয়। এঘৰৰপৰা আন ঘৰৰ মাজত যথেষ্ট ব্যৱধান চৌহদত ৰাখি নানা তৰহৰ লাগনী গছ-গছনি ৰোৱা হয়; ইয়ে কাষৰ ঘৰৰপৰা ইয়াক আঁৰ-বেৰ কৰি ৰাখে। প্ৰত্যেক গৃহস্থৰ পিছপিনে আনকি আগপিনেও তামোল-পাণ, কলনি, বাঁহনিয়ে আৱৰি থাকে। সমুখৰ লুংলুঙীয়া বাটেদিহে গৃহস্থৰ ঘৰলৈ অহা-যোৱা কৰা হয়। গাঁৱৰ চাৰিওপিনে ধাননি পথাৰ। এই পথাৰত গাঁৱৰ মানুহৰ খেতিৰ মাটি; এই উমৈহতীয়া পথাৰত সকলোৱে নিজৰ মাটিকেইডৰা উমানতে বিচাৰি উলিয়াব পাৰে।

প্ৰত্যেক গাঁৱৰে জীৱনধাৰণৰ প্ৰণালী কিছু সুকীয়া; অন্য গাঁৱৰ লগত, সাধাৰণতে দূৰৈৰ গাঁৱৰ লগত কিছু অমিল। এই অমিল চাল-চলন, সাজ-পাৰ পিন্ধাৰ ৰীতি, খোৱা-বোৱা, উৎসৱ-অনুষ্ঠান, ক্ৰীড়া-কৌতুকত প্ৰকাশ পায়। কোনো কোনো ক্ষেত্ৰত মাত-কথা অৰ্থাৎ ভাষাৰো তাৰতম্য হয়। এই সাংস্কৃতিক পাৰ্থক্য বিশেষকৈ তিৰোতাসকলৰ মাজতহে দেখা যায়। উদাহৰণস্বৰূপে, ব্ৰাহ্মণ গাঁৱৰ মহিলাই সাজটোৰ তিনিওখন নহ'লেও অন্ততঃ দুখন পিন্ধিবই; কিন্তু কোচ-কৈঁওটৰ গাঁৱৰ তিৰোতাই মেখেলাখনকে বুকুত মেথনি মাৰি পিন্ধে; কোনো গাঁৱত তিৰোতাই ক'লা বোলৰ কাপোৰ বেছি ভাল পায়; কোনো গাঁৱৰ তিৰোতা আৰু ছোৱালীয়ে নাক-ফুল পিন্ধে। সকলো শ্ৰেণীৰ মাছ সকলো গাঁৱতে নেখায়। ৰন্ধা-বঢ়াৰ নিয়ম আৰু খাদ্য-তালিকাৰ শাক-পাচলি, মাছ-মঙহো গাঁওভেদে সুকীয়া। বিয়া-সবাহত গোৱা বিয়ানাম আইনাম আদিৰ সুৰো বিচিত্ৰ।

প্ৰত্যেক গাঁৱেই সৰু সৰু কেইবাটাও থূপৰ একগোট বা সম্প্ৰদায়; এই সম্প্ৰদায়ৰ প্ৰত্যেকৰে লগত প্ৰত্যেকৰ পৰিচয়। গাঁৱৰ মতা-তিৰোতা, ল'ৰা-ছোৱালীৰ মাজত গঢ়ি উঠা একতাবোধৰ গুৰিত এই একেলগে থূপ খাই থকাই মূল কাৰণ; প্ৰাকৃতিক, সামাজিক আৰু ধাৰ্মিক কাৰণসমূহে এই ঐক্যবোধ দৃঢ়তৰ কৰি ৰাখিছে।

সাধাৰণতে, একে গাঁৱতে ভিন ভিন জাতৰ লোক বাস কৰে; অৱশ্যে, প্ৰত্যেক জাতৰে বসতি অঞ্চল বেলেগ; এই সৰু সৰু অঞ্চল হৈছে চুবুৰী, চুক, পাৰা, কুছি। পাঁচ-দহ ঘৰ মানুহ গোট খালেই এটা চুবুৰী বা চুক হয়।



চুবুৰীত সম্প্ৰদায়টোৰ নামেৰেই চুবুৰীটোৰ নাম, যেনে — বামুণকুছি, গণককুছি, কলিতাচুক। কোনো কোনো গাঁৱত একে জাতৰ মানুহৰে বসতি প্ৰধান; ব্ৰাহ্মণ, কোচ, কছাৰী, লালুঙৰ সম্পূৰ্ণ নিজা গাঁৱো আছে।

ব্ৰাহ্মণসকলেই সমাজত সৰ্বোচ্চ শ্ৰেণী; এই ব্ৰাহ্মণ পৰিয়ালসকল বিভিন্ন শ্ৰেণীত ভাগো হয়। কোনো কোনো পুৰোহিত; সন্তান জন্মত, বিবাহত, মৃত্যুত, ধৰ্মানুষ্ঠানত যজমানী কৰায়ে এওঁলোকৰ কাম। কোনো কোনো পৰিয়ালত প্ৰাচীন কালৰেপৰা টোল আছে; এই টোলত ব্ৰাহ্মণৰ ছাত্ৰক শিক্ষা দিয়া হয়; অব্ৰাহ্মণসকলৰ অৱশ্যে ইয়াত প্ৰৱেশ নিষেধ। ব্ৰাহ্মণসকল সাধাৰণতে শাস্ত্ৰীয় জ্ঞানৰ ভাণ্ডাৰ; ধৰ্মসম্বন্ধীয়, আধ্যাত্মিক, নৈতিক, সামাজিক সকলো প্ৰকাৰ উপদেশৰ কাৰণে গঞা তেওঁলোকৰ ওচৰ চাপে। দৈৱজ্ঞ বা গণকশ্ৰেণীৰ ব্ৰাহ্মণে গ্ৰহপূজা কৰে, ধৰ্মানুষ্ঠানৰ দিন গণনা কৰে, অন্নপ্ৰাশন আদিৰ শুভদিন ক্ষণ নিৰ্ধাৰণ কৰে, 'দুষ্ট গ্ৰহৰ কু-দৃষ্টিৰপৰা সাৰিবৰ বিবিধ-বিধান দিয়ে। গৰু হেৰোৱা, মঙ্গল চোৱাৰপৰা ছোৱালী বিচৰালৈকে জীৱনৰ প্ৰায়বোৰ সৰু-বৰ সমস্যাৰ সমাধানৰ কাৰণে দৈৱজ্ঞৰ প্ৰয়োজন। বংশানুক্ৰমিক কুলপুৰোহিতৰ দৰে প্ৰত্যেক পৰিয়ালৰ দৈৱজ্ঞও থাকে; তেওঁলোকে গৃহস্থৰ ঘৰক অন্ততঃ বছৰেকত এবাৰ ঘাইকৈ ব'হাগ মাহত সাক্ষাৎ দিয়ে। পুৰোহিতসকলৰ গাঁৱৰ বাহিৰে চহৰতো শিষ্য থাকে। কামৰূপৰ ব্ৰাহ্মণৰ কোচবিহাৰ, জলপাইগুৰিতো শিষ্য আছে। ইয়াৰ ফলত ব্ৰাহ্মণসকলৰ যোগে গাঁৱৰ লগত বাহিৰৰ সংযোগ ঘটে, নতুন ধৰণ-কৰণ গাঁৱলৈ আহে।

কেৱল যজমানী কৰিয়েই জীৱিকা উপাৰ্জন নকৰে; তেওঁলোকৰ মাটি-বাৰী ভূ-সম্পত্তিও আছে। শ্ৰাদ্ধ আদিত ব্ৰাহ্মণক মাটি দান দিয়াৰ প্ৰথা এতিয়াও আছে। ব্ৰাহ্মণে হাল নধৰে; শিষ্য আৰু গঞাৰ সহায়-সহযোগিতাত তেওঁলোকে খেতি কৰিবলৈ সমৰ্থ হয়।

গাঁৱৰ অন্যান্য সম্প্ৰদায়ৰ ভিতৰত কায়স্থ, কলিতা, কোচ, কৈঁওট, সূত আদিয়েই প্ৰধান। কৰ্ম-অনুসৰি এওঁলোকৰ মাজত বিভিন্ন উপজাত আছে — কুমাৰ-কলিতা, কঁহাৰ-কলিতা, হালোৱা-কৈঁওট, জালোৱা-কৈঁওট

আদি। আকৌ একোটা জাতৰ মাজতে উচ্চ-নীচ প্ৰভেদো আছে — বৰ-কলিতা, সৰু-কলিতা, বৰ-কোচ, সৰু-কোচ। অৱশ্যে অসমীয়া গাঁৱত জাত-প্ৰথা সিমান কট্‌কটীয়া নহয়। বহু জাত-উপজাতে একেখন ৰভাৰ তলতে আৰু একে চৰুতে ৰন্ধা পকান্ন গ্ৰহণ কৰে। ব্ৰাহ্মণ আৰু উচ্চকুলৰ লোকে একেলগে বহি কেঁচা সাঁজ খোৱাত বাধা নাই। এইবোৰ বৈষ্ণৱধৰ্মৰ প্ৰচাৰত সৃষ্টি হোৱা সুফল। এই বিষয়ে ব্ৰাহ্মণ তিৰোতাসকল অৱশ্যে অলপ গোঁড়াপন্থী; তেওঁলোকে আন জাতৰ মানুহৰ ছোৱা-গজা নেখায়; সাধাৰণতে, নিজতকৈ তলৰ জাতৰ মানুহৰ ঘৰলৈ অহা-যোৱা নকৰে। তেওঁলোকে পথাৰত ৰুবলৈ, ধান কাটিবলৈ অথবা জাকৈ লৈ মাছ মাৰিবলৈকো নেযায়।

বিভিন্ন জাত-উপজাত থাকিলেও, এক সম্প্ৰদায়ে আন সম্প্ৰদায়ৰ ওপৰত বহু বিষয়ত নিৰ্ভৰ কৰি চলিব লাগে। দৈনন্দিন জীৱনৰ কাৰ্যত আৰু ধাৰ্মিক-সামাজিক অনুষ্ঠানত এই কথা বঢ়িয়াকৈ প্ৰকাশ পায়। বিবাহ আদি উৎসৱত গাঁৱৰ সকলো জাতৰ লোকেই সহায়-সহযোগ কৰে। ব্ৰাহ্মণে পূজা-হোম কৰে; গঞাই ৰভা সাজি দিয়ে; তিৰোতাই চাউল-চিৰা খুন্দি দিয়ে। আয়তীসকলে পানীতোলা, নোৱনি, সুবাগুৰি তোলা, দৰা-আদৰা আনুষ্ঠানিক কামসমূহ মিলি-জুলি কৰে। কুমাৰে চৰু-মলা আৰু সোণাৰীয়ে গহনা-গাঁঠৰি গঢ়ি দিয়ে। কৈৱৰ্ত ল'ৰাহঁতে ঢুলীয়া-খুলীয়াৰে বাদ্য-সঙ্গীতৰ যোগান ধৰে।

ব্ৰাহ্মণৰ বাহিৰে অন্য সম্প্ৰদায়ৰ জীৱিকা অৰ্জনৰ ঘাই উপায় হ'ল কৃষি। ধানৰ বাহিৰে, মাহ, সৰিয়হ, তিল, মিঠা আলু, ৰঙা আলু, লাও আদিৰ খেতি নদী কাষৰীয়া মাটিত কৰা হয়। আজিকালি কোনো কোনো অঞ্চলত ব্যাপকভাৱে মৰাপাটৰ খেতিও হৈছে। ইয়াৰ বাহিৰেও বাৰীত শাক-পাচলি, লাও-কোমোৰা, বেঙেনা-জলকীয়া, উৰহী-মাহ আদিও কৰা হয়। এইবোৰ ওচৰৰ হাট-বজাৰলৈ বেচিবলৈ নিয়ে। খাদ্যসামগ্ৰী, খাদ্যশস্য আৰু অন্যান্য দৈনন্দিন প্ৰয়োজনৰ বাহিৰে হাটবোৰত হাঁহ-পাৰ, কুকুৰা-গাহৰি, গৰু-ছাগলীবো বেচা-কিনা হয়। কেতিয়াবা কোনো এক বিশেষ দ্ৰব্যৰ বেচা-কিনাৰ বাবে কোনো হাটে প্ৰসিদ্ধি লভে; যেনে—উজনিৰ মেলেঙৰ হাট গৰু বেচ-কিনাৰ কাৰণে চুবুৰীয়া অঞ্চলত জনাজাত। এই হাটবোৰে চুবুৰীয়া



গাঁৱৰ মাজত চা-চিনাকি আৰু মিলা-প্ৰীতিৰ ভাব গঢ়ি তোলে; গাঁৱৰ মানুহৰ বহিৰ্জগতৰ লগত সম্বন্ধ খটুৱায়।

ব্যৱসায়িক আৰু আৰ্থিক সম্বন্ধৰ বাহিৰেও এখন গাঁৱৰ লগত আনখনৰ সামাজিক, সাংস্কৃতিক আৰু ধাৰ্মিক সম্বন্ধও হয়। সাধাৰণতে, নিজৰ গাঁৱতকৈ আন গাঁৱৰ ল'ৰা-ছোৱালীৰ লগত বৈবাহিক সম্বন্ধ বিচৰা হয়। কেতিয়াবা চল্লিশ-পঞ্চাশ মাইল দূৰৈৰ গাঁৱলৈকো ল'ৰা বা ছোৱালী বিচাৰি যাব লাগে। কোনো কোনো গাঁও ধুনীয়া আৰু কাম-কাজত পকৈত ছোৱালীৰ কাৰণে প্ৰখ্যাত। এনে গাঁৱৰ ছোৱালী বিচাৰি বহু দূৰৰ পৰা ল'ৰাৰ বাপেক অথবা আত্মীয়-স্বজন আহে। কোনো গাঁৱৰ ডেকা-ল'ৰাৰ অকামিলা, ধোদৰ পচলা, চৰিত্ৰহীন বুলি কুখ্যাতি আছে; এনে ডেকাৰ কাৰণে ওচৰ-চুবুৰীয়া গাঁৱৰ ছোৱালী পাবলৈ টান; সেই কাৰণে দূৰৈৰ গাঁৱৰ ছোৱালীৰ লগত এই ডেকাবোৰৰ বিয়াৰ সম্বন্ধ বিচাৰিব লগা হয়। এনেকৈ বিবাহৰ যোগে দূৰ গাঁৱৰ মাজত ওচৰ-আত্মীয় সম্বন্ধ গঢ়ি উঠে।

গাঁৱৰ বিভিন্ন জাত-উপজাতৰ মাজত উমৈহতীয়া খেল আছে; কোনো কোনো অঞ্চলত প্ৰত্যেক জাত-উপজাতৰে সুকীয়া খেল থাকে। সমগ্ৰ গাঁৱৰ মুখিয়ালসকলেৰে গঠিত হোৱা খেলে পঞ্চায়তৰ দৰে কাম কৰে। গাঁৱৰ সমস্যা, বাদ-বিসংবাদ, নীতি-নিয়মৰ এই খেলেই বিচাৰ কৰে। ব্যক্তি বা দলে যি দায়-জগৰ লগায় সেই সকলোকে খেলে শাস্তি বিহে। কেতিয়াবা সমাজচ্যুত বা এঘৰীয়া কৰে। খেলে মাৰ্জনা নকৰালৈকে এঘৰীয়াৰ লগত গঞাক জুই-পানী নিষেধ কৰি দিয়া হয়; আৰু এঘৰীয়াৰ ঘৰৰ সন্মুখত টাবচিলিঙি পোতে।

নামঘৰকে কেন্দ্ৰ কৰি খেলৰ মেল-মিটিং বহে। নামঘৰত বিভিন্ন সম্প্ৰদায়ৰ কাৰণে সুকীয়া স্থান থাকে। ওজৰ-আপত্তি নকৰি চলি অহা প্ৰথা অনুসৰি সকলোৱে নিজ নিজ নিৰ্দিষ্ট স্থানত বহে। গাঁৱৰ ঐক্যসাধনত নামঘৰৰ দান অতুলনীয়। প্ৰায়বোৰ উৎসৱেই হয় নামঘৰত, নহয় গাঁৱৰ মুকলি ঠাইত ৰভা সাজি খেলৰ তত্ত্বাৱধানত উমৈহতীয়াভাৱে পতা হয়।

গাঁৱৰ ঐক্যসাধনত পাল পাতি গৰু চৰোৱা প্ৰথায়ো সহায় কৰে। গাঁৱৰ ল'ৰাহঁতে পাল পাতি গৰু চৰোৱা কৌটিকলীয়া নিয়ম। কোন ঘৰৰ পাল কেতিয়া, সেইটো খেলেই ঠিক কৰি দিয়ে। মুনিহ-তিৰোতা সকলোৱে মিলি উলাহেৰে ধানদোৱা, ধানকটা আৰু সমাৰোহেৰে মাছ মাৰিবলৈ যোৱা ক্ৰিয়া-কৰ্ময়ো গাঁৱত সমিলমিলৰ ভাব দৃঢ় কৰে। অসমত উচ্চকুলৰ মতা-তিৰোতাই নিজৰ খাবৰ কাৰণে মাছ মৰা জাতচ্যুত কথা নহয়। এইখিনিতে ইয়াকো উল্লেখ কৰিব পাৰি যে অসংখ্য নৈ-নলা, খাল-ডোং বিল-জলাহৰ কাৰণে অসমত সৰু-ডাঙৰ বিভিন্ন শ্ৰেণীৰ মাছ আছে। সেই কাৰণে ডাঙৰ নৈত মাছ ধৰাতকৈ বিল খালত মাছ ধৰাত অসমীয়া মানুহ অধিক পাকৈত। মাছ ধৰাৰ বহু ফন্দি-কৌশল তেওঁলোকে জানে; তাৰ বাবে নানা বাঁহ-বেতৰ সা-সঁজুলি সাজি লয়। মাছ মৰাৰ কেতবোৰ উপায় হ'ল—যাঠি, বৰ্শী, জাল, বৰশী, জোৰ, চালনী, চাকি (ৰাতি মাছ মাৰোঁতে); বিষ প্ৰয়োগ (জনজাতিসকলৰ); বিল-খালৰপৰা নলা কাটি পানী উলিওৱা (খোকা, চেপা পাতি); গাঁত খান্দি মাছ উলিওৱা; ডেটা দিয়া, চাং পতা (ডেৰা দি), জকৈ, পলৰ সহায়ত।

গাঁৱৰ একতাত সাধাৰণতঃ তিৰোতাসকলেও যোগান ধৰে। গাঁৱৰ তিৰোতাই ঘৰ-পথাৰ উভয়তে পৰিয়ালক সহায় কৰে। বন্ধা-বঢ়া সন্তান আৰু পৰিয়ালৰ আলপৈচান ধৰা সাধাৰণ গৃহস্থালী কামৰ বাহিৰেও তিৰোতাৰ অন্য প্ৰধান কাম হ'ল তাঁতশাল। বাটি কৰাৰপৰা শালত লগোৱালৈকে তাঁতশালৰ কাম কেইবাগৰাকীও তিৰোতাই লগলাগি কৰিব লাগে। সেইদৰে চিৰা-সান্দহ খুন্দাতো চুবুৰীৰ এগৰাকীক আনগৰাকীৰ সহায় লাগে। পথাৰত ভুঁই ৰুবলৈ বা ধান দাবলৈ যোৱাৰ বাহিৰেও প্ৰতিদিন পুৱা-গধূলি দুই-চাৰিগৰাকীয়ে লগলাগি মেল মাৰি মাৰিহে নদী-পুখুৰীত গা ধুবলৈ বা পানী আনিবলৈ যায়; দুই-চাৰিগৰাকীয়ে মিলি-জুলি শাক তুলিবলৈ যায়। কামৰূপত ব'হাগৰ দোমাহীত কেইবাজনীয়ে মিলি শাঠেক তোলা অৰ্থাৎ শাক তোলা উৎসৱ পালন কৰে। সৰাহত গোপিনীসকলৰ আৰু বিয়া উৎসৱত আয়তীসকলৰ সহযোগ অপৰিহাৰ্য। সমিলমিলভাৱে কৰা এই সৰু-বৰ কাৰ্য আৰু অনুষ্ঠানৰ যোগে প্ৰীতিৰ বান্ধোন অলক্ষিতে টান হয়।



এইদৰে লগলাগি অথবা দলবান্ধি কাম কৰাৰ ফলত গাঁৱৰ প্ৰত্যেকেই প্ৰত্যেকৰ ঘৰ-ঘৰোৱাহক জানে; ইজনে সিজনৰ বাৰীপথাৰ গৰু-ছাগলীক নাম আৰু বৰ্ণেৰে চিনি পায়। বয়সিয়ালসকলে প্ৰত্যেক পৰিয়ালৰে আঁতিগুৰি, বংশ, পুৰুষনামা জানে; কোন পৰিয়াল কোন যুগত গাঁৱলৈ আহিছিল তাৰো বুৰঞ্জী মনত ৰাখে। নকৈ আহি বসতি কৰা সকলতকৈ আদিৰেপৰা তথা পৰিয়ালৰ গাঁৱত মৰ্যাদা অধিক। উচ্চ জাতৰে হওক বা নীহ কুলৰেই হওক প্ৰত্যেকেই প্ৰত্যেকক সম্বন্ধ ধৰি মাতে। ব্ৰাহ্মণ বা কলিতা ল'ৰা ছোৱালীয়ে তেওঁলোকতকৈ নীহকুলৰ জ্যেষ্ঠজনক আনকি বেটী-বন্দীকো মোমাই, ককাই, দদাই, মাহী-পেহী, বাই সম্বন্ধ ধৰিহে মাতে। বিভিন্ন জাত-উপজাতৰ মাজত এই মধুৰ সম্বন্ধ যুগ যুগ ধৰি বংশানুক্ৰমে চলি আহিছে।

ল'ৰাৰপৰা বুঢ়ালৈকে সকলোৱে নিজৰ গাঁওখন অন্তৰেৰে ভাল পায়। নিজৰ গাঁৱৰ গুণ-যশ-গৌৰৱ আৰু ওচৰৰ গাঁৱৰ বিৰূপ সমালোচনাৰ মাজেদি নিজৰ গাঁৱৰ প্ৰতি অকৃত্ৰিম প্ৰীতি প্ৰকাশ পায়। গাঁৱৰ ন পুৰণি সকলো বস্তুৰ প্ৰতি গএগৰ গভীৰ শ্ৰদ্ধা। কোলাৰ সন্তানৰ দৰে গাঁৱৰ প্ৰকৃতি তেওঁলোকৰ প্ৰিয়। গাঁৱৰ গছ-গছনি, হাবি-বননি, ঢাপ-ঢাপলিকা, নদী-নলাৰ লগত গাঁৱলীয়া ল'ৰা-ছোৱালীৰ জ্ঞান হোৱাৰপৰা অন্তৰঙ্গ পৰিচয়। গাঁৱৰ ওখ টিলা, বুঢ়া-গছ, থান-সত্ৰ, দেউল-দেৱালয়, কালিকা লগা বিল-খাল—সকলো তেওঁলোকৰ সমানে শ্ৰদ্ধা আৰু পূজাৰ পাত্ৰ।

•••

# ভাষা

লোক-সাহিত্য প্ৰসঙ্গত লোক-ভাষা সম্বন্ধে আলোচনা কৰা হৈছে। অঞ্চল-বিশেষে অসমীয়া ভাষা-সম্প্ৰদায়ৰ মাজত বিভিন্ন কথ্য-ভাষা প্ৰচলিত; এয়ে লোক-ভাষা। শিষ্ট বা সাধু-ভাষাৰ লগত এই লোকভাষা বা উপভাষাৰ ধ্বনি অৰ্থাৎ উচ্চাৰণ-ৰীতি, শব্দৰ প্ৰয়োগ আৰু অৰ্থৰ কিছু পাৰ্থক্য। উদাহৰণস্বৰূপে, অসমৰ কোনো অঞ্চলত অ-ৰ ঠাইত আ, ও-ৰ ঠাইত অ', ও-ৰ ঠাইত উ, ঐ-ৰ ঠাইত এ উচ্চাৰিত হয়। ডক্টৰ কাকতিয়ে কামৰূপী উপভাষাৰপৰা দিয়া কেতবোৰ উদাহৰণ ঃ কাণা, ৰাজা, খৰা (খোৰা), কাপুৰ, তুমাৰ, চুৰ (চোৰ), কন্দে (কৈন্দে), আখে (আখৈ), ইত্যাদি। লোক-ভাষাৰপৰাই ভকতি, মুকুতি, শোলোক, মেলেছ আদি সংস্কৃতৰ যুক্তবৰ্ণৰ অসমীয়াত সহজ উচ্চাৰণ হৈছে; এনে ধৰণৰ এশাৰী শব্দ হৈছে—সইত, পুইন, ধইন, কইনা। কেইটামান জটিল বিদেশী শব্দ লোক-মুখত পৰি হৈছে — ইচ্‌কুল (স্কুল), বেৰেঞ্চি (বেঞ্চ), গিলাচ (গ্লাচ)। কেম্বেল আৰু গ্ৰেগৰি চাহাবৰ নাম হৈছে কম্বল আৰু গেব্‌গৰি।

বিভিন্ন অঞ্চলৰ লোক-ভাষাত অলেখ মনোৰম শব্দ আছে; এইবোৰৰ সংগ্ৰহে অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ আৰু সৌষ্ঠৱ বঢ়াব। অসমৰ প্ৰকৃতিৰ বিভিন্ন পদাৰ্থৰ নামকৰণত লোক-ভাষাৰ অতুলনীয় দান মন কৰিব লগীয়া। নদ-নদী,গছ-গছনি, ফল-মূল, জীৱ-জন্তুৰ ভালেমান অৰ্থপূৰ্ণ চিত্ৰধৰ্মী নাম সাধু অসমীয়া ভাষাই লোক-মুখৰপৰা সংগ্ৰহ কৰিছে। খোৱা-বোৱা আধ্যাত লোক-ভাষাৰপৰা পোৱা ধান আৰু শাক-পাচলিৰ নামৰ উল্লেখ কৰা হৈছে। লোক-মুখত প্ৰচলিত গছ-গছনি, মাছ-পুঠি, চৰাই-চিৰিকটিৰ কেইটামান চিত্ৰব্যঞ্জক নাম দৃষ্টান্তস্বৰূপে উল্লেখ কৰা হ'ল ঃ সঁফুৰি কঁঠাল, মৌ-ডিমৰু, কেতেকী-সোন্দা (কল), শিমলু মনোহৰ (কল) শ'উ-জুকিয়া-আলু; সেন্দূৰী-



পুঠি, খালৈ-ভাঙী, শিল-ঘৰিয়া, বালি-সুন্দৰী, কুকুৰ-চটিয়া (মাছ), শিল-কেঁকোৰা, বামুণী কাছ, বাঘীয়া কাছ, শালিকা ঠোঁটীয়া (সাপ), শামুক-ভঙা (চৰাই), বেজীয়া-ঘোঁক (চৰাই), বাৰী-সুন্দৰী, পাকৈ-টোৰা, এৰা-খাতী।

ডক্টৰ উপেন্দ্ৰচন্দ্ৰ গোস্বামীয়ে কামৰূপী লোক-ভাষাৰপৰা সংগ্ৰহ কৰা এনে কিছুমান নাম হৈছে ঃ মইদ্‌ফল (অমিতা), হুকুম টেঙা (ৰবাব), মৌউকা (ভেঁট), সক্ৰি (পখিলা), তেল-ভালুকী (পইতা-চোৰা)। বিভিন্ন অঞ্চলৰ লোক-ভাষাত প্ৰচলিত এই নামবোৰৰ সংগ্ৰহ ভাষা-চৰ্চাৰ দিশৰপৰাও মূল্যবান।

এই প্ৰসঙ্গত ভেকো, পদো, কলীয়া, কানীয়া কাতীয়া, মঘাই, ৰঙী, পাহী,পদুমী, আঘোণী, ফুলেশ্বৰী আদি গাঁৱলীয়া মতা-তিৰোতাৰ নামবোৰৰ সৰলতা, স্বতন্ত্ৰতা আৰু বৈশিষ্ট্যও মন কৰিব লগীয়া।

লিখিত ভাষাতকৈ স্বতঃস্ফূৰ্ত লোক-মুখৰ ভাষা অধিক হৃদয়গ্ৰাহী। ই কেৱল সৰল আৰু চিত্ৰধৰ্মী শব্দৰ প্ৰয়োগ হেতুৰেই নহয়, উচ্চাৰণ আৰু কথন ভঙ্গিমাই ইয়াক সঙ্গীতৰ দৰে সুললিত কৰে। অঞ্চল আৰু সম্প্ৰদায়-বিশেষে, আনকি স্ত্ৰী-পুৰুষ ভেদেও লোক-ভাষাৰ সুৰ ভিন। ইয়াৰ লগতে হাত-মুখ, চকুৰ নৃত্য-ভঙ্গীয়েও কথিত ভাষাক ভাব-দ্যোতনাত সহায় কৰে। অঙ্গ-সঞ্চালন লোক-ভাষাৰ পৰিপূৰক; গতিকে, কাণেৰে নুশুনিলে অথবা চকুৰে নেদেখিলে লোক-ভাষাৰ সম্পূৰ্ণ মাধুৰ্য উপলব্ধি কৰিব নোৱাৰি। আনন্দত, শোকত, খঙত, গালিত গাঁৱৰ মতা-তিৰোতাই সুৰ ধৰি আৰু হাত-মুখ-মুৰ জোঁকাৰি মনৰ কথা প্ৰকাশ কৰে। মাৰ্জিত ৰুচিৰ বক্তাই আৰু অধ্যাপকেও কেতিয়াবা নিজৰ বক্তব্য স্পষ্ট আৰু হৃদয়গ্ৰাহী কৰিবলৈ এনে পদ্ধতিৰ অনুসৰণ কৰে।

লোক-ভাষা চিত্ৰসম্পন্ন। যথাযোগ্য আৰু বহু শব্দ প্ৰয়োগ কৰি ভাব প্ৰকাশৰ অক্ষমতাৰ হেতু সাধাৰণ লোকে উপমা-উদাহৰণৰ সহায়ত বক্তব্য চিত্ৰধৰ্মী কৰে। এই চিত্ৰসমূহ সদায় চকুৰ আগত দেখি থকা বস্তুৰপৰা আহৰণ কৰা; গতিকে, বাস্তৱধৰ্মীও। যেনে—টিকা ফটা ৰ'দ; চোতাল চিৰাচিৰ হোৱা ৰ'দ; কলহৰ কাৰণে টলা ৰৰষুণ; তৰা-নৰা ছিঙা লৰ।

খেতি-বাতি, তাঁত-বোৱা, ৰন্ধা-বঢ়া, মাছ-মৰা আদি গাঁৱলীয়া জীৱনৰ লগত জড়িত অলেখ প্ৰবাদ, জতুৱা-ঠাঁচ অসমীয়া ভাষাত গঢ়ি উঠিছে। উদাহৰণস্বৰূপে, মাহৰ মাৰ দেখি তিলে বেঁত মেলা, কথা ওখোনিয়া, বুকুয়ে ধান বনা, ধান-খেৰৰ জুই, পকা-থেকেৰা (বৰ্ণত), কোমল ধুন্দুলিত চিকুট, বেতনিত ঔ পৰিল বাসুদেবায় নমঃ, ধান পকে মানে টুনিৰ মৰণ, বান বঢ়োৱা দি বঢ়োৱা, পতান ধানেৰে উঁৱাল ভৰোৱা, ফাল কাটোতেই মাহৰ বতৰ যোৱা, হেলোঙাৰে কাণ বিন্ধোৱা, চালি-জাৰি থকা, কঠীয়াহে চুটি জেঠতে পৰা, অঁকৰা মৈত উঠা, কণ কঠীয়া মৰা, উলুৰ লগত বাগৰি পোৱা, নল মাৰি গজালি উঠা, শলমাৰি ভঙ্গা, ভেকুৰি তলৰ কথা, (খেতি-বাতি সম্বন্ধীয়); মাকো মৰাদি মৰা, যঁতৰ ঘূৰাদি ঘূৰা, টাকুৰী ঘূৰা, তুলা ধুনাদি ধুনা, ছিৰীচটা যেন চেহেৰা, টোলোঠা মূৰীয়া (তাঁতশালৰ শব্দ); কথাত ফোৰণ, ঢেকুৰা-শাক সিজোৱা ৰান্ধনী উচটাই জোলখোৱা, কাৱৈমাছ বছা দি বছা, শ'ল ঠেকত পেলোৱা, শ'লৰ মাজত শিঙি, শালক শিঙিয়ে হঁহা, সান্দহ খোৱা বালি, চকুক সুখি চাউল সিজোৱা, কথাত আখৈ ফুটা, আৰৈতকৈ উখুৱাৰ খচ্‌খচনি, এই অনা দেওৱা আধা খুন্দা, খুদ খাই পেট নষ্ট কৰা, ধোদৰ পচলা, পঁইতা ভাতত খৰিকা মৰা, দোৱা ভজা ছিৰা, পচলা কটা দিয়া, পচলাত দাঁত ভঙা, তপত ভাতৰ ধোঁৱাই খোৱা, অধিক মাছত বগলি কণা, অলপ পানীৰ মাছ, অঁৰিৰ মূৰ চিতলৰ গদা, ওচৰৰ পুঠি খলিহনা, জনাৰ ভাত মাছ, কাম্ধুলি লুটিয়াপুটি, সাত ঘাটৰ চেঙেলি, দূৰৈৰ বৌ বৰালি, গেলা বৰালিও হাত পৰা, বৰশীৰ মাছ ইত্যাদি (ৰন্ধা-বঢ়া, মাছ-মৰা সম্বন্ধীয়)।

গাঁৱলীয়া মানুহে মনৰ ভাব যিদৰে সহজ-সৰলভাৱে প্ৰকাশ কৰে, সেইদৰে কোনো ৰহন নেসানি অকৃত্ৰিম অথবা অসাধু ৰূপতে শব্দবোৰ প্ৰয়োগ কৰে। তেওঁলোকে 'কাছুটি নাই' নুবুলি 'নাঙঠ' বোলে।

এই বিষয়ে শৰীৰৰ অঙ্গ আৰু জীৱ-জন্তুৰ নাম সংযোগত গঢ়ি উঠা সমাসসিদ্ধ শব্দৰাজি বিশেষ উল্লেখযোগ্য। পোকৰ-এৰা (অসাৱধান), টিকাত কিলোৱা (সম্পূৰ্ণভাৱে), নোম-টেঙৰ, দাঁত-ছেঁলা (নিৰাশ), গৰু-খুন্দা (নীচ),



পঘা-খাঁতী (দুষ্ট তিৰোতা), বোন্দা-থেকেচা (কঠোৰ শাস্তি) বোন্দাপৰ (অপেক্ষা)— শব্দবোৰ অমাৰ্জিত হ'লেও সম্যক ভাৱব্যঞ্জক।

সুৰ-সঙ্গীত প্ৰীতিৰ হেতু গাঁৱলীয়া মানুহৰ মুখৰপৰাই যুৰীয়া আৰু ধ্বন্যাত্মক শব্দসমূহৰ উৎপত্তি হৈছে; লোক-ভাষাৰ মাজতে এই শব্দবোৰ সজীৱ হৈও আছে। আটি-মুটি, আঁচুৰি-পিচুৰি, উকচ্‌কচ, কাঁও-বাঁও, চেলং পেতেং, চিতলং-পাতলং, চেৰেউ-চেৰেউ, জলৌ-জপৌ, টিকচি-বিকচি, থেকেচ-নেকেচ, ফেদ-ফেদা, ফেচ-ফেচা আদি লোক-মুখৰপৰা উৎপত্তি হোৱা এই অলেখ শব্দমালাই অসমীয়া ভাষাক ৰসসমৃদ্ধ কৰি তুলিছে। দুটা বিশেষ্য পদক লগ লগাই নতুন শব্দসৃষ্টিৰ কৌশল লোক-ভাষাৰপৰাই আহিছে — নাম-ঘৰ, সূতা-সাপ, শিল-কপৌ, লতা-পনিয়ল (এইবোৰ প্ৰকৃততে তৎপুৰুষ সমাসসিদ্ধ পদ নহয়)। দুটা বিশেষ্য অথবা বিশেষণক গোট খুৱাই বহুবচন কৰা প্ৰথাও লোক-ভাষাৰ—ভাই-ভাই, ঠাই-ঠাই, ডাঙৰ-ডাঙৰ গছ, ৰঙা-ৰঙা ফুল।

গাঁৱৰ মানুহৰ ভাষাৰপৰাই ভালেমান জতুৱা ঠাঁচ আৰু ফকৰা-যোজনাৰ জন্ম হৈছে বুলি পূৰ্বে কোৱা হৈছে। লোক-ভাষাৰ মাজত জীয়াই থাকি এইবোৰে মাৰ-যোৱা গাঁৱলীয়া চিত্ৰক চিৰস্মৰণীয়, কৰি ৰাখিছে; লগে লগে বিজাতীয় ৰচনা-ৰীতিৰপৰা অসমীয়া ভাষাক স্বতন্ত্ৰতা দান কৰিছে। শিক্ষাৰ বিস্তাৰ, বাটপথৰ সুবিধা, চিনেমা-থিয়েটাৰৰ প্ৰসাৰৰ ফলত সৰ্বজন-ব্যৱহৃত এই সাধুভাষাই আজিকালি প্ৰাধান্য লভিছে যদিও, লোক-ভাষা সম্পূৰ্ণ বিলোপ হোৱা নাই। সাহিত্যিকে এই লোক-ভাষাৰপৰা মনোৰম চিত্ৰধৰ্মী শব্দ চয়ন কৰি সাধু ভাষাৰ সম্পদ আৰু প্ৰকাশিকা শক্তি বঢ়াইছে।

বহুল প্ৰচাৰ আৰু লোক-চিত্ৰ জয় কৰিবলৈ সাহিত্যই লোক-ভাষাৰ সহায় লোৱা কৰ্তব্য। এই প্ৰসঙ্গত ৰবীন্দ্ৰনাথে, সাধুকথাৰ লাগী আৰু এলাগী কুঁৱৰীৰ লগত সাধু আৰু লোক-ভাষাক তুলনা কৰি কৰা মন্তব্য প্ৰণিধানযোগ্য। কবিগুৰুৱে কৈছে—"এলাগী কুঁৱৰীৰ দৰে ইমানদিন লোক-ভাষাৰ ঠাই আছিল জুপুৰিত, ৰান্ধনিঘৰত, গোহালিত, গোবৰৰ ভেৰৰ ওচৰে-পাঁজৰে, চোতালৰ তুলসীতলত। ......কিন্তু মোৰ বিশ্বাস লাগী কুঁৱৰীয়ে বিদায়

ল'ব লাগিব; আৰু এলাগী আহি ৰাজ-আসনত বহিব।" লোক-ভাষাক অনাদৰ আৰু বৰ্জন কৰিলে সাহিত্য এমুঠি মাথোন মানুহৰ মাজতে সংকীৰ্ণ আৰু সীমাবদ্ধ হৈ থাকিব।

•••

# সামৰণি

সংস্কৃতি শব্দই নো কি সূচায় সেই কথা এই পুথিত আলোচনা কৰা বিষয়সমূহৰপৰাই বুজিবলৈ সহজ হ'ব বুলি এই শব্দটোৰ ব্যাখ্যা পুথিৰ শেষলৈ থোৱা হৈছিল। কেৱল অসমীয়াতে নহয় অন্যান্য আধুনিক ভাৰতীয় ভাষাতো সংস্কৃতি শব্দটো নতুন। সম্ভৱতঃ, সৰ্বপ্ৰথম মাৰাঠী ভাষাতেই ইংৰাজী 'কালচাৰ' শব্দৰ প্ৰতিৰূপস্বৰূপে সংস্কৃতি শব্দৰ প্ৰয়োগ হয়। কবিগুৰু ৰবীন্দ্ৰনাথে প্ৰথমে 'কালচাৰ' অৰ্থত কৃষ্টি শব্দ ব্যৱহাৰ কৰিছিল। কিন্তু এই বৈদিক শব্দৰ ব্যুৎপত্তিগত অৰ্থ আছিল 'কৃষকৰ দল', (তুলনা— পঞ্চকৃষ্টয়ঃ)। কিন্তু সংস্কৃতি শব্দটোত সংস্কাৰ সাধনৰ ভাব থকাত আৰু ই ব্যাপকভাৱে জাতিৰ কৃৰ্তি, ধ্যান-ধাৰণা, আচাৰ-শিষ্টাচাৰ সকলো সূচায় বুলি কবিগুৰুৱে পিছলৈ কৃষ্টিৰ ঠাইত সংস্কৃতি শব্দ ব্যৱহাৰ কৰে। এইখিনিতে কোৱা উচিত যে দুই-এজন মানুহে জাতিৰ সংস্কৃতি প্ৰকাশ কৰিব পাৰে যদিও, তাক সৃষ্টি কৰিব নোৱাৰে। সংস্কৃতিৰ জন্ম জাতিৰ জীৱনত; ব্যক্তিৰ ধ্যান-ধাৰণা, আচাৰ-নিয়ম জাতিয়ে পৰীক্ষা আৰু পৰিশোধন কৰিহে গ্ৰহণ কৰে। সেই কাৰণে ই সংস্কৃতি শব্দত সংস্কাৰ আৰু সুন্দৰৰ ভাব নিহিত বুলি অনুমান কৰা হয়।

অধ্যাপক সুনীতিকুমাৰ চট্টোপাধ্যায়ে কোনো কোনো ক্ষেত্ৰত সংস্কৃতিৰ ঠাইত কৃতি শব্দ ব্যৱহাৰ কৰিছে। প্ৰতিভাদেৱী সৌৰৱণী বক্তৃতালানীৰ তেওঁ নামকৰণ কৰিছে ঃ কিৰাত জনকৃৰ্তি। অন্যান্য পণ্ডিতৰ দৰে অধ্যাপক চট্টোপাধ্যায়েও সংস্কৃতিৰ অৰ্থ জাতিৰ জীৱন যাত্ৰাৰ পদ্ধতি বুলি ব্যাখ্যা কৰিছে। জাতিৰ এই জীৱন-যাত্ৰাৰ পদ্ধতি এজন-দুজনৰ দ্বাৰা অথবা কোনো এক যুগত সৃষ্টি নহয়। ইয়াৰ জন্ম সমূহীয়া জীৱনত; আৰু ইয়াৰে এক ধাৰনিছিগা সোঁত জাতিৰ জীৱনত বহু শতাব্দী ধৰি বৈ থাকে। অৱশ্যে, ভৌগোলিক ৰাষ্ট্ৰীয় ধাৰ্মিক, সামাজিক, বিপ্লব, উপপ্লৱত জাতিৰ সংস্কৃতিৰ

পৰিৱৰ্তন নহয় বুলিবও নোৱাৰি। কিন্তু ভাৰতীয় লোকজীৱনত কুৰি শতিকাৰ মাজভাগলৈকে এনে পৰিৱৰ্তন লাহে লাহে আৰু মনিব নোৱৰাভাৱেহে ঘটিছে। গতিকে, আজিৰ লোক-জীৱনৰ থকা-মেলা, খোৱা-বোৱা, পিন্ধা-উৰা, পূজা-অৰ্চনা, আনন্দ-উৎসৱ, গীত-কাহিনীৰ লগত শ শ বছৰৰ পূৰ্বৰ লোক-জীৱনৰ পদ্ধতিৰ পাৰ্থক্য অধিক নহয়।

ভাষাতাত্ত্বিক আৰু নৃতত্ত্ববিদসকলে সংস্কৃতি বিষয়ৰ চৰ্চাত প্ৰধানতে তিনিটা উপাদানৰ উল্লেখ কৰিছে। প্ৰথম, খাদ্য-সংগ্ৰহৰ কৌশল, আশ্ৰয়-স্থান নিৰ্মাণৰ নিপুণতা, প্ৰকৃতিৰ নিজৰ উপযোগী কৰাৰ ক্ষমতা। দ্বিতীয়, সমাজ-ব্যৱস্থা, ব্যক্তিৰ লগত ব্যক্তিৰ সম্বন্ধ, ব্যক্তিৰ লগত সমাজৰ সম্বন্ধ স্থাপনৰ ব্যৱস্থা। তৃতীয়, মানসিক আৰু আধ্যাত্মিক উপাদান—ধ্যান-ধাৰণা, বিনয়-সদাচাৰ, সৌন্দৰ্য-বোধ, সাহিত্য-সুকুমাৰ কলা-প্ৰীতি ।

A Cultural History of Assam গ্ৰন্থৰ প্ৰথম খণ্ডত পুৰণি অসমীয়া সংস্কৃতিৰ বিষয়ে কিছু আলোচনা কৰা হৈছে। যাইকৈ তামৰ-ফলি, শিলালেখ, সংস্কৃত-অসমীয়া প্ৰাচীন পুথিৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি এই বুৰঞ্জী ৰচিত হৈছে। কিন্তু পুৰণি প্ৰমাণ-পঞ্জীত লোক-জীৱনৰ দীঘল বৰ্ণনাৰ অভাব। তদুপৰি, জাতিৰ সম্পূৰ্ণ সাংস্কৃতিক বুৰঞ্জী দুই-চাৰিখন শিলালিপি আৰু লিখিত সাহিত্যৰ ক্ষুদ্ৰ পৰিসৰৰ মাজত পাব নোৱাৰি। জাতিৰ সাংস্কৃতিক বুৰঞ্জীৰ পৰিসৰ জাতিৰ সমগ্ৰ জীৱনব্যাপী থাকে। জাতীয় সংস্কৃতিৰ ইতিহাস সংকলনত সেই কাৰণেই সমগ্ৰ লোক-জীৱন অপৰিহাৰ্য।

এইখিনিতে কোৱা উচিত যে প্ৰাচীন পুথি-পত্ৰত যাইকৈ আৰ্য-ধৰ্মৰহে ব্যাখ্যা-বিৱৰণ আছে। কিন্তু লোক-জীৱনত বেদ-গ্ৰাহ্যতকৈ বেদ-বাহ্য আচাৰ-বিচাৰৰ প্ৰাধান্য। সদা-সৰ্বদা গাঁৱলীয়া মানুহে যিবোৰ নীতি-নিয়ম, ধ্যান-ধাৰণা, চিন্তা-বিশ্বাস, পূজা-পাতল, উৎসৱ-অনুষ্ঠান বাছ-বিচাৰ মানি চলে তাৰ সৰহ ভাগেই সংস্কৃত সাহিত্য আৰু হিন্দুধৰ্মৰ বহিৰ্ভূত। এইবোৰৰ কোনো কোনো নিষাদ-কিৰাত জাতি-উপজাতিৰপৰা অসমীয়া জীৱনত প্ৰৱেশ কৰিছে বুলি 'অসমীয়া ভাষা আৰু সংস্কৃতি' গ্ৰন্থত উল্লেখ কৰা হৈছে। তন্ন-তন্নকৈ লোক-জীৱন অনুসন্ধান আৰু অধ্যয়ন নকৰিলে অসমীয়া



সংস্কৃতিত ইয়াৰে কোনটো আৰ্যৰ আৰু কোনটো আৰ্যেতৰ উপাদান নিৰ্ণয় কৰা কঠিন। গতিকে, এই দৃষ্টিকোণৰপৰাও লোক-সংস্কৃতিৰ চৰ্চাৰ প্ৰয়োজন।

কিন্তু অসমৰ জনজাতিসমূহৰ বিষয়ে বিজ্ঞান-সম্মতভাৱে গ্ৰন্থৰাজি ৰচনা হৈছে যদিও, অসমীয়া লোক-জীৱন সম্বন্ধে এতিয়ালৈকে কোনো পুথি সংকলন হোৱা নাই। বৰ্তমান অৱস্থাত অসমীয়া লোক-জীৱনৰ গৱেষণা-আলোচনাৰ বিশেষ প্ৰয়োজন; কিয়নো, বিজ্ঞানৰ প্ৰসাৰৰ ফলত অসমৰ ভৌগোলিক আৰু প্ৰাকৃতিক অৱস্থাৰ পৰিৱৰ্তনৰ লগে লগে লোক-বিশ্বাসত আৰু লোক-জীৱনৰো বহু পৰিৱৰ্তন ঘটিছে। আগেয়ে য'ত গাঁও আছিল, সেই ঠাইত এতিয়া বিশ্ববিদ্যালয়, তেল শোধনাগাৰ আদি অনুষ্ঠানৰ লগত জড়িত নগৰৰ সৃষ্টি হৈছে। কেতিয়াও বহিৰ্জগতৰ লগত সম্বন্ধ নোহোৱা গাঁৱৰ মাজত আজি বিমান-কোঠ নিৰ্মাণ হৈছে। ইয়াৰ ফলত, লোক-জীৱনৰ সামাজিক-মানসিক সকলো দিশতে দ্ৰুত পৰিৱৰ্তন ঘটিছে। পুৰণি জীৱন-পদ্ধতি সম্পূৰ্ণ বিচ্ছিন্ন নহওঁতেই তাৰ সংগ্ৰহ আৰু সংকলনৰ দৰ্কাৰ। এই পুথিত অসমৰ লোক-সংস্কৃতিৰ সামান্য আভাস এটিহে দিবলৈ চেষ্টা কৰা হৈছে; গতিকে, প্ৰমাণপঞ্জীৰে ভাৰাক্ৰান্ত কৰি ইয়াক বিদ্বান-বিশেষজ্ঞৰ কাৰণে ৰচনা কৰা হোৱা নাই।

যোগ্যজনৰ মন যাতে এই বিষয়লৈ আকৰ্ষিত হয়, সেই উদ্দেশ্যেহে 'অসমৰ লোক-সংস্কৃতি' সংকলন কৰা হ'ল। দুই-চাৰিজন উৎসাহী ছাত্ৰই জাতীয় জীৱনৰ এক মনোৰম বিভাগৰ সংগ্ৰহ-গৱেষণাৰ প্ৰতি মন দিলে এই পুথিৰ প্ৰকাশ সাৰ্থক হ'ব।

•••

# পৰিশিষ্ট

## ১। সংযোজন

১। 'অসমৰ প্ৰকৃতি' নামৰ আধ্যা এটিও এই পুথিত সংযোগ কৰাৰ ইচ্ছা আছিল; আলোকচিত্ৰৰ অভাৱত সেই অধ্যায়টি দিব পৰা নগ'ল।

২। অন্য এটি আধ্যা আছিল 'লোক-মন'; কিছু কথা সংগ্ৰহ কৰিব নোৱাঁৰাত সেই অধ্যায়টিও বাদ পৰিল। অসমীয়া গাঁৱলীয়া মানুহৰ মনটো কেনেকুৰা সেই বিষয়ে তথ্য-পাতি সংগ্ৰহ কৰিবলৈ কেইবাজনো নৃতত্ত্বৰ অধ্যাপকক অনুৰোধ কৰা হৈছে।

৩। ভাষা আধ্যাত লোক-ভাষাৰপৰা সংগ্ৰহ কৰা কিছু শব্দ, জতুৱা-ঠাঁচ সংযোগ কৰাৰ ইচ্ছা আছিল। পুথিৰ আকাৰ শকত হোৱাৰ ভয়ত ভৱিষ্যতলৈ থোৱা হ'ল। বিভিন্ন অঞ্চলত প্ৰচলিত তলত উল্লেখ কৰা বিষয়ৰ শব্দ সংগ্ৰহ কৰি কোনোৱে আমাক সহায় কৰিলে উপকৃত হ'ম।

১। পৰ্বত-পাহাৰৰ নাম
২। নদ-নদীৰ নাম
৩। গছ-গছনি, ফল-ফুলৰ নাম
৪। শাক-পাচলিৰ নাম
৫। জীৱ-জন্তু, পোক-পৰুৱাৰ নাম
৬। মাছৰ নাম
৭। চৰাই-চিৰিকটিৰ নাম
৮। কৃষি সম্বন্ধীয় শব্দ
৯। মাছ-মৰা সম্বন্ধীয় শব্দ



১০। চিকাৰ সম্বন্ধীয় শব্দ
১১। বান্ধনি ঘৰৰ লগত জড়িত শব্দ
১২। তাঁতশাল সম্বন্ধীয় শব্দ
১৩। ঢেঁকীশালৰ শব্দ
১৪। এড়ি-মুগা-পাট সম্বন্ধীয় শব্দ
১৫। কঁহাৰ, কুমাৰ, কমাৰশাল সম্বন্ধীয় শব্দ
১৬। খেল-ধেমালি বিষয়ক শব্দ
১৭। ৰোগ-ব্যাধি বিষয়ক শব্দ
১৮। ভূত-প্ৰেতৰ নাম
১৯। গৃহস্থালিৰ লগত সম্বন্ধ থকা শব্দ
২০। ৰন্ধা-বঢ়া সম্বন্ধীয় শব্দ
২১। সম্বন্ধ বুজোৱা শব্দ
২২। উৎসৱ-অনুষ্ঠানত প্ৰয়োগ হোৱা শব্দ
২৩। গালি-শপনিত প্ৰয়োগ হোৱা শব্দ
২৪। ফকৰা-যোজনা, জতুৱা-ঠাঁচ

৪। 'স্ত্ৰী-আচাৰ' সম্পৰ্কে সংগ্ৰহ কৰা প্ৰবন্ধটিও দিব পৰা নহ'ল। এই বিষয়ে সুকীয়া এখনি পুথি যুগুত কৰাৰ ইচ্ছা থাকিল। তাৰ কাৰণে, কোনোৱে তলত দিয়া দৰে সমল যোগালে কৃতজ্ঞ হ'ম।

১। ছোৱালীৰ নাক-কাণ বিন্ধোৱাত পালন-কৰা আচাৰ
২। কঁকালত প্ৰথম কাছুটি পিন্ধা সম্বন্ধীয় কথা
৩। প্ৰথম ঋতুমতী হোৱা আৰু নোৱাই-তোলনী বিয়া সম্পৰ্কীয় আচাৰ
৪। ঋতুস্ৰাৱকালত পালন কৰা আচাৰ
৫। সখী-পতা অনুষ্ঠান
৬। বিভিন্ন প্ৰকাৰৰ বিবাহৰ বৰ্ণনা
৭। বিবাহত পালন কৰা স্ত্ৰী-আচাৰ (ভিন অঞ্চলৰ ভিন-আচাৰ)

৮। প্ৰথম স্বামীৰ ঘৰলৈ যাওঁতে পালন কৰা আচাৰ

৯। প্ৰথম সন্তান জন্মত পালন কৰা আচাৰ

১০। তিৰোতাসকলৰ সুকীয়া উৎসৱ-অনুষ্ঠান, পূজা-সেবা আছে— তাৰ বিৱৰণ

১১। ঘৰ-ঘৰোৱাহ আৰু আত্মীয়-কুটুম্বৰ লগত পালন কৰা আচাৰ

১২। মৃত্যুত পালন কৰা আচাৰ

## ২। শুধৰণী

আৰ্হি কাকত শুধৰোৱাৰ অসাৱধানতাৰ ফলত আখৰ জোঁটনিত ঠায়ে ঠায়ে ভুল ৰ'ল। ইংৰাজী গ্ৰন্থ আৰু প্ৰবন্ধৰপৰা উদ্ধৃত কৰা কেতবোৰ ব্যক্তি, জাতি, অনুষ্ঠানৰ নাম বিকৃতৰূপে ছপা হৈছে। কোনো ক্ষেত্ৰত একে নামেই দুই ভিন্ন ৰূপত ছপা হৈছে। মূল উচ্চাৰণ নজনাত এইবোৰৰ আখৰ জোঁটনিত ভুল-ভ্ৰান্তি ৰ'ল। পাঠকসকলে এইবোৰ সহজে শুধৰাই ল'ব পাৰিব। কিন্তু ২০ পৃষ্ঠাত বিজয়ভূষণ ঘোষচৌধুৰীৰ ঠাইত কিয় বিজয় অধিকাৰী হ'ল— সেই ভুলৰ জগৰীয়া প্ৰেছৰ ভুলক কৰিবলৈকো সাহস নহ'ল।

এই সকলোবোৰ অমাৰ্জনীয় দোষ-ত্ৰুটিৰ বাবে মাৰ্জনা বিচৰা হ'ল।



## ৩। চিত্ৰসূচী

| ক্ৰমিক সংখ্যা | বৰ্ণনা | সংগ্ৰহ-স্থান |
|---|---|---|
| | **মাটিৰ পাত্ৰ আৰু মূৰ্তি** | |
| ১. | সোণালী ৰহন চৰোৱা মাটিৰ পুৰণি কলহ | ৰাজ্যিক সংগ্ৰহালয়, গুৱাহাটী |
| ২. | মাটিৰ পুৰণি ধুপদানি | ৰাজ্যিক সংগ্ৰহালয়, গুৱাহাটী |
| ৩. | পোৰা মাটিৰ প্ৰাচীন নটৰাজ মূৰ্তি | ৰাজ্যিক সংগ্ৰহালয়, গুৱাহাটী |
| ৪. | পোৰা মাটিৰ প্ৰাচীন দশভুজা | ৰাজ্যিক সংগ্ৰহালয়, গুৱাহাটী |
| ৫. | পোৰা মাটিৰ দেৱ-দেৱীৰ পুৰণি মূৰ্তি | ৰাজ্যিক সংগ্ৰহালয়, গুৱাহাটী |
| ৬. | পোৰ মাটিৰ প্ৰাচীন দুৰ্গামূৰ্তি | |
| ৭. | জয়সাগৰত পোৱা আহোম যুগৰ টেৰাকোটা | শ্ৰীভুবনচন্দ্ৰ সন্দিকৈৰ সৌজন্যত |
| ৮. | নৱগ্ৰহত পোৱা প্ৰাচীন ঘট-কলহ | শ্ৰীমাধবচন্দ্ৰ গোস্বামীৰ সৌজন্যত |
| | **কাঠ, বাঁহ, বেতৰ সা-সঁজুলি** | |
| ৯. | কাঠৰ মূৰ্তি | বয়ন বিভাগ, গুৱাহাটী |
| ১০ | কাৰুকাৰ্যমণ্ডিত কাঠৰ শৰাই | বয়ন বিভাগ, গুৱাহাটী |
| ১১. | কাৰুকাৰ্যমণ্ডিত কাঠৰ শৰাই | বয়ন বিভাগ, গুৱাহাটী |
| ১২. | ঠগা | বয়ন বিভাগ, গুৱাহাটী |
| ১৩. | বিভিন্ন ৰূপৰ কাঠৰ শৰাই আৰু বটা | বয়ন বিভাগ, গুৱাহাটী |
| ১৪. | সিংহাসনৰ একাংশ | বয়ন বিভাগ, গুৱাহাটী |
| ১৫. | চিত্ৰমণ্ডিত উৰাল ( প্ৰাচীন) | বয়ন বিভাগ, গুৱাহাটী |
| ১৬. | আহোম যুগৰ কেঁকোৰা-দোলা | ৰাজ্যিক সংগ্ৰহালয় |

| ক্ৰমিক সংখ্যা | বৰ্ণনা | সংগ্ৰহ-স্থান |
|---|---|---|
| ১৭. | আহোম যুগৰ চিত্ৰশোভিত ব-তোলা চুঙা, ফণী আৰু নাচনী | শ্ৰীভুবনচন্দ্ৰ সন্দিকৈৰ সৌজন্যত |
| ১৮. | বাঁহৰ চুঙা (জনজাতীয়) | নৃতত্ব বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় |
| ১৯. | চিত্ৰ-শোভিত বেতৰ চক-চৰা | বয়ন বিভাগ, গুৱাহাটী |
| ২০. | বেতৰ বিচনী | বয়ন বিভাগ, গুৱাহাটী |
| ২১. | বাঁহ-বেতৰ খাং; জপা (জনজাতীয়) | বয়ন বিভাগ, গুৱাহাটী |
| ২২. | বেতৰ জপা | |
| ২৩. | ৰং কৰা পছৰ শিং | |

## কাঁহ-পিতলৰ পাত্ৰ

| ক্ৰমিক সংখ্যা | বৰ্ণনা | সংগ্ৰহ-স্থান |
|---|---|---|
| ২৪. | অসমীয়া আৰু মণিপুৰী বটা | |
| ২৫. | বটা | |
| ২৬. | দুশৰি | |
| ২৭. | বেৰা-কাঁহী ঃ পিতলৰ শৰাই | |
| ২৮. | আহোম যুগৰ ভোগজৰা আদি | শ্ৰীভুবনচন্দ্ৰ সন্দিকৈৰ সৌজন্যত |

## দা

| ক্ৰমিক সংখ্যা | বৰ্ণনা | সংগ্ৰহ-স্থান |
|---|---|---|
| ২৯. | জনজাতীয় বলিকটা দা আৰু তৰোৱাল | নৃতত্ব বিভাগ গুৱাহাটী বিশ্ববিদ্যালয় |
| ৩০. | বিভিন্ন প্ৰকাৰৰ দা | নৃতত্ব বিভাগ গুৱাহাটী বিশ্ববিদ্যালয় |
| ৩১. | পুৰণি বলিকটা দা | নৃতত্ব বিভাগ গুৱাহাটী বিশ্ববিদ্যালয় |



## মাছমৰা আৰু খেতিৰ সঁজুলি

| ক্ৰমিক সংখ্যা | বৰ্ণনা | সংগ্ৰহ-স্থান |
|---|---|---|
| ৩২. | ডিঙৰা, প'ল', জুলুকি, জকাই, চুকি, দাৰকি | নৃতত্ব বিভাগ গুৱাহাটী বিশ্ববিদ্যালয় |
| ৩৩. | পৰং, লোহি, চেকে, চহৰা, চকলেট, আদিল, পৰি, বানা | নৃতত্ব বিভাগ গুৱাহাটী বিশ্ববিদ্যালয় |
| ৩৪. | কাঁইটীয়া মাছধৰা সঁজুলি, দাৰকি, প'লো, বিভিন্ন ধৰণৰ জোৰৰ, কাপ, চহৰা | নৃতত্ব বিভাগ গুৱাহাটী বিশ্ববিদ্যালয় |
| ৩৫. | খেতিৰ সঁজুলি | নৃতত্ব বিভাগ গুৱাহাটী বিশ্ববিদ্যালয় |

## সাজ-পাৰ

| ক্ৰমিক সংখ্যা | বৰ্ণনা | সংগ্ৰহ-স্থান |
|---|---|---|
| ৩৬. | আহোম স্বৰ্গদেৱৰ কিংখাপৰ সাজ | ৰাজ্যিক সংগ্ৰহালয় |
| ৩৭. | আহোমৰ সাজ-পাৰ (সম্ভ্ৰান্ত) | পুৰণি চিত্ৰৰপৰা |
| ৩৮. | ধুতি পিন্ধাৰ বিভিন্ন ৰীতি | পুৰণি চিত্ৰৰপৰা |
| ৩৯. | অজন্তাৰ চিত্ৰত নাৰীবেশ | ইয়াৰ লগত অসমৰ জনজাতীয় নাৰীবেশৰ সাদৃশ্য আছে। এই পুথিৰ ১৭০ পিঠিত দিয়া অজন্তাৰ চিত্ৰৰ লগত অসমীয়া তিৰোতাৰ বুকুত মেখলী বান্ধি মেখেলা পিন্ধা ৰীতি মন কৰিবলগীয়া |
| ৪০. | নৰ্তক-নতকীৰ বেশ | চিত্ৰ ভাগৱত |
| ৪১. | শিৰোবেষ্টন আৰু খোপা বন্ধা ৰীতি | পুৰণি পুথিৰ চিত্ৰৰপৰা |
| ৪২. | নাৰী পুৰুষ, সন্ন্যাসীৰ খোপা বন্ধা ৰীতি | পুৰণি পুথিৰপৰা |
| ৪৩. | কিৰিটি, পাগুৰি, মূৰত বন্ধা | পুৰণি পুথিৰপৰা |

| ক্ৰমিক সংখ্যা | বৰ্ণনা | সংগ্ৰহ-স্থান |
|---|---|---|

## সাজ-পাৰৰ ফুল আৰু চানেকি

৪৪. মেখেলাত তোলা গছ
৪৫. চাদৰৰ, ফুলডৰা, জ্যামিতিক চিত্ৰ
৪৬. মেখেলা
৪৭. মেখেলা
৪৮. মেখেলা
৪৯. মেখেলা
৫০. মেখেলা
৫১. গোঁসাই কপোৰ
৫২. বিহা
৫৩. মেখেলা
৫৪. মেখেলা
৫৫. মেখেলা
৫৬. চাদৰ
৫৭. চাদৰ
৫৮. চাদৰ
৫৯. মেখেলা
৬০. মেখেলা
৬১. জ্যামিতিক চিত্ৰ
৬২. গামোচা
৬৩. গামোচা

## অলঙ্কাৰ-পাতি

৬৪. হাত, নাক, কাণৰ অলঙ্কাৰ } পুৰণি পুথিৰ চিত্ৰৰপৰা
৬৫. অলঙ্কাৰ পিন্ধাৰ ৰীতি



| ক্ৰমিক সংখ্যা | বৰ্ণনা | সংগ্ৰহ-স্থান |
|---|---|---|

৬৬. বিভিন্ন ধৰণৰ মণি আৰু মালা } বয়ন বিভাগ, গুৱাহাটী
৬৭. বিভিন্ন ধৰণৰ খাৰু
৬৮. বিভিন্ন ধৰণৰ অলঙ্কাৰ
৬৯. কাঠ-বাঁহৰ কাকৈ-ফণী — নৃতত্ত্ব বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

## ঘৰ

৭০. সাধাৰণ ঘৰৰ বিভিন্ন অংশ
৭১. সাধাৰণ ঘৰৰ বিভিন্ন অংশ
৭২. সাধাৰণ ঘৰৰ বিভিন্ন অংশ
৭৩. সাধাৰণ ঘৰৰ বিভিন্ন অংশ
৭৪. সাধাৰণ ঘৰৰ বিভিন্ন অংশ
৭৫. টঙি — শ্ৰীমাধৱচন্দ্ৰ গোস্বামীৰ সৌজন্যত

## নৃত্য আৰু বাদ্যযন্ত্ৰ

৭৬. বড়ো নৃত্য } অসম বাণীৰ সৌজন্যত
৭৭. লুচাই নৃত্য
৭৮. বিহু নৃত্য
৭৯. মণিপুৰী নৃত্য
৮০. মণিপুৰী নৃত্য
৮১-৮২. নগা নৃত্য
৮৩. জন-জাতীয় ঢোল

৮৪-৯০ অসমৰ বাদ্যযন্ত্ৰ } অসম বাণীৰ সৌজন্যত
৯১. বাজনৰ ৰীতি
৯২-৯৩. মুখা, ভাওনাৰ মুখা

ক্ৰমিক সংখ্যা বৰ্ণনা সংগ্ৰহ-স্থান

## গাঁৱৰ দৃশ্য

৯৪. গাঁও
৯৫. পথাৰ
৯৬. পথাৰ
৯৭. মাছমৰা
৯৮. তাঁত-বাতি
৯৯. তাঁতশাল
১০০. তাঁতশাল
১০১. চোতালৰ দৃশ্য
১০২. তাঁতশাল
১০৩. এৰি কটা } ৰাজ্যিক ৰেচম বিভাগৰ সৌজন্যত
১০৪. পলু পোহা
১০৫. মুগা কটা (হাজো)
১০৬. পিতলৰ কাম (হাজো)
১০৭. সাধাৰণ দৃশ্য
১০৮. প্ৰাকৃতিক দৃশ্য


## বন্য জন্তু

১০৯. লাজুকী বান্দৰী
১১০-১১২. বনৰীয়া হাতী
১১৩. অসমৰ সম্পদ
১১৪. কাজিৰঙা


শ্ৰীনবেন্দ্ৰনাথ গাঙ্গুলীৰ সৌজন্যত



# মাটিৰ পাত্ৰ আৰু মূৰ্তি



চিত্ৰ নং ১



চিত্ৰ নং ২






চিত্ৰ নং ৩



চিত্ৰ নং ৪





চিত্ৰ নং ৫




চিত্ৰ নং ৬





চিত্ৰ নং ৭



চিত্ৰ নং ৮



# কাঠ-বাহ-বেতৰ সা-সজুলি



চিত্ৰ নং ৯




চিত্ৰ নং ১০






চিত্ৰ নং ১১



চিত্ৰ নং ১২





চিত্ৰ নং ১৩




চিত্ৰ নং ১৪






চিত্ৰ নং ১৫



চিত্ৰ নং ১৬






চিত্ৰ নং ১৭




চিত্ৰ নং ১৮






চিত্ৰ নং ১৯



চিত্ৰ নং ২০



চিত্ৰ নং ২১






চিত্ৰ নং ২২




চিত্র নং ২৩



# কাঁহ - পিতলৰ পাত্ৰ



চিত্র নং ২৪




চিত্র নং ২৫




চিত্ৰ নং ২৬






চিত্ৰ নং ২৭



চিত্ৰ নং ২৮



# মাছ মৰা আৰু খেতিৰ সজুলি




চিত্ৰ নং ২৯




চিত্ৰ নং ৩০



# দা




চিত্ৰ নং ৩১




চিত্ৰ নং ৩২






চিত্ৰ নং ৩৩



চিত্ৰ নং ৩৪





চিত্ৰ নং ৩৫

# সাজ - পাৰ




চিত্ৰ নং ৩৬






চিত্ৰ নং ৩৭



চিত্ৰ নং ৩৮




চিত্ৰ নং ৩৯






চিত্ৰ নং ৪০




চিত্ৰ নং ৪১






চিত্ৰ নং ৪২




চিত্ৰ নং ৪৩



# সাজপাৰৰ ফুল




চিত্ৰ নং ৪৪




চিত্ৰ নং ৪৫






চিত্ৰ নং ৪৬




চিত্ৰ নং ৪৭






চিত্ৰ নং ৪৮



চিত্ৰ নং ৪৯






চিত্ৰ নং ৫০




চিত্ৰ নং ৫১






চিত্ৰ নং ৫২




চিত্ৰ নং ৫৩






চিত্ৰ নং ৫৪




চিত্ৰ নং ৫৫






চিত্ৰ নং ৫৬




চিত্ৰ নং ৫৭






চিত্ৰ নং ৫৮




চিত্র নং ৫৯






চিত্র নং ৬০




চিত্ৰ নং ৬১





চিত্ৰ নং ৬২




চিত্ৰ নং ৬৩



# অলঙ্কাৰ - পাতি



চিত্ৰ নং ৬৪




চিত্ৰ নং ৬৫






চিত্ৰ নং ৬৬




চিত্ৰ নং ৬৭




চিত্ৰ নং ৬৮






চিত্ৰ নং ৬৯

# ঘৰ






চিত্র নং ৭০






চিত্র নং ৭১








শিয়াল টাটি


চিত্ৰ নং ৭২










আলদিয়া খুটাৰ চ'তি



ৰান্ধনি - গাঠি

চিত্ৰ নং ৭৩




চিত্ৰ নং ৭৪





চিত্ৰ নং ৭৫

# নৃত্য আৰু বাদ্যযন্ত্ৰ



চিত্ৰ নং ৭৬





চিত্ৰ নং ৭৭



চিত্ৰ নং ৭৮



চিত্ৰ নং ৭৯





চিত্ৰ নং ৮০




চিত্ৰ নং ৮১




চিত্ৰ নং ৮২






চিত্ৰ নং ৮৩




চিত্ৰ নং ৮৪






চিত্ৰ নং ৮৫




চিত্ৰ নং ৮৬






চিত্ৰ নং ৮৭



চিত্ৰ নং ৮৮






চিত্ৰ নং ৮৯



চিত্ৰ নং ৯০






চিত্ৰ নং ৯০ ক



চিত্ৰ নং ৯১






চিত্ৰ নং ৯২




চিত্ৰ নং ৯৩



# গাঁৱৰ দৃশ্য



চিত্ৰ নং ৯৪



চিত্ৰ নং ৯৫



চিত্ৰ নং ৯৬



চিত্ৰ নং ৯৭





চিত্ৰ নং ৯৮




চিত্ৰ নং ৯৯



চিত্ৰ নং ১০০





চিত্ৰ নং ১০১



চিত্ৰ নং ১০৫




চিত্ৰ নং ১০৬





চিত্ৰ নং ১০৭



চিত্ৰ নং ১০৮






চিত্ৰ নং ১০৯



চিত্ৰ নং ১১৩





চিত্ৰ নং ১১৪

# বিৰিঞ্চি কুমাৰ বৰুৱাৰ ৰচিত গ্ৰন্থ

- A Cultural History of Assam
- Early Geography of Assam
- Assamese Literature (P. E. N. Publication)
- Study on Early Assamese Literature
- Modern Assamese Literature
- Assamese Literature
  (To be published by Sahitya Academy)
- Sankaradeva : Vaisnava Saint of Assam.
- অসমৰ লোক-সংস্কৃতি
- পুৰণি অসমীয়া কথা-সাহিত্য
- কাব্য আৰু অভিব্যঞ্জনা
- জীৱনৰ বাটত (উপন্যাস)
- আঘোণী বাই (গল্প)
- জাতকৰ সাধু (শিশু-পাঠ্য)
- ছুইজাৰলেণ্ড্ ভ্ৰমণ (শিশু-পাঠ্য)
- অসমীয়া ভাষা আৰু সংস্কৃতি
- ভাৰত বুৰঞ্জী
- এবেলাৰ নাট (নাটক)
- সেউজী পাতৰ কাহিনী (উপন্যাস)
- পট পৰিৱৰ্তন (গল্প)
- দেশ-বিদেশৰ সাধু (শিশু-পাঠ্য)

## সম্পাদিত গ্ৰন্থ

- অঙ্কীয়া নাট
- মহামোহ কাব্য
- শ্ৰীৰাম আতা আৰু ৰামানন্দৰ গীত
- বভ্ৰুবাহনৰ যুদ্ধ (যুটীয়া সম্পাদন)
- মধুমালতী (যুটীয়া সম্পাদন)
- মনসা কাব্য (যুটীয়া সম্পাদন)
- কবিতা কুঞ্জ (কবিতাৰ সংগ্ৰহ)
- বৌদ্ধ ধৰ্ম আৰু সাহিত্য
- A History of Assam
  by Sir Edward Gait (In Press)

•••

DATE LABEL

NORTH GAUHATI COLLEGE LIBRARY

This book was taken from the Library on the date last stamped under the rules of the Library. The book is to be returned within 15 days from the date of issue. A fine of 0·25 paise will be charged for each day the book is kept beyond that time.

| Due Date | Due Date | Due Date | Due Date |
| --- | --- | --- | --- |
| ~~7-8-11~~ | ~~7-12-11~~ | ~~19-3-13~~ | 8/2/14 |
| 25.4.13 | | 23.9.14 | ~~25/2/14~~ |
| | | | ~~18.3.14~~ |
| | | | ~~4.4.14~~ |

N. B.—Book lost, defaced of injured in any way shall have to be replaced by the borrower.